

# প্ৰান্ত[illegible]

৫ম ব[illegible] সংখ্যা ১—১৫ জানু[illegible]

## অসমৰ ৰাজনৈতিক মঞ্চ

নতুন নায়ক

নতুন দৃশ্যপট



ৰিব্‌ ৰিব্‌ কৰা শীতল বতাহ, গালত গোলাপী ৰহণ বুলায়
মন মোৰ নিয়ে উৰুৱায়

ভিটামিন ই তেল যুক্ত
লেক্‌মে কল্ড ক্ৰীম।
ঠাণ্ডা বতৰত গালৰ পুষ্টি সাধান কৰি ইয়াত গোলাপী আভা চতিয়াই কোমল আৰু মিহি কৰি তোলে। শুকান অনুভৱ দুৰ কৰি গালত যৌৱনৰ আভা জগায়, ঠাণ্ডা বতৰকো মধুময় কৰি তোলে।




অপৰূপ ৰঙ-ৰূপ, সুন্দৰ অনুভূতি লেক্‌মেৰ সান্নিধ্যত। Lakmé

L/2811a AS

৫ম বছৰ ৩য় সংখ্যা ১—১৫ জানুৱাৰী '৮৬ | মূল্য চাৰি টকা

# প্ৰান্তিক

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

সংযুক্ত সংখ্যালঘু মৰ্চাক কি লাগে? ইয়াৰ নেতৃত্বৰ স্বৰূপ কি নেতৃত্বক ভাষাৰ স্বাৰ্থই পৰিচালিত কৰিছে নে ধৰ্মৰ স্বাৰ্থই পৰিচালিত কৰিছে? যদি কৰিছে তেনেহলে কোনটো ভাষাই? কোনটো ধৰ্মই? কেৱল ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমলৈ অহা বিদেশীসকলৰ ভোট দিয়াৰ অধিকাৰ নাকচ কৰাৰ কাৰণেই এই মৰ্চাৰ জন্ম হ'ল নে? প্ৰয়োজনীয় কিছুমান ঠাই ঘূৰি, প্ৰয়োজনীয় কিছু লোকক লগ ধৰি **পৰাগ কুমাৰ দাসে** যুগুত কৰা বিশেষ প্ৰবন্ধ

**নতুন ৰাজনৈতিক দল ঃ সংযুক্ত সংখ্যালঘু মৰ্চা**



চৰকাৰৰৰ সং-উদ্দেশ্য-প্ৰণোদিত কিছুমান প্ৰতিষ্ঠান বা আঁচনিৰ কথা জনসাধাৰণে ভালকৈ নজনাৰ কাৰণে উদ্দেশ্য অনুসৰি কাম হোৱাত ব্যাঘাত জন্মে। "গাঁৱলীয়া বেংক"ৰ ক্ষেত্ৰতো এই কথা বহু পৰিমাণে খাটে। আঞ্চলিক গাঁৱলীয়া বেংক সম্পৰ্কে এটা পৰিচয়-মূলক প্ৰবন্ধ লিখিছে **ভুবন চন্দ্ৰই বৰাই**।

**কুমুদ গোস্বামীৰ গল্প ঃ অৰণ্য**

**মস্কোৰ মেণ্ডেলিভ ইনষ্টিটিউটত ঃ ডঃ পবিত্ৰ কুমাৰ শৰ্মা**

**বত্ৰিছ বছৰীয়া মুখ্যমন্ত্ৰী ঃ আঁৰত থকা অন্তৰংগ কথা**

## এই সংখ্যাত

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে এটা সময়ত সকলোকে চিঞৰি চিঞৰি কৈছিল:—"অসম-খেন গেল এ, কিবা এটা কৰ।" ০ ০ ০ ০ ৰাজনৈতিক নেতাৰ কথা বেলেগেই, তেতিয়া অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমলৈ হোৱা পূৰ্ব-পাকিস্তানী লোকৰ অবিৰাম সোঁতৰ পৰা অসমৰ যি ভয়াবহ সমস্যা হ'ব পৰা পৰিস্থিতিৰ কথা যেনেভাৱে উপলব্ধি কৰিছিল, তেনেকৈ অসমৰ ৰাইজ তথা বুদ্ধিজীৱীয়েও উপলব্ধি কৰা নাছিল।

**গণেশ দাসৰ প্ৰবন্ধ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ উদ্বেগ** ।১০।

ইংৰাজসকলে অসমলৈ আহি অসমীয়া ভাষাৰ বিশেষ সমৃদ্ধি দেখা নাছিল। কি সামাজিক, কি সাহিত্যিক সকলো ক্ষেত্ৰতে বাঙালীসকলৰ তুলনাত অসমীয়াৰ দুৰ্বলতা তেওঁলোকৰ চকুত পৰিছিল। ...ইংৰাজসকলে বৰ্ণমালা আৰু ৰচনাৰীতিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ মিল ঠাৱৰ কৰিও বহু সময়ত অসমীয়া ভাষাক বাংলা ভাষাৰ লগত সাঙুৰিছিল।

**অসমৰ ভাষিক দুৰ্যোগৰ ইতিহাস ঃ**
**অসম হিতৈষী বিদেশী চাহাবৰ স্বৰূপ ঃ** ।১৭।
**পৰমানন্দ মজুমদাৰ**

যিবোৰ কথা আজি এমাহ আগলৈকে আমাৰ সপোনৰো অগোচৰ আছিল, সি আজি বাস্তৱ হ'ল। যোৱা নিৰ্বাচনটোত গণ পৰিষদে দৰাচলতে নিজৰ বৰীয়াকৈ নিৰ্বাচনী অভিযান চলোৱাৰ কোনো প্ৰয়োজনেই নাছিল। ছটাকৈ বছৰ ধৰি অসমৰ জনসাধাৰণৰ ওপৰত প্ৰশাসনৰ নামত যি অত্যাচাৰ, উৎপীড়ন চলিল, কংগ্ৰেছী গণতন্ত্ৰৰ নামত যি প্ৰহসন চলিল, সেইবোৰেই দৰাচলতে কেতিয়াবাই অসম গণ পৰিষদৰ বাট মুকলি কৰি থৈছিল। অসমৰ বিভিন্ন ঠাইত কৰা ভ্ৰমণৰ ভিত্তিত যুগুতোৱা **পৰাগ দাসৰ প্ৰবন্ধ ঃ**

**অসমৰ ৰাজনৈতিক মঞ্চ ঃ**
**নতুন নায়ক, নতুন দৃশ্যপট** ।২৩।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৫। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। অম্বিকাগিৰীৰ উদ্বেগ ।১০। গ্ৰিনপিছ আন্দোলন ।১৩। ৰঙানদী প্ৰকল্প ।১৫। অসমৰ ভাষিক দুৰ্যোগৰ ইতিহাস ।১৭। প্ৰজ্ঞা ।২১। অসমৰ ৰাজনৈতিক মঞ্চ ।১৩। জীৱনৰ দীঘ আৰু বাণি ।৩৯। দৈনন্দিন ।৪৫। উপন্যাস ।৪৭। কবিতা ।৫১। গল্প ।৫১। কলা-সংস্কৃতি ।৫৫। ক্ৰীড়াংগন ।৫৬। শেষ পৃষ্ঠা ।৫৮।

**মুখ্য সম্পাদক ঃ ডঃ ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

**অংগ সজ্জা** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol. V. No. 3 1—15 January '86

**Prantik**
The Assamese Fortnightly,

P.O. Silpukhuri, Guwahati—781003 Phone: 28751

## পত্ৰালাপ

### গদাপাণি সম্পৰ্কে

আজি কেইমাহমানৰ আগতে নাগালেণ্ডৰ আটাইবিলাক প্ৰধান জনগোষ্ঠীৰ নৃত্যৰ এখন তথ্যচিত্ৰ নিৰ্মাণৰ কাৰণে গোটেই নাগালেণ্ডত ফুৰিবলগীয়া হৈছিল। এই ভ্ৰমণকালত তাত প্ৰচলিত টুংখুঙীয়া ৰাজত্ব যুগৰ এটুকুৰা কাহিনী শুনি আহিলো,— যাৰ উল্লেখ মই টুংখুঙীয়া বুৰঞ্জীত পোৱা নাই। সেয়ে পাঠকসকলক জনোৱাৰ প্ৰয়োজন বোধ কৰিছোঁ। আমি সকলোৱে জানো যে ল'ৰা ৰজাৰ অত্যাচাৰৰ ভয়ত গদাপাণিয়ে নগা ৰাজ্যত আত্মগোপন কৰে, আৰু সম্ভৱতঃ কোনো নগা ৰমণীক তেওঁ পত্নীৰূপেও গ্ৰহণ কৰে। কিন্তু আমি জানোনে নগা ৰাজ্যৰ কোন অঞ্চলত তেওঁ আত্মগোপন কৰিছিল? এই প্ৰশ্নৰ উত্তৰ পালো টুৱেনছাং জিলাৰ লংলেং নামৰ এখন ঠাইত। মককচুং আৰু মন জিলাৰ মাজত অৰ্থাৎ আমগুৰি আৰু সোণাৰিৰ মাজৰ কোনো অঞ্চলত এই জিলা বগলীৰ ডিঙিৰ দৰে আৰম্ভ হৈ ক্ৰমে বহল হৈ দক্ষিণ-পুবলৈকে বিয়পিছে। সেই বগলীৰ ডিঙিৰ অংশটোতে অৱস্থিত লংলেং। তাৰ মানুহে আমাক কলে যে লংলেঙৰপৰা তিনি কিল'মিটাৰ মান আঁতৰত এটি গুহা আছে। তাত আছে এটুকুৰা ডাঙৰ শিলৰ টুকুৰা, চালপীৰাৰ দৰে কটা, ওচৰত মানুহ বহিবপৰা শিলৰ পীৰা আৰু ৰন্ধাৰ ব্যৱস্থা। তেওঁলোকে কলে যে সেয়া হেনো আছিল গদাপাণিৰ আত্মগোপনৰ ঠাই।

প্ৰতিফিল্মটো শুটিং শেষ কৰিয়েই পৰবৰ্তী ঠাইলৈ যাব লগা হৈছিল কাৰণে, বিশেষ কৌতূহল থকা সত্ত্বেও মই ঠাইখিনিলৈ যাব নোৱাৰিলো। কিন্তু মোৰ সহ পৰ্যটনকাৰী, মককচুং জিলাৰ ভাৰপ্ৰাপ্ত জনসংযোগ বিষয়া, শ্ৰীৎচুকমুঙক কথাটো সুধিলো। তেওঁ সত্য বুলি কলে। আৰু কলে যে গদাপাণিয়ে এগৰাকী কনিয়াক ছোৱালী বিয়া কৰাইছিল আৰু তেওঁলোকৰ এটি সন্তানো জন্মিছিল। অসমলৈ উভতি যোৱাৰ সময়ত তেওঁ কনিয়াক পত্নী গৰাকীক লগত লৈ ওলাইছিল। কিন্তু বাটত মহিলাগৰাকীৰ মৃত্যু হয়। সেই কাৰণে সেই মৃত্যুস্থানক এতিয়াও নাগিনী মৰা বুলি কোৱা হয়।

এইখিনিতে এটা প্ৰশ্নৰ উদয় হল— যিটোৰ বিষয়ে শ্ৰীৎচুমুঙেও ভৱা নাছিল। লংলেং ফ'ম জনগোষ্ঠী অধ্যুষিত অঞ্চল; গতিকে তাত কনিয়াক ছোৱালী বিয়া কৰোৱাৰ থল ক'ত? দৰাচলতে সেই সিদিনাখনলৈকে ফ'মসকলক সকলোৱে, আনকি ফ'ম সকলে নিজেও কনিয়াক বুলি জানিছিল। বৃটিছ যোৱাৰ মাত্ৰ কিছুদিনৰ আগতে বহু দিনৰ অনুসন্ধানৰ ফলত জনা গ'ল যে ফ'মসকল পৃথক জনগোষ্ঠী। আৰু এতিয়া ফ'মসকলে নিজক ফ'ম বুলিয়েই উল্লেখ কৰে আৰু ফ'ম হিচাপে গৰ্বও অনুভৱ কৰে। গতিকে লংলেঙৰ কাহিনীটো মানি ললে এইটোও বোধ কৰোঁ মানিব লাগিব যে গদাপাণিয়ে ফ'ম ছোৱালীহে বিয়া কৰাইছিল। এইখিনিতে কোৱা ভাল যে টুৱেনছাং জিলাৰ উত্তৰ পশ্চিমৰ এই অংশৰপৰা পোনে পোনে অসমলৈ ওলাবলৈ তেনে কোনো বাট নাই।

অসমৰ বুৰঞ্জীবিদ সকলে এই কাহিনীৰ সত্যাসত্য সম্পৰ্কে আলোকপাত কৰিবনে?

—কুলদাকুমাৰ ভট্টাচাৰ্য্য,
মিলনপুৰ ৰ'ড, ৰিহাবাৰী, গুৱাহাটী

### লুইতকন্যা

সত্তীয়া কথাছবি আৰু সত্তীয়া-ব্যৱসায়িক নাটকৰ প্ৰায় একচেটিয়া ৰাজত্বৰ যুগত এখন ব্যতিক্ৰমপুৰ্ণ নাটক "লুইতকন্যা" ৰবীন্দ্ৰ ভৱনত (২১।১১।৮৫) উপভোগ কৰিলো। কলিকতাত সংগীত-নাটক একাডেমিয়ে আয়োজন কৰা নাট সমাৰোহত পূৰ্বাঞ্চলৰ পৰা নাটখনিয়ে অসমক প্ৰতিনিধিত্ব কৰিব। পৌৰাণিক জনপ্ৰিয় কাহিনী বেউলা-লখিন্দৰক মূল উপজীব্য কৰি যুগুতোৱা নাটখন অসমৰ প্ৰাচীনতম লোক-সংস্কৃতি ওজাপালিৰ আহিত প্ৰদৰ্শন কৰা হৈছিল। শ্ৰুতিমধুৰ সংগীত আৰু বাদ্যযন্ত্ৰৰ দিশটোও উল্লেখনীয়। তাল, ঢোল, পেঁপা চেতাৰ, হাৰমণিয়াম আৰু তবলাৰ ওপৰত প্ৰাধান্য দিয়া হৈছিল। লোক-গীত, ভাটিয়ালী গীত, বিয়ানাম, বিহুনাচ, দেওধনি নাচ, মিচুকনি গীত, সৰ্পনৃত্য আদিৰ সমাবেশ ঘটোৱা নাটখনিয়ে অসমীয়া লোক-সংস্কৃতিৰ জগত পৰিচয় কৰাই দিলে। এনেকুৱা এখন নাট চোৱাৰ সুযোগ দিয়া বাবে নাট্যকাৰৰ লগতে পৰিচালক শ্ৰীকৰুণা ডেকাক ধন্যবাদ জনাইছোঁ। নিখুঁত অভিনয়ৰ বাবে শিল্পীবৃন্দৰ লগতে অব্যৱসায়িক গোষ্ঠী 'অসম ৰংগমণ্ডল'লৈ (নলবাৰী) অভিনন্দন যাচিছোঁ।

—অৰুণ চন্দ্ৰ ডেকা,
অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউট,
গুৱাহাটী

### প্ৰগতিশীল দৃষ্টিভংগী

মোৰ বন্ধু এজনে আক্ষেপেৰে এদিন কৈছিল, যদি অসমৰ স্বাৰ্থৰ বাবে বহু বিতৰ্কিত ছি· পি· এম· দলে কাম কৰিলেহেঁতেন, তেন্তে তেওঁ ছি· পি· এম· দলকে সমৰ্থন কৰিলেহেঁতেন। কাৰ্ল মাৰ্ক্স, এংগেলছৰ দৰে মনীষীসকলক মোৰ বন্ধুজনে অসীম শ্ৰদ্ধা কৰে, কিন্তু তেখেতসকলৰ নাম ললেই বামপন্থী লোক হোৱাটো সুবুজায় বুলি বিশ্বাস কৰে। প্ৰগতিশীল দৃষ্টিভংগীৰ মহান নেতা কাৰ্ল মাৰ্ক্সে কথা প্ৰসংগত এবাৰ কৈছিল "মই এজন মাৰ্ক্সিষ্ট নহওঁ; ই মোৰ বাবে সুখৰ কথা।"

কৰ্ণাটকত জনতা, পঞ্জাবত আকালি, অন্ধ্ৰ প্ৰদেশত তেলুগু দেশম, ত্ৰিপুৰা আৰু পশ্চিমবংগত বিখ্যাত জাতীয়তাবাদী দল 'ছি· পি· এম,' চিক্কিমত সংগ্ৰাম পৰিষদৰ দৰে অসমৰ ৰাইজেও, এই নিৰ্বাচনৰ পাছৰে পৰা ভাৰতীয় ৰাজনীতিৰ মানচিত্ৰত অসমৰ নাম যোগ কৰক। "অসম গণ পৰিষদ" ধৰ্মনিৰপেক্ষ, প্ৰগতিশীল আৰু অসমৰ উন্নয়নৰ বাবে মাৰবান্ধি থিয় দিব খোজা দল হওক।

—শিশিৰ কুমাৰ দাস,
গুৱাহাটী-১

### সোণৰ ভাণ্ডাৰ

অধিকাৰ সম্পৰ্কে আমি কিমান সজাগ ?: এটা প্ৰবন্ধত পঢ়িছিলো যে অসমৰ শোধিত তেল পাইপেৰে পশ্চিমবংগৰ শিলিগুড়িত থকা তেল-ভাণ্ডাৰত জমা হয় আৰু তাৰ পৰা ৰাজ্যসমূহক তেল বিক্ৰি কৰা হয়। বিক্ৰি-কৰ হিচাপে পঃ বংগ চৰকাৰে বছৰি ৩২ কোটি টকা পায় বুলি পঢ়া মোৰ মনত আছে। যদি এইটো সত্য, তেন্তে অসমৰ দৰে পিছ পৰা এখন ৰাজ্যৰ প্ৰাপ্য উক্ত বৃহৎ পৰিমাণৰ ধন পশ্চিমবংগই কোন যুক্তিত পাই থাকিব? অতি শীঘ্ৰে উক্ত তৈল ভাণ্ডাৰ অসমৰ ৰাজ্যিক সীমাৰ ভিতৰলৈ আনিব লাগে। বঙাইগাঁও এই ভাণ্ডাৰৰ বাবে উপযুক্ত স্থান হ'ব। অসমৰ সমূহ ৰাইজ, ৰাজ্যৰ মুখ্যসচিব, কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ডাঙৰীয়াৰ এই বিসদৃশ ঘটনা দৃষ্টিগোচৰ কৰা হ'ল। (পুনৰ দোহাৰিছোঁ, যদি কথাটো সত্য) উক্ত তৈলভাণ্ডাৰ অসমলৈ স্থানান্তৰ কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই পুনৰ আন্দোলন কৰিব লগা হ'ব নেকি? আৰু তাৰ বাবে পশ্চিম বংগ চৰকাৰে উক্ত বৃহৎ পৰিমাণৰ ধন হেৰুউৱাৰ ভয়ত আন্দোলনটো বিছিন্নতাবাদী বা "বঙালীখেদা" আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কৰিব নেকি? উক্ত তালি-বাজিটো সম্পৰ্কে অনুসন্ধান আৰু জনমত গঠন কৰিব লাগে।

—শিশিৰ কুমাৰ দাস, গুৱাহাটী

### অশ্লীল আলোচনী ঃ

আজি কেইমাহমানৰ পৰা অশ্লীল আলোচনীৰ সংখ্যা অতিপাত বৃদ্ধি পাইছে। এই আলোচনীবোৰৰ মুখ্য উদ্দেশ্য হ'ল ধনঘটা। সাহিত্যৰ আভাৰপৰা এই আলোচনীবোৰৰ দামো আনবোৰ আলোচনীৰ তুলনাত বহুত বেছি। এইবোৰ আলোচনীৰ পৰা আমাৰ বেছিভাগ সৰু-সৰু ল'ৰা-ছোৱালীৰে অনিষ্ট হোৱাৰ সম্ভৱনা প্ৰবল। আলোচনীবোৰৰ বেটুপাতত "কেৱল প্ৰাপ্ত বয়স্কৰ বাবেই" বুলি লিখা থাকে যদিও কিতাপ-দোকানীসকলে সেইটোলৈ লক্ষ্য নাৰাখে। এই আলোচনীসমূহৰ নেপথ্যত দুই-এজন মুখা পিন্ধা ভদ্ৰলোকো আছে। তেওঁলোকে ছদ্মনামেৰেহে কাম চলায়। আমি এই অশ্লীল আলোচনীবোৰৰ বিৰুদ্ধে সজাগ হ'বলৈ সকলোকে অনুৰোধ কৰিছোঁ।

—মুনীন্দ্ৰ কুমাৰ কাকতি,
নৱগ্ৰহ, গুৱাহাটী

### হেলিৰ ধূমকেতু

যোৱা ৫ ডিচেম্বৰৰ সন্ধিয়া ৬-৩০ মিনিটত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত অলপতে স্থাপন কৰা ৮ ইঞ্চি ব্যাসৰ প্ৰতিফলকযুক্ত নিউটনীয় নভোবীক্ষণ যন্ত্ৰত হেলিৰ ধূমকেতু মীন ৰাশিৰ (Pisces) মাজত আৰু খগাশ্বৰ (Pegasus) বৰ্গৰ দক্ষিণত ধৰা পেলোৱা হয়। বৰ্তমানলৈকে কেইবাশও দৰ্শকক হেলিৰ ধূমকেতু দেখুউৱা হৈছে আৰু যোৱা দুসপ্তাহে ইয়াক নিৰীক্ষণ কৰি থকা হৈছে। বৰ্তমানে ধূমকেতুটোক ঘন কুঁৱলীয়ে ঢাকি ৰখা দূৰৰ বিজুলী চাকি এটাৰ দৰে দেখা যায়। নভোবীক্ষণ যন্ত্ৰৰ সৰ্বাধিক পৰিবৰ্ধনত ইয়াৰ নিউক্লিয়াছটো এটা সৰিয়হৰ সমান ডাঙৰ বিন্দু যেন দেখা যায়। বৰ্তমানে ইয়াৰ গেছৰ আৱৰণটো কেন্দ্ৰৰ উজ্জ্বল অংশৰ পৰা পূৰ্বলৈ আঁতৰি যাবলৈ ধৰা দেখা গৈছে; — ই হৈছে ধূমকেতুৰ নেজ-সৃষ্টিৰ পূৰ্বাভাস। যোৱা দুসপ্তাহে ধূমকেতুটোৰ উজ্জ্বলতা বিশেষ বৃদ্ধি পোৱা যেন অনুমান হোৱা নাই। সন্ধ্যাৰ পৰা ৰাতি ৯ মান বজালৈকে অন্ধকাৰ ঠাইৰ পৰা হেলিৰ ধূমকেতু বাইনকুলাৰৰ সহায়েৰে লক্ষ্য কৰিব পৰা যায়। উৎসাহী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ দূৰবীক্ষণত × 10 পৰিবৰ্ধনৰ অভিনেত্ৰ লগাই খগাশ্বৰ দক্ষিণ-পশ্চিমৰ নক্ষত্ৰৰ কেই ডিগ্ৰিমান দক্ষিণলৈ হেলিৰ ধূমকেতু বিচাৰি চাব পাৰে। মনত ৰখা উচিত হ'ব যে হেলিৰ ধূমকেতু বৰ্তমানে দ্ৰুত গতিৰে সূৰ্যৰ কাষ চাপি গৈছে।

—ডঃ কমল বৰুৱা,
অধ্যাপক আৰু বিভাগীয় মুৰব্বী
পদাৰ্থ বিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
১৮।১২।৮৫



## ঘটনা প্ৰবাহ

# অসম গণ পৰিষদ চৰকাৰৰ শুভযাত্ৰা

প্ৰফুল্ল কুমাৰ মহন্তৰ গণ পৰিষদ চৰকাৰে প্ৰথম পাঁচ দিনত লোৱা কেইবাটাও সিদ্ধান্তই চৰকাৰটোৱে সঠিক পথত আগবাঢ়িবলৈ লোৱাৰ ইংগিত বহন কৰিছে। স্বাধীনতা লাভৰ পাছত অসমত এই প্ৰথম আঞ্চলিক স্বাৰ্থসমূহ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিৰে ক্ষমতাত অধিষ্ঠিত হোৱা চৰকাৰটোৰ কামকাজ মূল্যায়ন কৰাৰ সময় হোৱা নাই, তথাপি খোজ কোন পিনে দিছে তালৈ আটায়ে মন কৰি আছে আৰু প্ৰথম খোজ কেইটা সঠিকভাৱেই দিয়া হৈছে বুলি ধাৰণা লৈছে।

প্ৰথমেই আগৰ আমোলৰ প্ৰশাসনীয় গাথনিটো কিছু পৰিমাণে সলাই নতুন প্ৰশাসনীয় গাথনি এটা পাতি লৈছে। এই শিতান লিখিবৰ পৰত পুলিছতো সালসলনি ঘটাবলৈ লোৱাৰ বাতৰি ওলাইছে। চৰকাৰৰ ৰূপটো জনমুখী কৰাৰ উদ্দেশ্যে বহিৰংগ দুই যোৱা (মন্ত্ৰীৰ গাড়ীৰ ছাইৰেন নোহোৱা কৰা ধৰণৰ) পৰিবৰ্তনো কিছু ঘটোৱা হৈছে। প্ৰায় দুই লাখ লোকৰ এটা সমাৱেশৰ মাজত শপত গ্ৰহণ, মন্ত্ৰীৰ বাসভৱন সাজু নোহোৱালৈকে মুখ্যমন্ত্ৰীকে ধৰি ছাত্ৰ মন্ত্ৰীসকলে ছাত্ৰনিবাসৰ পূৰ্বৰ কোঠাতে আগৰ দৰে থাকিবলৈ লোৱা, ৰাজ্যৰ জনসাধাৰণে দিছপুৰলৈ আহি ভিৰ কৰাটো বন্ধ কৰিবলৈ মন্ত্ৰী বিধায়কে নিজে জনসাধাৰণৰ মাজত সৰহভাগ সময় থকাত গুৰুত্ব দিয়া, প্ৰতি সপ্তাহৰ সোম, মঙল আৰু বুধবাৰে মুখ্যমন্ত্ৰীয়ে ৰাইজক সাক্ষাৎ দি সমস্যাৰ বুজ ল'বলৈ ব্যৱস্থা কৰা, গণ পৰিষদৰ বিধায়কসকলক নিজৰ নিজৰ সমষ্টিলৈ গৈ ৰাইজৰ সমস্যাসমূহ অধ্যয়ন কৰি ৭ জানুৱাৰীত প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিয়া— এনেকুৱা ভালেমান ব্যৱস্থাই চৰকাৰটোৰ জনমুখী ৰূপ স্পষ্ট কৰি তুলিছে।

মন্ত্ৰীসভাই প্ৰথম নিৰ্দেশটোৱেই আগৰ চৰকাৰৰ সকলো দমন ব্যৱস্থা প্ৰত্যাহাৰ কৰিছে। আন্দোলনত নিহত সকলৰ পৰিয়ালবোৰক পুনৰ সংস্থাপন দিবলৈ সিদ্ধান্ত লৈছে। খেতিৰ মাটিবোৰ আন উদ্দেশ্যত হস্তান্তৰ কৰাটো বন্ধ কৰি এটা অতি গুৰুত্বপুৰ্ণ সিদ্ধান্ত নতুন চৰকাৰে গ্ৰহণ কৰিছে।

ইতিমধ্যে অহা ৯ জানুৱাৰীৰ পৰা ২১ জানুৱাৰীলৈকে (মাজত মাঘ বিহুৰ বাবে ৯ দিন বন্ধ ধৰি) বিধান সভা বহিব। প্ৰথম দিনা অধ্যক্ষ নিৰ্বাচন আৰু পাছদিনা ৰাজ্যপালৰ ভাষণ অন্যতম কাৰ্যসূচী বুলি ঘোষণা কৰা হৈছে।

মন্ত্ৰী সভাৰ বৈঠক। দৃঢ় পদক্ষেপেৰে কাৰ্যাৰম্ভ



# নিৰ্বাচনৰ পাছত ঃ

## *পাৰ্শ্ব সংলাপৰ টোকা*

### (গোলাম ওচমানিৰ প্ৰধান লক্ষ্য

সংযুক্ত সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক গোলাম ওচমানিয়ে কৈছে ঃ অসম গণ-পৰিষদৰ নিৰ্বাচন-ভেটিটো তৈয়াৰ কৰা অসমীয়া হিন্দুসকলৰ বিৰুদ্ধে অন্যান্য সকলো গোষ্ঠীক সংগঠিত কৰাটো হ'ব সংযুক্ত সংখ্যালঘু মৰ্চাৰ প্ৰধান লক্ষ্য। (The UMF's main objective will be to organise all the other groups against The Assamese Hindus who form the electoral base of the AGP. —The Telegraph, 22.12.85)

আজিৰ ভাৰতত এনেকুৱা ঘোষিত নীতিৰে ৰাজনৈতিক দল পৰিচালনা কৰাটো বিস্ময়কৰ কথা। এইবোৰ কথা কেৱল অসমীয়া হিন্দুৰেই নহয়, কেৱল অসম গণ-পৰিষদেই নহয়, ধৰ্ম-নিৰপেক্ষ ভাৰতৰ সকলোৰে তীক্ষ্ণদৃষ্টিৰে লক্ষ্য কৰিব লাগে।

উল্লেখযোগ্য কথা হ'ল,— নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে এই মৰ্চাটোৰ লগত আচম্বিতে জড়িত হৈ পৰা কিছু লোকৰ যি ধৰণৰ "পুনৰ্বিবেচনা"ৰ কথা শুনা গৈছে, তালৈ চাই, আৰু অসমৰ ইতিহাসলৈ চাই কব পাৰি— গোলাম ওচমানি কেতিয়াও তেওঁৰ ঘোষিত লক্ষ্যত উপনীত হ'ব নোৱাৰিব।

### অসম ই-কংগ্ৰেছৰ দৃষ্টিভংগী

ই-কংগ্ৰেছৰ নামত 'ইন্দিৰা' নামটো আছেই; তাৰ ওপৰতে আকৌ 'ৰাজীৱ গান্ধীৰ ই-কংগ্ৰেছ প্ৰাৰ্থী অমুকক ভোট দিয়ক',— এই ধৰণৰ শ্ল'গান পাৰ্টিৰ কাৰণে, প্ৰাৰ্থীৰ কাৰণে ডাঙৰ দুৰ্বলতা। নিৰ্বাচনী-অভিযানত প্ৰাৰ্থীৰ ছবি আৰু ৰাজীৱ গান্ধীৰ ছবিৰ সমান পয়োভৰে এই দুৰ্বলতা বৰ প্ৰকট কৰি তোলে। নিৰ্বাচনী অভিযান আৰম্ভ কৰা প্ৰথম সুভাষনত ৰাজীৱ গান্ধীয়ে প্ৰতিপক্ষক আক্ৰমণ কৰি, 'গৰম' বক্তৃতা দি ভোটাৰ টনাৰ ব্যৱস্থা কৰিব বুলি অসমৰ ই-কংগ্ৰেছে আশা কৰিছিল; সেই আশা মিছা হ'ল। তাৰ পাছত, শেষৰ ফালে ৰাজীৱ গান্ধীয়ে সেই কামটো কৰি ই-কংগ্ৰেছক সহায় কৰিব বুলি ভবা হৈছিল, কিন্তু তেওঁ শেষলৈকে সেই কামটো নকৰিলে বা কৰিব নোৱাৰিলে বা কৰাৰ উপায় নাই বুলি ভাবিলে বা কৰা উচিত নহয় বুলি ভাবিলে। এতিয়া অসমৰ একাংশ ই-কংগ্ৰেছৰ লোকে ভাবে,— ৰাজীৱ গান্ধীয়ে স্বাৰ্থপৰৰ নিচিনাকৈ কাম কৰিলে; নিজৰ ভাবমূৰ্তি ঠিক ৰাখিবলৈ অসমৰ ই-কংগ্ৰেছক বিসৰ্জন দিলে।

কিন্তু মূল কথাটো হ'ল,— এজন মানুহৰ ওপৰত ভাৰসা কৰি এটা পাৰ্টি চলাব পাৰিনে? ইন্দিৰা গান্ধীয়ে প্ৰবৰ্তন কৰা এই ব্যৱস্থাটো মানুহবোৰে ৰাজীৱ গান্ধীৰ ক্ষেত্ৰতো আশা কৰা উচিত হৈছেনে? আৰু এটা

গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত নিৰ্বাচনী ফলাফল জানিবলৈ উৎসুক জনতাৰ ভীৰ।







গুৰুত্বপূৰ্ণ কথা: এটা ৰাষ্ট্ৰীয় দলে অনবৰত সংখ্যালঘু-সংখ্যালঘু বুলি দল চলাই ৰখাটো লাজৰ নহয় নে?

এইবোৰ আজি অসমৰ ই-কংগ্ৰেছৰ মানুহবোৰেই প্ৰশ্ন।

নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত ৰাজীৱ গান্ধীয়ে দলৰ স্বাৰ্থতকৈ দেশৰ অখণ্ডতা আৰু ঐক্যৰ প্ৰশ্নটো ডাঙৰ বুলি কৈ অসমৰ ই-কংগ্ৰেছ নেতৃবৰ্গৰ বাবে নতুন পাঠ্যক্ৰমৰ পাতনি মেলিছে।

## আন্তঃৰাষ্ট্ৰীয় যুব বৰ্ষ

সমগ্ৰ পৃথিৱীৰ ভিতৰতে আন্তঃৰাষ্ট্ৰীয় যুব-বৰ্ষ অসমতে আটাইতকৈ চকুত লগাকৈ পালন কৰা হ'ল বুলি বাটে-ঘাটে কোৱা হৈছে।

নিৰ্বাচনৰ ফলাফল ঘোষিত হোৱাৰ পাছত নতুন চৰকাৰ সম্পৰ্কীয় কথা-বতৰাবোৰ যিদিনা পতা হ'ল, সেইদিনা আছিল বছৰৰ আটাইতকৈ দীঘল ৰাতি আৰু আটাইতকৈ চুটি দিন। তাৰ পাছদিনাৰে পৰা দিনবোৰ দীঘল হবলৈ ধৰে!

## আন্দোলনৰ মৃত্যু হৈছিল?

পৰাজিত বহুতে কয়—আন্দোলনৰ মৃত্যুৱেই হৈছিল; আন্দোলনকাৰীৰ কংকাল ভাগি গৈছিল; মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই সকলো ছিজিল লগাই আনিছিল, এনে সময়ত ৰাজীৱ গান্ধীৰ কি দৰকাৰ আছিল—আন্দোলনকাৰীক মাতি নি চুক্তি কৰিবলৈ? এই চুক্তি কৰি, নতুনকৈ নিৰ্বাচন পাতিবলৈ মান্তি হৈ ৰাজীৱ গান্ধীয়ে অসমৰ ই-কংগ্ৰেছক ডুবালে।

কিন্তু আন্দোনৰ যদি মৃত্যুৱেই হৈছিল, তেনেহলে মাত্ৰ দুমাহৰ ভিতৰতে ৰাজ্যখনত এনে এটা জাগৰণ সম্ভৱ নে?

প্ৰকৃততে কেৱল পুলিচৰ ভয় আৰু টকা আৰু ক্ষমতাৰ বলেৰে ওপৰে ওপৰে অৱস্থাটো শান্ত কৰি ৰখা হৈছিল, চৰকাৰখনে ভুল বিচাৰৰ পৰা আত্মসন্তুষ্টি লাভ কৰিছিল আৰু কেন্দ্ৰক ভুল খবৰেৰে প্ৰতাৰণা কৰিছিল।

## ৰাইজৰ মত

পূৰ্বাঞ্চলীয় লোক-পৰিষদ, অসম জাতীয়তাবাদী দল, আগৰ ছাত্ৰ সন্থাৰ মানুহ,—এইবোৰৰ হিচাপ যদি ভুলতো এতিয়া কোনোবাই অসম গণ পৰিষদৰ ভিতৰত কৰে, তেন্তে ৰাইজে সেয়া দলটোৰ অক্ষমনীয় অপৰাধ বুলি গণ্য কৰিব। মন্ত্ৰী সভাত ছাত্ৰসন্থাৰ কেইজন সোমাল, পি. এল. পিৰ কেইজন সোমাল— এইবিলাকৰ প্ৰতি ৰাইজৰ কোনো আগ্ৰহ নাই। ৰাইজৰ মানত এতিয়া গণ পৰিষদৰ বাহিৰত চকু ৰাখিবলগীয়া দল কেইটামান আছে, ভিতৰত কোনো উপদল নাই।

## আদৰ্শস্থানীয় অৱস্থা

অসম গণ পৰিষদৰ লোকসভাৰ (পাছলৈ ৰাজ্যসভাতো) সদস্য কেইগৰাকীৰ এটা প্ৰধান কৰ্তব্য হ'ব: তেখেতসকলে দিল্লীক পতিয়ন নিয়াব লাগিব যে নতুন দলটোক ৰাজনৈতিক কূট-কৌশলেৰে ব্যতিব্যস্ত কৰা অনুচিত। যি দুটা পক্ষৰ মাজত অসম চুক্তি সম্পাদিত হৈছে, তাৰ এটা পক্ষ কেন্দ্ৰত আছে, আৰু ইটো পক্ষৰ প্ৰতিনিধিয়ে ৰাজ্য শাসন কৰিছে। চুক্তিখন কাৰ্যকৰী কৰাৰ বাবে এইটো এটা অতি সুন্দৰ, আদৰ্শস্থানীয় ব্যৱস্থা। গতিকে কেন্দ্ৰ আৰু ৰাজ্য উভয়ে সততাৰে কাম কৰা উচিত।

## দূৰদৰ্শনত অসমীয়া


অসমৰ প্ৰতিনিধি হিচাপে সমগ্ৰ দেশৰ আগত দূৰদৰ্শন বা আকাশবাণীৰ যোগেদি যেতিয়া মন্তব্য দিয়াৰ, বক্তব্য প্ৰকাশ কৰাৰ প্ৰয়োজন হয়, তেতিয়া বক্তাজন জ্ঞান, বাগ্মিতা, বচনভংগী, বুদ্ধিমত্তা আদি দিশৰ কিছুমান গুণৰ অধিকাৰী হোৱা উচিত। নহলে হাজাৰ হাজাৰ বুদ্ধিমান শ্ৰোতা-দৰ্শকে নাক-মুখ কোঁচায়। বক্তাজন যদি অসমীয়া হয়, তেনেহলে অসমীয়া শ্ৰোতা-দৰ্শকে লাজত তলমূৰ কৰে।

এতিয়া যি গৰাকীলোকে দূৰদৰ্শনৰ গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক হিচাপে দায়িত্ব লৈছে, তেখেতে ৰেডিঅ'-টেলিভিশ্যনত কথা কৈ মানুহৰ মনত সাঁচ বহুৱাব পৰা অসমীয়া মানুহখিনি চিনি পাবপৰা মানুহ; কাৰণ তেখেতে সুদীৰ্ঘকাল আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰত দায়িত্বপূৰ্ণ আসনৰপৰা কাম কৰিছিল। তেখেতে দিল্লীক পৰামৰ্শ দিব লাগে,—ভৱিষ্যতলৈ কেমেৰাৰ সমুখত গুৰুত্বপূৰ্ণ ৰাজহুৱা আলোচনা-বিলোচনা কৰিবলৈ মানুহ লাগিলে যেন এটা নিৰ্ভৰযোগ্য পদ্ধতিৰে সেই মানুহ নিৰ্বাচন কৰা হয়। কোনে কি মন্তব্য প্ৰকাশ কৰিছে সেইটো বিচাৰ কৰি গ্ৰহণ নাকচ কৰিব পাৰি; কিন্তু বক্তাৰ অদক্ষতাত কেৱল ক্ষোভহে প্ৰকাশ কৰিব পাৰি।

## কাছাৰ

এইবাৰৰ নিৰ্বাচনৰ পৰিসংখ্যাৰ সহায়ত অসমৰ ৰাইজ, আৰু অসমৰ চৰকাৰে কাছাৰ-কৰিমগঞ্জ অঞ্চলটোৰ ভৱিষ্যৎ সম্পৰ্কে এটা সঠিক সিদ্ধান্ত লবলৈ সুবিধা পাব। এই পৰিসংখ্যা আগতেও আছিল, কিন্তু এতিয়া পৰিসংখ্যাবোৰ বিচাৰ কৰাৰ দৃষ্টিভংগীৰ সলনি হ'ব। অসমত মন্ত্ৰীসভা গঠনৰ লগে লগে কাছাৰৰ একাংশ লোকে অঞ্চলটোৰ বাবে আছুতীয়া শাসন-ব্যৱস্থা কৰিবলৈ দাবী জনোৱাটো এনে পৰিবৰ্তিত দৃষ্টিভংগীৰেই ফল। সেই অঞ্চলৰ মুঠ আসন (বিধান সভাৰ) ১৫ খন, তাৰে ই-কংগ্ৰেছে পাইছে ১০ খন। এই দহ গৰাকী বিধায়ক ই-কংগ্ৰেছৰ লোক হোৱাত আপত্তি নাই, কিন্তু এওঁলোকৰ লগত সংযুক্ত সংখ্যালঘু মৰ্চাৰ সদস্যসকলৰ আন্তৰিক পাৰ্থক্য কিমান? এইটো বিধানসভাত প্ৰমাণিত হ'ব। মুঠ আসনৰ সংখ্যা (১২৬—১৫) ১১১, অসম গণ পৰিষদ ৬৪, ই-কংগ্ৰেছ (২৫—১০) ১৫,—এনেকুৱা এটা ফলাফল হোৱা হলে কি হ'লহেঁতেন, সেইটোও বিচাৰ্য। সমুখৰ দিনবোৰত এনে বহু কথা অসমৰ ৰাইজে উচ্ছ্বাস বাদ দি বিচাৰ কৰিব লাগিব।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

কংগ্ৰেছ শতবাৰ্ষিকীৰ সামৰণী উৎসৱটো বোম্বাইত এনে এটা সময়ত অনুষ্ঠিত হ'ল যিটো সময়ত অসমত ধুমমাৰ দি একেবাৰে ধুনি পেলোৱা পাৰ্টিটোত জমাৰ ঘৰত কি আছে তাৰ এটা মূল্য-নিৰ্ধাৰণ চলি আছে আৰু সেই প্ৰক্ৰিয়াত ৰাজীৱ গান্ধী আৰু তেওঁৰ গোষ্ঠীটোৰ, বিশেষকৈ তেওঁৰ গোষ্ঠীটোৰ বিৰুদ্ধে সৰবে ক্ষোভৰ গুৰ-গুৰণি উঠিছে আটাইৰে কাণত বাজি যোৱাকৈ। ই-কংগ্ৰেছ পঞ্জাবত যেতিয়া আকালিৰ হাতত পৰাজিত হয় তেতিয়াই এটা ক্ষীণ কণ্ঠৰ সমালোচনা আৰম্ভ হয়। কিন্তু তাত সেইখন 'এখন বন্ধুত্বপূৰ্ণ খেল' আছিল বুলি তেতিয়া আগবঢ়োৱা এটা উদাৰতাপূৰ্ণ ব্যাখ্যাই গুৰুতৰ বিধৰ প্ৰতিবাদৰ উদগীৰণ ঘটাবপৰা প্ৰতিকূল প্ৰৱণতাটোত ভেটা দিয়ে।

অসমত হোৱা পৰাজয়ে সমালোচকসকলক মুখৰ আৰু আনকি আক্ৰমণাত্মকো কৰি তুলিছে। প্ৰধানকৈ যিসকল লোক শাসনত অধিষ্ঠিত চক্ৰটোৰ লগত কোনো ধৰণে জড়িত নহয় সেইসকলৰ পুৰণি চামটোৰ বাসভৱনত প্ৰায়ে কংগ্ৰেছী লোকসকলৰ যিবোৰ সৰু সৰু বৈঠক বহে সেইবোৰে ৰাজীৱ গান্ধীৰ প্ৰতি বিৰোধিতাৰ আভাস দেখুৱাইছে। কিন্তু ৰাজীৱো তেওঁৰ মাকৰ দৰেই কম-বেছি পৰিমাণে পাৰ্টি আৰু চৰকাৰটোক নিয়ন্ত্ৰণ কৰি মৰ্যাদাৰ দিশৰপৰা ইমান ওখ হৈ পৰিছে যে তেওঁক ফেপেৰি পাতি ধৰিবলৈ মৰসাহ কৰা মানুহ ই-কংগ্ৰেছত নাই বুলিলেই হয়।

ৰাজীৱ গান্ধীৰ কঠোৰ নিৰাপত্তাৰ প্ৰয়োজনবোৰ আৰু দেশৰ বাহিৰে-ভিতৰে তেওঁ কৰি থকা ভ্ৰমণবোৰেৰে তেওঁৰ কাৰ্যতঃ কাষ চাপিব নোৱৰা এই অৱস্থাটোৰ যুক্তিযুক্ততা কিছু পৰিমাণে প্ৰতিপন্ন কৰিব পাৰি। কিন্তু ক্ষুব্ধ এম. পি. সকলে কয় যে সেইবোৰ কথা আন বহু লোকে প্ৰধানমন্ত্ৰীক লগ ধৰাৰ ক্ষেত্ৰত অন্তৰায় হোৱা নাই। তেওঁলোকৰ অভিযোগ হ'ল প্ৰধানমন্ত্ৰীৰ ৰাজনৈতিক সচিব মাখনলাল ফটেদাৰে তেওঁলোকৰ বিৰুদ্ধে

## নিৰ্বাচনী বিপৰ্যয়ৰ পাছৰ কংগ্ৰেছ

বৈষম্যপূৰ্ণ আচৰণ কৰিছে; ফটেদাৰে অভ্যন্তৰীণ নিৰপত্তা মন্ত্ৰী অৰুণ নেহৰুৰ লগত দিহা-পৰামৰ্শ কৰি সাক্ষাৎ প্ৰাৰ্থীসকলৰ তালিকাখন পৰীক্ষা কৰে।

ৰাজীৱ গান্ধীয়ে এইবোৰ কথা গম পায়নে নাপায় সেইটো নিৰ্ণয় কৰা টান, কিন্তু এম. পি. সকলৰ মাজত যে হতশাৰ সৃষ্টি হৈছে আৰু প্ৰধানমন্ত্ৰী আৰু পাৰ্টিৰ সদস্যসকলৰ মাজত যে দূৰত্ব বাঢ়ি গৈছে সেই বিষয়ত সন্দেহৰ থল নাই।

এইবোৰ কথাৰ পৰিণামত প্ৰধানমন্ত্ৰীয়ে খা-খবৰ লোৱাৰ উৎসবোৰ ক্ৰমবৰ্দ্ধমান ৰূপত বাধাগ্ৰস্ত হৈ পৰিছে; অৰুণ নেহৰু অকল শক্তিশালীয়েই নহয়, তেওঁ দেখাতো শক্তিশালী আৰু তেওঁ যেতিয়া এটা ফাইল বা এজন লোকৰ ক্ষেত্ৰত ব্যৱস্থা লয় তেতিয়া তেওঁ সেই কথাটো চকুত নপৰাকৈ পাৰ হৈ যাবলৈ নিদিয়ে। তেওঁ চোৰাংচোৱা এজেন্সীবোৰ তেওঁৰ অধীনত ৰাখিছে (অলপ দিনৰ আগলৈকে সেইবোৰ প্ৰধানমন্ত্ৰীৰ অধীনত আছিল) আৰু কোনটো খবৰ প্ৰধানমন্ত্ৰীৰ মেজ পাবগৈ লাগে সেইটো তেওঁ থিৰ কৰে; আৰু অৰুণ নেহৰু আৰু ফটেদাৰৰ বিৰুদ্ধে বিতৰ্কত প্ৰবৃত্ত হ'বলৈ মানুহে খুব ভয় কৰে।

ইয়াৰ পৰিণতিত প্ৰধানমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা সাৰদা প্ৰসাদে প্ৰধানমন্ত্ৰীৰ আগত দাখিল কৰা কেতবোৰ বাচকবনীয়া বাতৰিৰ (প্ৰেছ ক্লিপিং) বাহিৰে আন যিখিনি ৰাজীৱ গান্ধীৰ ওচৰ পায়গৈ সেইখিনি হ'ল অৰুণ নেহৰু আৰু ফটেদাৰ হাত ফুৰাই পঠিওৱা (processed) খিনি তাৰ ভিতৰত প্ৰধানমন্ত্ৰীলৈ লিখা চিঠিপত্ৰবোৰো পৰে। প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্য পৰ্যায়ৰ মন্ত্ৰী অৰুণ সিং এতিয়াও প্ৰধানমন্ত্ৰীৰ অতি ঘনিষ্ঠ, কিন্তু প্ৰধানমন্ত্ৰীৰ সংসদী সচিব থাকোতে তেওঁ যিদৰে ফাইল-পত্ৰ পাৰ পাৰিছিল এতিয়া সেইদৰে নোৱাৰে।

এটা ৰাজনৈতিক দলত, বিশেষকৈ সকলো ক্ষমতা আৰু পৃষ্ঠপোষকতা শীৰ্ষস্থানত কেন্দ্ৰীভূত হৈ থকা ই-কংগ্ৰেছৰ দৰে এটা ৰাজনৈতিক দলত প্ৰধানমন্ত্ৰীৰ ওচৰলৈ যাব মেলিব পৰাটো এটা অতি মূল্যবান বুলি গণ্য হোৱা পুৰস্কাৰ আৰু এম. পি, উদ্যোগপতি আৰু অন্যান্য সকলে সেইটো বিচাৰে। আৰু ঠিক এই খিনিতে অৰুণ নেহৰু আৰু ফটেদাৰৰ কেৰামতি। তেওঁলোক দুজনেই লোকসভা আৰু বিধানসভাৰ নিৰ্বাচনবোৰৰ বাবে ই-কংগ্ৰেছৰ টিকট বিচাৰি কৰা আবেদনবোৰত বিশেষ প্ৰক্ৰিয়া প্ৰয়োগ কৰে। আৰু বহুত নিৰ্বাচিত সদস্যই বিশ্বাস কৰে যে তেওঁলোক এওঁলোক দুজনৰ ওচৰত কৃতজ্ঞতাৰ পাশত আবদ্ধ। এইবোৰ ঘটনাক্ৰমৰ সূত্ৰেই দুয়োজন শক্তিশালী হৈ পৰিছে।

এই মুহূৰ্তত ৰাজীৱ গান্ধীৰ ব্যক্তিগত জনপ্ৰিয়তাৰ পুঁজি ইমান বেছি যে তেওঁ ই-কংগ্ৰেছৰ ভিতৰত বা

১২ পৃষ্ঠাত চাওক



OKDISCD

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ উদ্বেগ

গণেশ দাস

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বহু বছৰ আগৰপৰাই অসমলৈ হোৱা প্ৰব্ৰজন, আৰু তাৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ভয়াবহ সংকটৰ বাবে উদ্বিগ্ন হৈ পৰিছিল। তেওঁ এটা সময়ত সকলোকে চিঞৰি চিঞৰি কৈছিল,— "অসম খেন গেল এ, কিবা এটা কৰ"। তেতিয়া শাসনাধিষ্ঠ দলৰ ৰাজনৈতিক নেতাসকলে ৰাজহুৱাভাৱে ৰায়চৌধুৰীক সাম্প্ৰদায়িক ভাবাপন্ন বুলি সমালোচনা কৰিছিল ; আৰু তেওঁক অসমত অধিক শস্য-উৎপাদন আঁচনি কাৰ্যকৰী কৰিবলৈ পশ্চিমৰ পমুৱা আমদানি কৰা ছাৰ-ছাদুল্লা চাহাবৰ নীতিৰ পৰিপন্থী ভাবধাৰাৰ লোক বুলিও মন্তব্য কৰিছিল। ৰাজনৈতিক নেতাৰ কথা বেলেগেই, তেতিয়া অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমলৈ হোৱা পূৰ্ব-পাকিস্তানী লোকৰ অবিৰাম সোঁতৰপৰা অসমৰ যি ভয়াবহ সমস্যা হ'ব পৰা পৰিস্থিতিৰ কথা যেনে ভাবে উপলব্ধি কৰিছিল, তেনেকৈ অসমৰ ৰাইজ তথা বুদ্ধিজীৱীয়েও উপলব্ধি কৰা নাছিল।

শ্ৰীহৰেন বৰুৱাৰ সম্পাদনাত বহুল প্ৰচাৰিত দৈনিক "নতুন-অসমীয়া" বাতৰি-কাকতত বৰপেটা মহকুমাকে ধৰি অসমৰ কিছুমান ঠাইত অনুপ্ৰবেশকাৰীৰ সমস্যাটোৱে যি সংকটৰ সৃষ্টি কৰে সেই সম্বন্ধে বাতৰি আৰু সম্পাদকীয় প্ৰবন্ধ বহুতো প্ৰকাশ পায়। ১৯৬৬ চনৰ তিনি আগষ্ট তাৰিখৰ দৈনিক নতুন-অসমীয়া কাকতত বৰপেটাৰ নিজা বাতৰি দিওঁতা হিচাপে এই প্ৰবন্ধ-লেখকে পৰিবেশন কৰা বৰপেটা মহকুমাত পাক-অনুপ্ৰবেশকাৰীয়ে সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিৰ তথ্য ভিত্তিক বাতৰি এটা প্ৰকাশ পায়। শ্ৰীৰায়চৌধুৰীয়ে সেই বাতৰিৰ ভিত্তিত বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ আৰু সমূহ ভকতলৈ উদ্দেশ্যি এখন চিঠি লিখে। ৬।৮।৬৬ তাৰিখে লিখা তেওঁৰ চিঠিখনৰ হুবহু প্ৰতিলিপি এনে ধৰণৰ :

শ্ৰীশ্ৰীবৰপেটা সত্ৰৰ মাননীয় সত্ৰাধিকাৰ আৰু সমূহ ভক্তবৃন্দৰ সমীপেষু—


বহুমান্যস্পদেষু,

বৰপেটাৰ বাতৰি দিওঁতাই পৰহি ৩।৮।৬৬ তাৰিখৰ দৈনিক "নতুন অসমীয়া"ত লিখা কথাখিনি সত্ৰীয়া-সমূহ সমন্বিতে আপোনালোক সকলোৱে নিশ্চয় পঢ়িছে। তথাপি মই উক্ত দৈনিক কাকতখনৰ কাটিং এটা অনুগ্ৰহ কৰি পঢ়ি চিন্তা কৰি চাবলৈ আপোনালোকলৈ এই চিঠিৰ লগতে পঠালোঁ। বিষয়টো বিশেষকৈ বৰপেটা সত্ৰ আৰু মহকুমাৰ বাবে কিমান ভয়াবহভাৱে গুৰুত্বপূৰ্ণ, সেইটো, বৰপেটা সত্ৰত যদি গুৰু দুজনাৰ প্ৰভাৱ অন্তৰত থকা কোনো প্ৰকৃত মানুহ আছে, তেন্তে তেৰাসকলে নিশ্চয় বুজি পাব, উপলব্ধি কৰিব, আৰু তাৰ প্ৰতিকাৰৰ বাবে যৎপৰোনাস্তি যত্ন কৰিব। যদি তেনে কোনো মানুহ নামৰ যোগ্য মানুহ বৰপেটা সত্ৰত নাই, তেন্তে বৰপেটা সত্ৰ তথা মহকুমাৰ শোচনীয় পৰিণাম সম্বন্ধে চিন্তা কৰিলেও গা শিয়ৰি উঠে। এই সম্বন্ধে আগতে বহু সময়ত বহুবাৰ মই মোৰ বৰপেটাৰ ভাই-ভনীসকলৰ আগত কৈ বিফল হৈছোঁ। কিন্তু এইবাৰ শেষ সময়। মোৰ কথাৰ মূল্য উপলব্ধি কৰিব নোৱৰাৰ বাবে বৰপেটাত আজি যি বিপদ ঘনীভূত হৈ উঠিল, সেইটো আশা কৰোঁ— সকলোৱে বুজিছে। এই শেষ সময়তো যদি বৰপেটা প্ৰতিকাৰৰ বাবে সচেষ্ট নহয়, তেন্তে ইয়াৰ পাছত আৰু বৰপেটাক ৰক্ষা কৰিবলৈ কোনো পথ নাথাকিব। আৰু ভৱিষ্যৎ বংশধৰ সকলে চিৰকাল সত্ৰাধিকাৰসমূহ আৰু বৰ্তমান নেতা সকলক অভিশাপ দিব।

মই সনিৰ্বন্ধ অনুৰোধ কৰিলোঁ, সত্ৰাধিকাৰ আৰু সমূহ ভকতসকলে বৰপেটাৰ কংগ্ৰেছী-অকংগ্ৰেছী আৰু অন্যান্য দলবিলাকক অতি শীঘ্ৰে নিমন্ত্ৰণ কৰি এখন সভা পাতি ইয়াৰ ফলপ্ৰসূ প্ৰতিকাৰ তুৰন্তে হাতত লওক, উক্ত পাকিস্তানী অবৈধ ভোটাৰ সকলক ভোটাৰ লিষ্টৰ পৰা নাকচ কৰক। আৰু ভৱিষ্যৎ অভিশাপৰ পৰা মুক্ত হবলৈ আকাঙ্ক্ষা কৰক। ইতি

বিনয়াবনত—

শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী



শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী


গুৱাহাটী


৬।৮।৬৬

শ্ৰীশ্ৰীবৰপেটা সত্ৰৰ মাননীয় সত্ৰাধিকাৰ আৰু সমূহ ভকতবৃন্দ সমীপেষু—

শ্ৰীৰায়চৌধুৰীৰ চিঠি পাই বৰপেটা সত্ৰ প্ৰাংগনত তেতিয়াৰ সত্ৰাধিকাৰ স্বৰ্গীয় চন্দ্ৰ কান্ত দেৱ মিশ্ৰৰ পৌৰাহিত্যত এখন সভা আহ্বান কৰা হৈছিল। সত্ৰত সেই উদ্দেশ্যে সভা পতা খবৰ পাই ৰায়চৌধুৰীয়ে উৎফুল্লিত হৈ সত্ৰাধিকাৰ স্বৰ্গীয় চন্দ্ৰকান্ত দেৱ মিশ্ৰ আৰু শ্ৰীপ্ৰসন্ন লাল চৌধুৰীলৈ তাঁৰবাৰ্তাৰে শুভেচ্ছা জ্ঞাপন কৰে। তাৰ বাৰ্তাটো আছিল : Congratulate Samuha satriya public for public meeting on sunday eighteenth (stop) Pay god effective success (stop) Hoping grim determination (stop). Life and death problem for barpeta (stop) No respite till last pakistani intruder expelled—Ambikagiri Raychoudhury. সভাখনত কিন্তু কোনো ৰাজনৈতিক নেতাই সহযোগ কৰা নাছিল। সভাত পাক অনুপ্ৰবেশকাৰী বহিষ্কৰণৰ দাবীত আৰু ভোটাৰ তালিকাৰ পৰা বিদেশী ভোটাৰৰ নাম বাদ দিয়াৰ দাবীত কেইবাটাও প্ৰস্তাৱ লোৱা হৈছিল। সভাৰ শেষত এই লেখকক এজন ভাৰতীয় কমিউনিষ্ট দলৰ নেতাই ইতিকিং কৰা ধৰণে কৈছিল,—"তোমাৰ বাতৰিৰ খোৰাকৰ বাহিৰে ইয়াৰ পৰা একো লাভ নহয় দিয়া।"

১৯৬৭ চনৰ দুই জানুৱাৰী তাৰিখে ৰায়চৌধুৰী স্বৰ্গী হয়। জীৱনৰ শেষ সময়ত, স্বৰ্গগামী হোৱাৰ মাত্ৰ চাৰিমাহ পূৰ্বে বৰপেটাৰ ৰাইজে বিদেশী প্ৰশ্নত (১৯৬৬ চনৰ ওঠৰ আগষ্টত) প্ৰথম সভা-সমিতি পতা দেখি এটা ক্ষীণ আশা ৰায়চৌধুৰীৰ মনলৈ আহিছিল। তেতিয়াৰ পৰা আজি প্ৰায়— কুৰি বছৰ পাছত বিদেশী-নাগৰিকৰ সমস্যাক কেন্দ্ৰ কৰি গঢ়ি উঠা অসম-আন্দোলনৰ পৰিপ্ৰেক্ষিততে গঠিত হোৱা অসমত অসম গণ পৰিষদৰ চৰকাৰে অসমৰ শান্তি-সম্প্ৰীতি আৰু প্ৰগতি সাৰোগত কৰি বিদেশী সমস্যাটো শান্তিপূৰ্ণ উপায়ে সমাধান কৰাটোৱেই হ'ব চৰকাৰখনৰ বাবে এক পবিত্ৰ কৰ্তব্য। তেতিয়া অসমৰ আন্দোলন কালৰ শ্বহীদসকলৰ লগতে স্বৰ্গীয় ৰায়চৌধুৰীৰ আত্মায়ো শান্তি পাব।



৯ পৃষ্ঠাৰ পিছৰ পৰা

বাহিৰত কোনো প্ৰত্যাহবানৰ সম্মুখীন হোৱা নাই : তেওঁক লগ ধৰিব নোৱৰা এম-পি-সকলৰ মনোবেদনা লৈও তেওঁ চিন্তিত হ'ব লগা নাই। কিন্তু তেওঁ যদি এইদৰে পাৰ্টিৰ পৰা বিচ্ছিন্ন হৈয়ে থাকে তেতিয়াহ'লে এদিন তেওঁ তাৰ বাবে চৰা দাম দিব লগা হ'বগৈ পাৰে। আগৰ তেজবল নাই যদিও 'ধুতি-পৰিহিত' সকলৰ এতিয়াও একেবাৰে তলৰ স্তৰৰ সৰ্বসাধাৰণ মানুহৰ লগত নাড়ীৰ সম্পৰ্ক আছে। সঞ্জয় গান্ধীয়ে গোটাই লোৱা আৰু ৰাজীৱ গান্ধীয়ে ৰাখি থোৱা সমাজ-সম্পৰ্ক-হীন বিত্তহীনৰ দলটো কেৱল ক্ষমতাৰ খকুৱাহে। প্ৰথম সংকটটোতে তেওঁলোকৰ দৈন্য দশা ওলাই পৰিব। ৰাজীৱ গান্ধীৰ শাসনকালত খুব সোনকালেই অসমৰ বিপৰ্য়য়টো ঘটিল বুলি হয়তো ই এটা সংকটৰ সৃষ্টি নকৰিব।

অৱশ্যে ৰাজীৱ গান্ধীৰ গোষ্ঠীটোক সমালোচনা কৰাটো বন্ধ কৰি দিলে নিজকে প্ৰতাৰণা কৰাৰ দৰে হ'ব। অসমৰ নিৰ্বাচনটো আৰু উপনিৰ্বাচন কেইটাৰ ফলে অধিক অমংগলজনক কথাৰ সূচনা দিছে : অ-হিন্দীভাষী অঞ্চলবোৰত ই-কংগ্ৰেছ দ্ৰুতভাৱে সংকুচিত হৈ পৰিছে আৰু হিন্দীভাষী অঞ্চলটোৰ কেন্দ্ৰস্থলতহে তেওঁলোকৰ খোপনি লৈছেগৈ। এই পাৰ্টিটোৱে অসম, অন্ধ্ৰপ্ৰদেশ, পঞ্জাব, জম্মু আৰু কাশ্মীৰ, কৰ্ণাটক, পশ্চিমবংগ, ত্ৰিপুৰা আৰু তামিলনাডু হেৰুৱালে; কেৰালা আৰু মহাৰাষ্ট্ৰ চল-চক্ৰান্ত খটুৱাই আৰু কথমপি জয় কৰা সমষ্টিবোৰেৰেহে ধৰি ৰাখিছেগৈ। হাৰিয়ানা কম বেছি পৰিমাণে ই কংগ্ৰেছৰ হাতৰ পৰা গ'লেই যেন পৰিলক্ষিত হৈছে আৰু উৰিষ্যাৰ (য'ৰ পৰা বিজু পাটনায়ক যোৱা লোকসভা নিৰ্বাচনত জয়ী হয়) মৰ্যাদাৰ আসনখনত জনতা প্ৰাৰ্থীৰ জয়ে যদি কিবা দিক নিৰ্দেশ কৰিছে তেতিয়াহ'লে তাতো বতাহৰ সোঁত সলনি হৈছে।

ই-কংগ্ৰেছৰ ক্ষতি যদি কোনো এটা বিশেষ দলৰ লাভ হ'লহেঁতেন তেতিয়াহ'লে সেইটো এটা সুস্থ ঘটনা হ'লহেঁতেন, কাৰণ তেতিয়া এটা দুই দলীয় ব্যৱস্থা উদ্ভূত হোৱা যেন সূচিত হ'লহেঁতেন যিটো গণতন্ত্ৰ বৰ্তিবৰ বাবে গুৰুত্বপূৰ্ণ কথা। কিন্তু আঞ্চলিক উগ্ৰ জাতীয়তাবাদী প্ৰবলতা এটা সমুখ-ক্ষেত্ৰত উপস্থিত হৈছে আৰু অসমতেই হওক বা আন ঠাইত হোৱা লোকসভা আৰু বিধানসভাৰ উপনিৰ্বাচনবোৰতে হওক সংকীৰ্ণতা-ধৰ্মীয় আৰু ভেদবাদী অনুভূতিবোৰে প্ৰধানকৈ আধিপত্য বিস্তাৰ কৰিছে। এইটো দুখৰ কথা, কাৰণ ই সৰ্বভাৰতীয় আবেদন হ্ৰাস পোৱাটো সূচিত কৰিছে আৰু এই ঘটনাই দেশৰ ঐক্যত প্ৰভাৱ বিস্তাৰ কৰিব।

কিন্তু ইয়াৰ বাবে দোষী কংগ্ৰেছ। ৰাজীৱ গান্ধীয়ে তেওঁৰ ১৯৮৪ চনৰ সাধাৰণ নিৰ্বাচনৰ যুদ্ধখন চলাইছিল শিখ বিৰোধী ধ্বনিৰে। তেওঁৰ মাকে ১৯৮০ চনত বিৰোধীপক্ষৰ বিৰুদ্ধে বিষোদগাৰ কৰাৰ বাহিৰে আন একো কৰা নাছিল। আনকি এই ডিচেম্বৰ মাহৰ আগভাগত মুছলমান ভোট ফুচুলাবলৈ ৰাজীৱ গান্ধীয়ে মুছলমান ব্যক্তিগত আইনৰ পথত অন্তৰায় হ'লে আইনকে সলাব ধৰণৰ কথা-বতৰা ক'লে। বিৰোধী দলবোৰো দেৱদূতৰ দল নহয়, কিন্তু কংগ্ৰেছে শোভনতা আৰু পৰিচ্ছন্নতাৰ মেজাজ এটা প্ৰবৰ্তন কৰিব পাৰিলেহেঁতেন।

বহু কংগ্ৰেছ সদস্যই ধাৰণা কৰে যে তেওঁলোকৰ পাৰ্টি চুক্তি কেইখনৰ কাৰণেই পৰাজিত হ'ল, প্ৰথমে পঞ্জাবত আৰু এতিয়া অসমত। কথাটো সঁচা নহয়। চুক্তি কেইখন নোহোৱা হ'লে পৰিস্থিতিটো কি হ'লহেঁতেন ভাবি চাওকচোন। দুয়োখন ৰাজ্যই খণ্ড-বিখণ্ড হৈ সুলকি পৰা প্ৰক্ৰিয়াৰ যন্ত্ৰণাত আছিল। প্ৰকৃতপক্ষে কংগ্ৰেছে পঞ্জাব আৰু অসম উভয়কে হেৰুৱালে একেটা কাৰণত : কংগ্ৰেছে দুয়োখন ৰাজ্যত আন্দোলন বছৰ বছৰ ধৰি চলি থাকিবলৈ দিলে আৰু সেইখিনি সময়ত আকালিসকলে পঞ্জাবত আৰু সদৌ অসম ছাত্ৰ সন্থাই (অসম গণ পৰিষদ সদৌ অসম ছাত্ৰ সন্থাৰ এটা উপ-অংগ) অসমত নিজকে সুৰক্ষিতভাৱে প্ৰতিষ্ঠিত কৰিলে। গতিকে, চুক্তি কেইখনৰ বাবে যিসকলে সংগ্ৰাম কৰিছিল সেইসকল চুক্তি কেইখনৰ দ্বাৰা উপকৃত হ'বই। আন যিসকল চুক্তিৰ বিৰোধী আছিল সেই সকলো চুক্তি কেইখনৰ পাছত ই-কংগ্ৰেছৰ বিৰুদ্ধে থিয় হ'ল-- জলন্ধৰৰ দুটা হিন্দু-প্ৰধান সমষ্টিত বিজেপিৰ জয় আৰু অসমৰ ১৮খন আসনত সংযুক্ত সংখ্যালঘু মৰ্চাৰ সাফল্যই সেইটো সূচিত কৰিছে। দেখা গ'ল, ই-কংগ্ৰেছৰ দুয়ো ক্ষেত্ৰতে শোচনীয় অৱস্থা।

কংগ্ৰেছক এতিয়া যিটোৰ প্ৰয়োজন হৈছে সেইটো হ'ল মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আৰু মৌলানা আজাদে নিৰ্দিষ্ট কৰি দি থৈ যোৱা নীতিসমূহ পুনৰুজ্জীৱিত কৰা আৰু পাৰ্টিক সেইবোৰ অনুসৰণ কৰি চলিবলৈ দিয়া। ইন্দিৰা গান্ধীৰ ৰাজত্বৰ পাছত বিশেষকৈ জৰুৰী অৱস্থাৰ পাছত সৰ্বসাধাৰণ কংগ্ৰেছী লোকসকলৰ সমুখত লালন-পালন কৰিবলৈ কোনো প্ৰমূল্য নাথাকিল।

আজি যিটো পাৰ্টিত সঞ্জয় পন্থীসকলৰ আধিপত্য চলিছে, বহু ৰাষ্ট্ৰীয় নিগমৰ কৰ্মকৰ্তাসকলৰ আৰু ডুন স্কুলৰ প্ৰাক্তন ছাত্ৰসকলৰ আধিপত্য চলিছে সেইটো পাৰ্টিত নীতি-আদৰ্শৰ পুনৰুত্থান ঘটোৱা, মানে কংগ্ৰেছৰ নীতি-আদৰ্শসমূহৰ পুনৰুত্থান ঘটোৱা সহজ কথা নহয়। আজি তেওঁলোক আৰু তেওঁলোকৰ গাত ওলমি ফুৰাসকলেৰেই কংগ্ৰেছ গঠিত। এবাৰ মই ই-কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি কমলাপতি ত্ৰিপাঠীক কংগ্ৰেছৰ ভৱিষ্যত কি বুলি সুধিছিলো। তেওঁ উত্তৰ দিছিল : "আপুনি কোনটো কংগ্ৰেছৰ কথা কৈছে ?"



# গ্ৰিনপিছ আন্দোলন, ৰেইনব' ৱাৰিঅৰ আৰু ফ্ৰান্সৰ ৰাজনৈতিক সংকট

**গকুল হাজৰিকা**



মিছেছ ট্ৰেঞ্জ ওৰফে মিছ ডমিনিক প্ৰিয়ৰ

প্ৰশান্ত মহাসাগৰৰ বুকুত ডুব যোৱাৰ আগমুহূৰ্তত ৰেইনব' ৱাৰিঅৰ

যোৱা ২০ ছেপ্টেম্বৰৰ দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাতে বৰ বৰ হৰফত প্ৰকাশিত এটা বাতৰিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী চাৰ্লছ হাৰনু লাৰু DGSE অৰ্থাৎ ফ্ৰান্সৰ গোপন চোৰাংচোৱা সংগঠনটোৰ মুৰব্বী এডমিৰেল পিয়েৰ লাকোষ্টেই পদত্যাগ কৰা বুলি চৰকাৰীভাৱে ঘোষণা কৰা হয়।

গ্ৰিনপিছ আন্দোলনে ফৰাছী চৰকাৰৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ প্ৰসাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ "ৰেইনব' ৱাৰিঅৰ" নামৰ জাহাজখন বোমাৰে চূৰ্ণ-বিচূৰ্ণ কৰা ঘটনা সন্দৰ্ভত গোটেই পৃথিৱীজুৰি হোৱা প্ৰতিক্ৰিয়াৰ ফলতেই প্ৰতিৰক্ষা মন্ত্ৰী হাৰনুৱে প্ৰচণ্ড হেঁচাত পৰি ১৯ ছেপ্টেম্বৰৰ দিনা পদত্যাগ কৰে। চোৰাংচোৱা বিভাগৰ মুৰব্বী পিয়েৰ লাকোষ্টেক বৰ্খাস্ত কৰিবলৈ প্ৰধান মন্ত্ৰীৰ দপ্তৰৰ পৰা ৰাষ্ট্ৰপতি মিতেৰাঁক অনুৰোধ কৰাত লাকোষ্টেই সম্মান ৰক্ষাৰ্থে পদত্যাগ কৰে। ফ্ৰান্সত হঠাতে উদ্ভৱ হোৱা গভীৰ ৰাজনৈতিক সংকটে সকলোকে কৌতুহলী কৰি তোলে। এই ৰাজনৈতিক সংকটৰ আঁৰত থকা মূল কাৰণটো কিন্তু এখন উত্তেজনাপূৰ্ণ, ৰহস্যময়, ৰোমাঞ্চকৰ ঘটনাৰে পূৰ্ণ কথাছবিৰ দৰে।

গ্ৰিনপিছ ইক'লজিকেল গ্ৰুপৰ (Greenpeace Ecological Group) চেয়াৰমেন ডেভিদ মেকটাৰ্গাট। ১৯৭১ চনত গঠিত এই সংস্থাই যোৱা ১৪ বছৰে পৰিবেশ সংক্ৰান্ত বিভিন্ন বিষয়ৰ অধ্যয়ন কৰি তথা দূষিত পৰিবেশ সম্পৰ্কে জনসাধাৰণক সচেতন কৰি তোলাৰ মানসেৰে এটি সুস্থ আন্তঃৰাষ্ট্ৰীয় আন্দোলন গঢ়ি তুলিছে। এই সংস্থাৰ সদস্য সংখ্যা বৰ্তমান এক-কোটিৰো বেছি।

এই গ্ৰিনপিছ সন্থাই ফৰাছী চৰকাৰৰ পাৰমাণৱিক অস্ত্ৰ প্ৰসাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ স্থিৰ কৰি ১৩০ ফুট দীঘল আৰু ৪০০ টন ওজনৰ এখন জাহাজ— ৰেইনব' ৱাৰিঅৰত (Rainbow Warrior)— গ্ৰিনপিছ ইক'লজিকেল গ্ৰুপৰ পতাকা উৰুৱাই নিউজিলেণ্ডৰ কাষৰ প্ৰশান্ত মহাসাগৰৰ বুকুত যাত্ৰা আৰম্ভ কৰে। কিন্তু শান্তিৰ ললিত-মন্ত্ৰ শিকাবলৈ আহি ৰেইনব' ৱাৰিঅৰ প্ৰশান্ত মহাসাগৰত আণৱিক বিস্ফোৰণত ধ্বংস হৈ যায়।

দিনটো আছিল ১০ জুলাই। জাহাজত এজন সদস্যৰ জন্মদিনৰ উৎসৱ চলিছিল। আনন্দ-ফূৰ্তিৰ সন্ধ্যা। গোলাপী আমেজৰ সন্ধ্যা। নাচ-গান চলিছে। চেম্পেইনৰ ফোঁৱাৰা উঠিছে।

হঠাৎ ভীষণ শব্দ— বুম্, বুম্, বুম্। ই যে পাৰমাণৱিক বিস্ফোৰণৰ শব্দ! জাহাজৰ তল অংশৰ খুপৰিৰ মাজত হঠাৎ উদগীৰণ হ'ল গোপনে স্থাপন কৰা বিস্ফোৰকৰ। জাহাজখন ভয়ংকৰভাৱে কঁপি উঠি ধ্বংসৰ মুখত পৰিল। লগে লগে মৃত্যু হ'ল গ্ৰিণপিছ গ্ৰুপৰ লগত অহা এজন হলেণ্ডৰ আলোকচিত্ৰকাৰৰ। প্ৰশান্ত মহাসাগৰৰ অতল তলিত ডুবিবলৈ আৰম্ভ কৰিলে ৰেইনব' ৱাৰিঅৰ। এই ঘটনাৰ পাছৰ পৰাই উত্তাল হৈ উঠিল আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি। কোনে এই বিস্ফোৰণ ঘটালে? কাৰ এই কাম? কিয় কৰা হ'ল এই কাম? কাৰ নিৰ্দেশত? শত-সহস্ৰ তীক্ষ্ণ প্ৰশ্নৰ উত্তৰ দিবলৈ ভৰা-সভাত আহি উপস্থিত হ'ব লগা হ'ল ফৰাছী চৰকাৰ।

এই বিস্ফোৰণত ৰেইনব' ৱাৰিঅৰ ধ্বংসপ্ৰাপ্ত হোৱাৰ লগে লগে নিউজিলেণ্ড চৰকাৰেও আৰম্ভ কৰিলে ক্ষিপ্ৰ আৰু জোৰ তদন্ত। কাৰণ জুলাই মাহত এই বিস্ফোৰণ ঘটাৰ মাত্ৰ দুদিনমান আগতে



OKDISCD

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ডেভিড লেঞ্জ চাহাবে, দক্ষিণ প্ৰশান্ত মহাসাগৰৰ এই অঞ্চলৰ আৰু ১২টা এলেকাৰ লগত এখন চুক্তি সম্পাদন কৰি দক্ষিণ প্ৰশান্ত মহাসাগৰক "পৰমাণু মুক্ত অঞ্চল" ৰূপে ঘোষণা কৰিছিল। স্বাভাৱিকতেই ডেভিড লেঞ্জ খণ্ডত অগ্নিশৰ্মা হ'ল। তেখেতে নিজ দেশৰ চোৰাংচোৱা বিভাগক যুদ্ধ-ক্ষিপ্ৰতাৰে জোৰ তদন্তৰ আদেশ দিলে। মুক্তভাৱে তেখেতে ঘোষণা কৰিলে যে যদি তদন্তত ফৰাছী চৰকাৰ জড়িত বুলি প্ৰমাণিত হয়, তেনেহ'লে তেখেতে ফ্ৰান্সক শুদাই নেৰে।

নিউজিলেণ্ডৰ জনগণে বিচাৰে তেওঁলোকৰ দ্বীপটোৰ ওচৰ-পাজৰেদি পৰমাণু অস্ত্ৰ-শস্ত্ৰ লৈ যাতায়াত কৰা সকলো জাহাজৰ ওপৰত চৰকাৰী নিষেধাজ্ঞা আৰোপ কৰা হওক। নিউজিলেণ্ডৰ জনসাধাৰণে এক জনসমীক্ষাৰ দ্বাৰা মত প্ৰকাশ কৰিছে যে নিউজিলেণ্ডে, অষ্ট্ৰেলিয়া আৰু আমেৰিকাৰ লগতে "আণুছ" গোষ্ঠীৰ সদস্যপদ যেন কোনোদিন ত্যাগ নকৰে। আনপিনে আকৌ নিউজিলেণ্ডে পৰমাণু অস্ত্ৰবাহী জাহাজ দক্ষিণ প্ৰশান্ত মহাসাগৰত প্ৰবেশ নিষিদ্ধ কৰাৰ নীতি গ্ৰহণ কৰাত "আণুছ" গোষ্ঠীৰ সদস্যৰূপে থকাত বাধাৰ সৃষ্টি হয়।

ৰেইনব' ৱাৰিঅৰ জাহাজক ধ্বংস কৰা ঘটনাৰ ৰাজনৈতিক বিশ্লেষণ আগবঢ়োৱাৰ আগতে এই ঘটনাক কেন্দ্ৰ কৰি যিবোৰ ৰহস্যময় ঘটনা ঘটিছিল, সেইবোৰ আমি জনা প্ৰয়োজন।

যোৱা এপ্ৰিল মাহৰ শেষৰ সপ্তাহত ৰাজধানী ওকলেণ্ডত এগৰাকী ফৰাছী যুৱতী আহি উপস্থিত হয়হি। হোটেলৰ বহীত তেওঁ নিজৰ নাম লিখে— ফেডৰিকা বনলি। ২৪ মে'ৰ পুৱা সেই যুৱতীয়ে নিউজিলেণ্ড এৰি গুচি যায়। গন্তব্যস্থান— ফ্ৰান্স। পাছত ফৰাছী সাংবাদিকৰ তথ্যৰ পৰা জানিব পৰা গ'ল যে সেই যুৱতী যেন লগা মহিলাৰ আচল নাম ক্ৰিষ্টিন কেৰেন। বয়স তেত্ৰিছ। ফৰাছী বিশেষ সামৰিক বাহিনীৰ এগৰাকী উচ্চ পদস্থ বিষয়া। সামৰিক সন্ত্ৰাসবাদৰ বিশেষজ্ঞা। ৰেইনব' ৱাৰিঅ'ৰ ধ্বংস প্ৰাপ্ত হোৱাৰ পাছত কিন্তু আশ্চৰ্যজনকভাৱে এই মহিলাক বিচাৰি পায় সাংবাদিকে।

ইয়াৰ কিছুদিনৰ পাছত ওকলেণ্ডত আহি উপস্থিত হয়হি আন এজন ফৰাছী ব্যক্তি। সঠিক নাম জেভিয়াৰ মেনিগুইট। ডাক্তৰ। কিন্তু নিউজিলেণ্ডত উপস্থিত হৈ তেওঁ পৰিচয় দিলে পেৰিৰ ট্ৰেভেল এজেঞ্চিৰ মুৰব্বী বুলি। এই ঘটনাও এপ্ৰিলৰ শেষ সপ্তাহৰ। জেভিয়াৰে নিউ কেলিডনিয়াৰ কাষৰ দক্ষিণ প্ৰশান্ত মহাসাগৰত সমুদ্ৰযাত্ৰাৰ বাবে অনুমতি বিচাৰে। সেই একে সময়তে ৰেমণ্ড ভেলছ নামে আন এজন ফৰাছী ব্যক্তিয়ে একে যাত্ৰাৰ বাবে বেলেগে অনুমতি বিচাৰে। পাছত জানিব পৰা গৈছিল যে এওঁলোক সকলোৰে নিজৰ মাজত যোগাযোগ ৰক্ষা কৰি চলিছিল। জঁ মিচেল বাৰ্থেলো নামৰ এজন অভিজ্ঞ নাৱিক এওঁলোক সকলোকে সমুদ্ৰ ভ্ৰমণলৈ নিবৰ বাবে সন্মত হয়। ট্ৰেভেল এজেঞ্চিৰ নাম আছিল অউভিয়া।

ইয়াৰ পাছত নিউজিলেণ্ডত আহি উপস্থিত হোৱা এযোৰ নৱ-বিবাহিত দম্পতিক কেন্দ্ৰ কৰি ৰহস্য আৰু ঘণীভুত হয়। মিঃ এলিয়ান আৰু মিছেছ ছোফিয়া টুৰেঞ্জ নামৰ ছুইডেনৰ পাছপ'ৰ্ট থকা এই দম্পতি নিউজিলেণ্ডত উপস্থিত হয়হি। কাৰণ বাখ্যা কৰে— বিয়াৰ পাছত হনিমুন, মানে মধুচন্দ্ৰিকা উদযাপনৰ বাবে। তেওঁলোকৰ নিউজিলেণ্ডলৈ আগমন। ২২ জুনৰ দিনা এই দম্পতিয়ে ওকলেণ্ডলৈ যাত্ৰা কৰে আৰু তাৰ পাছত পাইহিয়া চহৰৰ উত্তৰে এখন হোটেলত এটা সুসজ্জিত কোঠা ভাৰা কৰে। আচৰিত কথা, সেই মধুচন্দ্ৰিকাৰ ৰাতি স্বামী-স্ত্ৰী (?) একেখন বিছনাত নুশুলে; বেলেগে বেলেগেহে শুলে। হোটেল পৰিচাৰিকাই মেনেজাৰক জনোৱা এই সৰু কথাটোৱে কিন্তু পাছত ডাঙৰ প্ৰশ্ন ৰূপে দেখা দিয়ে।

ঠিক এই সময়তে অউভিয়া ট্ৰেভেল এজেঞ্চি সমুদ্ৰ ভ্ৰমণ সমাপ্ত কৰি ঘুৰি আহে। এইফালে গোপন সূত্ৰৰপৰা খবৰ পোৱা গ'ল যে সাগৰ ভ্ৰমণলৈ যোৱা পুৰ্বোক্ত যাত্ৰীসকলৰ লগত এই টুৰেঞ্জ দম্পতিয়ে অনাতাঁৰ যোগাযোগ ৰক্ষা কৰি আছে— নিয়মিতৰূপত। সেই সাংঘাতিক ৭ জুলাইৰ দিনা তেওঁলোকৰ দেখাও হৈছিল, কথাও হৈছিল।

তাৰ পাছতে ৰেইনব' ৱাৰিঅৰ বোমাৰে উৰুৱাই দিয়া হয়। লগে লগে নিউজিলেণ্ড চৰকাৰে অতি ক্ষিপ্ৰতাৰে আৰু সফলতাৰে তদন্ত আৰম্ভ কৰে। তদন্তত ধৰা পৰে যে জাহাজখন ধ্বংস কৰিবৰ বাবে ফৰাছী সেনাবাহিনীৰ এখন পাতল ধোঁৱা বৰণীয়া জ'ডিয়াক ৰবাৰ ৰেফট (raft) বা নাও জাতীয় যান আৰু বিশেষ' ধৰণেৰে নিৰ্মিত ডুব মাৰিব পৰা বা ডাইভিং সৰঞ্জাম ব্যৱহাৰ কৰা হৈছিল। এই ঘটনাৰ দুদিনৰ পাছত টুৰেঞ্জ দম্পতিক নিউজিলেণ্ডৰ চোৰাংচোৱা বিভাগে গ্ৰেপ্তাৰ কৰে। এওঁলোকৰ বিৰুদ্ধে তোলা হয় হত্যা আৰু নকল পাছপ'ৰ্ট ব্যৱহাৰৰ অভিযোগ। অনুসন্ধানত ধৰা পৰিল যে এওঁলোক বিবাহিত নহয়। যুৱতীৰ নাম ছোফি টুৰেঞ্জ নহয়। আচল নাম ডমিনিক প্ৰিয়ৰ। যুৱকৰ নাম এলায়েন টুৰাণ্ড। যুৱতী D.G.S.E বা ফ্ৰান্সৰ চোৰাংচোৱা সংগঠনৰ কেপ্টেইন, আৰু যুৱক একে সংস্থাৰ এজন নামকৰা কমাণ্ডাৰ। এই খবৰ প্ৰকাশ পোৱাৰ লগে লগে সমগ্ৰ বিশ্বজুৰি আৰম্ভ হ'ল অভুতপূৰ্ব আলোড়ন। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মিটেৰাঁৰ ওপৰত পৰিল সমগ্ৰ বিশ্বৰ প্ৰবল হেঁচা। মিটেৰাঁ চৰকাৰীভাৱে ঘোষণা কৰিবলৈ বাধ্য হ'ল যে যদি ফৰাছী দেশৰ কোনোবা এই অন্যায় কামত জড়িত, তেনেহলে সেই ব্যক্তি সকলে নিশ্চয় শাস্তি পাব। ৰাষ্ট্ৰপতি মিটেৰাঁই লগে লগে ৬৫ বছৰীয়া

১৬ পৃষ্ঠাত চাওক



# ৰঙানদীৰ জলবিদ্যুৎ প্ৰকল্প বনাম প্ৰস্তাৱিত অসমৰ গেছ টাৰবাইন

নকুল দত্ত

ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত অসমত বিজুলী যোগানৰ অৱস্থা বৰ উন্নত নহয়। এই অৱস্থা উন্নত কৰিবলৈ হ'লে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে এটা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎশক্তি প্ৰকল্প স্থাপন হোৱাটো বাঞ্চনীয়। এই প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখিয়েই যোৱা ১৫ আগষ্ট (১৯৮৫) তাৰিখে কেন্দ্ৰীয় চৰকাৰ আৰু অসম আন্দোলনৰ নেতাসকলৰ মাজত চুক্তি স্বাক্ষৰিত হোৱাৰ সময়ত নেতাসকলে প্ৰধান মন্ত্ৰীৰ হাতত দিয়া এখন স্মাৰক পত্ৰত এনে এটি জলবিদ্যুৎ প্ৰকল্পৰ কথা উল্লেখ কৰিছে। প্ৰকল্পটোৰ নাম হ'ল "সোৱনশিৰী বান্ধ প্ৰকল্প"।

["Subansiri Dam Project included in the memorandum submitted to the Prime Minister by A A S U and AAGSP.

..................................

The leaders have suggested that the planning commission should give immediate clearence to the Subansiri Dam Project having a generating capacity of 4800 MU of hydel power. They have emphasised the need to consider the project as one of national importance and to complete it within the Seventh Plan period."

(The Construction Tribune, vol A 43, PP. 9.) ]

অলপতে বিদেশ ভ্ৰমণলৈ যোৱা ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু জাপানৰ প্ৰধানমন্ত্ৰীৰ মাজত হোৱা এলানি সৌহাৰ্দ্যপূৰ্ণ আলোচনাত ঘোষণা কৰা হয় যে জাপানে অসমত এটা গেছ টাৰবাইন স্থাপনৰ কাৰণে ১৬০ কোটি টকাৰ ঋণ দিব।

এই গেছ টাৰবাইন প্ৰকল্পই কেইবাটাও দিশত দেশৰ তথা জনসাধাৰণৰ উপকাৰ সাধিব। প্ৰথম, খনিজ তেলৰ লগত ওলোৱা অতিৰিক্ত প্ৰাকৃতিক গেছভাগ পুৰি পেলোৱা হয়। সেই গেছ কামত খটোৱা হ'ব। দ্বিতীয়তে, গেছ টাৰবাইন স্থাপিত হ'লে বিদ্যুৎ শক্তিৰ চাহিদা পূৰণ হ'ব। তৃতীয়তে, কিছুপৰিমাণে নিবনুৱা সমস্যা বোজা লাঘৱ হ'ব।

এতিয়া কথা কথা হ'ল যে বিদ্যুৎ উৎপাদনৰ কাৰণে অৰুণাচল প্ৰদেশৰ সোৱনশিৰী জিলাৰ ৰঙানদীৰ ওপৰত বান্ধ দিলেও হয়। কিন্তু সেই ক্ষেত্ৰত অলপো আগবাঢ়িব পৰা নাই। কিয়নো যদিহে এই বান্ধটো হৈ উঠে তেন্তে বান্ধটোৰ উজনি অঞ্চলৰ ব্যাপক খণ্ড জলাধাৰ হৈ পৰিব। সেইবাবে তাৰ স্থানীয় ৰাইজে চৰকাৰৰ ওচৰত আপত্তি জনাই আহিছে। অৱশ্যে সেই লোকসকলৰ সংস্থাপনৰ দিহা চৰকাৰেই কৰিব লাগিব।

নদী এখনত যেতিয়া বান্ধ দিয়া হয় তেতিয়া তাৰ ফলত মুখ্যতঃ বিদ্যুৎ উৎপাদন কৰা হয়। কিন্তু আজিকালি যিবিলাক বান্ধ দিয়া হয় সেইবোৰ হৈছে বহুমুখী বান্ধ (multipurpose dam)। ৰঙানদীৰ বান্ধটোৰ বাবে তদন্ত কৰিবলৈ নিপকোক (NEEPCO: North Eastern Electric and power corporation) দিহা দিয়া হৈছে আৰু ৰাজহৰ ভাৰ 'নেক' এ(Nec : North Eastern Council) লৈছে।

অসমত বিদ্যুৎশক্তিৰ নাটনিলৈ চাই ৰঙা নদীৰ প্ৰকল্পই হওক বা গেছ টাৰবাইনৰ প্ৰকল্পই হওক, যি কোনো এটা প্ৰকল্প সোনকালে নিৰ্মাণ হোৱাটোকেই ৰাইজে বিচাৰে। কিন্তু এই দুটা প্ৰকল্পৰ কোনটো অধিক উপকাৰী হ'ব, সেইটো বিচাৰ কৰিবলগীয়া বিষয়।

ৰঙা নদীৰ প্ৰকল্পটো হৈ উঠিলে তুলনামূলকভাৱে দেশৰ আৰ্থসামাজিক দিশটো বেছি উন্নত হ'ব। দুয়োটা প্ৰকল্পৰ তুলনামূলক বিশ্লেষণৰপৰা কিছুমান কথা চকুৰ আগত জলজল পটপটকৈ ওলাই পৰে; আৰু এই বিলাক কথা আচলতে ৰঙা নদীৰ প্ৰকল্পটোৰহে দৃঢ় সমৰ্থক।

(১) আজিৰ বিজ্ঞানৰ যুগত পৃথিৱীৰ অভ্যন্তৰীণ ভাগত থকা কয়লা, খনিজতেল আদি মানুহে খান্দি উলিয়াই এনেভাৱে কামত লগাইছে যে কেইদশকমানৰ পাছতে অসমত সেইবোৰ শেষ হৈ যাব বুলি ভবা হৈছে। এই ক্ষেত্ৰত কয়লাৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। গতিকে বিভিন্ন কলকাৰখানাত কয়লাৰ পৰিবৰ্তে প্ৰাকৃতিক গেছ ব্যৱহাৰৰ ব্যৱস্থা কৰিব লাগে। ভূগৰ্ভত থকা কয়লা খনিজতেলৰ উৎপাদনৰ ক্ষেত্ৰতো যথেষ্ট সহায়ক হয়। সেয়েহে কয়লাৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

(২) জলবিদ্যুৎ প্ৰকল্পৰ দ্বাৰা উৎপাদিত বিদ্যুৎ কম খৰচতে জনসাধাৰণক যোগান ধৰিব পৰা হ'ব। এতিয়াৰ প্ৰতি ইউনিট ১.১০ টকাৰ (ব্যৱসায়িক ক্ষেত্ৰত) পৰিবৰ্তে প্ৰতি ইউনিট ০.৩৫ টকাত যোগান ধৰিবপৰা যাব। গেছ টাৰবাইনৰ ক্ষেত্ৰত সেইটো সম্ভৱ নহ'ব যেন লাগে। গতিকে গেছ টাৰবাইনৰ পৰিবৰ্তে ৰঙা নদীৰ জলবিদ্যুৎ প্ৰকল্পৰহে যুক্তিযুক্ততা বেছি।

(৩) বান্ধটো হৈ উঠিলে নদীখনৰপৰা হোৱা গড়াখহনীয়া আৰু বানপানী নিয়ন্ত্ৰণ কৰিবপৰা হ'ব। এই বানপানীয়ে বছৰি বহুতো লোকৰ সা-সম্পত্তি আৰু

জীৱনো নাশ কৰে। ফলত দুখীয়া জনগণৰ দুখ কুলাই-পাচিয়ে নধৰা হয়।

(৪) ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম জলসিঞ্চনৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা। গতিকে নদীখনত বান্ধ দিলে ইয়াৰ জলাধাৰত (reservoir) যিখিনি পানী জমা হ'ব তাৰ পৰা এক বৃহৎ অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰিবপৰা হ'ব।

(৫) আজিকালি চৰকাৰে সামাজিক বনানীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। এই সম্পৰ্কত চৰকাৰে এখন ব্যাপক আঁচনি গঢ়ি তুলিছে। এখন নদীত যেতিয়া বান্ধ দিয়া হয় তেতিয়া ইয়াৰ উজনি অংশৰ কিছুদূৰত নদীখনৰ দুয়োপাৰে (সম্ভৱ হ'লে পানীৰো কিছু অংশত) অনেক সৰু-বৰ গছ ৰোৱা হয়; কাৰণ এইবোৰে পানীয়ে বোকা, পলস আদি কঢ়িয়াই অনাত বাধা দিয়ে (Silting control) যাতে সেইবোৰে জলাহত জমা হৈ বান্ধটোৰ অনিষ্ট সাধিব নোৱাৰে। গতিকে বান্ধটোৰ নিৰ্মাণৰ লগে লগে বনানীকৰণৰ ক্ষেত্ৰত যথেষ্ট উন্নতি হ'ব।

(৬) বান্ধটোৰ সন্মুখত থকা জলাধাৰটো বিভিন্ন কামত খটাব পাৰি। যেনেঃ (ক) মীনমহল খুলি চৰকাৰ তথা জনসাধাৰণ উপকৃত হ'ব পাৰে; (খ) সাঁতোৰা, নাওচলোৱা আদি কাৰ্যৰ লগতে লগতে এইবোৰৰ প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ কৰিব পাৰি, ইত্যাদি।

(৭) বান্ধ এটাই এখন বৃহৎ দলঙৰ কাম কৰে। গতিকে বান্ধটো হৈ উঠিলে দুয়োপাৰৰ ঠাইসমূহৰ মাজত যাতায়াতৰ এটা সুন্দৰ ব্যৱস্থা হৈ উঠিব। অৰুণাচল প্ৰদেশৰ প্ৰায়বিলাক অঞ্চলতে যাতায়াতৰ ভাল ব্যৱস্থা নথকাটো বিশেষ মন কৰিবলগীয়া।

(৮) পানীৰ অক্ষয় ভাণ্ডাৰৰ বাবে বান্ধটোৰপৰা পোৱা জলবিদ্যুৎ শক্তিৰ ক্ষমতা অটুট থাকিব। কিয়নো ৰঙা নদীখন হিমালয় পৰ্বতৰপৰা ওলাইছে আৰু ইয়াত বাৰ মাহে পানী থাকে। কিন্তু গেছ টাৰবাইনৰ ক্ষেত্ৰত কথাটো সুকীয়া। প্ৰাকৃতিক গেছৰ পৰিমাণ কমি গৈ এটা সময়ত যেতিয়া সি শেষ হ'ব, তেতিয়া গেছ টাৰবাইন চলাই ৰখাটো এটা সমস্যা হ'ব।

(৯) ৰঙা নদীৰ বান্ধটোত নিবনুৱা সংস্থাপনৰ এটা ভাল দিহা হ'ব। অৱশ্যে গেছ টাৰবাইন প্ৰকল্পটোতো যথেষ্ট সংখ্যক লোকে চাকৰি পাব; বান্ধটোৰ ক্ষেত্ৰত বিদ্যুৎউৎপাদন, জলসিঞ্চন, মীনমহল, বনানীকৰণ, নৌ-বিদ্যাৰ প্ৰশিক্ষণ আদিত কমেও দুহাজাৰ লোকক কৰ্মসংস্থান দিবপৰা হ'ব। গেছ টাৰবাইনৰ ক্ষেত্ৰত এনে সুবিধা সীমিত হ'ব।

(১০) বান্ধ এটা হৈ উঠাৰ পাছত ইয়াৰ নামনি অংশত বিভিন্ন কামত খটুৱাবপৰাকৈ অনেক মনোমোহা দৃশ্যৰ সৃষ্টি কৰা হয়। এইবিলাকে আন আন ঠাইৰ লোকসকলক আকৰ্ষিত কৰে। এইবিলাক ঠাই ভ্ৰমণৰ বাবে প্ৰতি বছৰে বহুতো দেশী-বিদেশী লোকৰ সমাগম হয়। এই ক্ষেত্ৰত বিদেশী মুদ্ৰা অৰ্জন আৰু অন্যান্য বাণিজ্যিক দিশতো চৰকাৰ যথেষ্ট লাভবান হয়।

এই বিশ্লেষণে এইটো সুবুজায় যে গেছটাৰবাইন প্ৰকল্পটো বন্ধ কৰি ৰঙানদীৰ জলবিদ্যুৎ প্ৰকল্পটোহে নিৰ্মাণ কৰিব লাগে। কথা হ'ল— বিদ্যুৎ উৎপাদনৰ বাবে গেছ টাৰবাইনৰ পৰিবৰ্তে ৰঙা নদীৰ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰিব লাগে। প্ৰাকৃতিক গেছৰ সহায়ত নানা কলকাৰখানা চলোৱাৰ ব্যৱস্থা, এল. পি. জি. (L. P. G.) উদ্যোগ প্ৰতিষ্ঠা কৰা আদি কাম কৰিব লাগে। অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে এল. পি. জি.ৰ যথেষ্ট চাহিদা আছে।

নতুন বছৰৰ শুভেচ্ছাৰে
মৃণালী প্ৰকাশনৰ নিবেদন...
প্ৰহেলিকা চিৰিজ ৫
ৰঞ্জু হাজৰিকাৰ
*নিশাৰ অতিথি*
পকাবন্ধা, মূল্য: ১০ টকা
এই প্ৰকাশিত ৰহস্য উপন্যাসখনিৰ ব্যৱসায়িক অনুসন্ধানৰ বাবে যোগাযোগ কৰক—
**মৃণালী প্ৰকাশন**
প্ৰযত্নে, পাপু ৰিফিলছ
চাৰিআলি-৭৮৪১৭৬ শোণিতপুৰ
শিশু উপযোগী মাহেকীয়া ধাৰাবাহিক প্ৰকাশন
চিন্দবাদৰ ভয়ংকৰ অভিযান
প্ৰতিসংখ্যা মূল্য: ৩ টকা

১৪ পৃষ্ঠাৰ পিছৰ পৰা

এজন অভিজ্ঞ নৌ-অভিযন্তা বাৰ্ণাড ট্ৰিকটক এই ঘটনাৰ তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ হুকুম দিলে। এই তদন্তত ওলাই পৰিল প্ৰকৃত সত্য। পদত্যাগ কৰি ফ্ৰান্সৰ ৰাজনীতিৰ পাদপ্ৰদীপৰপৰা আঁতৰি যাব লগাত পৰিল প্ৰতিৰক্ষা মন্ত্ৰী চাৰ্লছ হাৰন্নু আৰু গোপন চোৰাংচোৱা বাহিনীৰ মুৰব্বী এডমিৰেল পিয়েৰ লাকোষ্টে। হাৰন্নুৰ স্থানত ২০ ছেপ্টেম্বৰৰ দিনা পল কুইলেছ প্ৰতিৰক্ষা মন্ত্ৰী নিযুক্ত হয়।

গ্ৰিনপিছৰ চেয়াৰমেন ডেভিড মেকটাৰ্গাট ক্ৰোধান্বিত। তেখেতে ফৰাছী চৰকাৰৰ ওচৰত বিৰাট অংকৰ ক্ষতিপূৰণ দাবী কৰিছে। এনে ধৰণৰ শোকাবহ আৰু জঘন্য ষড়যন্ত্ৰৰ ঘটনা গ্ৰিনপিছ সংস্থাৰ ১৪ বছৰৰ ইতিহাসত কোনোদিন ঘটা নাছিল।

ফ্ৰান্সৰ ৰাজনৈতিক মঞ্চ পুনৰ সংকটৰ সন্মুখীন। এই ঘটনা আৰু পৰৱৰ্তী ঘটনাসমূহে, সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত পুনৰ নতুনকৈ শীতল যুদ্ধৰ আখৰা আৰম্ভ কৰিব নেকি জানিবলৈ বিশ্বই অপেক্ষা কৰিছে।



# অসমৰ ভাষিক দুৰ্যোগৰ ইতিহাসঃ 'অসম হিতৈষী বিদেশী চাহাব'ৰ স্বৰূপ

পৰমানন্দ মজুমদাৰ

দ্বিতীয় বছৰৰ বিংশ সংখ্যা 'প্ৰান্তিক'ত ড° মহেশ্বৰ নেওগে ড° দিলীপ কুমাৰ দত্তৰ ইতিপূৰ্বে 'প্ৰান্তিক'ত প্ৰকাশ পোৱা প্ৰবন্ধৰ আঁত ধৰি লিখা 'ব্ৰনছন চাহাবৰ পেৰাটোত কি আছে'— শীৰ্ষক নিবন্ধটো কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলিব পাৰি। অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত নিবন্ধটোৱে নতুন আলোকপাত কৰিব, কাৰণ নিবন্ধটোত ইতিহাসৰ এটা স্পৰ্শকাতৰ অধ্যায়ৰ অকথিত অথচ তাৎপৰ্যপূৰ্ণ দিশ উন্মোচিত হৈছে। যোৱা এটা শতাব্দীৰো অধিককাল অসমীয়া সমাজত প্ৰচাৰ লাভ কৰা যিটো বিষয়ে আমাৰ সমাজ জীৱনত অনেক বেদনাদায়ক ঘটনা-অপঘটনাৰ জন্ম দিছে, নিবন্ধটোৱে তাৰ এক নতুন তথ্য পোহৰলৈ আনিছে।

ড° নেওগৰ নিবন্ধটোৱে দুটা প্ৰশ্নৰ সমাধান দিয়েঃ (১) কোনো চৰকাৰী কাগজ-পত্ৰত অসমলৈ বৃটিছ শাসকৰ লগত অহা বাঙালী কেৰাণী-মহৰীসকলে লগাই-ভগাই অসমৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষা চলোৱাৰ প্ৰমাণ পোৱা নাযায়। অৰ্থাৎ এই ষড়যন্ত্ৰৰ গুৰিতে আছিল বৃটিছ সাম্ৰাজ্যবাদীৰেই মন্ত্ৰণা।

(২) অসমৰ প্ৰশাসন সম্পৰ্কে বিচাৰ কৰিবলৈ অহা মফাট মিলছ চাহাবৰ হাতত আনন্দৰাম ঢেকিয়াল ফুকনে দাখিল কৰা স্মাৰক-পত্ৰত অসমীয়া ভাষা পুনঃ প্ৰচলনৰ অৰ্থে দেখুউৱা অকাট্য যুক্তিবোৰ আৰু তাৰ সূত্ৰ ধৰি মিলছে অসমীয়াৰ হকে আগবঢ়োৱা পৰামৰ্শ বিফল কৰাৰ গুৰিতো আছিল বৃটিছ ৰাজ-বিষয়া সকল।

যোৱা চাৰিটা বছৰত এই প্ৰশ্ন দুটাৰ বিষয়লৈ অসমৰ বিভিন্ন কাকত আলোচনীত ছেগা-চোৰোকাকৈ কৰা আলোচনা' আমাৰ চকুত পৰিছে। কিন্তু বিষয়টোৱে বিশেষ প্ৰচাৰ লাভ কৰা নাছিল। অসমৰ ভাষিক দুৰ্যোগৰ এই স্পৰ্শকাতৰ বিষয়টো সম্পৰ্কে বিভিন্ন ঐতিহাসিকৰ মন্তব্য তথা সাহিত্য বুৰঞ্জী লেখকৰ লিখনিসমূহৰ পমখেদি প্ৰথম বিস্তৃত আৰু বস্তুনিষ্ঠ আলোচনা আগবঢ়াইছিল শ্ৰীপ্ৰসেনজিৎ চৌধুৰীয়ে 'উনবিংশ শতিকাৰ ভাষিক দুৰ্যোগ আৰু ইতিহাস' শীৰ্ষক নিবন্ধত (সাম্প্ৰতিক সাময়িকী, ১৯৮০, শাৰদীয় সংখ্যা)। এই নিবন্ধত চৌধুৰীয়ে অনেক তথ্য আৰু যুক্তি সহ ফঁহিয়াই দেখুৱাইছিল যে অসমত বাংলা ভাষাৰ প্ৰচলনৰ গুৰিতে বাঙালী কেৰাণী-মহৰিৰ ষড়যন্ত্ৰৰ প্ৰসংগটো এটা ঐতিহাসিক ক্ৰুটি। সেই সময়ৰ কেইবাজনো ইংৰাজ ৰাজ বিষয়াৰ ভূমিকা আলোচনা কৰি শ্ৰীচৌধুৰীয়ে দেখুৱায়, অসমীয়া ভাষাক এই সৰ্বনশীয়া পথলৈ ঠেলি পঠোৱাৰ গুৰিতে যে শাসক-বৃটিছৰ এক প্ৰচ্ছন্ন ষডযন্ত্ৰ আছিল সেই বিষয়ে সন্দেহ নাই। এই প্ৰসংগতে উক্ত আলোচনীত আৰু তিনিটা তথ্যবহুল প্ৰবন্ধ প্ৰকাশ পায়। এটা শ্ৰীপ্ৰসেনজিৎ চৌধুৰীৰে 'ভাষিক দুৰ্যোগ আৰু ঐতিহাসিক পুনৰানুসন্ধান' (জানুৱাৰী, ১৯৮২) এটা ড° শিৱনাথ বৰ্মনৰ 'অসমীয়া ভাষাৰ হৃতাধিকাৰ প্ৰাপ্তিৰ ইতিহাস' (জুলাই-আগষ্ট, ১৯৮২) আৰু আনটো ড° ভোলানাথ চক্ৰৱৰ্তীৰ 'অসমীয়া ভাষাৰ প্ৰচলন' (জুলাই-আগষ্ট, ১৯৮২)। বিশ্লেষণ ধৰ্মী ৰাখ্যাৰে বিষয়টো 'সাদিনীয়া নাগৰিক'তো ড° শিৱনাথ বৰ্মনে 'অসমীয়া ভাষা আৰু বঙালী আমোলাৰ ষড়যন্ত্ৰ' শীৰ্ষক শিৰোনামাৰে দাঙি ধৰে। এই সন্দৰ্ভত 'নাগৰিক'ত কিছু বাদানুবাদৰো সৃষ্টি হয়। শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভুঞা দুটা দীঘলীয়া নিবন্ধৰে শ্ৰীবৰ্মনৰ লগত যুক্তি তৰ্কত প্ৰবৃত্ত হয়। শ্ৰীপ্ৰসেনজিৎ চৌধুৰীয়ে আৰু দুটা নিবন্ধ আৰু তেজপুৰৰ শ্ৰীৰমেশ কলিতাই এটা নিবন্ধৰে আন কিছুমান তথ্য উদ্ঘাটন কৰি ফঁহিয়াই দেখুৱায়। তেওঁলোকে ঘোষণা কৰে যে বাংলা ভাষা প্ৰচলনৰ গুৰিতে বাঙালী আমোলাৰ ষড়যন্ত্ৰৰ বিষয়ে কোনো লিখিত প্ৰমাণ নাই; ই সম্পূৰ্ণৰূপে অনুমানৰ ওপৰত প্ৰতিষ্ঠিত এক প্ৰচাৰ মাত্ৰ। প্ৰকৃততে, ১৮৯০ চনত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথম এই বাঙালী আমোলাৰ ষড়যন্ত্ৰৰ তত্ত্বটো প্ৰচাৰ কৰে। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ত হেমচন্দ্ৰ গোস্বামীয়ে পাঠ কৰা 'অসমীয়া ভাষা' শীৰ্ষক নিবন্ধত বৃটিছ সাম্ৰাজ্যবাদীসকলক 'অজলা' বনাই (ইংৰাজ বিদেশী— কি জানে...) ভাষা সমস্যাৰ বাবে বাঙালী কেৰাণী-মহৰীৰ গাত সমস্ত দোষ জাপি দি ৰাজানুগত্যৰ পৰিচয় দাঙি ধৰিছিল। হেমচন্দ্ৰ গোস্বামীৰ এই 'অনুমান'কে সত্য বুলি আমি অদ্যপি চলাই আছোঁ। সি যিয়েই নহওক, ড° নেওগ ডাঙৰীয়াৰ উক্ত নিবন্ধটোৱে উল্লিখিত নিবন্ধকাৰসকলে প্ৰচাৰ কৰা সত্যটোকে আকৌ বলিষ্ঠৰূপত প্ৰতিষ্ঠিত কৰিলে। বিষয়টোৰ বহুল প্ৰচাৰৰ প্ৰতি লক্ষ্য ৰাখি, তথা অতীতৰ বস্তুনিষ্ঠ মূল্যায়নৰ প্ৰতি দৃষ্টি ৰাখি ড° নেওগৰ নিবন্ধৰ পৰিপূৰক হিচাপে (উল্লিখিত আলোচনাসমূহক আগত ৰাখিয়েই) আমি কেইটামান তথ্য সংযোগ কৰিব খুজিছোঁ।



OKDISCD

ড° নেওগে তেতিয়াৰ অসমৰ চৰকাৰী পঢ়াশালীবোৰৰ পৰিদৰ্শক উইলিয়াম ৰবিনছনৰ নিন্দনীয় ভূমিকাৰ কথা ব্ৰনছনৰ বিভিন্ন চিঠিৰ প্ৰসংগৰে উপস্থাপন কৰিছে। আমাৰ ঐতিহাসিকে ৰবিনছন-প্ৰীতি দেখুৱাই ক'ব খোজে যে সেয়া বাঙালী কেৰাণী-মহৰী-সকলে ৰবিনছনৰ কাণত ফুচফুচাই থকা বাবেহে সম্ভৱ হৈছিল। দুৰ্ভাগ্যবশতঃ এই ঐতিহাসিকৰ কোনো প্ৰত্যক্ষদৰ্শী নহয়, কিন্তু তেতিয়াৰ প্ৰত্যক্ষদৰ্শী আনন্দৰাম ঢেকিয়াল ফুকনে ক'তো এই কথা উল্লেখ কৰা নাই, অথচ আনন্দৰামেই প্ৰথম অসমীয়া। যি অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

অসম ইংৰাজৰ হাতলৈ আহিছিল ইয়াণ্ডাবু সন্ধিৰ পাছত। ১৯২৮ চনত অসম ৰাজ্য ইংৰাজৰ হাতলৈ যায়। অৰ্থাৎ প্ৰশাসন কাৰ্য চলাবলৈ অভিজ্ঞ বাঙালী কেৰাণী-মহৰীসকলক ইংৰাজে অসমৰ মাটিত পদাৰ্পন কৰাইছিল এই ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়াৰ পাছতহে। কিন্তু ইয়াণ্ডাবু সন্ধিৰ চৰ্তত অসমৰ চাৰিসীমা ইষ্ট ইণ্ডিয়া কোম্পানিৰ দখলাধীন হ'লেও, ইংৰাজসকলে ইয়াৰ পূৰ্বেই অসম ভূমিত পদাৰ্পন কৰিছিল। বিভিন্ন ঠাই পৰিদৰ্শন কৰিবলৈ তেওঁলোকে অসমলৈ আহি নানা 'সন্ধান' চলাইছিল। ১৭৯২ খৃ° ত লৰ্ড কৰ্ণৱালিছ গৱৰ্ণৰ জেনেৰেল থকা সময়ত কেপ্টইন ৱেলছে অসমত পদাৰ্পন কৰিছিল। উদ্দেশ্য—মোৱামৰীয়া বিদ্ৰোহ দমন কৰা। কেপ্টেইন ৱেলছৰ লগত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এছিটেণ্ট ছাৰ্জন ডাক্তৰজন পিটাৰ ৱেডো অসমলৈ আহিছিল। ৱেলছ আহি ব্যস্ত হৈ পৰিছিল যুদ্ধ-বিগ্ৰহ আদি কামত। সেই সময়তে ডাক্তৰ পিটাৰ ৱেডে অসমীয়া জাতিৰ ইতিহাস সংগ্ৰহ কৰি মাত্ৰ ১৮ মাহৰ ভিতৰতে An Account of Assam পুথিখনি ৰচনা কৰি উলিয়ায়। প্ৰাক ঐতিহাসিক কালৰ পৰা ১৭৮০ চনলৈকে,—গৌৰীনাথ সিংহৰ দিনলৈকে বিৱৰণ দিয়া এই পুথিৰ উৎসৰ্গ পত্ৰত এই বুলি মন্তব্য কৰা হৈছে : "অসমৰ মূল বুৰঞ্জী দুটা স্বকীয়া ভাষাত লেখা। এটাক কোৱা হয় বাইলুং বা আহোম। ই অসম জয় কৰা স্বৰ্গদেউ জাতিৰ ভাষা,। আনটোক কোৱা হয় 'বাখা' (বাছা) ই বঙলাৰ দোৱান।" [The original history of Assam exists into two distinct languages. The first is termed the Bailoongh or Ahom, being the language of the race of Swurgadeo the conquerors of Assam. The other is termed the Bakha (Bassa) being a dialect of the Bengalee.—Dr. J. P. Wade, An Account of Assam, Ed, Benudhar Sarma P. (i)—(ii)]। পিটাৰ ৱেডে অসমীয়া ভাষা সম্পৰ্কে এনে মন্তব্য কৰাৰ সময়ত তেওঁক মন্ত্ৰণা দিবলৈ অসমত বাঙালী আমোলা নাছিল। এয়া আছিল তেওঁৰ নিজা মত। গতিকে পৰবৰ্তী কালত বিভিন্ন বিষয়াই ব্যক্ত কৰা মন্তব্যসমূহো তেওঁলোকৰ নিজা মত বুলিয়েই আমি পতিয়ন যাব লাগিব। অৰ্থাৎ বাংলা ভাষাক প্ৰচলন কৰাৰ আগৰ পৰাই অসমীয়া ভাষা সম্পৰ্কে বৃটিছ বিষয়াসকলৰ ভাল ধাৰণা নাছিল। পিটাৰ ৱেডৰ মন্তব্যৰ প্ৰসংগতে ড° নেওগে তেখেতৰ প্ৰবন্ধটিত উল্লেখ কৰা এটা বাক্য স্মৰণ কৰা প্ৰাসংগিক হ'ব :

…'ব্ৰনছনৰ অভিলেখ চাই আমি এতিয়া একপ্ৰকাৰ ক'ব পৰা হৈছোঁ যে যত কুটৰ ঘাই হ'ল কলিকতাত অলপমান বঙলা ভাষা শিকি অসমত প্ৰশাসন চলাবলৈ অহা বৃটিছ বিষয়াসকল—যি অসমীয়া ভাষা শিকিবলৈ এলাহ কৰি তাক বঙলা ভাষাৰ স্থানীয় ৰূপ বুলি ঢোল কোবাইছিল।…'

পিটাৰ ৱেডো এই ধাৰণাৰ বশবৰ্তী নোহোৱাকৈ থকা নাছিল। নহলে ১৮ মাহ অসম ভূমিত বিচৰণ কৰি ঘূৰি ফুৰি বুৰঞ্জী প্ৰণয়ন কৰিও তেওঁ অসমীয়া ভাষাক বাংলা ভাষাৰ 'দোৱান' বুলি মন্তব্য কৰিব নোৱাৰিলে হেঁতেন। অসমত ঘূৰি ফুৰা সময়ত তেওঁ অসমীয়া মাত-কথা নুশুনাকৈ নিশ্চয় থকা নাছিল।

কলিকতাত অলপ বঙলা শিকি অসমৰ প্ৰশাসনৰ দায়িত্ব লোৱা বৃটিছ বিষয়াসকলৰ ভিতৰত উইলিয়াম ৰবিনছন অগ্ৰণীপুৰুষ আছিল বুলি ড° নেওগে উল্লেখ কৰিছে। আদিতে ৰবিনছন বংগদেশৰ শ্ৰীৰাম পুৰ মিছনৰ সদস্য আছিল। ১৮৩৬ চনত মিছনেৰি হিচাপেই তেওঁ অসমলৈ আহে। পাছত মিছনেৰি পদ ত্যাগ কৰি ১৮৩৮ চনত তেওঁ গুৱাহাটী ছেমিনাৰিৰ প্ৰধান শিক্ষক নিযুক্ত হৈছিল। ১৮৪৪ চনৰ এপ্ৰিল মাহত তেওঁক অসমৰ শিক্ষাবিভাগৰ গুৱিয়াল পদত নিযুক্ত কৰা হয়। অসমীয়া ভাষাক স্বাধিকাৰৰ পৰা বঞ্চিত কৰাৰ পথত ৰবিনছন আছিল প্ৰধান অন্তৰায়। কিন্তু তথ্যপাতিৰ পৰা গম পোৱা যায় ৰবিছনেই কেৱল বিধিপথালি দিয়া নাছিল। প্ৰকৃততে ৰবিনছন আছিল হোতা। এই ক্ষেত্ৰত জেনকিনছৰ ভূমিকা বিশেষ উল্লেখযোগ্য। জেনকিনছ তেতিয়া আছিল অসমৰ ৰেভিনিউ কমিছনাৰ। জেনকিনছে স্পষ্ট ভাৱেই অসমীয়া বিৰোধী মনোভাব প্ৰকাশ কৰিছিল—'অসমত বঙলা চলাবৰ পৰামৰ্শ দিয়াৰ গুৰিতে মই। মই বঙলাৰ পক্ষপাতী। মোৰ আদেশহে ৰবিনছনে পালন কৰিছে।…অসমীয়া ভাষা শিক্ষাৰ বাহন কৰিব লাগিলে দেশৰ অধঃপতন হ'ব।' উদ্ধৃত : বেণুধৰ শৰ্মা, 'অসমীয়া বেপটিষ্ট মিছনৰ ঐতিহাসিক অবদান')। জেনকিনছে এই মতামত সেই সময়ত কৰিছিল যি সময়ত বৃটিছ চৰকাৰে প্ৰদেশ বিলাকত দেশীয় ভাষাৰে শিক্ষাদান কৰিবলৈ স্থিৰ কৰিছিল।

আকৌ, অসমত বঙলা ভাষা গুচাই অসমীয়া প্ৰতিষ্ঠা কৰাৰ সময়তো কোনো বাঙালী কেৰাণী মহৰী বাধা স্বৰূপ হৈ পৰাৰ দৃষ্টান্ত নাই; দৃষ্টান্ত



আছে অসমৰ কমিছনাৰ কৰ্ণেল হপকিনছ চাহাবে বিধি পথালি দিয়াহে (নলিনীধৰ ভট্টাচাৰ্য, 'এনাজৰী বাটো আহক' সাপ্তাহিক জনজীৱন ১১ ফেব্ৰুৱাৰী ১৯৮১)। অসমীয়া ভাষাই চৰকাৰীভাৱে স্বীকৃত হোৱাৰ পাছতো ১৮৭৩ চনৰ এঘাৰ, ডিচেম্বৰৰ দিনা বংগদেশৰ শিক্ষাধিকাৰ গুৱিয়াল (D. P. I.) লৈ ৰিপ'ৰ্ট পঠাইছিল এইদৰে :

…I have become convinced an "Assamese Language either in the education or any other department is the pursuit of an illusion, but I join with Dr. Martin in thinking that it will be a priceless boon to the cause of education in Assam if you could prevail upon the Government to reinstate Bengali as the proper medium of instruction for our Assam schools. (ডিম্বেশ্বৰ নেওগ, সাহিত্যৰ বুৰঞ্জী, পৃ° ৬০০)।

এই টোকাৰ লগতে হপকিনছনে আকৌ সংযোগ কৰি দিছিল পাঠ্যপুথি সম্পৰ্কে তিনিজন বাঙালীলোকৰ অভিমত (শিবনাথ বৰ্মণ, সাম্প্ৰতিক সাময়িকী)।

বিশিষ্ট সমাজবিজ্ঞানী ড° অমলেন্দু গুহৰ Planter Raj to Swaraj নামৰ মূল্যবান গ্ৰন্থখনিত আন দুজন বিদেশী চাহাবৰ অসমীয়াসকলৰ প্ৰতি তাচ্ছিল্য সূচক মন্তব্যৰ খবৰ পোৱা যায়। এজন হেনৰি কটন আৰু আন জন ফুলাৰ। দুয়োজনকে কেইবাজনা ঐতিহাসিকে 'জাতিৰ বন্ধু' হিচাপে ইতিমধ্যে চিহ্নিত কৰিছে। পিছে তেওঁলোকৰ মনোভাৱে তাৰ উত্তৰ দিয়ে। ফুলাৰ চাহাবৰ বিষয়ে ড° গুহই লিখিছে : 'He (Fuller) believed mistakenly if not mischieviously—that the inhabitants of Brahmaputra Valley "speak a language which is, infact a dialect of Bengali" (P.73).

হেনৰি কটনৰ মন্তব্য বিশেষ প্ৰণিধানযোগ্য। কাৰণ অসমত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ প্ৰায় ২৫ বছৰ পাছতে তেওঁ অসমীয়া ভাষাৰ বিপক্ষে মন্তব্য পেচ কৰিছে। ৱাৰ্ডৰ পাছত কটনে ১৮৯৬ চনৰ পৰা ১৯০৩ চনলৈ এই সময়ছোৱাত অসমৰ চিফ কমিছনাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ মন্তব্য কৰিছিল যে অসমীয়া মানুহে নিজৰ সুবিধাৰ কাৰণে বঙালী ভাষা শিকা উচিত। তেওঁৰ ধাৰণা অসমীয়াই বঙালী ভাষা শিকিলেহে আনন্দৰাম বৰুৱাৰ দৰে পণ্ডিত উলিয়াব পাৰিব। শিবনাথ বৰ্মণে উল্লেখ কৰিছে অসমীয়া ভাষা বিশ্ববিদ্যালয়ৰ দ্বিতীয় ভাষা কৰাৰ প্ৰচেষ্টাৰো হেনৰি কটনে অসমীয়া পাঠ্যপুথিৰ অভাৱৰ অজুহাত দেখুৱাই মুদা মাৰিছিল।

এই প্ৰসংগতে আন এজন বৃটিছ বিষয়াৰ নাম উল্লেখ কৰিব পাৰি। তেওঁ মিঃ ডেভিড স্কট। ইয়াণ্ডাবু সন্ধি অনুসৰি অসম বৃটিছৰ হস্তগত হোৱাৰ পাছত ডেভিড স্কট অসমৰ শাসনকৰ্তা নিযুক্ত হৈছিল। খৃষ্ট ধৰ্ম প্ৰচাৰৰ বাবে বিশেষ উৎসাহী ডেভিডে বাইবেলৰ অসমীয়া অনুবাদ গ্ৰন্থখনি বিলাইছিল। ড° নেওগৰ গ্ৰন্থ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ত উল্লেখ আছে, এইজন ডেভিডেই স্কুলসমূহত বাংলা ভাষাৰ অধ্যয়ন চলিব লাগিব বুলি দৃঢ়মত পোষণ কৰিছিল। ১৮৩১ চনৰ ৩০ জুলাইৰ 'সমাচাৰ দৰ্পন'ত ডেভিডৰ এই সিদ্ধান্তৰ কথা প্ৰকাশ পাইছিল (পৃ. ২৩৩)। অৰ্থাৎ বাইবেলৰ অসমীয়া ভাঙনি নিজ হাতে বিতৰণ কৰিও ডেভিডে স্কুলসমূহত বঙালী ভাষা চলোৱাৰ সপক্ষে দৃঢ়তা প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

এইখিনিতে আমি ওপৰত বিশ্লেষণ আগবঢ়োৱা বৃটিছ বিষয়াৰ ভূমিকা সম্পৰ্কে আমাৰ কেইজনমান বিশিষ্ট ঐতিহাসিক তথা সাহিত্যৰ বুৰঞ্জী লিখকৰ মন্তব্য সম্পৰ্কে আলোচনা কৰাটো প্ৰাসংগিক বুলি বিবেচনা কৰিছো।

বিশিষ্ট ঐতিহাসিক ড° হেৰম্বকান্ত বৰপুজাৰী দেৱে অসমত বাংলা ভাষাৰ পৃষ্ঠপোষকতা কৰা জেনকিনছৰ প্ৰশস্তি গাইছে তেখেতৰ Assam : In the days of Company গ্ৰন্থত (…greatest benefactor of the people of Assam)। ড° বৰপুজাৰীৰ আগতে ড° সূৰ্য কুমাৰ ভূঞাও তদনুৰূপ মন্তব্য কৰিছে জেনকিনছৰ বিষয়ে (Assam : In the days of Company, p. 260)।

ড° বৰপূজাৰী আৰু ড° ভূঞাৰ দুয়োটা প্ৰশস্তি স্তুতি আজি সম্পূৰ্ণ সত্য নহয় বুলি প্ৰমাণিত হৈছে। সম্ভৱ ড° বৰপুজাৰী তেখেতৰ সিদ্ধান্ত আজি নিজেই নাকচ কৰিবলৈ ৰাজী। কিয়নো দুবছৰ আগেয়ে অসম সাহিত্য সভাই গুৱাহাটীত অসমীয়া সাহিত্য সংস্কৃতিলৈ মিছনেৰিৰ অৱদানৰ বিষয়ে পতা আলোচনা চক্ৰত ড° বৰপুজাৰীয়ে উন্মুকিয়াইছিল যে অসমত বাঙালী আমোলাৰ চক্ৰান্তত বাংলা ভাষা প্ৰচলন কৰা কথা সঁচা নহয়।

ড° নন্দ তালুকদাৰৰ 'সংবাদ পত্ৰৰ ৰ'দ কাচলিত অসমীয়া সাহিত্য' এখন তথ্য বহুল গ্ৰন্থ। এই কিতাপখনৰো কেইবাটাও তথ্য (আৰু মন্তব্য) আজি ভুল বুলি প্ৰতিপন্ন হ'ব। তেখেতে গ্ৰন্থখনত 'অসম হিতৈষী বিদেশী চাহাব' বুলি লিখা নিবন্ধটোত যিসকল বিদেশী চাহাবক প্ৰশংসা সূচক মন্তব্যৰে অলংকৃত কৰিছে সেইসকলৰ ভিতৰত আমি ওপৰত আলোচনা কৰা বৃটিছ বিষয়াসকলৰো নাম উল্লেখ কৰিছে। তেখেতে লিখিছে, "…এই বিদেশী চাহাববোৰে যি উদ্দেশ্যৰে অসমত প্ৰবেশ কৰক নকৰক, যেনে ভাৱেই শাসন-শোষণ নকৰক, পৰোক্ষভাৱে যে অসমৰ আৰু অসমীয়া জাতিৰ মহৎ উপকাৰ সাধি গৈছে, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি" (পৃ. ২৭)। কিতাপখনত জন পিটাৰ ৱেডকো



OKDISCD

'মহানুভব বিদেশী চাহাব' বুলি অভিহিত কৰা হৈছে।

ডেভিড স্কটে স্কুলসমূহত অসমীয়া ভাষা প্ৰচলনৰ পক্ষে মন্তব্য পেচ কৰা নাছিল বৰং ইয়াৰ বিপৰীতেহে বক্তব্য কৰাৰ কথা আমি পুৰ্বে উন্মুকিয়াই আহিছোঁ। তদুপৰি ডেভিড স্কটে স্থাপন কৰা স্কুলসমূহত সংস্কৃত ভাষা আৰু শাস্ত্ৰীয় শিক্ষা দান কৰাৰ দৃষ্টান্তহে পোৱা যায় (Assam : In the days of Company, H. K. Barpujary, p. 276)। অথচ 'সংবাদ পত্ৰৰ ৰ'দ কাচলিত…'ত লিখা হৈছে: "মি· ডেভিড স্কট জীয়াই থকা হ'ল বঙালী আমোলাৰ চক্ৰান্তত পৰি অসমৰ স্কুল আৰু আদালতত বঙলা ভাষাৰ প্ৰচলন হ'ব নোৱাৰিলেহেঁতেন।" (পৃ· ৩১)।

জেনকিনছৰ বিষয়ে মন্তব্য কৰা হৈছে, "বঙালী আমোলাই কমিছনাৰ জেনকিনছক বুজাই দিলে অসমীয়া ভাষা প্ৰকৃততে বঙালীৰ ঠাল। (পৃ· ২০১) "…জেনকিনছ চাহেবে বঙালী আমোলাৰ কথা গমকে নাপালে" (পৃ. ৩১)। ২১৯ পৃষ্ঠাত "কমিছনাৰ কৰ্ণেল হপকিনছকে প্ৰমুখ্যে এচাম উচ্চপদস্থ চাকৰিয়াল অসমীয়া বিৰোধী আছিল" বুলি উল্লেখ কৰিও মন্তব্য কৰা হৈছে "ইযে বঙালী আমোলাৰ ষড়যন্ত্ৰৰ ফল, সেই বিষয়ে সন্দেহ নাই।" এই নিৰ্দিষ্ট শাৰীটো কিতাপখনৰ বিভিন্ন পৃষ্ঠাত উপযুপৰি কেইবাবাৰো পোৱা যায়।

মাণিকচন্দ্ৰ বৰুৱাই ফুলাৰ চাহাবকো প্ৰশংসা কৰি গৈছে। পদ্মনাথ গোহাঞি বৰুৱাই আকৌ ১৯১৭ চনত অনুষ্ঠিত সাহিত্য সভাৰ প্ৰথম অধিবেশনত কৈছিল যে বৃটিছসকলে দয়া কৰি অসমীয়া সাহিত্যক সজীৱ কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল।

ড° নেওগেও পুৰ্বে বাঙালী আমোলাকে ষড়যন্ত্ৰৰ মূল বুলি বক্তব্য কৰিছিল। "বংগদেশৰপৰা অহা কাকতী মহৰীহঁতেই পাক চক্ৰ লগাই ১৮৩৬ ইংৰাজী চনত পঢ়াশালি আৰু আদালতত বঙলা ভাষাৰ চলন্তি লগাই দিলে" (আনন্দ ৰাম ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা, ড° নেওগ সম্পাদিত, পৃ· ৮)।

কিন্তু অসমতযে বৃটিছ সকলৰ পৃষ্টপোষকতাতহে বাংলা ভাষাৰ প্ৰচলন হৈছিল ; এই সম্পৰ্কত আমাৰ অতীতৰ অসমীয়া বুদ্ধিজীৱীসকল সম্পূৰ্ণ নিবৰ আছিলনে ? নাছিল। বিভিন্ন সময়ত আমাৰ লেখক-ঐহিহাসিকসকলে বিদেশী চাহাবসকলৰ এই ষড়যন্ত্ৰৰ কথা উন্মুকিয়াই আহিছে।

সাহিত্যৰথী বেজবৰুৱাই বাঙালী কেৰাণী-মহৰিৰ ফুচুলনিৰ তত্ত্বটো কোনো বিচাৰ নকৰাকৈ উন্মুকিয়াইছে, কিন্তু তথাপি তেওঁ বৃটিছ বিষয়াসকলৰ ভূমিকাৰ কথাও সাহসেৰে কব পাৰিছিল: "গৱৰ্ণমেণ্টে চিৰকাল যুদ্ধ কৰি আহিছিল অসমীয়া ভাষাক ঠেলি বঙলা ভাষাক অসমৰ ভাষা কৰিবলৈ। অসমৰ কমিছনাৰ কৰ্ণেল হপকিনছনৰপৰা চীফ কমিছনাৰ ৰাৰ্ড চাহাবলৈকে অসম গৱৰ্ণমেণ্টৰ ডাঙৰ মূৰীয়া বিষয়াসকলে সময় বুজি অসমীয়া ভাষাৰ বিৰুদ্ধে টোকন ধৰি আহিবলৈ ত্ৰুটি কৰা নাই।' (অসমীয়া ভাষা, বেজবৰুৱা গ্ৰন্থাৱলী, ২য় খণ্ড, পৃঃ ১৭২৩)।

সন্তৱ আৱাহনৰ পাতত উমাকান্ত বৰুৱাই প্ৰথম অধিক স্পষ্ট ভাষাত ই যে কেৱল বৃটিছসকলৰহে ষড়যন্ত্ৰ আছিল আৰু বৃটিছ বিষয়াসকলৰ ফুচুলনিতহে অসমীয়া ডাঙৰীয়াসকলেও বাংলা মাত কথাকে নিজৰ বুলি লৈছিল তাক উন্মুকিয়াইছে : 'যেতিয়া ছৰ্কাৰৰ ফালৰ পৰা অসম দেশত বঙালীভাষা চলাবলৈ যত্ন কৰা হৈছিল। অসমীয়া ডাঙৰীয়া সকলেও বঙালী কথাকে চাহাবৰ ফুচুলনিত নিজৰ কথা বুলি কৈছিল। অসমীয়া ভদ্ৰলোকসকল পুৰ্বত বঙালী আছিল বুলি জেন্‌কিন্স চাহাবে সকলোকে পানীকৃতং কৰি বুজাইছিল। তেওঁৰ গুৰি ধৰা হৈছিল স্কুল ইন্সপেক্টৰ অসম বুৰঞ্জী লিখক ৰবিন্সন।" (আৱাহন, ২য় বছৰ, ৯ম সংখ্যা, ১৯৫৩ শক) বেণুধৰ শৰ্মাই অসমীয়া ভাষাৰ দুৰ্যোগৰ গুৰিতে জেনকিনছ বুলি উল্লেখ কৰিছে। 'জেন্‌কিন্‌ছে অসমত বঙলা ভাষা চলাবলৈ হাতীপুঁৰ দি যত্ন কৰা' বুলি বেণুধৰ শৰ্মাই তেখেতৰ 'দূৰবীণ' নামৰ সৰু পুথিখনিত উল্লেখ কৰিছে (পৃ· ১৩৪)।

হেমচন্দ্ৰ বৰুৱাই তাহানিতে হেমকোষ'ৰ 'পাতনি'ত কৰা উক্তি এই ক্ষেত্ৰত বিশেষ প্ৰণিধানযোগ্য। তেওঁ কাৰ্যটো দেশাধিকাৰসকলৰ ভ্ৰমত সম্পাদিত হোৱা বুলি লিখিছে : 'অসম দেশ ইংৰাজ জাতিৰ হস্তগত হলতো দেশাধিকাৰ বিলাকৰ ভ্ৰমত বঙালী ভাষা অসমীয়াৰ মাতৃ ভাষা ৰূপে পৰিগণিত হোৱা হেতু অসমীয়া ভাষাই ৰাজ সভা আৰু পঢ়াশালিত সোমাবৰ অধিকাৰ নাপালে।' বৰুৱাই বাঙালী আমোলাৰ ষড়যন্ত্ৰৰ কথা উল্লেখ কৰা নাই।

ইংৰাজসকলে বাংলা ভাষা প্ৰচলন কৰাৰ গুৰিত কিছু সুযোগো নোপোৱাকৈ থকা নাছিল। তেওঁলোকে অসমলৈ আহি অসমীয়া ভাষাৰ বিশেষ সমৃদ্ধি দেখা নাছিল। কি সামাজিক, কি সাহিত্যিক সকলো ক্ষেত্ৰতে বাঙালীসকলৰ তুলনাত অসমীয়াৰ দুৰ্বলতা তেওঁলোকৰ চকুত পৰিছিল। তদুপৰি সেই সময়ত কেইবাজনো আগশাৰীৰ অসমীয়াই বাংলা ভাষাত লিখা-চৰ্চা কৰিছিল। আকৌ ইংৰাজসকলে বৰ্ণমালা আৰু ৰচনাৰীতিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ মিল ঠাৱৰ কৰিও বহু সময়ত অসমীয়া ভাষাক বাংলা ভাষাৰ লগত সাঙুৰিছিল। ১৮৭৪ চনলৈকে অসম বেংগল প্ৰেছিডেন্সিৰ ভিতৰুৱা আছিল। গতিকে গোটেই প্ৰেছিডেন্সিতে এক ভাষা প্ৰচলন কৰি নিজৰ স্বাৰ্থ অৰ্থাৎ প্ৰশাসনিক সুবিধাৰ প্ৰতি তেওঁলোকে বেছিকৈ লক্ষ্য ৰাখিছিল। এয়া যে বৃটিছ চৰকাৰৰ নিজা ববীয়া সিদ্ধান্ত আছিল আন কেইটামান উদাহৰণে তাক স্পষ্ট কৰিব বুলি আমাৰ ধাৰণা।

বলিৰাম ফুকনে তেওঁৰ হৰ্ষ আৰু বিসাদ শীৰ্ষক ৰচনাত বৃটিছ চৰকাৰৰ সিদ্ধান্তৰ কথা উল্লেখ কৰিছে:

৪৪ পৃষ্ঠাত চাওক





# মানৱ দেহত বিদ্যুৎ শক্তি

নীলোৎপাল বেজবৰুৱা

আগষ্ট ৭ ১৯৩৮ চন। ইংলণ্ডৰ এক প্ৰখ্যাত জনপূৰ্ণ প্ৰেক্ষাগৃহৰ দৰ্শকসকলে আগ্ৰহ আৰু উত্তেজনাৰে ফিলিছ নিউকম্বৰ নাচ চাবলৈ অপেক্ষা কৰিছিল। ছাব্বিছ বছৰীয়া সুন্দৰী ফিলিছ নৃত্য প্ৰেমীসকলৰ অন্যতম আকৰ্ষণ। অৱশেষত ফিলিছে নৃত্যমঞ্চত প্ৰবেশ কৰিলে আৰু সুমধুৰ সংগীতৰ তালে তালে নৃত্য প্ৰদৰ্শন কৰিবলৈ ধৰিলে। কিন্তু হঠাৎ এটা আচৰিত ঘটনা ঘটিল। দৰ্শকসকলে লক্ষ্য কৰিলে নৰ্তকীগৰাকীৰ দেহৰ চাৰিওফালে এটা উজ্জ্বল জুইৰ শিখা। আৰু কেইছেকেণ্ড পাছতে দৰ্শকসকলক স্তম্ভিত কৰি সুন্দৰী ফিলিছৰ ৬৬ কেজি ওজনৰ দেহটো মাত্ৰ ৩·৫ কেজি ওজনৰ কলা ছাইলৈ ৰূপান্তৰিত হ'ল। স্বাভাৱিকতে দৰ্শকসকলৰ মাজত আতংকৰ সৃষ্টি হ'ল। পুলিছ আহিল আৰু তীব্ৰগতিত অনুসন্ধান আৰম্ভ হ'ল। সমগ্ৰ ইংলণ্ডবাসীক আচৰিত তথা শংকিত কৰি তোলা ফিলিছৰ মৃত্যুৱে দুটা প্ৰশ্নৰ উদ্ভাৱন কৰিলে। প্ৰথম প্ৰশ্ন— ফিলিছক হত্যা কৰা হ'ল নেকি ? যদি হত্যা কৰা হোৱা নাই তেনেহলে তেওঁৰ কেনেকৈ মৃত্যু হ'ল ? উল্লেখযোগ্য যে সেইসময়ৰ ইংলণ্ডৰ পুলিছ বাহিনী আৰু বিখ্যাত অনুসন্ধানকাৰীসকলে এই নৰ্তকীগৰাকীৰ মৃত্যুৰ ৰহস্য সমাধান কৰিব নোৱাৰিলে আৰু সন্তোষজনক সমাধান নোপোৱালৈ এই তদন্তৰ সামৰণি মাৰিবলগীয়া হ'ল। যি কি নহওক, এই ৰহস্যৰ সমাধান আমি ইয়াতে কৰিম যদিও প্ৰথমতে এই দুৰ্ঘটনাটো কেনে ধৰণৰ সেই বিষয়ে জানি লোৱা ভাল হ'ব।

ফিলিছৰ কেনেকৈ মৃত্যু হ'ল,— ইয়াক স্বদহনৰ (Spontaneous combustion) দ্বাৰা সমাধা হোৱা বুলি কোৱা হয়। ই অতি বিৰল যদিও বাৰটাতকৈও অধিক স্বদহনৰ ঘটনা লিপিবদ্ধভাৱে পোৱা হৈছে। বুৰঞ্জীত ইয়াক বিচাৰিবলৈ আমি অষ্টাদশ শতিকালৈ উভতি যাব লাগিব। ইটালিৰ কৰনেলিয়া ডাই বাণ্ডি নামৰ ৬২ বছৰ বয়সীয়া প্ৰৌঢ়া কাউণ্টেছ এগৰাকী এই দহনৰ প্ৰথম বলি হয়। সিদিনা আছিল দেওবাৰ। কাউণ্টেছৰ লিগিৰীগৰাকীয়ে পুৱতি নিশাতে তেওঁৰ কোঠাৰ পৰা হালধীয়া বৰণৰ জুইৰ শিখা ওলোৱা দেখিবলৈ পায়। জুইৰ শিখা দেখিও বিবুধি নহৈ লিগিৰীগৰাকী কাউণ্টেছৰ কোঠালৈ সোমাই যায়। কিন্তু ছাইৰ এটা দমৰ বাহিৰে তাই কোঠাটোত একো নাপালে। কৰনেলিয়াৰ দেহটো ছাইলৈ ৰূপান্তৰিত হৈছিল যদিও তেওঁৰ কোঠাৰ সকলোবোৰ বস্তু অক্ষত অৱস্থাত পোৱা গৈছিল। আনকি এই মহিলাগৰাকীৰ পিন্ধা কাপোৰযোৰো আগৰ দৰেই আছিল।

১৯৩০ চনত New york sun-এ আন এটা স্বদহনৰ বাতৰি দিয়ে। বাতৰিটো আছিল এনে ধৰণৰ: "Mrs stanley Lake of kingston, New york, was burned to death under strange cicumstances. The coroner's jury, after pronouncing it accidental from unknown causes, added this comment, "Although her body was severely burned, her clothing was not even scorched."

ঠিক একেধৰণৰ এটা বাতৰি ১৯৮২ চনৰ ৭ আগষ্টৰ The times of India ত প্ৰকাশ পায়। সংবাদদাতাই বৰ্ণনা কৰে: "A woman walking down a Chicago street burst into flames for no apparent reason, and the police said they have no immediate explanation."

এইদৰেই সময়ে সময়ে যথেষ্ট সংখ্যক স্বদহনৰ বাতৰি পোৱা গৈছিল। কিন্তু ফ্লোৰিডাৰ সেই ৬৭ বছৰ বয়সীয়া মেৰী ৰিচাৰ্ডৰ অভূতপূৰ্ব দহনৰ বিষয়ে নকলে এই লিখা অসম্পূৰ্ণ হৈ ৰ'ব। ১৯৫১ চনৰ ২ জুলাই, সোমবাৰ। এক উজ্বল প্ৰভাতৰ দিন। ছেণ্ট পিটাছবাৰ্গৰ ১২০০ ষ্ট্ৰিটৰ মিছেছ কাৰপেণ্টাৰ তেওঁৰ বান্ধৱী ৰিচাৰ্ডৰ ঘৰলৈ গৈছিল দুপৰীয়া আহাৰৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ। আঠ বাজিবলৈ কেইমিনিটমানহে বাকী আছিল। কাৰপেণ্টাৰে তেওঁৰ বান্ধৱীৰ দুৱাৰৰ নবত হাত দিয়েই বাহিৰলৈ ওলাই আহিছিল,— সহায় বিচাৰি। কাৰণ ৰিচাৰ্ডৰ দুৱাৰখন জুইহেন গৰম হৈ আছিল। তেওঁৰ চিঞৰ শুনি কাষতে কাম কৰি থকা পেইণ্টাৰ কেইজনমান দৌৰি আহে। ৰিচাৰ্ডৰ দুৱাৰখন ভাঙিবলৈ তেওঁলোক বাধ্য হয়। কোঠাটোৰ ভিতৰখন অগ্নিকুণ্ডৰ দৰে তপত হৈ উঠিছিল। আৰু মেৰিৰ ৭৭ কেজি ওজনৰ মাংস আৰু হাড়ৰ পাৰ্থিৱ দেহটোৱে মাত্ৰ ৫ কেজি ওজনৰ ছাইৰ ৰূপ লৈছিল। এইবাৰো অনুসন্ধান চলিল। ৰসায়নবিদ আৰু চিকিৎসাবিজ্ঞানৰ অধ্যাপকসকলেও এইবাৰৰ ৰহস্যৰ সমাধানত আগভাগ ললে। কিন্তু আগৰ দৰে এইবাৰো তেওঁলোক ব্যৰ্থ হ'ল আৰু পুলিছ চিফ জে আৰ ৰেইচাৰ্টে খবৰ কাগজত এইদৰে বিবৃতি দিবলৈ বাধ্য হ'ল: "As far as logical explanations go, this is one of these that just couldn't have happened, but it did, the case is not closed to the satisfaction of all concerned."

স্বদহনৰ বলি হোৱা ব্যক্তিসকলে সাধাৰণতে মৃত্যুকে আকোৱালি লৈছিল। কিন্তু আমেৰিকাৰ নাছভিল বিশ্ববিদ্যা-

লয়ৰ অংক শাস্ত্ৰৰ অধ্যাপক "এইচ" আছিল একমাত্ৰ সৌভাগ্যৱান ব্যতিক্ৰম ; অলৌকিকভাৱে তেওঁ অনিবাৰ্য মৃত্যুৰপৰা ৰক্ষা পাইছিল। অধ্যাপকগৰাকীয়ে পাছত তেওঁৰ লোমহৰ্ষক জীৱন মৃত্যুৰ সন্ধিক্ষণৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছিল। অধ্যাপক 'এইচ'ৰ অভিজ্ঞতাই চিন্তাবিদসকলক এক নতুন দিশত চিন্তা-চৰ্চা কৰিবলৈ সুযোগ দিয়ে আৰু তাৰ ফলত এক ৰহস্যৰ দুৱাৰ খোল খায়।

ৰহস্যৰ দুৱাৰ সম্পূৰ্ণকৈ মুকলি কৰাৰ আগতে আমি চিকিৎসাবিজ্ঞানৰ দুই এটা কথা জানি ল'লে ভাল হ'ব। চিকিৎসাবিদসকলে স্বদহনৰ ঘটনাবিলাক পৰ্যবেক্ষণ কৰি এটা সিদ্ধান্তত উপনীত হ'ব পাৰিছিল যে এই দহন সাধাৰণ দহনৰ নিচিনা নহয়। পাছত অধ্যাপক "এইচ"ৰ অভিজ্ঞতায়ো এই মতকে সমৰ্থন কৰিছিল। তেওঁলোকে উপলব্ধি কৰিছিল যে এই ঘটনাটো শৰীৰৰ এক অভ্যন্তৰীণ প্ৰক্ৰিয়া। এক উচ্চ বিভৱ-পাৰ্থক্যৰ (Potential difference) প্ৰভাৱত শৰীৰৰ মাজেদি বিদ্যুৎ প্ৰবাহ ঘটিলে এই প্ৰক্ৰিয়া সংঘটিত হয়।

শুনি আচৰিত যেন লাগিলেও সত্য যে মানুহৰ দেহটো এটা বিদ্যুৎ উৎপাদনকাৰী যন্ত্ৰ। সেয়ে আন আন উৎসৰ দৰে ইয়ো "বিদ্যুৎ জোকাৰ" (electric shock) দিব পাৰে। ১৯৮৩ চনৰ The Times of India ৰ এই বাতৰিটো পঢ়িলে সেই সম্পৰ্কে থকা সন্দেহ মাৰ যাব। পাউলিন নামৰ ৪১ বছৰ বয়সীয়া এগৰাকী মহিলাৰ কথা কাকতখনে এইদৰে বৰ্ণনা কৰে : "when she does the laundry the eleciric iron has a habit of blowing up. And she's killed nins fishes in the familys heated aquarium. —Scientists have now recommended that she take several showers a day and wear a piece of wire round her ankle, so she can be "earthed" while walking and there by discharge all the electricity into the ground."

বিখ্যাত ইংৰাজ লেখক কলিন উইলছনৰ "Poltergeist" নামৰ গ্ৰন্থখনত আন এটা বিদ্যুৎআহিত (electrically charged) লোকৰ ঘটনাৰ বিষয়ে জানিবলৈ পোৱা যায়। এঞ্জেলিকিউ কটিন নামৰ উনবিংশ শতিকাৰ ফৰাছী ছোৱালী এগৰাকীৰ বিৱৰণ পোৱা যায়,— যাক সেইসময়ত "মানৱ বিদ্যুৎ ইল" আখ্যা দিয়া হৈছিল। কটিনক কোনো লোকে স্পৰ্শ কৰিলেই তাই মানুহজনক এক শক্তিশালী বৈদ্যুতিক জোকাৰ দিব পাৰিছিল। এই আচৰিত ঘটনাটো— মাত্ৰ চাৰিমাহৰ বাবে ঘটিছিল আৰু পাছত কটিনে সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰে। বিভিন্ন ক্ষেত্ৰৰ বিজ্ঞানীসকলে কটিনক পৰ্যবেক্ষণ কৰিছিল। আন এটি আচৰিত ঘটনাৰ বৰ্ণনাও এই কিতাপখনত পোৱা যায়। জাৰ্মানিৰ মিল এমেৰিক নামৰ ছোৱালীজনীয়ে আকৌ মানুহক স্পৰ্শ নকৰাকৈয়ে বৈদ্যুতিক জোকাৰ দিব পাৰিছিল। মিলৰ চাৰিওদিশত এনে এক শক্তিশালী বৈদ্যুতিক ক্ষেত্ৰৰ সৃষ্টি হৈছিল যাৰ প্ৰভাৱত তাই এবাৰ প্ৰায় ত্ৰিছ মিটাৰ দূৰৈত পাত্‌ থকা ভায়েকক অজ্ঞান কৰি পেলাইছিল।

মানুহৰ শৰীৰটো যে প্ৰকৃততে এটা বিদ্যুৎ উৎপাদনকাৰী যন্ত্ৰ, এই কথা উনৈছ শতিকাৰ শেষাৰ্ধত বিখ্যাত যুগোশ্লাভ বিজ্ঞানী নিকলা টেছলাই প্ৰমাণ কৰি গৈছিল। বিদ্যুতৰ লগত শৰীৰৰ অংশবোৰৰ কি ধৰণৰ সম্পৰ্ক এই বিষয়ে জানিবলৈ মানুহৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ কিছু জ্ঞান থকা প্ৰয়োজন। কেন্দ্ৰীয় স্নায়ুতন্ত্ৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি : মস্তিষ্ক (brain) আৰু মেৰুৰজ্জু (spinal cord)। মস্তিষ্ক আৰু মেৰুৰজ্জুৰ পৰা বিভিন্ন ধৰণৰ স্নায়ুৰ উৎপত্তি হয়। আৰু শৰীৰৰ বিভিন্ন অংশৰ লগত এই স্নায়ুবোৰৰ প্ৰত্যক্ষ সংযোগ থাকে। মগজুৰপৰা উৎপত্তি হোৱা স্নায়ুবোৰক ক্ৰেনিয়েল (craniel) স্নায়ু আৰু মেৰুৰজ্জুৰপৰা উৎপত্তি হোৱাবিলাকক স্পাইনেল (spinal) স্নায়ু বুলি কোৱা হয়। বিভিন্ন ধৰণৰ অনুভূতিবিলাক এই স্নায়ুবিলাকৰ সহায়ত মগজুৱে গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে, যেতিয়া কোনো লোকৰ শৰীৰ স্পৰ্শ কৰা হয়, তেতিয়া স্নায়ুবিলাকৰ দুই মূৰত এক বিদ্যুৎ-বিভৱৰ সৃষ্টি হয়। তাৰ ফলত স্পৰ্শ কৰাৰ অনুভূতিখিনি বৈদ্যুতিক তৰংগৰ (electrical impulse) ৰূপত মগজুলৈ পৰিবাহিত হয় আৰু মগজুৱে তাক গ্ৰহণ কৰে। যদি কোনো কাৰণত এই বৈদ্যুতিক তৰংগবিলাক বাধাপ্ৰাপ্ত হয় ; তেতিয়া সিহঁত স্নায়ু কেন্দ্ৰ (nerve centre) নামৰ এক বিশেষ স্থানত জমা হয়। এইদৰে ক্ৰমবৰ্ধমান বৈদ্যুতিক বৈদ্যুতিক তৰংগবিলাকৰ পৰাই শৰীৰৰ ভিতৰত শ্বৰ্ট ছাৰ্কিটৰ (short circuit) সৃষ্টি হয়। যিদৰে কোনো বৈদ্যুতিক পদ্ধতিত শ্বৰ্ট চাৰ্কিট হ'লে জুইৰ উৎপত্তি হয় ; ঠিক সেই দৰে মানৱ শৰীৰতো এই প্ৰক্ৰিয়াৰ ফলত জুইৰ উৎপত্তি হ'ব পাৰে। আৰু তেতিয়াই কৰনেলিয়া, ফিলিছ, ৰিচাৰ আদি দুৰ্ভগীয়াসকলে মৃত্যুক আঁকোৱালি লয়।

এতিয়া স্বাভাৱিকতে, আমাক আতংকিত কৰি তোলা প্ৰশ্নটো হ'ল— যিহেতু সকলো মানুহৰ শৰীৰটোৱেই এটা বিদ্যুৎ উৎপাদনকাৰী যন্ত্ৰ, তেতিয়াহ'লে স্বদহনৰ বলি হোৱাৰ সকলোৰেই সম্ভাৱনা আছে নেকি ?

এনেকৈ আতংকিত হোৱাৰ কাৰণ নাই। কাৰণ ১৯২৮ চনতে হেনছ বাৰ্গাৰ নামৰ বিজ্ঞানীজনে প্ৰমাণ কৰি থৈ গৈছে যে মগজুৱে শৰীৰত উৎপন্ন কৰা বিদ্যুতৰ পৰিমাণ একেবাৰেই নগণ্য। বাৰ্গাৰে গণনা কৰি পোৱা মতে এই বিদ্যুতৰ পৰিমাণ এশ লাখ ভাগৰ এক ভ'ল্টৰ সমান।



# অসমৰ ৰাজনৈতিক মঞ্চ


## নতুন নায়ক নতুন দৃশ্যপট



পৰাগ কুমাৰ দাস

অৱশেষত গণতন্ত্ৰৰ জয় হ'ল, অসমৰ ৰাইজৰ জয় হ'ল। যিবোৰ কথা আজি এমাহ আগলৈকে আমাৰ সপোনৰো অগোচৰ আছিল, সি আজি বাস্তৱ হ'ল। যোৱা নিৰ্বাচনটোত গণ পৰিষদে দৰাচলতে নিজৰ ৰবীয়াকৈ নিৰ্বাচনী অভিযান চলোৱাৰ কোনো প্ৰয়োজনেই নাছিল। ছটাকৈ বছৰ ধৰি অসমৰ জনসাধাৰণৰ ওপৰত প্ৰশাসনৰ নামত যি অত্যাচাৰ, উৎপীড়ন চলিল, কংগ্ৰেছী গণতন্ত্ৰৰ নামত যি প্ৰসহন চলিল, সেইবোৰেই দৰাচলতে কেতিয়াবাই অসম গণ পৰিষদৰ বাট মুকলি কৰি থৈছিল। অসমত আজিৰপৰা অসমৰ ৰাইজৰ শাসন চলিব। আজি ইমান বছৰ ধৰি আমি চৰকাৰ নামৰ যন্ত্ৰটোৰ ওপৰত যি আস্থা হেৰুৱাই পেলাইছিলো, সেই আস্থাক এতিয়া পুনৰাই প্ৰতিষ্ঠা কৰিব লাগিব। যিমানেই আমি সফলতা লাভ কৰি গৈ আছোঁ, সিমানেই আমাৰ দায়িত্বৰ পৰিমাণ বাঢ়ি গৈ আছে। প্ৰচলিত ৰাজনৈতিক প্ৰক্ৰিয়াটোৱে কংগ্ৰেছৰ কুশাসনৰ কোনো বিকল্প ব্যৱস্থা আগবঢ়াবলৈ ব্যৰ্থ হোৱাৰ নিমিত্তেই আমি আজি শাসন যন্ত্ৰটোক ৰাজনীতিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে অনভিজ্ঞ নতুন চামৰ ওপৰত অৰ্পণ কৰিবলৈ বাধ্য হ'লো ;— আৰু তাৰেই পৰিপ্ৰেক্ষিতত নতুন চামৰ দায়িত্ব আজি দুগুণে বৃদ্ধি পাইছে ;— সৰ্বসাধাৰণ ৰাইজৰ দায়িত্ব বৃদ্ধি পাইছে। গণ পৰিষদক, সৰ্বসাধাৰণ ৰাইজৰ প্ৰতিনিধিক, আজি দিছপুৰলৈ নিৰ্বাচিত কৰি পঠিওৱাতেই আমাৰ দায়িত্ব শেষ হৈ যোৱা নাই। বহু আকাংক্ষিত ৰাজনৈতিক বিপ্লৱটোৰ এইয়া মাত্ৰ এক আৰম্ভণিহে— লক্ষ্য এতিয়াও বহু দূৰৈত।

বহু সময়ত মানুহে নিজেই সমস্যাবোৰ সৃষ্টি কৰি লয় আৰু এটা সময়ত সেই সমস্যাবোৰেই আকৌ মানুহ-



দুই/লাখৰো অধিক লোকৰ উপস্থিতিত প্ৰফুল্ল কুমাৰ মহন্তৰ শপত গ্ৰহণ

জনক সেই অনুপাতে গঢ় দিয়ে। যোৱা ৩৮টা বছৰে অসমত ৰাজনীতিৰ নামত যি শোষণ আৰু ভণ্ডামী চলিল, তাৰ মূলতেই অসমীয়া সৰ্বসাধাৰণ ৰাইজৰ ৰাজনৈতিক নিৰ্বিকাৰতা বুলি ক'লে বোধকৰোঁ বিশেষ অত্যুক্তি কৰা নহ'ব। তাতে আকৌ অসমৰ বিশেষ জনসাংখ্যিক গাঁঠনি (demographic structure)টোৱে সেই শোষণ আৰু ভণ্ডামীৰ প্ৰক্ৰিয়াটো অব্যাহত ৰখাত সদায়ে বিশেষভাৱে অৰিহণা যোগাই আহিছিল। আৰু সময়ত গৈ আমি এনেকুৱা এটা অৱস্থাত উপনীত হৈছিলো যে, বিশাল নিৰ্লিপ্ত জনসমুদ্ৰৰ মাজত এক মুষ্টিমেয় চামে ৰাজনৈতিক ব্যৱসায় ৰূপে লৈ এক বিৰাট অংকৰ মুনাফা লুটাৰ প্ৰক্ৰিয়াটো দেখিও নেদেখাৰ ভাও ধৰি সহ্য কৰি থাকিবলগীয়া হৈছিল; —"অসমত আলি, কুলী আৰু নাক চেপেটা নেপালীবোৰ থাকে মানে আমাৰ কোনেও গাৰ নোম পৰ্যন্ত লৰাব নোৱাৰে" বুলি সগৰ্বে দপদপাই থকাজনকো আমি নতশিৰে মানি ল'বলগীয়া হৈছিল। এটা সময়ত 'ৰাজনীতি' বোলা শব্দটো সৰ্বসাধাৰণ ৰাইজৰ বাবে এনে এক অস্পৃশ্য শব্দ হৈ পৰিল যে আনকি ছবছৰীয়া অভূতপূৰ্ব গণ আন্দোলনটোৰ সময়ছোৱাতো আমি অসমৰ জনসাধাৰণক 'ৰাজনৈতিকভাৱে' সংগঠিত কৰাৰ কোনো সংগবদ্ধ প্ৰচেষ্টা নচলালো বা আনকি তাৰ প্ৰয়োজনো বোধ কৰা নাছিলো। আৰু সেয়েহে হয়তো আন্দোলনটোৱে পোৱা স্বতঃস্ফূৰ্ত সঁহাৰিত অভিভূত হৈ পৰাজনেও আনকি মন্তব্য কৰিবলৈ বাধ্য হৈছিল যে, আন্দোলন আৰু নিৰ্বাচনী ৰাজনীতিৰ মাজত পাৰ্থক্য আছে আৰু সেয়েহে, আন্দোলনটো যিমানেই সফল নহওক কিয়, ৰাজনৈতিক দিশত অপৰিপক্ক অসমৰ ৰাইজে হয়তো নিৰ্বাচনী যুঁজখনত প্ৰচলিত ভণ্ডামীবোৰৰ সমুখত বিশেষ প্ৰতিপত্তি লাভ কৰিব নোৱাৰিব। অন্ততঃ আজি প্ৰায় দুমাহ আগলৈকেও ওপৰৰ বাক্যটোৱেই অসমৰ ৰাজনীতিৰ এক অবিকল চিত্ৰ দাঙি ধৰি আছিল, আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই তিনিটা বছৰ ধৰি স্বেচ্ছাচাৰিতাৰ চৰম পৰ্যায়ত থকা 'অবৈধ' চৰকাৰটোৰ নেতৃবৰ্গয়ো আনকি 'যি কোনো সময়তে নিৰ্বাচনৰ সন্মুখীন হ'বলৈ সাজু আছোঁ'— বুলি কৈ দপদপাই ফুৰিবলৈ সাহস কৰিছিল। আৰু সঁচাকৈয়ে, ঐতিহাসিক চুক্তিখন সম্পন্ন হোৱাৰ সমসাময়িক কালছোৱাত অসমৰ ৰাইজ ৰাজনৈতিক সংগঠনৰ দিশত একেবাৰেই দুৰ্বল হৈ আছিল; —এপিনে আঞ্চলিক দলসমূহক একত্ৰীকৰণৰ বিফলতা আৰু আনপিনে; ক্ৰমান্বয়ে কমি অহা আন্দোলনটোৰ ঢৌৰ পৰিপ্ৰেক্ষিতত আন্দোলনৰ নেতৃবৰ্গয়ো আনকি হয়তো ভাবিব পৰা নাছিল যে, ৰাজনৈতিকভাৱে অসংগঠিত ৰাইজক লগত লৈ শক্তিশালী প্ৰতিপক্ষৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজত এনেদৰে এঘড়ি যুঁজ দিব পৰা যাব। নতুন দিল্লীয়েও ঠিক এনেধৰণৰ এটা অনুমানৰ ভিত্তিতে অসমৰ ৰাইজক শলঠেকত পেলাবৰ নিমিত্তেই ভোটাৰ তালিকা প্ৰস্তুত নৌহওঁতেই হঠাতে নিৰ্বাচন ঘোষণা কৰি দিলে। কিন্তু অসমৰ ৰাইজে ইয়াক প্ৰত্যাহ্বান হিচাপে লৈ যোৱা এটা মাহৰ ভিতৰতে যি এক ৰাজনৈতিক অলৌকিকতা (political miracle) প্ৰদৰ্শন কৰিলে, সি গণতন্ত্ৰৰ ইতিহাসত অবিস্মৰণীয় হৈ ৰ'ব। প্ৰতিপক্ষৰ প্ৰচুৰ কুমন্ত্ৰণা বল আৰু অৰ্থবলৰ বিপৰীতে কেৱল মনোবলকে সম্বল কৰি নিৰ্বাচনী যুঁজত নামি মাত্ৰ এটা মাহৰ ভিতৰতে গোটেই ৰাজনৈতিক প্ৰক্ৰিয়াটোকে সলনি কৰি দিবলৈ সক্ষম হোৱা সফল কাহিনীটোৰ পূৰ্ণ বিশ্লেষণৰ প্ৰয়োজন আজি এই কাৰণেই হৈছে যে, নিৰ্বাচনী প্ৰক্ৰিয়াটো শেষ হৈ যোৱাৰ লগে লগে আমাৰ দায়িত্ব আজি শেষ হৈ যোৱা নাই— 'The election was merely a mean towards the end ; by itself it was not an end'— বহু প্ৰতীক্ষিত ৰাজনৈতিক বিপ্লৱটো এইয়া মাত্ৰ আৰম্ভহে হৈছে— আৰু ভেটিটোৰ মাটিখিনৰ গুণাগুণৰ ওপৰতেই গোটেই প্ৰক্ৰিয়াটোৰ সফলতা নিৰ্ভৰ কৰিছে। তদুপৰি, এমাহ জুৰি চলা নিৰ্বাচনী প্ৰস্তুতিৰ অভিযানটোৰ বিশ্লেষণেই দৰাচলতে আমাৰ প্ৰকৃত ৰাজনৈতিক অন্তৰ্নিহিত শক্তিৰ (political potentiatily) এটা সুন্দৰ আভাস দিব পাৰে আৰু তাৰ ওপৰত ভিত্তি কৰি আমি ভৱিষ্যতৰ বাবে এটা বাস্তৱভিত্তিক পৰিকল্পনা গ্ৰহণ কৰিব পাৰোঁ। সাধাৰণতে আমি দেখি আহিছোঁ যে, জলসমুদ্ৰত ডাঙৰ ঢৌ এটা যেতিয়া আহে, ঢৌটো যিমানেই ডাঙৰ হয়, সি সিমানেই সোনকালে শাম কাটি যায় ;— উদাহৰণ স্বৰূপে আমি সত্তৰৰ দশকৰ বিহাৰ আন্দোলন বা 'জনতা ঢৌ' লৈকে আঙুলিয়াব পাৰোঁ। অসমৰ ৰাজনৈতিক সমুদ্ৰতো আজি এটা বিৰাট ঢৌ উঠিছে, পৰিবৰ্তনৰ ঢৌ ; কিন্তু এই ঢৌটোৱেও যদি আমি উল্লেখ কৰা ধৰণৰ চৰিত্ৰকেই লয়, তেন্তে অসমবাসীৰ নিমিত্তে, অসমৰ নিমিত্তে, তাতকৈ পৰিতাপৰ বিষয় আৰু একো নহ'ব। কাৰণ, আমি এইয়া ৰাজনৈতিক জীৱন আৰম্ভহে কৰিছোঁ। আজি অসমৰ ৰাইজৰ প্ৰথম কৰ্তব্য হ'ব, যিটো অসীম উদ্যমেৰে আমি এমাহৰ ভিতৰতে ৰাজনৈতিক আলৌকিকতা শক্তি প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'লো, সেই একেটা উদ্যমেৰেই এতিয়া আমি চেষ্টা কৰিব লাগিব এই ৰাজনৈতিক ঢৌটোক মংগলময় দীৰ্ঘজীৱন দিবলৈ ;—আৰু তাৰ বাবেই প্ৰয়োজন হৈছে কিছু সূক্ষ্ম বিশ্লেষণৰ ;—আমাৰ সফলতা আৰু বিফলতা উভয়ৰে। প্ৰথমতে আমি নিজস্ব প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিতে যোৱা নিৰ্বাচনী আন্দোলনটোৰ প্ৰকৃত প্ৰগাঢ়ত্বৰ এটা বিশ্লেষণ কৰিব খুজিছোঁ।

যোৱা ৩৮ বছৰে আমি দেখি আহিছোঁ যে, অসমৰ নিৰ্বাচনী ৰাজনীতিত চাহ বাগানে সদায়ে এক সিদ্ধান্তকাৰী শক্তিৰ (decisive factor) ভূমিকা গ্ৰহণ কৰি আহিছে। চাহ মজদুৰ ভাই-ভনীহঁতৰ নিৰক্ষৰতা আৰু অজ্ঞতাৰ সুযোগ লৈ নিৰ্বাচনৰ আগনিশা মদ আৰু অন্যান্য প্ৰলোভনেৰে শাসক দলে সদায়ে একোটা গোট হিচাপে বাগানৰ ভোটখিনি নিজৰ হাতত ৰাখিছে আৰু তেনেধৰণেই জনসাধাৰণক প্ৰকৃততে প্ৰতিনিধিত্ব নকৰাকৈয়ে জয়ী হৈ অহা চৰকাৰ একো একোটাৰ হাতত আমি শাসন দণ্ড অৰ্পণ কৰিছোঁ। এইবাৰো ঠিক তেনেকুৱা এটা অৱস্থাৰে আশংকা কৰি আমি সিদ্ধান্ত লৈছিলো যে, চাহ বাগানক লৈ খেলা ৰাজনীতিৰ প্ৰকৃত বুজ পাবলৈকে নিৰ্বাচনৰ আগদিনা চাহ বাগানৰ ভিতৰত ঘূৰিম আৰু সেই উদ্দেশ্যৰেই আমি অসম মদ বিতৰণ কৰি থকা সময়তে হেনো গুৱাহাটীৰ পশুচিকিৎসা মহাবিদ্যালয়ৰ এদল ছাত্ৰ সেই ঠাইত উপস্থিত হোৱাত তেওঁলোকক এদল উন্মত্ত লোকে আগুৰি ধৰি মাৰপিট কৰে আৰু বাছখন কুঠাৰেৰে ঘপিয়ায় নষ্ট কৰে। এই ঘটনাটো পাছদিনা নাজিৰা আৰক্ষী চকীত লিখিতভাৱে জনোৱাৰ পাছতো কোনো ব্যৱস্থা কৰা নহ'ল।

যি কি নহওক, মেকিপুৰ চাহ বাগানৰ ভিতৰত সোমাই আমি অবাক! বাগানৰ ভিতৰলৈ বাহিৰৰ পৰা গণ পৰিষদৰ প্ৰচাৰক সোমোৱাত বাটতে সশস্ত্ৰ বাহিনীয়ে বাধা দিছে যদিও বাগানৰ ভিতৰত আমি গণ পৰিষদৰ আঞ্চলিক কাৰ্যালয় পালো। বাহিৰৰ পৰা কোনো আৰ্থিক সহায় নোহোৱাকৈ চাহ বাগানৰ মজদুৰ কৰ্মীসকলে নিজৰ বৰ্বীয়াকৈ শ্ৰমিকৰ ভগাই দিয়া হৈছে; কোনোবা এজন শ্ৰমিকে কাৰ্যালয়লৈ আহি টকা ত্ৰিছটা দি গৈছে,—তাৰেই সেইদিনা নিশা পহৰা দিয়া ল'ৰা কেইজনে চাহ-পানী খাব; কোনোবা শ্ৰমিকে কেইজনমান কৰ্মীক নিজৰ ঘৰলৈ নি দুপৰীয়াৰ ভাত সাজ খুৱাইছে; কেন্দ্ৰীয় কমিটিৰ পৰা তেওঁলোকে মাত্ৰ প'ষ্টাৰ কেইখন পাইছে। ১৯৮৩ নিৰ্বাচনত মদ আৰু টকাৰ ৰাগীত মতলীয়া হৈ 'অসমীয়া'ৰ লগত যুঁজিবলৈ ধনু-কাঁড় লৈ ওলাই অহা মজদুৰ ডেকাও পাইছোঁ—এইবাৰ হাজাৰ প্ৰলোভনকো নেওচা দি নিজৰ বাবে একো নিবিচৰাকৈয়ে গণ পৰিষদৰ হকে প্ৰচাৰ চলাইছে। 'কোনোবাই টকা দিলে আমাৰ ল'ৰাক ল'বলৈ কৈছোঁ—ল'বা ; কাৰণ সেইবোৰ আমাৰ টকা, ৰাইজৰ টকা। কিন্তু টকাৰ বিনিময়ত কোনেও অন্তৰ বিক্ৰি নকৰিবা।' —সৌ সিদিনালৈকে কংগ্ৰেছত থকা মজদুৰ ডেকা সুখদেৱ ৰাজোৱাৰে সৰল চাহ মজদুৰসকলক আজি এই পৰামৰ্শ দিছে!

**নেপথ্যত থাকিয়েই দেশৰ সেৱা কৰি যোৱা এচাম মানুহৰ জন্ম হ'ল, সেয়া আমাৰ নিমিত্তে নিশ্চয় পৰম আনন্দৰ কথা।**

বিধান সভাৰ ১০৪ নম্বৰ নাজিৰা সমষ্টিৰ কেইখনমান চাহ বাগিচা বাছি লৈছিলো। নাজিৰা সমষ্টিৰ চাহ বাগিচা বাছি লোৱাৰ কাৰণ হ'ল— এইটো সমষ্টিতে আমাৰ বহুতো প্ৰশ্নৰ উত্তৰ পৰিষ্কাৰভাৱে পোৱাৰ সম্ভাৱনা আছিল। (নাজিৰা সমষ্টিত শ্ৰীতনু কোঁৱৰৰ সাফল্যৰ বিষয়ে পাছত আলোচনা কৰিম।)

১৫ ডিচেম্বৰ তাৰিখে গেলেকী অঞ্চলৰ চাহ বাগিচা কেইখনলৈ সোমাই যাওঁতে বাটে বাটে সশস্ত্ৰ বাহিনীৰ লোক পাই গৈছিলো। তেওঁলোকে কেৱল 'বিশেষ' ৰাজনৈতিক দলৰ প্ৰচাৰকসকলকহে বাগানত সোমাবলৈ দিছে, সকলোকে দিয়া নাই। উদাহৰণ স্বৰূপে, মেকিপুৰ চাহ বাগানত গণ পৰিষদৰ প্ৰচাৰক নাজিৰাৰ পৰা গৈ সোমাব পৰা নাই। আগনিশা চৰাইদেউৰ আশে-পাশে বাগানৰ লাইনত 'বিশেষ' ৰাজনৈতিক দলৰ প্ৰচাৰকে মাজৰ পৰাই ধন তুলি গণ পৰিষদৰ কাৰ্যালয় চলাইছে, বাগানে বাগানে প্ৰচাৰ চলাইছে। তেওঁলোকৰে এজন নেতা শ্ৰীবলোৰাম কুৰ্মীয়ে (সাক্ষাৎকাৰ দ্ৰষ্টব্য) পৰম গৌৰৱেৰে আমাৰ আগত ক'লে যে মুঠ আঠখন বাগানত তেওঁলোকে সেইদিনালৈকে কোনো ৰাজনৈতিক দলৰ অবাঞ্চিত লোকক সোমাবলৈ দিয়া নাই আৰু সাধাৰণ নিৰক্ষৰ মজদুৰসকলক আনকি ইমানলৈকে বুজাবলৈ সক্ষম হৈছে যে নিশা লাইনলৈ মদ কঢ়িয়াই অনা গাড়ীবোৰ বনুৱাসকলে নিজেই সোমাবলৈ দিয়া নাই। বাগানৰ নিৰক্ষৰ বনুৱাই মদ প্ৰত্যাখ্যান কৰাটো কিমান অভাৱনীয়, সেইটো বাগানৰ জীৱনৰ অভিজ্ঞতা নথকাসকলে বুজি পোৱা টান। কাৰ্যালয়ৰ ভিতৰলৈ সোমাই দেখিলো, গোটেইখিনি নিৰ্বাচনী প্ৰচাৰ ব্যৱস্থা মজদুৰ ডেকা কেইজনে পৰিপাটিকৈ চলাইছে ;—সকলোৰে দায়িত্ব

মেকিপুৰ বাগানৰ গণ পৰিষদৰ কাৰ্যালয়ৰ পৰা ওলাই আহোঁতে আমি মাথো ভাবিছিলো, এই এমুঠিমান ডেকাই নিজৰ বৰ্বীয়াকৈ প্ৰচেষ্টা চলাই এইকেইখন বাগিচা যে টকা আৰু মদৰ ৰাজনীতিৰ পৰা সাময়িকভাৱে হ'লেও আতঁৰাই ৰাখিব পাৰিলে, তাকেই আমি এক বিৰাট ৰাজনৈতিক বিপ্লৱৰ আৰম্ভণিৰ- পদক্ষেপ হিচাপে ল'ব নোৱাৰোঁ জানো? নে নিৰ্বাচনৰ পাছত আমি আকৌ অহা পাঁচ বছৰৰ বাবে বলোৰাম কুৰ্মী, সুখদেৱ ৰাজোৱাৰহঁতক পাহৰি যাম? বলোৰামহঁত এইবাৰ এটা বিৰাট পৰিৱৰ্তনৰ আশাত ইমান ত্যাগ স্বীকাৰ কৰি ওলাই আহিছে;— কেৱল মাত্ৰ তনু কোঁৱৰৰ পৰাজয়ৰ বাতৰিয়ে তেওঁ-

OKDISCD

লোকৰ আশা ভংগ কৰিব নোৱাৰে; —কেৱল আমি সচৰাচৰ কৰি অহা অৱহেলাৰ পুনৰাবৃত্তিয়েহে তেওঁলোকক এনেকুৱা এটা মানসিক আঘাত দিব যে, ভৱিষ্যতে হয়তো পৰিবৰ্ত্তনৰ বাট চিৰদিনৰ বাবেই ৰুদ্ধ হৈ যাব। আমাৰ উঠি অহা নেতৃবৰ্গক এই কথা আমি আৰম্ভণিতেই সোঁৱৰাই থ'লো। অসমৰ ৰাজনীতিত আমি যদি আজি কিবা চিৰস্থায়ী পৰিবৰ্তন আনিব খুজিছোঁ, তেন্তে তাৰ আৰম্ভণি হ'ব লাগিব এতিয়ালৈকে সবাতোকৈ ঋণাত্মক উৎপাদক ৰূপে পৰিগণিত হৈ থকা চাহ বাগানৰ পৰাই। আৰু এই কামো অতি সহজ কাম নহয়; কাৰণ প্ৰচলিত শোষণ প্ৰক্ৰিয়াটোৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সাহসেৰে ওলাই অহা চাহ-মজদুৰৰ সংখ্যা এতিয়াও নিচেই নগণ্য; গৰিষ্ঠ সংখ্যক লোকক এতিয়াও ইচ্ছাকৃতভাৱে অজ্ঞ কৰি ৰখা হৈছে;— ১৫ ডিচেম্বৰ তাৰিখে ৰাতিপুৱা শ্ৰীহিতেশ্বৰ শইকীয়াই নিমাইগড়লৈ যাওঁতে এগৰাকী প্ৰাক্তন চাহবনুৱা মহিলাই তেওঁক হিয়া উজাৰি আশীৰ্বাদ দিয়া দেখি পাছত মহিলা গৰাকীক সুধিছিলো, তেওঁ কংগ্ৰেছ-ইৰ ইমান ভক্ত কিয়? তাৰ উত্তৰত তেওঁ কৈছিল,—"যিটো দলে আমাৰ স্বাধীনতা আনিলে, সেই দলক সমৰ্থন কৰাটো আমাৰ পৰম কৰ্তব্য!"

দলীয় ৰাজনীতিৰ ক্ষেত্ৰত এই কথা আমি ইমান দিনে দেখি আহিছোঁ যে, শতকৰা ৯৯ ভাগ ৰাজনৈতিক নেতায়েই নিজস্ব কিবা ব্যক্তিগত স্বাৰ্থৰ নিমিত্তেহে দলীয় ৰাজনীতিত অংশ লয়, আৰু সেয়েহে বোধকৰোঁ প্ৰতিবাৰ নিৰ্বাচনতে দলীয় প্ৰাৰ্থীৰ তালিকা ঘোষিত হোৱাৰ লগে লগে দলত অভ্যন্তৰীণ বিদ্ৰোহ আৰম্ভ হয় আৰু অনেকেই বিদ্ৰোহী প্ৰাৰ্থীৰূপে নিৰ্বাচনত থিয় দিয়ে। যোৱাবাৰ নিৰ্বাচনতো আমি বিভিন্ন সৰ্বভাৰতীয় দল, বিশেষকৈ শাসক দলৰ ক্ষেত্ৰত তাৰেই পুনৰাবৃত্তি দেখিলো। কিন্তু তেনেই চালুকীয়া গণ পৰিষদে চৰম বিচক্ষণতাৰে এই অভ্যন্তৰীণ বিদ্ৰোহৰ সমস্যাটো যিদৰে সমাধান কৰিলে, সেইটো সঁচাকৈয়ে শলাগিবলগীয়া। বিভিন্ন সমষ্টিত আমি অনেক গণ পৰিষদৰ নেতা পাইছোঁ, যি টিকট বিচাৰি বিফল হোৱাৰ পাছতো নিজৰ সমষ্টিৰ দলীয় প্ৰাৰ্থীজনৰ হকে দেহেকেহে লাগিছে। বিধানসভাৰ ৬০ নম্বৰ বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাৰ্থীৰ বাবে শ্ৰীতাৰিণী কলিতাই আবেদন কৰি দলৰ মনোনয়ন নাপালে; কিন্তু আমি তেওঁক লগ পাওঁতে ভাব হ'ল তাৰ বাবে তেওঁৰ যেন কোনো ক্ষোভ নাই— বৰঞ্চ তেওঁ একেই উদ্যমেৰে দলৰ হকে প্ৰচাৰ কাৰ্য চলাইছে। "কথাটো কিবা বিসদৃশ যেন নালাগেনে?" —বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীকলিতাই মাত্ৰ কৈছিল, "এই নিৰ্বাচনটোও আমাৰ আন্দোলনৰেই এটা অংশ আৰু প্ৰতিজন অসমীয়াই কেৱল নিজৰ কথা নাভাবি দহৰ কথা ভবা বাবেহে আন্দোলনটো আজি চলি আছে।" নাজিৰা সমষ্টিত বিধান সভাৰ আসনৰ বাবে গণ পৰিষদৰ পৰা মনোনয়ন নোপোৱা ড° বসন্ত ৰাজখোৱাক দলীয় প্ৰাৰ্থী শ্ৰীতনু কোঁৱৰতকৈও অধিক দেহেকেহে নিৰ্বাচনী প্ৰচাৰত লগা যেন হে উপলব্ধি হ'ল। তেনেদৰে যোৱা ছবছৰ ধৰি নাজিৰাত আন্দোলনটোৰ নেতৃত্ব লৈ অহা ড° মুনীন গগৈয়ে অইনে অনুৰোধ কৰা সত্ত্বেও প্ৰাৰ্থীত্বৰ বাবে আবেদন নকৰালে; —কাৰণ তেওঁৰ মতে, তেওঁ ৰাজনীতি বিষয়ত কিছু অনভিজ্ঞ। অইন এজন ছাত্ৰনেতা শ্ৰীধ্ৰুৱপ্ৰসাদ বৈশ্যক প্ৰশ্ন কৰিছিলো, —"যোৱা ছবছৰীয়া আন্দোলনটোৰ কালছোৱাত আপুনি নিশ্চয় যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল; সেই জনপ্ৰিয়তাৰ ভিত্তিতে আপুনি এইবাৰ নিৰ্বাচনত নামি এম-এল-এ মন্ত্ৰী হোৱাৰ কথা নাভাবিলে কিয়?" তাৰ উত্তৰত শ্ৰীবৈশ্যই কৈছিল, "মই জানো যে গণ- পৰিষদত যোগ দিয়াহেঁতেন হয়তো টিকট পালোহেঁতেন আৰু জিকিলোহেঁতেন; কিন্তু মই ভাবিলো যে বিধায়ক হোৱাৰ বাবে অন্য আন্দোলনকাৰী পাম। গতিকে, অসমৰ স্বাৰ্থৰ হকেই মই গণ পৰিষদলৈ নগৈ ছাত্ৰসন্থাতে থাকি ছাত্ৰসন্থাক শক্তিশালী কৰি ৰখাটোহে উচিত হ'ব বুলি বিবেচনা কৰিলোঁ।"

এই যে ক্ষমতাৰ লোভ আৰু ব্যক্তিগত লাভালাভৰ নিমিত্তেই দেশসেৱাৰ নামত চলোৱা ভণ্ডামীৰে অসমৰ ৰাজনৈতিক পথাৰখন কলুষিত কৰি পেলোৱাৰ সময়তে আন্দোলনটোৰ আলমতে দহৰ কাৰণেও ভাবিব পৰা, নেপথ্যত থাকিয়েই দেশৰ সেৱা কৰি যোৱা এচাম মানুহৰ জন্ম হ'ল, সেয়া আমাৰ নিমিত্তে নিশ্চয় পৰম আনন্দৰ কথা। ৰাজনীতি মানেই কেৱল ব্যক্তিগত স্বাৰ্থৰ নিমিত্তে কৰা ব্যৱসায় নহয়— এইষাৰ কথা আজি ইমান বছৰ ধৰি আমাৰ তথাকথিত ৰাজনীতিবিদসকলৰ কাৰ্যকলাপে আমাক পাহৰি যাবলৈ বাধ্য কৰাইছিল; ক্ৰমান্বয়ে পাহৰণিৰ গৰ্ভত লুকাইপৰা এইষাৰ সত্যক যে নতুনকৈ ওলাই অহা হাজাৰ হাজাৰ নিৰৰ কৰ্মীয়ে পুনৰায় প্ৰতিষ্ঠা কৰিব পাৰিলে, সেয়াই গোটেই নিৰ্বাচনী আন্দোলনটোৰ এক চৰম সফলতা। নিঃস্বাৰ্থভাৱে দেশৰ ভাল পোৱাৰ উদ্যমটোক আমি কিমান দিন নিজৰ মাজত সজীৱ কৰি ৰাখিব পাৰিম— সেইটোহে এতিয়া ডাঙৰ প্ৰশ্ন।

আটাইখিনি মানুহে কিবা এটা ভয়ানক পৰিবৰ্তন বিচাৰিছিল। যোৱা ছটা বছৰে অসমৰ ৰাইজৰ ওপৰত প্ৰশাসনৰ নামত যি অন্যায়— উৎপীড়ন চলিল, সিয়েই হয়তো তেওঁলোকক আৰু অধিক ঐক্যবদ্ধ, অধিক সংকল্পিত কৰি তুলিলে। কিন্তু নিৰ্বাচনী কৌশলৰ কোনো অভিজ্ঞতা নোপোৱা নতুন চামটোৱে অতি পাৰদৰ্শিতাৰে অনেক বাধা-বিঘিনি নেওচি নিৰ্বাচনী অভিযানটো সকলো ঠাইতে সমানে নিয়াৰিকৈ যিদৰে চলালে সেইটো সঁচাকৈয়ে পৰম বিস্ময়জনক কথা। শিৱসাগৰৰ চৰকাৰী বাছ আস্থানৰ ওচৰতে নিশা ডেকা এজনক পাইছিলো; —তেওঁ আৰু লগৰ অইন কেইজনমানে টেক্সি হিচাপে চলোৱা নিজৰ গাড়ী দুসপ্তাহ ধৰি বিনা পইচাই গণ পৰিষদৰ প্ৰচাৰত লগাইছে। "গণ পৰিষদৰ পতাকা দেখিলে অনেক পেট্ৰল পাম্পত আমাক তেল নিদিয়ে —'কাৰোবাৰ' পৰা নিৰ্দেশ আছে হেনো। কিন্তু তেনেকুৱা কিবা এটা আশংকা কৰি আগতীয়াকৈয়ে আমি তেল কিনি ৰাখিছিলো;" —ডেকা বয়সৰ পৰা কেইজনক ইমান দূৰলৈকে ভাবিবপৰা শক্তি কোনে যোগালে? নিৰ্বাচনৰ আগনিশা গণ পৰিষদৰ সংগঠন কেনেদৰে চলাইছে, তাৰ বুজ ল'বলৈ ১৫ তাৰিখে নিশাই আমি নাজিৰাৰ পৰা কলিয়াবৰলৈ আহিছিলো —কংগ্ৰেছ দলৰ নিমিত্তে নাজিৰাৰ আসনখন যিমান গুৰুত্বপূৰ্ণ, গণ পৰিষদৰ নিমিত্তে কলিয়াবৰৰ আসনখনো সমানে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিয়েই আমি দুয়োটা সমষ্টিৰ পৰিস্থিতিৰ এটা তুলনামূলক বিশ্লেষণ কৰিব খুজিছিলো। অইনবোৰ সমষ্টিৰ দৰেই কলিয়াবৰতো নিৰ্বাচনী প্ৰচাৰৰ নিমিত্তে গণ পৰিষদৰ তিনি তৰপীয়া কমিটি গঠন কৰি দিয়া হৈছিল— কেন্দ্ৰীয় কমিটি, মৌজা কমিটি, আৰু বুথ কমিটি; —প্ৰত্যেকৰে বাবে দায়িত্ব আগতীয়াকৈ ভগাই দিয়া হৈছিল। নিৰ্বাচনৰ আগনিশা এটা দল গৈছে চাহ বাগিচাসমূহত পহৰা দিবৰ বাবে। ভিতৰৰ গাৱৰ যিকেইটা ভোটদান কেন্দ্ৰলৈ গৈছোঁ, প্ৰতিটো কেন্দ্ৰৰে কাষত পুহমহীয়া নিশাৰ ঠেটুৱা লগা জাৰকো আওকাণ কৰি পহৰা দি থকা কৰ্মীৰ গোট পাইছোঁ। প্ৰত্যেকটো ভোট গ্ৰহণ কেন্দ্ৰৰ নিমিত্তে একো একোটা বুথ কমিটি; —কমিটিৰ কাৰ্যালয়ৰ সমুখত প্ৰতিজন স্বেচ্ছাসেৱকৰ দায়িত্ব ভগাই দি নিৰ্দেশ ফলি আঁৰি থোৱা আছে; পুঁজিৰ অভাৱ দেখি কৰ্মীসকলক খুৱাবৰ নিমিত্তে ঘৰে-ঘৰে গৈ চাউল দাইল সংগ্ৰহৰ দায়িত্ব কাৰোবাক দিয়া হৈছে; প্ৰত্যেকেই যাতে ভোট দিয়ে, সেইটো নিশ্চিত কৰিবলৈ পাচোঁজনকৈ স্বেচ্ছাসেৱকৰ ওপৰত একোটা চুবুৰীৰ দায়িত্ব দিয়া হৈছে; অলৰ বুঢ়া মেথাসকলৰ ভোট কেইটাও যাতে নষ্ট নহয়, তাৰ বাবে ঠেলাগাড়ী বা ৰিক্সা য'ত যি পাৰি তাৰ ব্যৱস্থা কৰি থোৱা হৈছে। অৰ্থৰ অভাৱত অনেকে হাতেৰে প'ষ্টাৰ লিখিছে। গণ পৰিষদৰ মুখ্য সভাপতিৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত অৰ্থৰ অভাৱ বোলা কথাষাৰ কিবা অবিশ্বাস্য যেন লগা কাৰণে সন্দেহৰ ভাৱেৰে বুথ কমিটি এখনৰ সম্পাদকজনক একাষৰীয়াকৈ মাতি নি 'আচলতে কিমান খৰচ হৈছে, সচাঁকৈয়ে

## অবৈধভাৱে বাস কৰা বিদেশী নাগৰিকেও সংখ্যালঘুৰ মৰ্যদা লৈ ৰাজনৈতিক সা-সুবিধা আদায় কৰাৰ গণতান্ত্ৰিক অধিকাৰ তেওঁলোকৰ আছে জানো?

কওঁকচোন' বুলি সোধাত তেওঁ ক'লে —যোৱা দুটা সপ্তাহত মুঠ প্ৰায় আঢ়ৈশমান টকা খৰচ হৈছে, পয়সত্তৰ টকা কেন্দ্ৰীয় কমিটিৰ পৰা দিছে আৰু বাকীখিনি পইচা তেওঁলোকে গাঁৱৰ পৰা তুলিছে; বাকী কৰ্মীসকলৰ দৈনিক খোৱা-বোৱাৰ যোগানৰ ব্যৱস্থা গাঁৱৰ মানুহখিনিয়েই কৰিছে। মুঠ এহেজাৰ ভোটাৰৰ কেন্দ্ৰটোত গোটেই নিৰ্বাচনী কালছোৱাত মাত্ৰ আঢ়ৈশ টকা খৰচ হোৱা কথাটো কোনেও হয়তো বিশ্বাস নকৰিব; —গোটেই নিশা নিয়ঁৰত তিতি পহৰা দি থকা ল'ৰাজনৰ মুখত নুশুনাহেঁতেন আমিও নকৰিলোহেঁতেন!

নাজিৰা সমষ্টিতো নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত গণ পৰিষদৰ সংসঠনৰ কোনো ত্ৰুটি দেখা নাছিলোঁ; বৰঞ্চ তাত তেওঁলোকে প্ৰতিপক্ষৰ money power আৰু muscle power অৰ সমুখতো যিদৰে নিষ্ঠা আৰু শান্তিপূৰ্ণভাৱে প্ৰচাৰ অভিযান চলালে সেয়া সঁচাকৈয়ে শলাগিব লগীয়া। নাজিৰা সমষ্টিত শ্ৰীতনু কোঁৱৰ ডাঙৰীয়া সফল হোৱা বুলি কওঁ এই কাৰণেই যে, আজিও যদি তাত সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন পাতিবলৈ দিয়া হয়, তেন্তে সম্পূৰ্ণ ওলোটা নিৰ্বাচনী ফলাফল এটা পাম। জিলা প্ৰশাসনে বিশেষ ৰাজনৈতিক দলৰ সৈতে হাত মিলাই গোটেই নিৰ্বাচনী প্ৰচাৰৰ কালছোৱাতে গণপৰিষদৰ কৰ্মী আৰু সাধাৰণ ৰাইজৰ ওপৰত যি উৎপীড়ন চলালে, তাৰ পাছত আৰু সেইখন ঠাইত গণতান্ত্ৰিকভাৱে নিৰ্বাচন অনুষ্ঠিত হোৱা বুলি ক'ব নোৱাৰি। নিৰ্বাচনৰ দহদিনমান আগতে নমাটিৰ ওচৰত গণপৰিষদৰ কৰ্মীসকলক 'কোনোবা' দুৰ্বৃত্তৰ দলে মাৰধৰ কৰে; এজন ১৪ বছৰীয়া ল'ৰাৰ হাতখন কাটে। হাতকটা ল'ৰাজনক লগত লৈ নাজিৰা গণ পৰিষদৰ সম্পাদক আবিদুল হুছেইনে নিজে এজাহাৰ দিবলৈ নাজিৰা থানালৈ গৈছিল। "থানাৰ এছ· আইক আটাইখিনি কথা কৈ ঘটনাস্থলী লৈ যাবলৈ অনুৰোধ কৰাত তেখেতে ক'লে যে থানাত গাড়ী নাই। মই তেতিয়া ক'লো যে মোৰ গাড়ীখনকে লৈ যাওক, আমাৰ পতাকাখন আঁতৰাই দিওঁ। তেখেতে ক'লে যে আমাৰ মানুহ নাই। তেনেকৈয়ে বহুত সময় গ'ল। ডি· ছি· ৰ. ওচৰলৈ গলে এছ· পি· ৰ ওচৰত্ৰৈ যাবলৈ কয় এছ· পিয়ে অইন এজনৰ ওচৰলৈ যাবলৈ কয়, আৰু তেনেদৰেই ঘটনাটোৰ আজিলৈকে একো ন'হল।" মেকিপুৰ বাগানৰ গণ পৰিষদৰ কৰ্মীসকলে ১৪ ডিচেম্বৰৰ নিশা বাগানৰ লাইনত মদ আৰু লাঠী বিলাবলৈ যোৱা গাড়ী এখন আটক কৰি বাটৰ সশস্ত্ৰ পহৰাদাৰৰ হাতত চমজাই দিয়ে; —কিন্তু ৰাতিপুৱা আমি নাজিৰা আৰক্ষী চকীত

OKDISCD

খবৰ কৰাত তাৰ এৰেকা ভুকে নাপালো। গণ পৰিষদৰ সমৰ্থনত থকা যিকেইজন মানুহৰ গাড়ী আছে, তাৰে প্ৰায় আটাইকেইখন অধিগ্ৰহণ কৰা হৈছে। আমি কাৰ্যালয়ত বহি থাকোঁতেই কেইবাবাৰো লক্ষ্য কৰিছোঁ— গাড়ীৰ অভাৱত তেওঁলোকৰ প্ৰচাৰত কিদৰে বাধা জন্মিছে। যি কেইখন গাড়ী আছে তাকো সমানে বিচৰণ কৰিবলৈ দিয়া নাই; অনেক ঠাইত গণ পৰিষদৰ কৰ্মীক সোমাবলৈকে দিয়া হোৱা নাই। ভিতৰুৱা ঠাইবোৰত এই কথা আমি নিজে দেখি আহিছোঁ। অনেক ঠাইত নিশা গণ পৰিষদৰ কৰ্মীৰ ওপৰত অত্যাচাৰ কৰা হৈছে;—প্ৰতিটো ক্ষেত্ৰতে আৰক্ষী চকীত লিখিতভাৱে এজাহাৰ দিয়াৰ পাছতো কোনো ব্যৱস্থা লোৱা হোৱা নাই। নাজিৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক আমি এইবিষয়ে সোধাত তেখেতে ক'লে যে, "আপুনি মিছাতে নাজিৰাত ঘূৰি ফুৰিছে; সকলো অভিযোগ মিছা। আপুনি গুৱাহাটীলৈ যাওঁকগৈ আৰু লিখকগৈ যে নাজিৰাতে সবাতোকৈ শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক নিৰ্বাচন হৈছে।" আমি আগনিশা মেকিপুৰ বাগানৰ ঘটনাটোলৈ আঙুলিয়াই দি লাঠীবোৰ দেখি অহা বুলি কোৱাত তেখেতে কিন্তু একো নক'লে। নাজিৰাৰ গণ পৰিষদৰ কৰ্মীসকলৰ সফলতা আজি এইখিনিতেই যে, যোৱা দহটা বছৰে নাজিৰাত চলি অহা অন্যায়-উৎপীড়নৰ বিৰুদ্ধে তেওঁলোকে এইবাৰ সম্পূৰ্ণ সফলতাৰে সমূহীয়াভাৱে শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পদ্ধতিত প্ৰতিবাদ জনালে। ইমান দিন ধৰি 'আহোম' 'চাহমজদুৰ' আৰু 'মুছলমান'—এই তিনিটা শব্দৰ নামত ৰাজনীতি কৰি শাসক দলে নাজিৰাত যি অনাচাৰ চলাই আহিছিল, তাৰ বিৰুদ্ধে এইবাৰ কিন্তু এই তিনিওটা সম্প্ৰদায়ৰ পৰাই সমানে প্ৰতিবাদ আহিল। মাননীয় প্ৰধানমন্ত্ৰীয়ে নিকা প্ৰশাসনৰ ওপৰত ইমান গুৰুত্ব আৰোপ কৰি থকা সময়তে তেওঁৰ দলৰ নেতা এগৰাকীয়ে নিৰ্বাচনৰ সময়ত দল আৰু প্ৰশাসনক একাকাৰ কৰি যি নিদৰ্শন দেখুৱালে,—তালৈ চাই 'নিকা' দলটোৰ নীতি আমি হজম কৰোঁ কেনেকৈ? হিতেশ্বৰ শইকীয়াই সশস্ত্ৰ আৰক্ষী বাহিনীক লগত লৈ বাগানত ভোট খুজিবলৈ যোৱা আমি নিজে দেখিছোঁ। নিৰ্বাচনৰ আগদিনা অন্ততঃ সেইটো কৰাৰ পৰা তেখেত বিৰত থাকিব পৰিলেহেঁতেন। লগত আৰক্ষী বাহিনী লৈ ঘূৰিলে নিৰক্ষৰ, অজ্ঞ ভোটাৰৰ ওপৰত তাৰ প্ৰভাৱ নিশ্চয় পৰে। ১৫ ডিচেম্বৰ তাৰিখে নিমাইগড়ৰ প্ৰাক্তন চাহবনুৱাৰ খৃষ্টিয়ান গাঁও এখনত আমি ঠিক তেনেকুৱা এটা সমদলতে শ্ৰীশইকীয়াক পাইছিলো। তেখেত স্থানীয় গীৰ্জাত আশীৰ্বাদ লৈ থকা বুলি গম পাই ভিতৰলৈ সোমাই গ'লো। ভিতৰলৈ সোমালো যদিও 'প্ৰান্তিক'ৰ পৰা অহা বুলি কোৱাৰ লগে লগে 'পহৰীয়া' সকলে তাৰ পৰা ওলাই আহিবলৈ নিৰ্দেশ দিলে। নিৰ্দেশটো আহিল প্ৰান্তিকৰ পৰা যোৱা বাবেই, আৰু প্ৰান্তিকৰ পৰা যোৱা বুলি কোৱা সত্ত্বেও!

যোৱা নিৰ্বাচনটোৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল, অসমীয়া ৰাইজৰ নিমিত্তে সৰ্বভাৰতীয় বিৰোধী দলসমূহৰ অপ্ৰাসংগিকতা সম্পূৰ্ণৰূপে স্পষ্ট হৈ পৰাটো। নিৰ্বাচনত কোনো এটা সৰ্বভাৰতীয় বিৰোধী দলৰেই দলীয় প্ৰভাৱতো নপৰিলেই, আনকি আগশাৰীৰ নেতা কেইজনৰ ব্যক্তিগত প্ৰভাৱেও তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিলে। সবাতোকৈ অধিক আশাবাদী জনতাদলৰ সবাতোকৈ বেছি বিফলতাৰ মূলতেই বোধকৰোঁ আমি চৈয়দ চাহাবুদ্দিনৰ নামেই ল'ব লাগিব। এইবাৰৰ নিৰ্বাচনে কিন্তু জনতা পাৰ্টিৰ অসম শাখাক এই কথাই শিকালে যে দলৰ সৰ্বভাৰতীয় স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ সাম্প্ৰদায়িকতাবাদক সমৰ্থন কৰা কাৰ্যক অসমৰ ৰাইজে কেতিয়াও সহজভাৱে ল'ব নোৱাৰে, অসমত সাম্প্ৰদায়িকতাবাদৰ বীজ সিঁচি বিহাৰত সুবিধা আদায় কৰিবলৈ বিচৰা কাৰ্যক অসমৰ ৰাইজে সমৰ্থন দিয়ে কেনেকৈ? 'Cadre based organisation' হিচাপে খ্যাতি থকা বামপন্থী দলসমূহ, বিশেষকৈ ছি. পি. এম. ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বিফলতাও মন কৰিবলগীয়া। বামপন্থী দল অধ্যুষিত অঞ্চল ৰূপে এসময়ত নাম থকা শিৱসাগৰ, গুৱালকুছি য'লৈকে গৈছোঁ, ক'তোৱেই বামপন্থী দলৰ সুসংগঠিত cadre-সমূহৰ নিৰ্বাচনী অভিযান নেদেখিলো। অনেক ঠাইত আমি আগৰ বামপন্থী দলৰ কৰ্মীয়ে গণ পৰিষদৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ অভিযান চলোৱা পাইছোঁ। গুৱালকুছিৰ এসময়ৰ 'উদ্যোগী বামপন্থী নেতা শ্ৰীগণেশ কলিতাই এইবাৰ নিৰ্বাচনত গণ পৰিষদৰ সনাতন বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰৰ বুথ কমিটিৰ উপসভাপতি হিচাপে দায়িত্ব লৈছে। "আমি জনাত, প্ৰকৃত বামপন্থী এজনে নিজৰ ঘৰ-পৰিয়াল ত্যাগ কৰিবলগীয়া হ'লেও দল ত্যাগ নকৰে; আপোনাৰ ক্ষেত্ৰত এইটো কেনেকৈ সম্ভৱ হ'ল?" —বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীকলিতাই উত্তৰ দিছিল: "এতিয়াও মই বামপন্থী ভাবধাৰাকে বিশ্বাস কৰোঁ। কিন্তু এতিয়া অসমত যি এক জনজাগৰণৰ ঢৌ আহিছে, তাত এক বিৰাট পৰিবৰ্তনৰ আভাস পাইছোঁ। গতিকে, অন্ততঃ অসমক বিদেশীমুক্ত কৰিবৰ নিমিত্তেই যি যৌথ মঞ্চ তৈয়াৰ কৰা হৈছে, তাত যোগ দিছোঁ। তদুপৰি, গণ পৰিষদৰ ইস্তাহাৰত ইমান দিনে আমি বিচাৰি অহা অনেক বিষয়কে সামৰি লোৱা হৈছে।" আগেয়ে কংগ্ৰেছ দলৰ বিশেষ প্ৰভাৱ থকা বংশৰ আদি ঠাইত এইবাৰ আনকি সেইদলে প্ৰচাৰ অভিযান চলাবলৈও যোৱা নাই। গোটেই নিৰ্বাচনটোৱেই ঠিক অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ ৰূপ লোৱাত গাঁও অঞ্চলত গণ পৰিষদৰ বিৰোধী দলসমূহে আনকি ভোটদান কেন্দ্ৰ সমূহত এজেণ্ট নিয়োগ কৰিবলৈকো মানুহ বিচাৰি নাপালে। অসমীয়া মানুহৰ তীব্ৰ আবেগিক দিশটো আৰু স্বকীয়



## বিধানসভাৰ বিভিন্ন সমষ্টি

১। ৰাতাবাৰী (অনু. জা.)
২। পাথাৰকান্দি ৩। উত্তৰ কৰিমগঞ্জ
৪। দক্ষিণ কৰিমগঞ্জ ৫। বদৰপুৰ
৬। হাইলাকান্দি ৭। কাটলিচেৰা
৮। আলগাপুৰ ৯। শিলচৰ
১০। সোণাই ১১। ঢলাই (অনু. জা.)
১২। উদৰবন্দ ১৩। লক্ষীপুৰ
১৪। বৰখলা ১৫। কাটিগৰা
১৬। হাফলং (অনু. জা.)
১৭। বোকাজান (অনু. জা.)
১৮। হাওৰাঘাট (অনু. জন.)
১৯। ডিফু (অনু. জন.)
২০। বৈঠালাংছ (অনু. জন.)
২১। মানকাছৰ ২২। দক্ষিণ শালমৰা
২৩। ধুবুৰী ২৪। গৌৰীপুৰ
২৫। গোলোকগঞ্জ
২৬। পশ্চিম বিলাসীপাৰা
২৭। পূব বিলাসীপাৰা
২৮। গোসাই গাঁও
২৯। পশ্চিম কোকৰাঝাৰ (অনু. জন.)
৩০। পূব কোকৰাঝাৰ (অনু. জন.)
৩১। চিদলি (অনু. জন.) ৩২। বঙাইগাঁও
৩৩। বিজনী ৩৪। উত্তৰ অভয়াপুৰী
৩৫। দক্ষিণ অভয়াপুৰী (অনু. জ.)
৩৬। দুধনৈ (অনু. জন)
৩৭। পুব গোৱালপাৰা
৩৮। পশ্চিম গোৱালপাৰা
৩৯। জলেশ্বৰ ৪০। সৰভোগ
৪১। ভবানীপুৰ ৪২। পাটাছাৰকুছি
৪৩। বৰপেটা ৪৪। জনিয়া
৪৫। বাঘবৰ ৪৬। সৰুক্ষেত্ৰী
৪৭। চেঙা ৪৮। বকো (অনু. জ.)
৪৯। ছয়গাঁও ৫০। পলাশবাৰী
৫১। জালুকবাৰী ৫২। দিছপুৰ
৫৩। পূব গুৱাহাটী
৫৪। পশ্চিম গুৱাহাটী ৫৫। হাজো
৫৬। কমলপুৰ ৫৭। ৰঙিয়া
৫৮। তামোলপুৰ ৫৯। নলবাৰী
৬০। বৰক্ষেত্ৰী ৬১। ধৰমপুৰ
৬২। বৰমা ৬৩। চাপাগুৰি (অনু. জন.)
৬৪। পানেৰী ৬৫। কলাইগাঁও
৬৬। ছিপাঝাৰ ৬৭। মঙলদৈ
৬৮। দলগাঁও
৬৯। ওদালগুৰি (অনু. জন.)
৭০। মাজবাট ৭১। ঢেকীয়াজুলি
৭২। বৰচলা ৭৩। তেজপুৰ
৭৪। ৰঙাপাৰা ৭৫। চতিয়া
৭৬। বিশ্বনাথ ৭৭। বিহালী
৭৮। গহপুৰ ৭৯। জাগীৰোড (অনু. জ.)
৮০। মৰিগাঁও ৮১। লাহৰিঘাট
৮২। ৰহা (অনু. জ.) ৮৩। ধিং
৮৪। বটদ্ৰৱা ৮৫। ৰূপহীহাট
৮৬। নগাঁও ৮৭। বৰহমপুৰ
৮৮। চামগুৰি ৮৯। কলিয়াবৰ
৯০। যমুনামুখ ৯১। হোজাই
৯২। লামডিং ৯৩। বোকাখাট
৯৪। সৰুপথাৰ ৯৫। গোলাঘাট
৯৬। খুমটাই ৯৭। দেৰগাঁও (অনু. জ.)
৯৮। যোৰহাট ৯৯। মাজুলী
১০০। তিতাবৰ ১০১। মৰিয়ণী
১০২। টিয়ক ১০৩। আমগুৰি
১০৪। নাজিৰা ১০৫। মাহমৰা
১০৬। সোনাৰী ১০৭। থাওৰা
১০৮। শিৱসাগৰ ১০৯। বিহপুৰীয়া
১১০। নাওবৈছা ১১১। উ. লক্ষীমপুৰ
১১২। ঢকুৱাখনা (অনু. জন.)
১১৩। ধেমাজী (অনু. জন.)
১১৪। জোনাই (অনু. জন.)
১১৫। মৰাণ ১১৬। ডিব্ৰুগড়
১১৭। লাহোৱাল ১১৮। দুলীয়াজান
১১৯। টিংখং ১২০। নাহৰকটীয়া
১২১। চাবুৱা ১২২। তিনিচুকীয়া
১২৩। ডিগবৈ ১২৪। মাৰ্ঘেৰিটা
১২৫। ডুমডুমা ১২৬। শদিয়া




অসম গণ পৰিষদৰ নিৰ্বাচিত প্ৰতিনিধিৰ একাংশ



OKDISCD

# বিধান সভাৰ বিভিন্ন সমষ্টিত জয়যুক্ত হোৱা দলসমূহ




(২৫) গোলোকগঞ্জ:
জনতা দলৰ প্ৰাৰ্থীৰ মৃত্যুত নিৰ্বাচন স্থগিত

৩০/প্ৰান্তিক

ইন্দিবৰ বৃঢ়াগোহাঞি আৰু ইমৰান হুছেইনৰ দ্বাৰা প্ৰস্তুত






সামাজিক গাঁথনিৰ নিমিত্তেই হয়তো এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হ'ল। তাৰ ওলোটা দিশটোও কিন্তু মন কৰিবলগীয়া ; —গোটেই ব্ৰহ্মপুত্ৰ উপত্যকা জুৰি এতিয়া গণ পৰিষদৰ যি ঢৌ বৈছে, তালৈ আবেগৰ অৰিহ'না যথেষ্ট বেছি। কিন্তু আবেগক মূলধনৰ ডাঙৰ অংশ হিচাপে লৈ ৰাজনৈতিক দল এটা চিৰদিনলৈ জীয়াই থাকিব নোৱাৰে। গতিকে গণ পৰিষদৰ নেতৃবৃন্দই আবেগিক দিশটোক হিচাপত নলৈ নিজৰ অন্তৰ্নিহিত শক্তিখিনিৰ বাস্তৱ মূল্যাংকন কৰি আগবাঢ়িব পাৰিলেহে নৱজাত এই দলটোক দীৰ্ঘজীৱন দিব পৰা যাব।

সৰ্বভাৰতীয় বিৰোধী দলসমূহৰ প্ৰাসংগিকতা নোহোৱা হৈ যোৱাৰ অইন এটা উল্লেখনীয় দিশ হৈছে যে এই ধাৰা অব্যাহত হৈ থাকিলে আমি অনেক অভিজ্ঞ ৰাজনৈতিক নেতাক হয়তো অকালতে হেৰুৱাই পেলাম। অথচ, এতিয়া আমি নতুনকৈ ৰাজনৈতিক জীৱন আৰম্ভ কৰাৰ মুহূৰ্তত, গণ পৰিষদৰ নেতৃবৃন্দৰ ৰাজনৈতিক অনভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত এইসকল নিষ্ঠাবান ৰাজনৈতিক নেতাৰ ভূমিকা আৰু সহযোগৰ প্ৰয়োজন আছিল। অসমৰ স্বাৰ্থৰ হকেই এৰা-ধৰাৰ মাজেদি হ'লেও ৰাজনৈতিক সংগঠনৰ কামত এখেতসকলক পুনৰ সংস্থাপিত কৰিব পৰা যায় নেকি, কথাটো এবাৰ গুৰুত্ব সহকাৰে বিবেচনা কৰি চোৱা উচিত।

অসমত এক ৰাজনৈতিক বিপ্লৱৰ পাতনি মেলা বুলি দাবী কৰাৰ সময়তে এটা অমংগলীয়া দিশে কিন্তু আমাক আগতোকৈ অধিক বিপাঙত পেলাইছে, —সেইটো হৈছে সাম্প্ৰদায়িকতাবাদৰ নামত ক্ৰমান্বয়ে মূৰ ডাঙি উঠা "সংখ্যালঘু"ৰ ৰাজনীতি। গণতান্ত্ৰিক দেশ এখনত সংখ্যালঘু গোট হিচাপে নিৰ্বাচনী ৰাজনীতিত নমা কথাটোত আমি কোনো দোষ দেখা নাই ;—তেওঁলোকৰ সেইখিনি গণতান্ত্ৰিক অধিকাৰ নিশ্চয় আছে। কিন্তু, অসমত আজি যি সংখ্যালঘুৰ ৰাজনীতি চলিছে, সি এতিয়া সুস্থ ৰূপ লৈ থকা নাই—সংখ্যালঘুৰ নামত ৰাজনীতিত মাথো সাম্প্ৰদায়িকতাবাদৰ বীজহে সিঁচা হৈছে। তাতোকৈ ডাঙৰ কথা, অবৈধভাৱে বাস কৰা বিদেশী নাগৰিকেও সংখ্যালঘুৰ মৰ্যাদা লৈ ৰাজনৈতিক সা-সুবিধা আদায় কৰাৰ গণতান্ত্ৰিক অধিকাৰ তেওঁলোকৰ আছে জানো ? কথাটো ঠিক বাংলাদেশী নাগৰিকে অসমলৈ আহি ৰাজনীতি কৰাৰ নিচিনা নহ'বগৈনে ? প্ৰকৃত সংখ্যালঘুৱে তেওঁলোকৰ স্বাৰ্থৰক্ষাৰ নিমিত্তে ৰাজনীতি কৰক, তাত আমাৰ আপত্তি কৰিব লগীয়া একো থাকিব নোৱাৰে, —কিন্তু তাৰ আগেয়ে স্বদেশী আৰু বিদেশীৰ স্পষ্ট বিচাৰ কৰি ল'ব লাগিব।

যোৱা ৩৮ বছৰে নতুনদিল্লীয়ে অসমত যি সংখ্যালঘুৰ ৰাজনীতি খেলিলে, তাৰ প্ৰভাৱৰ পৰা অসমক এৰাতিৰ ভিতৰতে মুক্ত কৰিব নোৱাৰি, আৰু সেয়েহে হয়তো গণ পৰিষদৰ নিৰ্বাচনী প্ৰচাৰত একেবাৰে তলৰ স্তৰত অন্ততঃ পৰোক্ষভাৱে হ'লেও সাম্প্ৰদায়িকতাবাদৰ গোন্ধ এটা থাকি গৈছে। কিন্তু, আৰম্ভণিতেই আমি এই দোষবোৰ পৰ্যায়ক্ৰমে আঁতৰ কৰিব পাৰিব লাগিব। তেনেদৰে, কাছাৰ সন্দৰ্ভত গণ পৰিষদে লোৱা সিদ্ধান্ত বাস্তৱমুখী হৈছে বুলি আমি কেতিয়াও ক'ব নোৱাৰোঁ। কাছাৰৰ বিষয়ে ইতিমধ্যে আমি যথেষ্ট আলোচনা কৰিছোঁ আৰু সেইবোৰলৈ এতিয়া যাব খোজা নাই ; মাত্ৰ এই কথা এতিয়া স্পষ্ট কৰি দিব খুজিছোঁ যে, কাছাৰত গণ পৰিষদে যি সমৰ্থন পোৱা বুলি দাবী কৰিছে, সেই সমৰ্থনৰ মূল গুৰি কাছাৰবাসী লোকৰ অসম প্ৰেম নহয়, তাৰ মূলতে মাত্ৰ আছে কাছাৰৰ ৰাজনীতিত চলি থকা সাম্প্ৰদায়িকতাবাদ। কাছাৰত যদি আজি কোনোবাই গণ পৰিষদক সমৰ্থন জনাইছে, তেন্তে সেয়া সম্পূৰ্ণ সাম্প্ৰদায়িক কাৰণতহে জনোৱা হৈছে। তাকে ভুল বুজি লৈ গণ পৰিষদে যদি কাছাৰত ৰাজনীতি অব্যাহত ৰাখে, তেন্তে সি কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনীতিলৈ সাম্প্ৰদায়িকতাবাদৰহে আমদানি কৰিব,—যাৰ ফলত হয়তো ধৰ্ম নিৰপেক্ষতাৰ ভিত্তিত গঢ়ি উঠা অসমীয়া জাতিটো সম্পূৰ্ণৰূপে খান-খান হৈ যাব পাৰে। সেয়েহে গণ পৰিষদলৈ আমাৰ অনুৰোধ, কাছাৰত সোমোৱাৰ আগতে যেন কাছাৰৰ ৰাজনীতিৰ প্ৰকৃত অৱস্থাৰ বুজ লোৱা হয়।

কিন্তু, যোৱা নিৰ্বাচনটোৰ গোটেই পৰ্যালোচনায়ে আধৰুৱা হৈ ৰ'ব, যদিহে আমি সেই সময়ছোৱাত স্পষ্ট হৈ পৰা আমাৰ দুৰ্বলতা আৰু দোষসমূহো বিশ্লেষণ নকৰোঁ। কাৰণ, যদি আমাৰ জাতিগত কিবা দুৰ্বলতা আছে, কিবা দোষ আছে, সেইবোৰ আঙুলিয়াই দি তাক শুধৰোৱাৰ দিহা আমি নিজেই কৰিব লাগিব। আৰু এই ক্ষেত্ৰত প্ৰথমেই আমি উল্লেখ কৰিম, আমাৰ মাজত গণতান্ত্ৰিক সংস্কৃতিৰ চৰ্চাৰ দৈন্যৰ কথা। বহু সময়ত অৱচেতন মনতে আমি এনে ব্যৱহাৰ কৰোঁ যেন গণতান্ত্ৰিক অধিকাৰবোৰ কেৱল আমাৰ বাবেহে, —আমাৰ গণতান্ত্ৰিক অধিকাৰবোৰ খৰ্ব হ'লেই আমি প্ৰতিবাদ কৰিম, কিন্তু অইনৰ গণতান্ত্ৰিক অধিকাৰৰ কথা ভবাৰ আহৰি আমাৰ নাই। আমাৰ দৃষ্টিত কোনোবাই 'ভুল' পথেৰে চলিলেও সেইখিনি যে তেওঁৰো এটা গণতান্ত্ৰিক অধিকাৰ, বা, আমাৰ আদৰ্শৰ লগত নিমিলাজনৰো যে তেওঁৰ নিজস্ব আদৰ্শ বজাই ৰখাৰ মৌলিক অধিকাৰ এটা আছে, এই সহজ কথাটোকে আমি খেলুৱৈসুলভ মনোবৃত্তিৰে গ্ৰহণ কৰিব পাৰিব লাগিব। গণ পৰিষদক সমৰ্থন নকৰা ভাৰতীয় ব্যক্তিজনো অসমত নিৰ্ভয়ে বিচৰণ কৰাৰ পৰিবেশ সৃষ্টি আমিয়েই কৰিব লাগিব (নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত ফাঁচী বজাৰৰ অনা অসমীয়া লোকৰ চাহ দোকানত চাহ খাই পইচা নিদিয়াকৈ 'দম' দি ওলাই অহা ল'ৰাজনৰ গাত লাচিতৰ তেজ আছে বুলি ভুল কৰিব নালাগিব। এইবোৰ সৰু সৰু কথা,

কিন্তু এইবোৰেই একো একোটা বিপ্লৱৰ অন্তৰ্নিহিত শক্তিক ধ্বংস কৰি পেলাব পাৰে।)।

নতুন চৰকাৰটোক নেতৃত্ব দিয়া-সকলৰ দায়িত্ব এতিয়া দুগুণে বৃদ্ধি পাইছে,— আৰু তাৰো সম্মুখীন হ'ব লাগিব সংসদীয় ৰাজনীতিৰ ক্ষেত্ৰত সম্পূৰ্ণ শূন্য অভিজ্ঞতাৰে। এপিনে তেওঁ-লোকৰ দায়িত্ব হ'ব যোৱা ছটা বছৰ ধৰি চলা অন্যায়— অবিচাৰৰ সুবিচাৰ কৰা আৰু আনপিনে, যোৱা ৩৮ টা বছৰ ধৰি উন্নয়নৰ নামত চলি অহা ভেকোভাওনাসমূহ আঁতৰ কৰি অগ্ৰমক উন্নতিৰ প্ৰকৃত সোপানেৰে আগুৱাই নিয়া আৰু এই নিৰ্বাচনত "সংখ্যালঘু"ৰ এক বিৰাট অংশ, চাহবনুৱা; জনজাতি আদিৰ মাজত পৰিলক্ষিত হোৱা নতুন জ্ঞানৰ উন্মেষৰ আধাৰত এটা অসমীয়া জাতি গঠন কৰা। নতুন নেতৃবৰ্গৰ ওপৰত ৰাইজে আস্থা আৰোপ কৰিছে আৰু সংগ্ৰামৰ মাজেৰেই ওলাই অহা তেওঁলোকক ক্ষমতাৰ ৰাগীয়ে উন্মত্ত কৰিব নোৱাৰিব বুলি ৰাইজৰ দৃঢ় বিশ্বাস। ইমানখিনি ৰাইজে ইমান দিনে তেওঁলোকৰ মুখলৈকে ইমান আগ্ৰহেৰে ৰ'ৱাট চাই আছে; —নতুন চৰকাৰটোৱে এইবাৰ নিশ্চয় ৰাইজক নিৰাশ নকৰিব।

নিৰ্বাচনৰ ফলাফল পাই আনন্দত অভিভূত হৈ পৰা ছয়গাঁৱৰ যুৱক এজ-নক সুধিছিলো, "কিন্তু লংকালৈ গ'লে যদি সকলো ৰাৱণ হৈ পৰে?" যুৱক জনে তপৰাই উত্তৰ দিছিল,— "সেই-বোৰ যোজনা কেতিয়াবাই অপ্ৰাসংগিক হৈ গ'ল। তথাপি, লংকালৈ গৈ যদি ৰামো ৰাৱণ হৈ পৰে, তেতিয়া কিন্তু লংকাকাণ্ডৰো পুনৰাবৃত্তি হ'বলৈ বেছি দিন নালাগিব!"

## *সাক্ষাৎকাৰ*

(১৫/১২/৮৫)

**বলোৰাম কুৰ্মী,**

আহ্বায়ক, অসম গণ পৰিষদৰ নাজিৰা কমিটি; চাহ-বনুৱা সম্প্ৰদায়ৰ প্ৰাক্তন ছাত্ৰ নেতা

□ সাধাৰণতে আমি দেখি আহিছোঁ যে নিৰ্বাচনৰ সময়ত শাসক দল একোটা অঞ্চলত সদায় চাহ বাগানৰ ভোটৰ বলতে জয়ী হৈ আহে। এইবাৰৰ নিৰ্বাচনত সেইটো কিমান দূৰ সম্ভৱ হ'ব?

✻ এইবাৰৰ নিৰ্বাচনত সেইটো সম্ভৱ নহ'ব। চাহ বাগানৰ মজদুৰসকল আজিকালি আগতকৈ সজাগ হৈছে। মদ খুৱাই, হাঁহ-কুকুৰা দি এতিয়া আৰু আপুনি চাহ বাগানৰ ভোট কিনিব নোৱাৰে। উপযুক্ত প্ৰাৰ্থীকহে আমি ভোট দিম। এইবিলাক বিষয়ত আমাৰ মজদুৰ ৰাইজ আজি সচেতন হৈছে। লাইনবিলাকত মদ বিলাবলৈ আহোঁতে গণ পৰিষদে নহয়, চাহ-মজদুৰে নিজে বাধা দিছে,— লাইনত গাড়ী সুমুৱাবা, মদ খুৱাই আমাক মিছা কথাৰে ভোল নিয়াবৰ চেষ্টা নকৰিবা। এতিয়া বাগানলৈ বহুত পৰিবৰ্তন আহিছে। মোৰ যিবিলাক সহকৰ্মী আছে, তেওঁলোকক কংগ্ৰেছে কিমান প্ৰলোভন দেখুৱাই আছে— মদ যাচিছে, টকা যাচিছে; কিন্তু এই-বাৰ কোনো যোৱা নাই। আমাৰ আঠখন বাগিছাত কংগ্ৰেছে এখনো সভা পাতি কৃতকাৰ্য হ'ব পৰা নাই। আগতে প্ৰতিবাৰ নিৰ্বাচনতে তেওঁ-লোকে সভা পাতি আমাৰ মানুহক ইমানবোৰ আশ্বাস দি গৈছিল! সেই-বোৰৰ এটাও পূৰণ নকৰাত আমাৰ মানুহ আজিকালি মিটিং শুনিবলৈকে নাযায়। আগতে আমাক তেওঁলোকে কৈছিল যে ছাত্ৰ সন্থাৰ ল'ৰা বা 'অসমীয়া' মানুহ বাগানত সোমালে তোমালোকে কাটি পেলাবা। এতিয়া লাহে লাহে আমি বুজিছোঁ যে ভোটৰ নিমিত্তেই তেওঁলোকে এনেকৈ ভাই-ভাইৰ মাজত কাজিয়া লগাইছিল।

□ আপোনালোকৰ বাগান কেই-খনত ইমান দিনে কংগ্ৰেছৰ যি প্ৰতি-পত্তি আছিল, তাক যে ভাঙিলে, ইয়াক কিমান দিনলৈ অটুট ৰাখিব পাৰিব বুলি ভাবে?

✻ আমাৰ নিজৰ ওপৰত পূৰা বিশ্বাস আছে। আগতে আমাৰ শতকৰা ৯০ ভাগ বনুৱা অশিক্ষিত আছিল। আমি সহজ কথাতে ভোল গৈছিলো। ভোটৰ মূল্য নুবুজিছিলো। এতিয়া আমাৰো শিক্ষিত ল'ৰাহঁত উঠি আহিছে; যুৱক-সকলে নিজৰ দায়িত্ব বুজি পাইছে। প্ৰতিটো চাহ মজদুৰ পৰিয়ালতে এতিয়া স্কুল, কলেজত পঢ়া ল'ৰা-ছোৱালী আছে; তেওঁলোকৰ consciousness দেখি উপলব্ধি কৰিছোঁ যে, আমাৰ এই tempoটো নিশ্চয় থাকিব।

□ নিৰ্বাচনী অভিযান চলাওঁতে কিবা অসুবিধাৰ সন্মুখীন হৈছে নেকি?

✻ আমি প্ৰধানকৈ পুলিছ আৰু কংগ্ৰেছৰ কৰ্মীৰপৰা অসুবিধা পাইছোঁ। ছি· আৰ· পিয়ে আমাৰ গাড়ী লাইনত সোমাবলৈ নিদিয়ে; মজদুৰ লাইনলৈ গ'লে আমাক খেদি দিয়ে। কিন্তু কংগ্ৰেছৰ গাড়ীক বাধা নিদিয়ে। আজি কেইদিনমান আগতে মই হাতী-পটিত বসন্ত ৰাজখোৱাক গাড়ীৰে থৈ ঘূৰি আহোঁতে বাটতে কংগ্ৰেছৰ কেইবাখনো গাড়ীয়ে সোঁৱে-বাঁৱে খেদি এনেকুৱা কৰিলে যে মই গাড়ীৰপৰা নামি ভয়তে জংঘলৰ মাজে মাজে দৌৰি আহি পুলিছক খবৰ দিলো। পুলিছ কেইজনে ক'লে যে গাড়ী কেইখন আমি চিনি পাওঁ, তেওঁলোকে গণ্ডগোল নকৰে বুলি জানো। অথচ গাড়ীৰ মানুহবোৰে মোৰ কৰ্মচাৰী কেইজনমানক জীৱনৰ ভয় দেখুৱাই-ছিল। তেওঁলোকৰ মানুহ আহি আমাৰ কাৰ্যালয়তে দম দি যায়— আমি একো ক'ব নোৱাৰোঁ। থানাত এনট্ৰি দিলে একো একছন নলয়।

□ আপোনালোকে নিৰ্বাচনৰ প্ৰচাৰৰ বাবে লগা পইচা ক'ত পাইছে?

✻ ছেণ্ট্ৰেল কমিটিৰপৰা আমি বেনাৰ আৰু প'ষ্টাৰখিনিহে পাইছোঁ। বাকী পইচাখিনি মজদুৰসকলৰ পৰাই তোলা।



## **গণ পৰিষদেও যদি আগৰ কংগ্ৰেছৰ দৰেই ভণ্ডামীবোৰ আৰম্ভ কৰে, তেন্তে আমি গণ পৰিষদকো ত্যাগ কৰিবলৈ বাধ্য হ'ম।**

বনুৱা দুজনে এই মাত্ৰ টকা ত্ৰিছটা দি গ'ল; আজি ৰাতি আমি যিকেইজনে চাহ বাগান ৰখিম, এইখিনি পইচাৰে চাহ খাব পাৰিম। বনুৱা, মজদুৰে নিজৰ পইচাৰে কেমপেইন চলাইছে। কোনোবাই আমাৰ কৰ্মীক দুপৰীয়া ঘৰত ভাত খুৱাই আনিছে। প'ষ্টাৰবোৰ আমি মজদুৰবোৰেই হাতেৰে লিখি লৈছোঁ। কোনোবাই ৰাতি জুই পুৱাবলৈ খৰি দি গৈছে।

**ড· মুনীন গগৈ**

অ· গ· পৰ নাজিৰা টাউন কমিটিৰ সম্পাদক

□ এইবাৰ নিৰ্বাচনত, বিশেষকৈ নাজিৰা সমষ্টিত, নিৰ্বাচনী প্ৰক্ৰিয়াটো কেনেদৰে চলিছে বুলি আপোনাৰ মত?

✻ নাজিৰা সমষ্টিৰ কথাই কৈছোঁ। ইয়াত আৰু নিৰ্বাচনটো গণতান্ত্ৰিক প্ৰক্ৰিয়া হৈ থকা নাই। প্ৰতিপক্ষই গোটেই শাসন যন্ত্ৰটোকে নিজৰ নিৰ্বা-চনী কামত লগাইছে। শ্ৰীশইকীয়াই পুলিছ বাহিনী আৰু অন্যান্য কৰ্মচাৰী-সকলক নিজৰ কামত ব্যৱহাৰ কৰিছে। আৰু যিজন ছেণ্ট্ৰেল অবজাৰভাৰ আহি ইয়াত আছে, তেওঁ কিমান কাম কৰিছে বা কথাবোৰ কেনেদৰে অবজাৰভ কৰিছে, সেইবোৰ সন্দেহৰ বিষয়। প্ৰতিদ্বন্দ্বী পক্ষৰ মানুহে আমাৰ গাড়ী আক্ৰমণ কৰিছে, কাৰ্যালয়লৈ আহি অশোভনীয় আচৰণ কৰিছে, প্ৰচাৰ চলাবলৈ পূৰা পুলিছ ফৰ্চ লগত লৈ গৈছে।

□ যিহেতু 'অবৈধ' চৰকাৰটোৱে এনেধৰণৰ অগণতান্ত্ৰিক কাৰ্য আগৰে-পৰাই চলাই আহিছিল, গতিকে এই-বোৰ আপোনালোকৰ বাবে আশাতীত হোৱা নাই নিশ্চয়?

✻ তেওঁলোকে কৰিব নোৱৰা কাম একো নাই বুলিয়েই ধৰি লৈছিলো। কিন্তু বাধা দিবলৈ আমি কৰোঁ কি? ল'ৰাখিনিক মাথো কৈছোঁ যে তোমা-লোক উত্তেজিত নহ'বা। কাৰণ তেওঁ-লোকে সংঘৰ্ষ বিচাৰিয়ে আছে আৰু তাক আমি পৰাপক্ষত এৰাই ফুৰিব লাগিব। তেওঁলোকে যদি থাপৰ এটাও মাৰে, আমি সহ্য কৰি যাম, যেতিয়া-লৈকে নিৰ্বাচন শেষ নহয়। আনকি, নিৰ্বাচনৰ পাছতো, শান্তি-শৃংখলা অটুট ৰখাৰ বাবেহে প্ৰচেষ্টা চলাব লাগিব।

□ সাধাৰণতে উজনি অসমৰ নিৰ্বাচনত শাসক দলে চাহ বাগানৰ ভোটেৰেই অংশ লয় বুলি চলি অহা ধাৰাটো সলনি কৰাৰ ক্ষেত্ৰত আপোনা-লোক কিমান সফল হৈছে বুলি ভাবে?

✻ মুঠ কথা, টকাৰে তেওঁলোকে আৰু ভোট কিনিব নোৱাৰে— বাগি-চাতো নোৱাৰে। বাগানত এতিয়া বহুত শিক্ষিত ল'ৰা ওলাইছে। তেওঁ-লোকে সিহঁতৰ অত্যাচাৰ, উৎপীড়নৰ কথা বুজিছে। আজি নহলেও অন্ততঃ পাঁচ বছৰমান মূৰত এই ষ্ট্ৰাকচাৰবোৰ ভাগিব। আগতে হয়তো জনতাৰ দিনত তেওঁলোকে চাহ বাগানৰ মাত্ৰ ৫ বা ১০ শতাংশ ভোট পাইছিলে, এইবাৰ আমি তাতকৈ বেছি পাম। পৰিবৰ্তন এনেকৈয়ে আহিব।

□ প্ৰতিপক্ষৰ ক্ষেত্ৰত ধনবলেই ডাঙৰ বল বুলি কোৱা হৈছে। কিন্তু আপোনালোকৰ লগত আছে কেৱল ৰাইজৰ বল। কিন্তু নিৰ্বাচনী প্ৰচাৰৰ কামত ৰাইজৰ বলৰ সৈতে ধনৰো প্ৰয়োজন নিশ্চয় হৈছে। এই ক্ষেত্ৰত আপোনালোক কিদৰে আগবাঢ়িছে?

✻ এইটো এটা বৰ ডাঙৰ প্ৰশ্ন। আমাৰ যিজন প্ৰাৰ্থী, তেওঁৰ টকা-পইচা তেনেকৈ নাই। আমি যেতিয়া নিৰ্বাচনত নামো, তেতিয়া আমাৰ হাতত মুঠ ধন শূন্য। আমি নিজ্ জেপৰ পৰা ভৰি প্ৰচাৰ চলাইছিলো। তাৰ পাছত জিলা কমিটিৰ সৈতে আলোচনা কৰি ৰাইজলৈ আহ্বান দিলো যে, তেওঁলোকে দান-বৰঙণি দিলেহে আমাৰ নিৰ্বাচনী প্ৰচাৰ চলিব পাৰে। তাৰ পাছৰে পৰা ৰাইজৰ পৰা আমি অভাৱনীয়ভাৱে সঁহাৰি পাইছোঁ। ইউনিটবোৰ ডিছেণ্ট্ৰেলাইজ কৰি দিলো আৰু স্থানীয়ভাৱে গোটোৱা পইচাৰেই তেওঁলোকে সকলো প্ৰচাৰ চলাইছে। আমাৰ পৰা তেওঁলোকক টকা-পইচা একো দিব পৰা নাই। কেতিয়াবা দহ-পোন্ধৰ টকা, পেনছিল এডাল, বা ৰঙৰ টেমা এটাহে দিব পাৰিছোঁ। কোনোবাই তেওঁৰ গাড়ীখন দিছে, কোনোবাই তেলৰ খৰচ দিছে, তেনে-কৈয়ে আমাৰ প্ৰচাৰ চলিছে।

**শ্ৰীসুখদেৱ ৰাজোৱাৰ**

চাহ বনুৱা যুৱনেতা, নাজিৰা

□ আগতে আমি শুনামতে আপুনি কংগ্ৰেছত আছিল। এইবাৰো কংগ্ৰেছতে থকাহেঁতেন আপুনি টকা-পইচাৰ পিনৰ পৰা যথেষ্ট লাভবান হ'লহেঁতেন। তথাপিতো গণ পৰিষদত যোগ দিলে কিয়?

✻ টকাই সকলো নহয়তো! ৮৩ৰ নিৰ্বাচনলৈকে মই কংগ্ৰেছত আছিলো। সেইবাৰ তেওঁলোকৰ অত্যাচাৰ, শোষণ পদ্ধতিবোৰ দেখি বুজি পালো যে এইটো চৰকাৰ আচলতে দুখীয়াৰ চৰ-কাৰ নহয়। আমি দেখিলো যে তেওঁ-লোকৰ নেতাসকল ...... ......। —ভোটৰ সময়ত আমাৰ মাজত মদ বিতৰণ কৰাৰ বাহিৰে আৰু একো কৰিব নোৱাৰে। সেইবাবেই আমি অনেকে কংগ্ৰেছ এৰি গণ পৰিষদৰ নেতৃত্বত এটা পবিত্ৰ ৰাজনীতিত অংশ লোৱাৰ সিদ্ধান্ত ল'লো।

□ সাধাৰণতে দেখা যায় যে, কেৱল নিৰ্বাচনৰ সময়তহে আমি আপোনালোকৰ ওচৰলৈ আহোঁ, বাকী সময়ত আমি আপোনালোকৰ কথা পাহৰি থাকোঁ। এই কথাটো ভাবিলে



OKDISCD

কেনেকুৱা লাগে? যেনে ধৰক, আপোনালোকে এইবাৰ অসম গণ পৰিষদৰ হৈ নিজৰ বৰীয়াকৈ ইমান দেহেকেহে লাগিছে। পিছত গণ পৰিষদেও অহা পাঁচ বছৰলৈ আপোনালোকক পাহৰি গ'লে কেনে লাগিব ?

* কংগ্ৰেছৰ মানুহবোৰতো ভোটৰ সময়তে আহে। ৮৩ ৰ নিৰ্বাচনৰ সময়ত আহিছিল। হিতেশ্বৰ শইকীয়াই ইয়াত আহি ডাঙৰ ডাঙৰ লেকচাৰ দিলে। 'অসমীয়া' মানুহে যদি লাঠী লৈ আহে, তেনেহলে তোমালোকে দা লৈ কাটিবা। —এনেকুৱা কথাও আমি শুনিছিলো। আমি তেওঁলোকৰ আশ্বাসবোৰত ভোল গৈ ৯৫ শতাংশ চাহ মজদুৰৰ ভোটেৰে শইকীয়াক গাদীত বহুৱাইছিলো। কিন্তু আমাৰতো একো নহ'ল। যোৱা ৩৮ বছৰৰ এনে অভিজ্ঞতাৰ বাবেই গণ পৰিষদত যোগ দিছোঁ। এইটো এটা নতুন আঞ্চলিক দল,— নতুন আশা কঢ়িয়াই অনা দল। আগৰ তিক্ত অভিজ্ঞতা আৰু নহব বুলিয়েই আমাৰ দৃঢ় বিশ্বাস। কিন্তু গণ পৰিষদেও যদি আগৰ কংগ্ৰেছৰ দৰেই ভণ্ডামীবোৰ আৰম্ভ কৰে, তেন্তে আমি গণ পৰিষদকো ত্যাগ কৰিবলৈ বাধ্য হ'ম।

☐ আপুনি পুৰণা কংগ্ৰেছ কৰ্মী কাৰণে এইবাৰো প্ৰলোভন দেখুৱাই আপোনাক মতা নাছিলনে ?

* মাতিছিল। যোৱা ১৩ ডিছেম্বৰ তাৰিখে ৰোহিণীয়ে মোক মাতিছিল। মই যোৱাত তেওঁ কৈছিল, "তোমাৰ ঘৰত মই ইলেকছনৰ চাৰিদিনৰ ভিতৰতে লাইট লগাই দিম আৰু টকা ষাঠীটা তুমি লৈ যোৱা। মই না বুলি কৈ অহা বাবে মোৰ পিছত কেইটামান গুণ্ডা লগাই দিছে। তাৰ পাছত মোৰ ভাই লালমোহন ৰাজোৱাৰক মাতিলে —তাক টকা সাতশ দিলে। সি এতিয়া সেই পইচাৰে ঘড়ি আদি লৈ ঘৰতে বহি আছে, কংগ্ৰেছৰ কাম কৰা নাই। মই কৈছোঁ, টকা দিলে ল'বা; সেইবোৰ আমাৰ টকা, ৰাইজৰ টকা। কিন্তু টকাৰ বিনিময়ত অন্তৰ বিক্ৰি নকৰিবা।

## শ্ৰীমতী লাৱণ্য বৰদলৈ

বিদেশী নাগৰিকৰ সমস্যাৰ বিৰুদ্ধে চলা ছবছৰীয়া আন্দোলনটোৰ সময়ছোৱাত মহিলাসকলে সকলোতে অগ্ৰণী ভূমিকা লৈছিল আৰু যোৱা নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাতো আমি তাৰেই পুনৰাবৃত্তি দেখিলো। ঘৰৰ দহোবন কাটি কৰি থৈও গাঁৱৰ মহিলাসকল ওলাই অহাটো কিমান ডাঙৰ কথা, নাজানিলে অনুভৱ কৰা টান। চাকৰিয়ালসকলো কোনো গুণেই পিছপৰি থকা নাই। নাজিৰা সমষ্টিত প্ৰচাৰ অভিযানত দিনে নিশাই খটা শিক্ষয়িত্ৰী শ্ৰীলাৱণ্য বৰদলৈ 'অবৈধ' চৰকাৰটোৰ ৰোষত পৰি দুবছৰ ধৰি বৰখাস্ত হৈ আছে। তেওঁ এইটোও ভালকৈ জানিছিল যে যোৱাবাৰৰ নিৰ্বাচনত যদি আগৰ 'অবৈধ' চৰকাৰটোৱেই শাসনলৈ আহিলহেঁতেন, তেন্তে নিৰ্বাচনী প্ৰচাৰত এনেদৰে লগা বাবে তেওঁৰ ওপৰত হয়তো আগতকৈও অধিক নিৰ্যাতন চলিলহেঁতেন ; কিন্তু এনেবোৰ 'সৰু সৰু' কথাই শ্ৰীমতী বৰদলৈৰ মনটোক দমাই ৰাখিব নোৱাৰিলে। এই নেপথ্যত থকা অখ্যাত নাৰী চৰিত্ৰবোৰেই ইমান দিন ধৰি অস্তিত্ব ৰক্ষাৰ আন্দোলনটোক প্ৰেৰণা যোগাই থাকিল। অসমীয়া সমাজৰ নাৰী-চৰিত্ৰ প্ৰধান এই বৈশিষ্ট্যটোৱে আমাৰ ওপৰত ভাল আৰু বেয়া দুই ধৰণৰ প্ৰভাৱ পেলাইছে: এপিনে ই আমাক অধিক আবেগপ্ৰৱণ কৰি বাস্তৱৰপৰা কিছু পৰিমাণে আঁতৰাই আনিছে, আৰু আনপিনে ই আমাক অধিক ধৈৰ্যশীল, অধিক কষ্টসহিষ্ণু হ'বলৈ শিকাইছে।

## জীৱন চন্দ্ৰ বড়ো,

অ. গ. প. ৰ ১ নম্বৰ পুব বংশৰ শাখা কমিটিৰ সভাপতি

☐ আমি জনা দিনৰে পৰা আপোনালোকৰ এই অঞ্চল সদায়েই 'কংগ্ৰেছী অঞ্চল' বুলি বিখ্যাত আছিল ; এতিয়া হঠাতে এই পৰিবৰ্তন কিয় আহিল ?

* যোৱা ছবছৰে চৰকাৰে আমাৰ ওপৰত যিদৰে উৎপীড়ন চলালে, আমাৰ ল'ৰাক যিদৰে গুলীয়াই হত্যা কৰিলে, এইবিলাকেই হয়তো আজি ইমান দিনৰ কংগ্ৰেছী মানুহখিনিকো বিদ্ৰোহী কৰি তুলিলে।

☐ পুৰণি কংগ্ৰেছৰ অঞ্চল হিচাপে, এইবাৰো তেওঁলোক আপোনালোকৰ ওচৰলৈ অহা নাছিলনে ? আপোনালোকৰ পৰা কিবা বাধা দিয়া হৈছে নেকি ?

* আমাৰ পিনৰ পৰা তেওঁলোকক —কংগ্ৰেছক—বাধা দিয়া নাই ;— তেওঁলোক এইবাৰ ইয়ালৈ অহাই নাই। কিয় অহা নাই ক'ব নোৱাৰোঁ। আহিলে নিশ্চয় ভাল ব্যৱহাৰ কৰিলোহেঁতেন আৰু তেওঁলোকক আমাৰ মতলৈ আহিবলৈ বুজালোহেঁতেন।

☐ এইবাৰৰ নিৰ্বাচনটোক আমি অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ এটা অংশ হিচাপেই লৈছিলো। তেনেস্থলত, যিখিনি মানুহে এই নিৰ্বাচনটোতো বিশ্বাসঘাতকতা কৰিলে, তেওঁলোকৰ সন্দৰ্ভত আমি কি মত লোৱা উচিত ?

* আমাৰ পিনৰ পৰা ভৱিষ্যতেও সম্প্ৰীতিৰ বাণী শুনাই যাম। এই ধৰক, আমাৰ ওচৰতে দামপুৰখনৰ কথা। তাৰ অনেকেই এইবাৰ নিৰ্বাচনতো গণ পৰিষদক সমৰ্থন নিদিলে। কিন্তু সেইবুলি এতিয়া আমি তেওঁলোকৰ লগত কাজিয়া কৰিলেতো নহ'ব। মিলাপ্ৰীতিৰ ভাৱেৰে তেওঁলোকক আমি বুজাব পাৰিব লাগিব— যাতে, ভৱিষ্যতে আৰু এনেকুৱা নহয়।

## আবিদুল হুছেইন

সহ সম্পাদক, অ.গ.প.ৰ নাজিৰা শাখা কমিটি

☐ আপোনালোকৰ নাজিৰা সমষ্টিত শাসক দল ইমান দিন ধৰি চাহ বাগান আৰু মুছলমান ভোটখিনিৰ ক্ষেত্ৰত যিদৰে নিশ্চিত হৈ আছিল, এইবাৰ তেওঁলোক তেনেকৈয়ে নিশ্চিত হ'ব পাৰিবনে ?

* নোৱাৰে। মুছলমান ভোটাৰখিনিৰ কথাই কৈছোঁ। তেওঁলোক এতিয়া আৰু অন্ধভাৱে কংগ্ৰেছত নাই। আপুনি ভিতৰৰ মুছলমান বসতি প্ৰধান অঞ্চললৈ যাওক, তাত আমাৰ প্ৰচাৰ পূৰ্ণ গতিত দেখিবলৈ পাব, আমাৰ কাৰ্যালয় পাব, সকলো স্থানীয় মানুহে কৰিছে। প্ৰতিপক্ষই মুছলমান ভোটখিনি নিজৰ হাতত ৰাখিবলৈ বিভিন্ন কুমন্ত্ৰণা চলাইছে ; এইবুলি কিছুমান প্ৰচাৰ পত্ৰিকা উলিয়াইছে যে গণ পৰিষদৰ চৰকাৰ হ'লে মুছলমানবিলাকৰ ধৰ্মীয় কাম-কাজত বাধা পৰিব। আমাৰ মদাহী আৰু জুৱাৰী কেইটামানক পইচাৰে হাত কৰি সিহঁতৰ হতুৱাই মুছলমানসকলৰ মাজত প্ৰচাৰ চলাইছে যে কংগ্ৰেছক ভোট নিদিলে তেওঁলোকৰ বিপদ আছে, তেওঁলোকক ৰক্ষণাবেক্ষণ দিবলৈ কংগ্ৰেছেই একমাত্ৰ দল, ইত্যাদি। কিন্তু সেই কেইজন যুবকে ইয়াৰ মুছলমানখিনিৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। শুক্ৰবাৰে জুম্মা নামাজৰ সময়ত গৈ তেওঁলোকে এইবোৰ কথা কোৱাইছে ; —এনেকুৱা কথা আমাৰ কোনো হদিছত নাই যে পবিত্ৰ নামাজ পঢ়ি থকা সময়ত এইদৰে প্ৰচাৰ পত্ৰিকা পঢ়ি ঘৃণনীয় কথা প্ৰচাৰ কৰিব পাৰি। কিন্তু আপোনাক কৈছোঁ, আপুনি চাব, এইবোৰ মিছা প্ৰচাৰে মুছলমান সমাজক আৰু ভোল নিয়াব নোৱাৰে ধৰ্মক লৈ আপুনি ৰাজনীতি কিমান দিন কৰিব ?

## পৰাগ চলিহা

☐ এইবাৰৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে আপোনাৰ ব্যক্তিগত অভিজ্ঞতা কেনেকুৱা ?

* যোৱা এমাহ ধৰি আমাৰ মানুহখিনিৰ উৎসাহ-উদ্দীপনা, আগ্ৰহ-ঐকান্তিকতা, সাহস, ধৈৰ্য, আশা— এই আটাইখিনিৰ এক অভুতপূৰ্ব প্ৰকাশ দেখি মই নিজেই অভিভূত হৈছোঁ। ১৯৪৬ চনৰ পৰা মই বহুতো নিৰ্বাচন দেখিলো, কিন্তু এইবেলিৰ নিৰ্বাচনৰ যি উৎসাহ, সেয়া আন্দোলনটোৰ সময়ৰ উৎসাহতকৈও অধিক বুলি ক'লেও বোধকৰোঁ অত্যুক্তি কৰা নহ'ব।

☐ উজনি অসমত, বিশেষকৈ নাজিৰাত, প্ৰতিপক্ষই আপোনালোকক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচনী অভিযান চলাবলৈ দিয়া নাই বুলি উঠা অভিযোগ সম্বন্ধে আপোনাৰ মতামত কি ?

* এই ক্ষেত্ৰত মোৰ মতামত দিবলৈ গ'লে গোটেই দিনটো কৈ থাকিলেও শেষ নহ'ব। এনেকুৱা অত্যাচাৰ, এনেকুৱা অনাচাৰ, মানে—regular reign of terror—এনেকুৱা এটা পৰিস্থিতি হ'ব পাৰে বুলি আমি ভাবিবকে পৰা নাছিলো। শিৱসাগৰৰ নাজিৰা সমষ্টিত ভোট হয় যদিও সেই ভোটৰ মই কোনো মূল্য দিব নোখোজোঁ। তিনিজন গুণ্ডাই তাত পুলিছ আৰু প্ৰশাসনৰ সহায়ত এনেকুৱা অত্যাচাৰ চলাইছে যে ভাবিব নোৱাৰি। নাজিৰাক আজিকালি মই modern মথুৰা বুলি কওঁ, আৰু হিতেশ্বৰ শইকীয়াক কংসৰ নতুন সংস্কৰণ বুলি কওঁ। গতিকে তেওঁৰ সৈন্য বাহিনীক জংঘাসুৰ, অঘাসুৰ, বকাসুৰ বুলি কওঁ। যোৱা ১ ডিছেম্বৰ তাৰিখে এই চানু মুষ্টিকৰ দল ট্ৰাক আৰু গাড়ীৰ শোভাযাত্ৰাৰে কংস ৰজা যোৱাদি গৈ থাকোঁতে জয়সাগৰৰ ওচৰতে ধান চপোৱাত ব্যস্ত এজন মানুহে 'জয় কংগ্ৰেছৰ জয়' বুলি নিচিঞৰা বাবেই গাড়ী ৰখাই উৰাইঘুৰাই মৰিয়ালে। গাড়ীৰ নম্বৰ সহ অভিযোগ দিয়া হ'ল—একো নহ'ল। ইতিমধ্যে চাহ বাগিচাবোৰত মদৰ কাৰবাৰ চলিছে। DC, SP ক কোৱা হ'ল—একো নহ'ল। Observer ৰ ওচৰলৈ গ'লো, তেওঁ ক'লে, 'আমি একো action ল'ব নোৱাৰোঁ—we shall observe only ; we are not here to take any action.' এইটো একেবাৰে সুস্পষ্ট যে নাজিৰাত কোনো ধৰণৰ গণতান্ত্ৰিক নিৰ্বাচন নহয় আৰু নহ'বও। আৰু এইবাৰ আপোনাক কৈছোঁ, হিতেশ্বৰ শইকীয়া কেইবা হাজাৰ ভোটত হাৰিলেহেঁতেন যদিহে free and fair election হ'লহেঁতেন। সেইকাৰণেই he had become totally desparate to rig the election.

☐ যিহেতু আমি তেনেকুৱা এটা কথা আশা কৰিছিলোৱেই, গতিকে আগতীয়াকৈয়ে তাৰ বাবে প্ৰস্তুত হৈ থাকিব পৰা গ'লহেঁতেন নেকি ?

* সৈন্য সামন্তৰ দল এটা গোটোৱাৰ বাহিৰেতো বাকী সভ্য সমাজত যিখিনি ব্যৱস্থা ল'ব পাৰি, আটাইখিনিকে লোৱা হৈছে— Observer, D.C, S.P ক কোৱা হৈছে, মুখ্য সচিবক মই লিখিতভাৱে জনাইছোঁ— । এটাই আমি কৰা নাছিলো, আৰু কৰিবও নোৱাৰো— সৈন্য সামন্তৰ দল গোটোৱা।

☐ সাধাৰণতে কোৱা হয় যে উজনি অসমৰ ৰাজনীতি হৈছে আহোম আৰু মুছলমানৰ ৰাজনীতি আৰু তাকে মূলধন ৰূপে লৈ ইমান দিনে তিষ্ঠি আছে। এইবাৰৰ নিৰ্বাচনত এই অশুভ লক্ষণটোক আঁতৰাবলৈ গণপৰিষদ কিমান দূৰ সক্ষম হৈছে ?

* অসম গণ পৰিষদ বা আন্দোলনটোৰ সন্দৰ্ভত এই ধৰণৰ কথা নমাই ভাল। কত শ্বহীদ এই আহোমৰ ভিতৰৰে ! এই নিৰ্বাচনতো তেওঁলোকেই আগভাগ লৈছে। মোৰ প্ৰস্তাৱক, সমৰ্থক, কেইবাগৰাকীও আহোম লোক। জনসাধাৰণৰ মনত এই আহোম, শূদিৰ এনে ধৰণৰ ভাব নাই— মাত্ৰ কেইজনমান নেতা, পালিনেতাই নিৰ্বাচনৰ আগে আগে এইবোৰ উলিয়ায়। আৰু এইটো বৰ দুখেৰে জনাইছোঁ যে কংগ্ৰেছৰ বাহিৰেও সৰ্বভাৰতীয় অইন দুই দলেও শেষ মুহূৰ্তত এইবোৰ ফেকটৰৰ সুবিধা লয়গৈ।

তেনেদৰে, এইবাৰৰ নিৰ্বাচনত মুছলমানসকলৰ অ.গ.প.ৰ প্ৰতি থকা সমৰ্থন দেখি মই অভিভুত হৈ পৰিছোঁ। মই মোৰ নিৰ্বাচনী অভিযান আৰম্ভ কৰোঁ এটা মজজিদত নামাজলৈ অহা জামাতৰ আশীৰ্বাদ লৈহে। বহুত মজজিদত মই দোৱা লবলৈ সুবিধা পাইছোঁ। এইবাৰ নিৰ্বাচনত গণ পৰিষদৰ প্ৰতি তেওঁলোকৰ



OKDISCO

কেনেকুৱা লাগে? যেনে ধৰক, আপোনালোকে এইবাৰ অসম গণ পৰিষদৰ হৈ নিজৰ ৰবীয়াকৈ ইমান দেহেকেহে লাগিছে। পিছত গণ পৰিষদেও অহা পাঁচ বছৰলৈ আপোনালোকক পাহৰি গ'লে কেনে লাগিব?

* কংগ্ৰেছৰ মানুহবোৰতো ভোটৰ সময়তে আহে। ৮৩ ৰ নিৰ্বাচনৰ সময়ত আহিছিল। হিতেশ্বৰ শইকীয়াই ইয়াত আহি ডাঙৰ ডাঙৰ লেকচাৰ দিলে। 'অসমীয়া' মানুহে যদি লাঠী লৈ আহে, তেনেহলে তোমালোকে দা লৈ কাটিবা। — এনেকুৱা কথাও আমি শুনিছিলো। আমি তেওঁলোকৰ আশ্বাসবোৰত ভোল গৈ ৯৫ শতাংশ চাহ মজদুৰৰ ভোটেৰে শইকীয়াক গাদীত বহুৱাইছিলো। কিন্তু আমাৰতো একো নহ'ল। যোৱা ৩৮ বছৰৰ এনে অভিজ্ঞতাৰ বাবেই গণ পৰিষদত যোগ দিছোঁ। এইটো এটা নতুন আঞ্চলিক দল, — নতুন আশা কঢ়িয়াই অনা দল। আগৰ তিক্ত অভিজ্ঞতা আৰু নহব বুলিয়েই আমাৰ দৃঢ় বিশ্বাস। কিন্তু গণ পৰিষদেও যদি আগৰ কংগ্ৰেছৰ দৰেই ভণ্ডামীবোৰ আৰম্ভ কৰে, তেন্তে আমি গণ পৰিষদকো ত্যাগ কৰিবলৈ বাধ্য হ'ম।

☐ আপুনি পুৰণা কংগ্ৰেছ কৰ্মী কাৰণে এইবাৰো প্ৰলোভন দেখুৱাই আপোনাক মতা নাছিলনে?

* মাতিছিল। যোৱা ১৩ ডিছেম্বৰ তাৰিখে ৰোহিণীয়ে মোক মাতিছিল। মই যোৱাত তেওঁ কৈছিল, "তোমাৰ ঘৰত মই ইলেকছনৰ চাৰিদিনৰ ভিতৰতে লাইট লগাই দিম আৰু টকা যাঠীটা তুমি লৈ যোৱা। মই না বুলি কৈ অহা বাবে মোৰ পিছত কেইটামান গুণ্ডা লগাই দিছে। তাৰ পাছত মোৰ ভাই লালমোহন ৰাজোৱাৰক মাতিলে — তাক টকা সাতশ দিলে। সি এতিয়া সেই পইচাৰে ঘড়ি আদি লৈ ঘৰতে বহি আছে, কংগ্ৰেছৰ কাম কৰা নাই। মই কৈছোঁ, টকা দিলে ল'বা; সেইবোৰ আমাৰ টকা, ৰাইজৰ টকা। কিন্তু টকাৰ বিনিময়ত অন্তৰ বিক্ৰি নকৰিবা।

**শ্ৰীমতী লাৱণ্য বৰদলৈ**

বিদেশী নাগৰিকৰ সমস্যাৰ বিৰুদ্ধে চলা ছবছৰীয়া আন্দোলনটোৰ সময়ছোৱাত মহিলাসকলে সকলোতে অগ্ৰণী ভূমিকা লৈছিল আৰু যোৱা নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাতো আমি তাৰেই পুনৰাবৃত্তি দেখিলো। ঘৰৰ দহোবন কাটি কৰি থৈও গাঁৱৰ মহিলাসকল ওলাই অহাটো কিমান ডাঙৰ কথা, নাজানিলে অনুভৱ কৰা টান। চাকৰিয়ালসকলো কোনো গুণেই পিছপৰি থকা নাই। নাজিৰা সমষ্টিত প্ৰচাৰ অভিযানত দিনে নিশাই খটা শিক্ষয়িত্ৰী শ্ৰীলাৱণ্য বৰদলৈ 'অবৈধ' চৰকাৰটোৰ ৰোষত পৰি ছুবছৰ ধৰি বৰখাস্ত হৈ আছে। তেওঁ এইটোও ভালকৈ জানিছিল যে যোৱাবাৰৰ নিৰ্বাচনত যদি আগৰ 'অবৈধ' চৰকাৰটোৱেই শাসনলৈ আহিলহেঁতেন, তেন্তে নিৰ্বাচনী প্ৰচাৰত এনেদৰে লগা বাবে তেওঁৰ ওপৰত হয়তো আগতকৈও অধিক নিৰ্যাতন চলিলহেঁতেন; কিন্তু এনেবোৰ 'সৰু সৰু' কথাই শ্ৰীমতী বৰদলৈৰ মনটোক দমাই ৰাখিব নোৱাৰিলে। এই নেপথ্যত থকা অখ্যাত নাৰী চৰিত্ৰবোৰেই ইমান দিন ধৰি অস্তিত্ব ৰক্ষাৰ আন্দোলনটোক প্ৰেৰণা যোগাই থাকিল। অসমীয়া সমাজৰ নাৰী-চৰিত্ৰ প্ৰধান এই বৈশিষ্ট্যটোৱে আমাৰ ওপৰত ভাল আৰু বেয়া দুই ধৰণৰ প্ৰভাৱ পেলাইছে: এফালে ই আমাক অধিক আবেগপ্ৰৱণ কৰি বাস্তৱৰপৰা কিছু পৰিমাণে আঁতৰাই আনিছে, আৰু আনফালে ই আমাক অধিক ধৈৰ্যশীল, অধিক কষ্টসহিষ্ণু হ'বলৈ শিকাইছে।

**জীৱন চন্দ্ৰ বড়ো,**

অ. গ. প. ৰ ১ নম্বৰ পুব বংশৰ শাখা কমিটিৰ সভাপতি

☐ আমি জনা দিনৰে পৰা আপোনালোকৰ এই অঞ্চল সদায়েই 'কংগ্ৰেছী অঞ্চল' বুলি বিখ্যাত আছিল; এতিয়া হঠাতে এই পৰিবৰ্তন কিয় আহিল?

* যোৱা ছবছৰে চৰকাৰে আমাৰ ওপৰত যিদৰে উৎপীড়ন চলালে, আমাৰ ল'ৰাক যিদৰে গুলীয়াই হত্যা কৰিলে, এইবিলাকেই হয়তো আজি ইমান দিনৰ কংগ্ৰেছী মানুহখিনিকো বিদ্ৰোহী কৰি তুলিলে।

☐ পুৰণি কংগ্ৰেছৰ অঞ্চল হিচাপে, এইবাৰো তেওঁলোক আপোনালোকৰ ওচৰলৈ অহা নাছিলনে? আপোনালোকৰ পৰা কিবা বাধা দিয়া হৈছে নেকি?

* আমাৰ পিনৰ পৰা তেওঁলোকক — কংগ্ৰেছক — বাধা দিয়া নাই; — তেওঁলোক এইবাৰ ইয়ালৈ অহাই নাই। কিয় অহা নাই ক'ব নোৱাৰোঁ। আহিলে নিশ্চয় ভাল ব্যৱহাৰ কৰিলোহেঁতেন আৰু তেওঁলোকক আমাৰ মতলৈ আহিবলৈ বুজালোহেঁতেন।

☐ এইবাৰৰ নিৰ্বাচনটোক আমি অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ এটা অংশ হিচাপেই লৈছিলো। তেনেস্থলত, যিখিনি মানুহে এই নিৰ্বাচনটোতো বিশ্বাসঘাতকতা কৰিলে, তেওঁলোকৰ সন্দৰ্ভত আমি কি মত লোৱা উচিত?

* আমাৰ পিনৰ পৰা ভৱিষ্যতেও সম্প্ৰীতিৰ বাণী শুনাই যাম। এই ধৰক, আমাৰ ওচৰতে দামপুৰখনৰ কথা। তাৰ অনেকেই এইবাৰ নিৰ্বাচনতো গণ পৰিষদক সমৰ্থন নিদিলে। কিন্তু সেইবুলি এতিয়া আমি তেওঁলোকৰ লগত কাজিয়া কৰিলেতো নহ'ব। মিলাপ্ৰীতিৰ ভাবেৰে তেওঁলোকক আমি বুজাব পাৰিব লাগিব — যাতে, ভৱিষ্যতে আৰু এনেকুৱা নহয়।

**আবিদুল হুছেইন**

সহ সম্পাদক, অ. গ. প. ৰ নাজিৰা শাখা কমিটি

☐ আপোনালোকৰ নাজিৰা সমষ্টিত শাসক দল ইমান দিন ধৰি চাহ বাগান আৰু মুছলমান ভোটখিনিৰ ক্ষেত্ৰত যিদৰে নিশ্চিত হৈ আছিল, এইবাৰ তেওঁলোক তেনেকৈয়ে নিশ্চিত হ'ব পাৰিবনে?

* নোৱাৰে। মুছলমান ভোটাৰখিনিৰ কথাই কৈছোঁ। তেওঁলোক এতিয়া আৰু অন্ধভাৱে কংগ্ৰেছত নাই। আপুনি ভিতৰৰ মুছলমান বসতি প্ৰধান অঞ্চললৈ যাওক, তাত আমাৰ প্ৰচাৰ পূৰ্ণ গতিত দেখিবলৈ পাব, আমাৰ কাৰ্যালয় পাব, সকলো স্থানীয় মানুহে কৰিছে। প্ৰতিপক্ষই মুছলমান ভোটখিনি নিজৰ হাতত ৰাখিবলৈ বিভিন্ন কুমন্ত্ৰণা চলাইছে; এইবুলি কিছুমান প্ৰচাৰ পত্ৰিকা উলিয়াইছে যে গণ পৰিষদৰ চৰকাৰ হ'লে মুছলমানবিলাকৰ ধৰ্মীয় কাম-কাজত বাধা পৰিব। আমাৰ মদাহী আৰু জুৱাৰী কেইটামানক পইচাৰে হাত কৰি সিহঁতৰ হতুৱাই মুছলমানসকলৰ মাজত প্ৰচাৰ চলাইছে যে কংগ্ৰেছক ভোট নিদিলে তেওঁলোকৰ বিপদ আছে, তেওঁলোকক ৰক্ষণাবেক্ষণ দিবলৈ কংগ্ৰেছেই একমাত্ৰ দল, ইত্যাদি। কিন্তু সেই কেইজন যুৱকে ইয়াৰ মুছলমানখিনিৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। শুক্ৰবাৰে জুম্মা নামাজৰ সময়ত গৈ তেওঁলোকে এইবোৰ কথা কোৱাইছে; — এনেকুৱা কথা আমাৰ কোনো হদিছত নাই যে পবিত্ৰ নামাজ পঢ়ি থকা সময়ত এইদৰে প্ৰচাৰ পত্ৰিকা পঢ়ি ঘৃণনীয় কথা প্ৰচাৰ কৰিব পাৰি। কিন্তু আপোনাক কৈছোঁ, আপুনি চাব, এইবোৰ মিছা প্ৰচাৰে মুছলমান সমাজক আৰু ভোল নিয়াব নোৱাৰে ধৰ্মক লৈ আপুনি ৰাজনীতি কিমান দিন কৰিব?

**পৰাগ চলিহা**

☐ এইবাৰৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে আপোনাৰ ব্যক্তিগত অভিজ্ঞতা কেনেকুৱা?

* যোৱা এমাহ ধৰি আমাৰ মানুহখিনিৰ উৎসাহ-উদ্দীপনা, আগ্ৰহ-ঐকান্তিকতা, সাহস, ধৈৰ্য, আশা — এই আটাইখিনিৰ এক অভূতপূৰ্ব প্ৰকাশ দেখি মই নিজেই অভিভূত হৈছোঁ। ১৯৪৬ চনৰ পৰা মই বহুতো নিৰ্বাচন দেখিলো, কিন্তু এইবেলিৰ নিৰ্বাচনৰ যি উৎসাহ, সেয়া আন্দোলনটোৰ সময়ৰ উৎসাহতকৈও অধিক বুলি ক'লেও বোধকৰোঁ অত্যুক্তি কৰা নহ'ব।

☐ উজনি অসমত, বিশেষকৈ নাজিৰাত, প্ৰতিপক্ষই আপোনালোকক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচনী অভিযান চলাবলৈ দিয়া নাই বুলি উঠা অভিযোগ সম্বন্ধে আপোনাৰ মতামত কি?

* এই ক্ষেত্ৰত মোৰ মতামত দিবলৈ গ'লে গোটেই দিনটো কৈ থাকিলেও শেষ নহ'ব। এনেকুৱা অত্যাচাৰ, এনেকুৱা অনাচাৰ, মানে — regular reign of terror — এনেকুৱা এটা পৰিস্থিতি হ'ব পাৰে বুলি আমি ভাবিবকে পৰা নাছিলো। শিৱসাগৰৰ নাজিৰা সমষ্টিত ভোট হয় যদিও সেই ভোটৰ মই কোনো মূল্য দিব নোখোজোঁ। তিনিজন গুণ্ডাই তাত পুলিছ আৰু প্ৰশাসনৰ সহায়ত এনেকুৱা অত্যাচাৰ চলাইছে যে ভাবিব নোৱাৰি। নাজিৰাক আজিকালি মই modern মথুৰা বুলি কওঁ, আৰু হিতেশ্বৰ শইকীয়াক কংসৰ নতুন সংস্কৰণ বুলি কওঁ। গতিকে তেওঁৰ সৈন্য বাহিনীক জংঘাসুৰ, অঘাসুৰ, বকাসুৰ বুলি কওঁ। যোৱা ১ ডিছেম্বৰ তাৰিখে এই চানু মুষ্টিকৰ দল ট্ৰাক আৰু গাড়ীৰ শোভাযাত্ৰাৰে কংস ৰজা যোৱাদি গৈ থাকোঁতে জয়সাগৰৰ ওচৰতে ধান চপোৱাত ব্যস্ত এজন মানুহে 'জয় কংগ্ৰেছৰ জয়' বুলি নিচিঞৰা বাবেই গাড়ী ৰখাই উৰাইঘূৰাই মৰিয়ালে। গাড়ীৰ নম্বৰ সহ অভিযোগ দিয়া হ'ল — একো নহ'ল। ইতিমধ্যে চাহ বাগিচাবোৰত মদৰ কাৰবাৰ চলিছে। DC, SP ক কোৱা হ'ল — একো নহ'ল। Observer ৰ ওচৰলৈ গ'লো, তেওঁ ক'লে, 'আমি একো action ল'ব নোৱাৰোঁ — we shall observe only; we are not here to take any action.' এইটো একেবাৰে সুস্পষ্ট যে নাজিৰাত কোনো ধৰণৰ গণতান্ত্ৰিক নিৰ্বাচন নহয় আৰু নহ'বও। আৰু এইবাৰ আপোনাক কৈছোঁ, হিতেশ্বৰ শইকীয়া কেইবা হাজাৰ ভোটত হাৰিলেহেঁতেন যদিহে free and fair election হ'লহেঁতেন। সেইকাৰণেই he had become totally desparate to rig the election.

☐ যিহেতু আমি তেনেকুৱা এটা কথা আশা কৰিছিলোৱেই, গতিকে আগতীয়াকৈয়ে তাৰ বাবে প্ৰস্তুত হৈ থাকিব পৰা গ'লহেঁতেন নেকি?

* সৈন্য সামন্তৰ দল এটা গোটোৱাৰ বাহিৰেতো বাকী সভ্য সমাজত যিখিনি ব্যৱস্থা ল'ব পাৰি, আটাইখিনিকে লোৱা হৈছে — Observer, D. C, S. Pক কোৱা হৈছে, মুখ্য সচিবক মই লিখিতভাৱে জনাইছোঁ — । এটাই আমি কৰা নাছিলো, আৰু কৰিবও নোৱাৰো — সৈন্য সামন্তৰ দল গোটোৱা।

☐ সাধাৰণতে কোৱা হয় যে উজনি অসমৰ ৰাজনীতি হৈছে আহোম আৰু মুছলমানৰ ৰাজনীতি আৰু তাকে মূলধন ৰূপে লৈ ইমান দিনে তিষ্ঠি আছে। এইবাৰৰ নিৰ্বাচনত এই অশুভ লক্ষণটোক আঁতৰাবলৈ গণ-পৰিষদ কিমান দূৰ সক্ষম হৈছে?

* অসম গণ পৰিষদ বা আন্দোলনটোৰ সন্দৰ্ভত এই ধৰণৰ কথা নমাই ভাল। কত শ্বহীদ এই আহোমৰ ভিতৰৰে! এই নিৰ্বাচনতো তেওঁলোকেই আগভাগ লৈছে। মোৰ প্ৰস্তাৱক, সমৰ্থক, কেইবাগৰাকীও আহোম লোক। জনসাধাৰণৰ মনত এই আহোম, শূদিৰ এনে ধৰণৰ ভাব নাই — মাত্ৰ কেইজনমান নেতা, পালিনেতাই নিৰ্বাচনৰ আগে আগে এইবোৰ উলিয়ায়। আৰু এইটো বৰ দুখেৰে জনাইছোঁ যে কংগ্ৰেছৰ বাহিৰেও সৰ্বভাৰতীয় অইন দুই দলেও শেষ মুহূৰ্তত এইবোৰ ফেকটৰৰ সুবিধা লয়গৈ।

তেনেদৰে, এইবাৰৰ নিৰ্বাচনত মুছলমানসকলৰ অ.গ.প.ৰ প্ৰতি থকা সমৰ্থন দেখি মই অভিভূত হৈ পৰিছোঁ। মই মোৰ নিৰ্বাচনী অভিযান আৰম্ভ কৰোঁ এটা মজজিদত নামাজলৈ অহা জামাতৰ আশীৰ্বাদ লৈহে। বহুত মজজিদত মই দোৱা লবলৈ সুবিধা পাইছোঁ। এইবাৰ নিৰ্বাচনত গণ পৰিষদৰ প্ৰতি তেওঁলোকৰ





OKDISCD

যি আস্থা, বিশ্বাস আৰু সহযোগিতা, ইয়াৰ আগতে বোধকৰোঁ কোনো নিৰ্বাচনতে কোনো দলৰ প্ৰতি হোৱা নাই।

☐ অসমত লাহে লাহে যিদৰে সৰ্বভাৰতীয় দলৰ ভূমিকা নাইকিয়া হৈ আহিছে, আপোনাৰ মত কি?

* এইটো unhealthy trend বুলি মই নকওঁ— healthy বুলিও ক'ব নোৱাৰি। যোৱা ৩৮ বছৰৰ তিক্ত অভিজ্ঞতাৰ ফলতহে এইটো হৈছে। আৰু এটা কথা, গণ পৰিষদক এটা আঞ্চলিক দল বুলি কৈ থকাটোত মোৰ আপত্তি আছে। আঞ্চলিক দল মানে, অ.গ.প. ই আজি ভাৰতৰ কথা ভাবিব নোৱাৰে নেকি? অ.গ.প. ৰ সদস্যসকলে ভাৰতবৰ্ষৰ কিবা সমস্যা হ'লে তাত মাত নমতাকৈ থাকিব নেকি? মই ভাবোঁ যে, এই 'আঞ্চলিক দল' শব্দটোৱে আমাৰ মনবিলাক অলপ সীমিত কৰিহে পেলাইছে। অ.গ.প. এটা ৰাজনৈতিক দল— অ.গ.প. ই ভাৰতবৰ্ষৰ বিষয়েও কথা ক'ব পাৰে।

☐ অসমত আজি যি বিৰাট ৰাজনৈতিক সচেতনাবোধৰ ঢৌ আহিছে, তাক দীৰ্ঘত্ব দিয়া বাবে কি কৰা উচিত?

* অ.গ.প. ই চৰকাৰ গঠন কৰিলে তেওঁলোকৰ প্ৰতিশ্ৰুতিবোৰ পালন কৰিব পাৰিব লাগিব। ব্যক্তিগত স্বাৰ্থত আবদ্ধ নাথাকি, কংগ্ৰেছে কৰা ভুলবোৰৰ পুনৰাবৃত্তি নকৰি নিকা প্ৰশাসন এটা আগবঢ়াব পাৰিলে মই ভাবোঁ ৰাইজৰ আস্থা থাকিব, অন্যথাই ৰাইজ আকৌ হতাশ হ'ব। এতিয়াও আমাৰ ছাত্ৰসকলে ইমান দিনৰ স্থিতাৱস্থাৰ যিবোৰ কুলক্ষণ, সেইবোৰক প্ৰশ্ৰয় দিব নালাগিব। অ.গ.প.ৰ প্ৰশাসন হোৱাৰ পাছত তেওঁলোকে ছাত্ৰ আৰু যুৱশক্তিৰ এটা শাখা চাৰিওপিনে চকু ৰাখিব পৰাকৈ ৰাখিব লাগিব। কোনোবা নেতা বা বিধায়কে কিবা ভুল কৰিলে; তেওঁলোকৰ বিৰুদ্ধে পোনপটীয়াকৈ ব্যৱস্থা ল'ব পৰা হ'ব লাগিব। যিসকলক লৈ ওপৰত চৰকাৰ প্ৰতিষ্ঠিত হ'ব, তেওঁলোকৰ নিজস্ব এটা চৰম দায়িত্ব বোধ থাকিব লাগিব—যিটো কংগ্ৰেছৰ প্ৰশাসনত আমি দেখা নাছিলোঁ।

☐ স্বাধীনতা লাভৰ পাছত মহাত্মা গান্ধীয়ে কৈছিল যে কংগ্ৰেছ দলটো এতিয়া ভংগ কৰি দিয়া উচিত; কাৰণ নহ'লে তেওঁলোকে আমিয়ে স্বাধীনতা আনিলোঁ বুলি সদায়ে তাকে exploit কৰি থাকিব। এই কথাটো অসমৰ বৰ্তমান ক্ষেত্ৰতো প্ৰযোজ্য হ'ব নেকি?

* নিশ্চয় হ'ব। মই বাৰে বাৰে কৈছোঁ যে, অ.গ.প. ৰ নেতৃবৰ্গয়ো যদি তাহানিখনৰ কংগ্ৰেছৰ আদৰ্শবিলাক লয়, সেইটো বৰ দুৰ্ভাগ্যজনক কথা হ'ব। কিন্তু সেইবুলি গান্ধীজীয়ে কোৱা দৰে অ.গ.প. ক ভাঙি দিয়াৰ কথা নুঠে;—কাৰণ সংসদীয় ৰাজনীতিত দল এটা থাকিবই লাগিব। গান্ধীজীয়ে কংগ্ৰেছক ভাঙি যি এটা গঠনমূলক অনুষ্ঠান পাতিবলৈ দিহা দিছিল, সেইটো আদৰ্শমূলক হ'লেও বৰ বেছি practical নাছিল যেন লাগে। সমস্যাটো আমি সমাধান কৰিব লাগিব কিছুমান বাস্তৱ কাৰ্যসূচীৰে—আপুনি জানেই, যে power corrupts and absolute power corrupts absolutely. এই কথা আমি সদায় মনত ৰাখিব লাগিব।

নতুন বছৰৰ শুভেচ্ছাৰে
মৃণালী প্ৰকাশনৰ নিবেদন…
প্ৰহেলিকা চিৰিজ ৫
ৰঞ্জু হাজৰিকাৰ
*নিশাৰ অতিথি*
পকাবন্ধা, মূল্য: ১০ টকা
এই প্ৰকাশিত ৰহস্য উপন্যাসখনিৰ ব্যৱসায়িক অনুসন্ধানৰ বাবে যোগাযোগ কৰক—
**মৃণালী প্ৰকাশন**
প্ৰযত্নে, পাপু ৰিফিলছ
চাৰিআলি-৭৮৪১৭৬ শোণিতপুৰ
শিশু উপযোগী মাহেকীয়া ধাৰাবাহিক প্ৰকাশন
চিন্দবাদৰ ভয়ংকৰ অভিযান
প্ৰতিসংখ্যা মূল্য: ৩ টকা

**গ্ৰন্থ—গ্ৰন্থ**
অৰুণ গোস্বামী, মদন শৰ্মা, অৰূপা (পতঙ্গীয়া) কলিতা, হৰিদেৱ মহন্ত, ভানু শইকীয়া, গুণ কাকতী, অনিল বৰুৱা আৰু মোলান লস্কৰৰ বাস্তৱালোকপাত লেখনিৰ গল্প সংকলন
"নতুন দিনৰ স্বপ্ন"
প্ৰকাশ পালে:
মূল্য সাত টকা
সকলো যোগা-যোগৰ বাবে
সম্পাদক
**"প্ৰগতিশীল সাহিত্য প্ৰকাশন"**
কামপুৰ ৭৮২৪২৬: নগাওঁ

অসমীয়া কাব্য-সাহিত্যালৈ
সশ্ৰদ্ধ নিবেদন
উদীয়মান কবি
১। সনন্ত তাঁতিৰ
মই মানুহৰ অমল উৎসৱ
মূল্য ১০ টকা
২। বিৰিঞ্চি ভট্টাচাৰ্য্যৰ
দেওলগা ঘোঁৰা
মূল্য ৮ টকা
প্ৰকাশক:
**এল বি এছ পাব্লিকেশ্যন**
জি. এন. বৰদলৈ ৰ'ড
আমবাৰী, গুৱাহাটী—১



৪৩

# জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ



## নামঘোষাৰপৰা ভড়কাৰ বটলৈলৈ

১৯৬০ৰপৰা ১৯৬৪ পৰ্যন্ত কাল-ছোৱা মোৰ বাবে ঘাইকৈ অসম সাহিত্য-সভা কাল আৰু ১৯৬৫ৰপৰা কেইবছৰমান ঘাইকৈ প্ৰাচ্যবিদ্যা সম্মিলন কাল হৈছিল। সময়ৰ এইবোৰ ছেদৰ বৰ্ণনা সাহিত্য-সভাৰ প্ৰসংগত আৰু প্ৰাচ্যবিদ্যা সম্মিলন প্ৰসংগত দি আহিছোঁ। প্ৰাচ্যবিদ্যা সম্মিলনৰ (AIOC) লগত ঘনিষ্ঠ সম্বন্ধৰ প্ৰায় লগে লগে বিশ্ববিদ্যালয়ত মোৰ জৱাহৰলাল নেহৰু অধ্যাপক-পদৰ কাল আৰম্ভ হৈছিল। অৱশ্যে ইয়াৰ আগতে লেক্‌চাৰাৰ আৰু ৰিডাৰ-ৰূপে বিশ্ববিদ্যালয়ত যেনে প্ৰকৃতিৰ কাম কৰি আছিলোঁ, তাৰ বিস্তাৰ মাত্ৰ এতিয়া হৈছিল। এইখিনিতে সৰু হ'লেও এটি গুৰুত্বপূৰ্ণ কথা মনত পৰিছে। মই ইতিমধ্যে সম্পাদন কৰি উলিওৱা "কীৰ্ত্তন-ঘোষা" আৰু "নাম-ঘোষা"ৰ সংস্কৰণৰ যোগে মহাপুৰুষ মাধৱদেৱৰ মহৎ গ্ৰন্থখনিয়ে আধুনিক যুগৰ এজন সন্তৰ হৃদয় আকৰ্ষণ কৰিছিল। কথাটো হয় এনেপ্ৰকাৰে। মোৰ সংস্কৰণ "নামঘোষা"ৰ নাগৰী লিপ্যন্তৰ কৰি তাৰ সমান্তৰাল এটি হিন্দী অনুবাদে সৈতে (অনুবাদটি কৰে সুৰেন্দ্ৰনাথ সাহুৱে) অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে প্ৰকাশ কৰে (১৯৬০)। এই সংস্কৰণ সন্ত ৱিনোৱা ভাবেৰ হাতত পৰাত তেওঁ মাধৱদেৱৰ মনোৰম পুথিখনিত মনোনিৱেশ কৰাৰ অৱসৰ লাভ কৰে। ইয়াৰ আগতে তেওঁ "ভগৱদ্গীতা"ক জগতৰ শ্ৰেষ্ঠ এখনি গ্ৰন্থ-ৰূপে 'মোৰ আই' বুলি সম্বোধন কৰিছিল। এতিয়া তেওঁ "গীতা"ৰ লগতে "নামঘোষা"কো থাপনা কৰিলে, "নামঘোষা"ৰ কিছু কুট ঘোষা বাছি লৈ এখনি "নামঘোষা-সাৰ" পুথি উলিয়ালে আৰু অসমলৈ আহি ইয়াত ভ্ৰমণ কৰা সময়ত "নামঘোষা"-পাঠ আৰু তাৰ ব্যাখ্যাক প্ৰাৰ্থনা-সভাবোৰত বিশেষ স্থান দিলে। "নামঘোষা-সাৰ"ৰ পাতনিত ৱিনোবাজীয়ে মোৰ সংস্কৰণৰপৰা পাঠ লোৱা কথা উল্লেখ কৰিছে; আৰু ভূদান-যজ্ঞ সম্পৰ্কীয় পত্ৰিকাত প্ৰকাশ পাইছিল, তেওঁ পদ-যাত্ৰা কৰি অসমৰ সীমা পাৰ হৈ ওলাই যাবৰ বেলা কোনো লোকে তেওঁৰ "নামঘোষা"ৰ বিশেষ পাঠৰ বিজুটি উলিয়াই তেওঁৰপৰা ব্যাখ্যা বিচৰাত তেওঁ মোৰ সংস্কৰণলৈ আঙুলিয়াই আপত্তি খণ্ডন কৰিছিল। পিছলৈকো ৱিনোবাজীৰ অনুগামী লোকসকলে ইটো-সিটো কথা সুধি মোলৈ চিঠি-পত্ৰ দি আছিল। হেৰাই যোৱাৰ মাজত বৈ যোৱা কাগজৰ মাজত এইখন চিঠিত ৱিনোবাজীৰ অন্তৰ্ভাৰতীৰ (ভাৰতৰ বিভিন্ন ভাষাৰ মাজত সম্বন্ধ প্ৰতিষ্ঠাৰ আদৰ্শেৰে) উল্লেখ মন কৰিব লগীয়া।—

কস্তুৰবাগ্ৰাম, ইন্দোৰ (ম. প.)
দিনাংক 11. 9. 63

Respected Dr. Neog,

Received your letter dated 20. 8. 63 and a list of best Assamese books with thanks. I am extremely grateful to you for your kind help and guidance. We are really very fortunate to receive the blessings from great people like your noble self.

I shall let you know about the progress of "Antar Bharati" scheme from time to time. I hope I shall always get your guidance.

I met Poojya Vinobaji on my way back to Indore from Assam. He was very happy to see the list, prepared by you. He is keeping good health but is becoming very hard of hearing. He has started using the "hearing aid".

Gautam sends you his respectful pranams.

With much regards,
Nirmala Deshpande

পুৰণি সহকৰ্মী হিল্‌টন ফ্ৰান্সিছৰ চিঠি একোখন অন্ততঃ বৰদিনৰ সময়ত বিলাতৰপৰা আহে ছপাত মৰাৰ দৰে তেওঁৰ ধুনীয়া আখৰবোৰেৰে। স্কুল এখন খুলি পঢ়ুওৱা আদি বাৰেকুৰি কামত তেওঁ ব্যস্ত হোৱা কথা, তাৰ পিছত গীৰ্জাত যোগ দিয়া অৰ্থাৎ পাদ্ৰী হোৱা খবৰ আদি, তাত জন্ম হোৱা ল'ৰা (ৰিচাৰ্ড)-ছোৱালী (ৰাচেল) হালৰ খবৰো লেখে।


বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰথম ছোৱাত ভাষা-সাহিত্যত সামান্য হ'লেও ৰুচি থকা ছাত্ৰ ভৰ্তি হৈছিলহি আৰু সেই সময়ত এম. এ. পৰীক্ষাত আমাৰ ছাত্ৰই বিশেষ কৃতিত্ব দেখুৱাইছিল আৰু উত্তীৰ্ণৰ মাত্ৰাও আছিল উচ্চ (প্ৰথম কেইবছৰ শতকৰা এশই আছিল)। কিন্তু স্কুলবোৰত আৱশ্যিক বিষয়-ৰূপে সংস্কৃতক অপসাৰণ কৰা আৰু স্কুল-কলেজত অসমীয়া পঢ়ুওৱাত উদাসীনতাৰ বাবেই হওক বা যি কাৰ-



OKDISCD
Masscom

ণতে হওক, লাহে লাহে বাঞ্ছনীয় ছাত্ৰ আমি সৰহাই নোপোৱা হৈ আহিলো। বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ কথাত যি সময়ত ছাত্ৰৰ বিক্ষোভ প্ৰদৰ্শন আৰম্ভ হ'ল, তেতিয়া এফালে ছাত্ৰৰ অধ্যয়নৰ ৰুচি কমি আহিল আৰু আনফালে ছাত্ৰ-ভৰ্তিৰ মানদণ্ডও তললৈ নমাই দিব লগীয়া হ'ল। ছাত্ৰৰ মতেই যেতিয়া বৰ বৰ কথাতো ৰজে, বিভাগত ছাত্ৰ-সংখ্যা সৰহ হ'লেই যেন মংগল, এনে এটা ভাবৰপৰাই বিভাগৰ প্ৰধান ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই কৈছিল, "হেৰা মহেশ্বৰ, ক্লাছত ল'ৰা আনবোৰ বিভাগৰ দৰে সৰহকৈ লোৱা হে। Number will be our strength." কিন্তু লাহে লাহে দেখা গ'ল সংখ্যাই সংখ্যাগত শক্তি দিব পাৰে, গুণগত শক্তি নিদিয়ে। অসমীয়াৰ এম. এ. পৰীক্ষাত সেই কথা বেছিৰপৰা বেছিকৈ ফলিত হ'বলৈ ধৰিলে। অৱশ্যে 'প্ৰাইভেট' পৰীক্ষাৰ্থীৰ সংখ্যা-বৃদ্ধিয়েও উত্তীৰ্ণৰ শতকৰা মাত্ৰা ক্ষীণ কৰাত সমল যোগাবলৈ ধৰে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ ভিজিটিং কমিটিয়ে অসমীয়া বিষয়ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ কমি যোৱাটো লক্ষ্য কৰিছিল; কিন্তু বিশ্ববিদ্যালয়ত ভাষাতত্ত্ব বিভাগ নথকা অৱস্থাত অসমীয়া বিভাগে ভাষাতত্ত্বৰ অধ্যয়ন-অধ্যাপনত যে বিশেষ ক্ষমতা আৰু কৃতিত্ব দেখুৱাইছিল, সেই কথা প্ৰশংসা কৰি বিভাগৰ বাবে এটা ৰিডাৰ পদবী (Readership) মঞ্জুৰ কৰিছিল। কিন্তু বিধতাই দিলেও তিৰোতাই নিদিয়াৰ দৰে স্বয়ং উপাচাৰ্য, বিজ্ঞানৰ এটা বিভাগৰ এজন অধ্যাপক আৰু আন অসমীয়া-প্ৰেমী (!) দুজনমান শিক্ষাবিদে অহোপুৰুষাৰ্থ কৰি ৰিডাৰশ্বিপটো আমাৰ বিভাগৰপৰা কাঢ়ি নি নতুন এটা বিভাগ কৰিলেগৈ। নিষ্ঠাৰে কষ্ট কৰি আমি যে পদটো আৰ্জিছিলো, সেই কথা বুজি নোপোৱা এজনে বিদ্যা-পৰিষদত "ইঃ এওঁলোকলৈ এই পদ আকাশৰপৰা সৰি পৰিল" বুলিও হাঁহিছিল। কোনোৱে কয়, এইবোৰ টনা টনি ব্যক্তিগত লাভ-অলাভৰ হিচাপত কৰা হৈছিল; কিন্তু শেষলৈকে সিসকলৰ লাভ-অলাভৰ ঘৰ শূন্য ৰ'ল। সেইটো কি খেল হ'ল, মই ক'ব নোৱাৰিলো। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পিছৰখন ভিজিটিং কমিটিয়ে কিন্তু আমাৰ বিভাগক বিৰল আৰু আগতকৈও ডাঙৰ সন্মান দি ক'লে, "এই বিভাগৰ শিক্ষকৰ প্ৰকাশনখিনিয়ে ৰিশ্ববিদ্যালয়ৰ ওপৰতে গৌৰৱৰ জ্যোতি পেলায়।" এইবাৰ কিন্তু কোনো শিক্ষাবিদে এই প্ৰশংসাবাদ শুইনৰপৰা সৰি পৰা বুলি নক'লে। অসমীয়া বিভাগৰ সাহিত্য-চ'ৰাই ভাষা লেখোঁতে হোৱা আখৰ-জো'টনিত বপুৰা চন্দ্ৰবিন্দুৰ আলৈ-আথানি বুজি "অসমীয়া ভাষাত অনুনাসিকতাৰ সমস্যা" সম্পৰ্কে আলোচনা-সত্ৰ পাতি বিদ্বজ্জনৰ চিন্তা বিষয়টোত সংযোগ কৰিছিল (৬ এপ্ৰিল ১৯৭৭) আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক-সস্থায়ো অসমীয়া ব্যাকৰণৰ সমস্যা লৈ এক গোষ্ঠীৰ আয়োজন কৰিছিল আৰু সত্ৰীয়া নৃত্যৰ বিষয়ে মোৰ হতুৱাই এক সপ্ৰদৰ্শন বক্তৃতা দিয়াইছিল। এইভাৱেই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ত বিভিন্ন সৰু-বৰ কাৰ্যত লাগি থকা হৈছিল। বহুত যত্ন কৰি অসমীয়া পাঠ্যক্ৰমত পাঠ-সমীক্ষা বিজ্ঞান সন্নিৱেশ কৰা হয় ৭৬ চনৰপৰা আৰু বছৰি পাঁচজনমান ছাত্ৰ-ছাত্ৰীয়ে থিছিছ পেপাৰ ৰূপে এই বিষয়ে অধ্যয়ন কৰাৰ ব্যৱস্থা কৰা হয়। সেই চনৰ অক্টোবৰ মাহত বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰপৰা এটি অনুদান লৈ পাঠ-সমীক্ষাৰ বিষয়ত পাঁচদিনীয়া এখনি সত্ৰৰ আয়োজন কৰা হৈছিল। অসম সাহিত্য-সভাৰ মংগলদৈ সন্মিলনৰ সভাপতিৰ অভিভাষণতে আৰম্ভ কৰি পাঠ-সমীক্ষাৰ হকে মই ওকালতি কৰি আহিছিলো। এতিয়া বিষয়টো পাঠ্যক্ৰমত প্ৰতিষ্ঠা কৰি একপ্ৰকাৰ সান্ত্বনা আৰু আনন্দ লাভ কৰিলো। বিশ্ববিদ্যালয়ৰ সংস্কৃত, বঙলা আদি বিভাগতো হয়তো এদিন ইয়াৰ প্ৰৱেশ ঘটিব। ভাৰতৰ আন আন বিশ্ববিদ্যালয়ত বিশেষকৈ সংস্কৃত আৰু ভাৰতীয় দৰ্শনত পি. এইচ্. ডি.ৰ বাবে অধ্যয়ন কৰা অনেকে প্ৰাচীন একোখনি গ্ৰন্থৰ পাঠ-নিৰ্ণয় নিজৰ বিষয় কৰি লয়। মোৰো এজন পি. এইচ্. ডি. ছাত্ৰৰ হতুৱাই মাধৱ কন্দলিৰ ৰামায়ণ পাঠ-নিৰ্ণয় কৰাইছিলো। দেখা গৈছিল, সেই অধ্যয়নে মাধৱ কন্দলিক নতুন দৃষ্টিভংগিৰে চোৱাৰ প্ৰয়োজন সাব্যস্ত কৰে। ৭৮ৰ ফেব্ৰুৱাৰীৰ অন্তত মই গুৱাহাটী বিশ্ববিদ্যালয় এৰি পটিয়ালালৈ যাব লগীয়া হোৱাত বিভাগত বিষয়টোৰ অধ্যাপনৰ ভাৰ সংস্কৃতৰ প্ৰাধ্যাপক ড° মুকুন্দমাধৱ শৰ্মাৰ হাতত ন্যস্ত কৰি যাব লগীয়া হয়। পটিয়ালাৰপৰা ঘূৰি আহি আকৌ ভাৰখন কান্‌লৈ দাঙি লৈছো।

জৱাহৰলাল নেহৰু অধ্যাপক হোৱাৰ আগতেই যদিও পি. এইচ্. ডি. ডিগ্ৰিৰ বাবে ছাত্ৰক পথ-নিৰ্দেশনা দিয়াৰ কাম হাতত লৈছিলো, মই অধ্যাপক মানে প্ৰফেছৰ গ্ৰেডৰ শিক্ষক হোৱাৰ পাছতহে সিবিলাকে ডিগ্ৰি পাবলৈ ধৰে। মোৰ গুৱাহাটীত অধ্যাপকগিৰিৰ কালৰ এই কৃতী ছাত্ৰসকলৰ নাম ইয়াতে স্মৰণ কৰা যুগুত হ'ব আৰু লগতে তেওঁলোকৰ থিছিছৰ নামবোৰ ক'লে বিষয়-বিস্তাৰৰ কথাও পাঠকসকলে জানিব পাৰিব;ঃ ড° নিৰ্মল কুমাৰ বসু (এওঁ ডিব্ৰুগড়ৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে ইতিমধ্যে অৱসৰ পাইছে): Studies in the Cultural and Social Conditions of Assam under the Ahoms, ১৯৬৭ (থিছিছখন গ্ৰন্থৰূপে ইতিমধ্যে প্ৰকাশ পাই বিদ্বজ্জনৰ সমাদৃত হৈছে); ড° মোহিনীকুমাৰ শইকীয়া (গোলাঘাট দেৱৰাজ ৰয় কলেজৰ অধ্যক্ষ); Assam-Muslim Relation and Its Cultural Significance. ১৯৬৮ (গ্ৰন্থৰূপে প্ৰকাশিত হৈছে); ড° কেশৱানন্দ দেৱ গোস্বামী (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লেক্‌চাৰাৰ, পিছত ৰিডাৰ): History and Development of the Purusa-Samhati Sect of Assam Vaisnavism, ১৯৭০; ড° মহেন্দ্ৰ বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়াৰ ৰিডাৰ আৰু এতিয়া লক্ষ্মীনাথ বেজবৰুৱা অধ্যাপক): Fundamentals of Assamese Metre with Special Reference to its History from the Beginning to the Mid-20th Century, ১৯৭১ (ডিব্ৰুগড় বিশ্ববিদ্যালয়ে থিছিছখনি ছপাই প্ৰকাশ কৰিছে); ড° মৈৰাংথেম কীৰ্তি সিংহ (ইম্ফলৰ ধনমঞ্জৰী কলেজৰ দৰ্শনৰ প্ৰধান অধ্যাপক): Religious Developments in Manipur in the Eighteenth and Nineteenth Centuries, ১৯৭২ (মণিপুৰ কলা অকাদমীয়ে কিতাপখন ছপাই উলিয়াইছে); ড° সত্যনাৰায়ণ ৰথ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্বৰ লেকচাৰাৰ, পিছত ৰিডাৰ আৰু বৰ্তমান উৰিষ্যাৰ সম্বলপুৰ বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব আৰু সমাজবিজ্ঞান বিভাগৰ অধ্যাপক আৰু প্ৰধান): Caste as a Form of Acculturation: Some Data in Support of Watson's Hypothesis, ১৯৭২ (গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন), ড° হেমন্তকুমাৰ শৰ্মা (কটন কলেজৰ অসমীয়াৰ অধ্যাপক): Fasts and Festivals of the District of Kamrup: A Descriptive Study of the Socio-religious Life of the Assamese Hindus, ১৯৭৪; ড° হৰিদত্ত শৰ্মা (নলবাৰী কলেজৰ ইংৰাজীৰ অধ্যাপক: English Influence on Modern Assamese Poetry, ১৯৭৪; ড° পোনা মহন্ত (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ লেকচাৰৰ, পাছত ৰিডাৰ): Western Influence on Assamese Drama, ১৯৭৬ (পুথিখন বৰ্তমান যন্ত্ৰস্থ, দিল্লীৰপৰা ওলাব); ড° ৰূপশ্ৰী কলিতা (পিছত গোস্বামী): Origin and Development of Assamese Prose, ১৯৭৭। এই সকলোখিনি মূল্যবান গ্ৰন্থ ছপা হৈ ওলালে অসমৰ


*from the Principal* EASTHOLME SCHOOL HARLESTON NORFOLK
Telephone: HARLESTON 337
ENGLAND
20-XII-60

Dear Dr Neog,

I have been reading over again your kind letter written to us just before last Christmas; with the reprint of your article on Assamese painting and the Youth Festival brochures.

Your activities represent a great deal of work and I feel that you have wonderful enterprise and stamina to undertake them and carry them out with such notable success.

I am finding the headship of a school a very different matter than teaching only; although as it happens I am still teaching

হিল্‌টন ফ্ৰান্সিছৰ চিঠি একোখন বিলাতৰপৰা আহে ছপাত মৰাৰ দৰে তেওঁৰ ধুনীয়া আখৰবোৰেৰে

সাহিত্য-সংস্কৃতিৰ বহুতো দিশ সামৰিব। ডক্টৰ ৰথৰ সৰু তত্ত্বগ্ৰন্থখনিয়ে ভাৰতীয় জীৱনৰ এটা ডাঙৰ প্ৰশ্ন (বৰ্ণ বা জাতি-ভেদৰ উৎপত্তি) উদ্‌ঘাটন কৰিছে আৰু ড° কীৰ্তি সিংহৰ পুথিয়ে মণিপুৰৰ ধৰ্ম-বুৰঞ্জীৰ গুৰুত্বপূৰ্ণ এছোৱা কাল বহলভাৱে বিশ্লেষণ কৰিছে। এই তৰুণ পণ্ডিতসকলৰ লগত তেওঁলোকৰ গৱেষণাৰ অৱস্থাত মোৰ বিশেষ ঘনিষ্ঠতা হৈছিল। বিশেষকৈ প্ৰায় কেয়োজনেই মোক তেওঁলোকৰ থিছিছ আদ্যোপান্ত পঢ়ি শুনাব লগীয়া হৈছিল। তেনে পঠন আৰু শ্ৰৱণৰ অধিৱেশনে তেওঁলোকৰ কিমান উপকাৰ সাধিছিল, তেওঁলোকে ক'ব; কিন্তু মাজে মাজে অধিৱেশনবোৰ যে বিৰক্তিকৰ হৈছিল, ই ঠিক, কাৰণ পাঠকজনৰ ভাগৰ নালাগিলেও কেতিয়াবা শ্ৰোতাজনৰ নিদ্ৰা আহিছিল আৰু সেইদৰে পাঠৰ এডোখৰ হেৰাই গৈছিল। এদিনাখন এজন গৱেষণা ছাত্ৰই কৈয়ে পেলালে, "ছাৰ, মোক মানুহে হৈছে, আপোনাৰপৰা মোৰ থিছিছৰ অনুমোদন পোৱা টান হ'ব, কাৰণ আপুনি গোটেইখন থিছিছ চাবলৈ বিচাৰে আৰু বহুত আসোঁৱাহ উলিয়ায়; তদুপৰি আপুনি অসম ভিতৰতে বোলে আটাইতকৈ ব্যস্ত মানুহ।" "হয়নে ? কিন্তু আসোঁৱাহবোৰ মই নধৰি যদি বাহিৰৰ পৰীক্ষকে ধৰে, তেতিয়া ডিগ্ৰি পাবানে ?" মই গম পাইছিলো, বেচেৰাই কেইবাজনো পণ্ডিতৰ কাম ইতিমধ্যে চাপি-



OKDISCD

ছিলেই। এনেতে তাৰে এজন আহক মোৰ বহালৈকে। বেচেৰাই "ছাৰ, এতিয়া যাওঁ" বুলি লৰালৰিকৈ নিজৰ কাগজ-পত্ৰ চপাই-কোঁচাই ল'লেই আৰু যিখন গেটেদি পণ্ডিতজন সোমাই আহিছিল, সেইখন গেটেই একে মুহূৰ্তত ছাতিটো মেলি বেঁকা কৰি লৈ তৰুণ পণ্ডিতে 'পলায় বাসৰ পিছক নচাই' কৰিলে। মই দেখুওৱা বহুতো আৰ্‌-শাকীয় শুধৰণি তেওঁ নল'লে। শেহত অগত্যা ময়ে মোৰ পতাকা অৱনমিত কৰি আপত্তি তুলি ল'ব লগীয়া হ'ল। সেইদিনাখন মোৰ শিষ্যজনৰ আনন্দ চায় কোনে! মই ক'লো, "চোৱা, তোমাৰ এতিয়া পি.এইচ.ডি. ডিগ্ৰি হৈ যাব। তুমি থিছিছখন দাখিল কৰিয়ে লৰালৰিকৈ ডি.লিট্ ডিগ্ৰিৰ কামত লাগাঁ। সেইটোও হৈ যাব।" "নাই ছাৰ, মোক সেইবোৰ নালাগে।" "কিয়? তোমাৰ আকৌ বিতৃষ্ণা-বৈৰাগ্য কিয়?" "মই সেইবোৰ কৰি থাকিলে ইফালে আমাৰ তাৰ সকলো ছোৱালী বিয়া কৰি গুচি যাব।" মই তেওঁৰ এই সন্তৰপৰ দুখৰ কথা ভাবি আকৌ তেওঁক তপস্যাত বহিবলৈ নক'লো। দুখৰ বিষয়, আজি পোন্ধৰ বছৰেও তেওঁ আগৰ ডঙুৱাটো হৈয়ে আছে! তেওঁৰ ঠাইৰ কোন ছোৱালীনো তেওঁৰ বাবে বোন্দা-পৰ দি বাট চাই থাকিব!

মই গুৱাহাটীৰপৰা পাঁচ বছৰ কাল (১৯৭৮-৮৩) আঁতৰি থকাৰ ভিতৰত মোৰ এজন ছাত্ৰৰ পি.এইচ.ডি. ডিগ্ৰি লাভ হয়: ডঃ মহম্মদ য়াহ্যা (কটন কলেজৰ আৰবীৰ অধ্যাপক): Sufis in Eastern India; আৰু গুৱাহাটীলৈ ঘূৰি অহাৰ পিছত পূৰ্বতে কাম আৰম্ভ কৰা এই কেইজন ছাত্ৰ ডক্টৰ হয়: ড° কৰবী ডেকা হাজৰিকা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়াৰ লেকচাৰাৰ) Madhavadeva: Life, Mind and Art; ড° অঞ্জলি দেৱী শৰ্মা (গুৱাহাটীৰ সন্দিকৈ কন্যা মহাবিদ্যালয়ৰ অসমীয়াৰ অধ্যাপিকা): On Development of Assamese Biography; ড° ৰামচৰণ ঠাকুৰীয়া (কটন কলেজৰ অসমীয়াৰ অধ্যাপক): The Ramayana of Madhava Kandali: A Text-critical and Historical Study; ড° অণিমা দত্ত Lakshminath Bezbaroa: His Contribution to the Study of Religion and Philosophy; ড° কন্‌ছাম মাণিকচান্দ সিংহ (ইম্ফলৰ জি. পি. উইমেনছ কলেজৰ দৰ্শনৰ অধ্যাপক): Social Institutions of the Meiteis. জাকৰ পিছ পৰা চৰাই আন দুই-এটিয়ে এতিয়াও দুৰ্বল ডেউকা কোবাই আগ বাঢ়ি আছে। সাঁজৰ আগতে তেওঁলোকে নিশ্চয় বাহ চাপিবহি।

যোৰহাটৰপৰা এজন মোৰ মৰমৰ পুৰণি ছাত্ৰই সোঁৱৰাই দিছে বোলে "বেজবৰুৱা শতবাৰ্ষিকী উছৱ সম্পৰ্কে আপুনি আৰু লিখিবলৈ থাকিল। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ত পতা অনুষ্ঠানটো··· আমি যে অজিত কুমাৰ শৰ্মাৰ লগত বাদ-প্ৰতিবাদত লিপ্ত হৈছিলোঁহক··· তাৰ উপৰি···।" আছে। সকলো মনত আছে, মইনা-হঁত। লেখোঁতে লেখোঁতে মোৰ কাপহে বুটি হৈছে। সঁচাকৈয়ে, আমি বিভাগৰ ছাত্ৰ-শিক্ষক মিলি পতা সেই বেজবৰুৱা শতবাৰ্ষিকী উছৱ (১৮ ফেব্ৰুৱাৰী ১৯৬৯) চালে চকু-ৰোৱা বিধৰে হৈছিল বুলি অন্ততঃ মোৰ বিশ্বাস। বিশ্বকিংকৰ গোস্বামী, ভৱানীপ্ৰসাদ অধিকাৰী, প্ৰকাশ গোস্বামী, হেমচন্দ্ৰ কাকতী, বসন্তকুমাৰ গোস্বামী আদি অসমীয়া বিভাগৰ 'বালক' সৱে মোৰ সৰু মটৰ-গাড়ীখন লৈ বেজবৰুৱা সম্পৰ্কীয় নানা দ্ৰব্য গোটাই আনিছিল। বেজবৰুৱাৰ "জোনাকী" "বাঁহী"কে ধৰি অনেক আপুৰুগীয়া গ্ৰন্থ আমালৈ লৈ আহিছিল বেজবৰুৱাৰ 'বিনন্দি ককাইদেউ'ৰ নাতি শিৱসাগৰৰ প্ৰফুল্লচন্দ্ৰ বেজবৰুৱাই— বিশেষ পৰিপাটিকৈ আমাৰ লাইব্ৰেৰিত সজোৱা ডিব্ৰুগড়ৰ উপাচাৰ্য ড° ভোজৰাজ শেঠে মুকলি কৰা প্ৰদৰ্শনীৰ বাবে। সাহিত্যৰথীৰ ফটোগ্ৰাফ আৰু নিজ হাতৰ চিঠি আদিৰে তাতে পোহাৰ পতা হৈছিল। লক্ষ্মীনাথৰ জন্ম-পত্ৰিকা, মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰে লক্ষ্মীনাথক উপহাৰ দিয়া দোৱাত-কলমযোৰ, বেজবৰুৱাৰ দিনলিপিবোৰ প্ৰদৰ্শনীৰ গৌৰৱ হৈছিল। প্ৰদৰ্শনীৰ ঠাইৰ মাজে মাজে বঙালী ছাত্ৰীসকলে আলপনা আঁকি ধূপ-ধুনা জলাইছিল। সভাৰ বাবে অধ্যাপক সুনীতিকুমাৰ চট্টোপাধ্যায় আৰু অন্নদাশংকৰ ৰায়ক বৰআলহী কৰি মতা হৈছিল, যদিও সি দুজনা মূৰকত আহিব নোৱাৰিলে। বেজবৰুৱাৰ মাজুজীয়ৰী ৰত্নাৱলী বৰুৱা আৰু সৰু জীয়ৰী ছিষ্টাৰ দীপিকা উপস্থিত হৈছিলহি। সাহিত্য-সভাৰ পুৰণি সভাপতিসকলক ধূপে-গন্ধে ফুলে-পাতে শীতল চন্দন পিন্ধাই এড়ি বৰকাপোৰ দি আদৰি বহুৱাইছিলো। (কাৰণ সেইটিহে আমাৰ পুৰণি ৰীতি; আজি-কালি বিহুৱা ককাইৰপৰা চাৰিসত্ৰীয়া গোসাঁইলৈকে কান্ধত ফুলাম গামোচা জাপি দিয়াটো হ'লে পূৰ্বাচাৰ পাহৰি নতুনকৈ কৰা নিয়মহে)— সিসকলৰ বৈশিষ্ট্যপূৰ্ণ কবিতাই হওক বা হিয়া উজৰোৱা আন বাণীয়েই হওক, তাক দোহাৰি দোহাৰি। মাননীয় অতিথিসকলক শৰাইধৰী ছাত্ৰীসকলে আৰু কমলাবৰীয়া গায়ন-বায়নৰ জোৰাই সভা-থললৈ আগবঢ়াই আনিছিল সকলোৰে শৰীৰত পুলক জগাই। মুঠতে, এক গম্ভীৰ পুৰণি জগতৰ কবিতা কবিতা লগা পৰিৱেশ সৃষ্টি কৰিবৰ যত্ন কৰা হৈছিল। সভাখনিও 'অভিৰূপভূয়িষ্ঠা' হৈছিল, কাৰণ সকলোৱে ডক্টৰ চট্টোপাধ্যায়কো দেখা পাম বুলিয়ে আশা কৰি আগ্ৰহেৰে আহিছিল। যদিও তেওঁ আৰু ৰায় আহিব নোৱাৰিলে, দুয়োজনৰে ছপা ইংৰাজী ভাষণৰপৰা (বিশ্ববিদ্যালয়ৰ প্ৰকাশন Lakshminath Bezbarua the Sahityarathi of Assamত সন্নিৱিষ্ট হৈছে সেয়া পাছত) অংশবিশেষ পঢ়ি পঢ়ি দিয়া হ'ল। অসমৰ বৰেণ্য সাহিত্যিকসকলৰ বাণীৰেও সমৃদ্ধ হৈ সিদিনাৰ উছৱ-সভা অন্ত পৰিল। আমি কৰ্মীবোৰে অন্ততঃ নিজে সাহিত্যৰথী বেজবৰুৱাৰ সোঁৱৰণত আশাশুধীয়াভাৱে হেঁপাহ পলুৱাই আমাৰ শ্ৰদ্ধা নিৱেদন কৰিলো বুলি ভাবিলো। কিন্তু দুদিন কি তিনি দিনৰ পাছতে মোৰ যোৰহটীয়া শিষ্যজনে আঙুলিয়াই দিয়া সেই অজিত কুমাৰ শৰ্মাৰ আমাৰ দায় ধৰা চিঠিখন ওলাল— কাৰ্য-ক্ৰমণিকাৰ কাগজ-পাতত আমি কিয় 'শত-বৰ্ষ-পূৰ্তি' লিখিম? 'পূৰ্তি' শব্দ ক'ৰপৰা আহিল? 'স্বস্তি-বাচন' কিয় লেখিলো? সি জানো কিবা বাচন-বৰ্তনৰ কথা?— ইত্যাদি ধৰণৰ ওজৰ। অধ্যাপক এজনৰ এনে নিন্দাত বিশেষকৈ বিভাগৰ ল'ৰা-ছোৱালীহঁত মৰ্মাহত হ'ল। তেওঁলোকে সেই সমালোচনাৰ প্ৰতিসমালোচনা কৰিলে— হেমচন্দ্ৰ বৰুৱাৰ "হেমকোষ"ৰ পাত মেলি দেখুৱালে সংস্কৃত 'পূৰ্তি' শব্দ অসমীয়াত জীণ গৈ আছে, ইত্যাদি। যোৰহাটৰপৰা বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই (তেওঁ সভাত উপস্থিত আছিল আৰু ইতিপূৰ্বে নিজেও বাণী-সম্মিলনৰ কাৰ্যসূচীত 'স্বস্তিবাচন' শব্দ ব্যৱহাৰ কৰিছিল) এখন চিঠি প্ৰকাশ কৰি দেখুৱালে যে আমাৰ চিৰাচৰিত ব্ৰাহ্মণ্য পূজা-অনুষ্ঠান আদিত 'স্বস্তি-বাচন' শব্দটো ব্যৱহাৰ হয়। ইয়াৰ পাছত অসম সাহিত্য-সভাৰ তৰফৰপৰা পতা বেজবৰুৱা-শত-বৰ্ষ-পূৰ্তিৰ শেষ সভাৰ আয়োজন আমিয়ে একে আহিৰে কৰিছিলো গুৱাহাটীৰ জিলা পুথিভঁৰালত, (৫ অক্টোবৰ ১৯৬৯)। সেই উছৱত ওপৰত বৰ্ণোৱা প্ৰকাৰৰ পৰিৱেশকে সৃষ্টি কৰিছিল, বৰঞ্চ কাব্যিকতাত একোব চৰাহে কৰিছিল স্বয়ং বকুল বনৰ কবিয়ে ফুল, ফাকু আদি চটিয়াই। সেই কথাও আমাৰ পাহৰিব লগীয়া নহয়। যোৰহাট (৫ অক্টোবৰ ১৯৬৮), কলিকতাৰ নেশ্যনেল লাইব্ৰেৰি (১৯ অক্টোবৰ), সম্বলপুৰ (২১ অক্টোবৰ), নতুন দিল্লীৰ মাৱলংকাৰ ভৱনত (২৪-২৫ নৱেম্বৰ) অনুষ্ঠিত বেজবৰুৱা উছৱবোৰত যোগ দিয়াৰো সৌভাগ্য মোৰ হৈছিল।

১৯৫৮ চনতে গুৱাহাটীৰ উত্তৰ শৰণীয়াত পথাৰৰ মাজত ঘৰ এটা কৰি তাতে থাকিবলৈ লৈছিলো। ৬৫ত সেই ঘৰ এৰি গুৱাহাটী বিশ্ববিদ্যালয় টোললৈ আহিলো। পোনতে থাকিবলৈ ল'লো বিশ্ববিদ্যালয়ৰ তেতিয়াৰ অস্থায়ী গেষ্ট হাউছত (ষ্টেট বেংক অব ইণ্ডিয়া বৰ্তমান থকা ঘৰটোৰ পিঠীয়া-পিঠিত)। সিও এক জীৱনৰ নতুন পৰ্বৰ যেন আৰম্ভ। তাক ঘোষণা কৰি লেখিলো এক কবিতা—'মুছাফিৰখানা'—"মুছাফিৰখানা" কিতাপৰ প্ৰথমটো— 'জিগিনী লগা জীৱনৰ কাণ্ডাৰ প্ৰান্তৰ অতিক্ৰমি / সোমালো নতুন ঘৰ / ঘৰ মাথোঁ আলহী থকাৰ।' তাহানি ডেকাকালত লেখা ডেকালিৰ কবিতাৰ পিছত এই নতুন একধাৰাৰ আৰম্ভণি। নতুন ধাৰাটোৰ বস্তুবোৰ "মুছাফিৰখানা" আৰু "সঞ্চাৰিণী দীপশিখা"ত জুকিয়াই ছপাই থৈছো। "দীঘ আৰু বাণি"ৰ বহুতো অকথিত বাণী আৰু অগীত গানৰ টুকুৰা হয়তো তাৰ ভিতৰতে সিঁচৰতি হৈ আছে। গেষ্ট হাউছত দুই-তিনিমাহমান থাকি 'বিশ্ববিদ্যালয় টোলৰ ছয় নম্বৰী বহা' লৈ আহিলো। সেই সময়ত ঘাই লগৰীয়া হ'ল সৰু ফিয়াট গাড়ীখন—খোৱা চাউলমুঠি চপাই অনাৰপৰা বিশ্বজগতখনৰ লগত সম্বন্ধ ৰখালৈকে সকলো কামতে। টোলৰ দুজনমান অধ্যাপক বন্ধু আৰু শ্ৰেণীৰ (অসমীয়াৰো, আন বিষয়ৰো) ছাত্ৰ-ছাত্ৰীসকলে সংগ দিয়ে, সহায় দিয়ে। শিক্ষক আৰু ছাত্ৰৰ মাজত সম্বন্ধযে ওচৰ হ'ব লাগে, সেই কথা কৈ এজন উপাচাৰ্যই (গোস্বামী) কৈছিল, তেওঁ ফুৰিবলৈ ওলাই যাওঁতে কোনো অধ্যাপকৰ ঘৰলৈ কোনো ছাত্ৰ-ছাত্ৰী যোৱা বোলে দেখা নাপাইছিল। তেতিয়া আনসকলে কৈছিল, "নেওগৰ ঘৰত ছাত্ৰ-ছাত্ৰীৰ গিজগিজনিটি ছাৰৰ চকুত পৰা নাই হ'বলা!" আন এজন উপাচাৰ্যই (ৰাজখোৱা) কিন্তু কৈছিল, "আমাৰ অধ্যাপকসকলৰ ঘৰত ছাত্ৰৰ সমাগম নাই; কিন্তু নেওগৰ তাত হ'লে তাৰ ব্যতিক্ৰম।" বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে শিক্ষকৰ ঘৰবোৰৰ আঁচনি তৈয়াৰ কৰোঁতে, তাৰ বৈঠকখানাটোহঁত ডাঙৰ-দীঘল কৰাত কোনো কোনোৱে আপত্তি কৰিছিল। তেতিয়া ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই কৈছিল, "সেই বৈঠকখানাবোৰেই হ'ব আচল ক্লাছ-ৰুম; আচল আগ্ৰহী ছাত্ৰসকলে তাতহে নিজ নিজ শিক্ষকক কাৰ্যকৰীভাৱে লগ পাব।" আমাৰ পিছে এই ক্লাছ-ৰুমবোৰ চিৰকালৰ বাবে বন্ধ (closed sine die) হৈয়ে থাকে। মোৰ মনত পৰে তাহানি কটন কলেজত বিশেষকৈ অনাৰ্ছ পঢ়োঁতে অধ্যাপকৰ ঘৰত চেনি-গাখীৰেৰে চিৰা খাই কেনেকৈ সাহিত্যৰ প্ৰাণ-বস্তুৰ ভিতৰলৈ সোমাবলৈ যত্ন কৰিছিলো। এতিয়া মোৰ বৈঠকখানাত তিনিটা ছোফা-ছেট গোট খোৱা কথাটো লক্ষ্য কৰি এজন ৰাজনীতিক বন্ধুৱে কৈছিল, "আন অধ্যাপকৰ ঘৰত মই দেখা নোপোৱা এই আয়োজন শিক্ষক আৰু ছাত্ৰৰ সঘন বৈঠকবোৰৰ কাৰণেই হ'বলা?" ছাত্ৰ-ছাত্ৰীসকলে মোৰ কেতিয়াবা চকুৰ তলত জুই নজলা চাংমাইশালো আক্ৰমণ কৰে, ফিয়াট গাড়ীয়ে চফৰ কৰি বজাৰৰপৰা আনিব লগীয়া বস্তুৰ লিষ্টি দেখি কোনোৱে তাৰ ওপৰতে মন্তব্য লেখে "এয়া ছাৰৰ খোৱা বস্তুৰ তালিকা।" এই শাৰীটোৰ লগত আৰু শাৰী গোট খাই কবিতাৰ (!) ৰূপ লয়গৈ— বিখ্যাত (!) "ভৱানীৰ আলুপিটিকা" (মুছাফিৰখানা)। এদিনাখন ঘু-ঘুয়া জ্বৰ উঠা যেন লগাত শ্ৰেণীলৈ নগৈ ঘৰতে বহি থাকিলো। মহম্মদ যেতিয়া পৰ্বতৰ ওচৰলৈ নগ'ল, পৰ্বত নিজেই মহম্মদৰ কাষলৈ আহিব লাগিল। গোটেই শ্ৰেণীটো উঠি আহিল 'ছয় নম্বৰী বহা'লৈ। তাতে পঢ়াৰ কথাও ওলাল, নৰিয়াৰ বতৰা লোৱাও হ'ল, বিস্কুট-পিঠাৰে চাহ-পানী খোৱাও হ'ল। এনেতে গুৱাহাটীৰ পণ্ডিতসকলে মোৰ ওচৰলৈ ঠেলিয়াই পঠিওৱা





OKDISCD

এগৰাকী এমেৰিকান বিচুষীয়েই নে বিদ্যাৰ্থিনীয়েই আহিল ভৈৰৱীৰ কথা সুধিবলৈ। তেতিয়াই তেওঁক বৰ বেছি সহায় কৰিব নোৱাৰিলোঁ, কাৰণ লাইব্ৰেৰিটো থাকিল আঁতৰত। আমাৰ ল'ৰা-ছোৱালীজাকৰ সৰৰ মুখবোৰ নীৰৱ হ'ল ইংৰাজী ক'ব নোৱৰাৰ দোষত। বিচুষীগৰাকীয়ে (নামটো জুডিথ্, উপাধিটো পাহৰিছো) কিন্তু তেওঁৰ দেশ পাই মোলৈ আমাৰ দেশৰ বিশেষকৈ আদিৰসাত্মক ৰহস্যবাদৰ (erotic mysticism) বিষয়ে এমেৰিকান ছাহাবে লেখা এখন কিতাপ পঠিয়াই দিছিল।

৭৪ চনৰ শেহ সপ্তাহত মস্কো ৰেডিওত অসমীয়া বাতৰি কোৱা কুমাৰী লুচা মলচ্চানভা (Liudmila Evgenjevna Miltchanova) আহিল আমাৰ বিভাগত 'কথিত' অসমীয়া শিকিবলৈ। তাৰ কেইদিনমান পাছতে ইষ্ট অষ্ট্ৰেলিয়ান বিশ্ববিদ্যালয়ৰ ছাত্ৰ (ছাত্ৰ হ'লেও তেওঁ এম্. এ. আৰু ইতিহাসৰ পি. এইচ্. ডি.) কিথ্ অগ্‌বন্ আহিল একে উদ্দেশ্যেৰেই। দুইজনকে আমাৰ বিভাগৰ ৰিডাৰ ড° গোলোকচন্দ্ৰ গোস্বামী আৰু ড° উপেন্দ্ৰনাথ গোস্বামীৰ হাতত দিলো। অগ্‌বন কিন্তু সৰহ দিন নাথাকিল। লুচাক আমাৰ ছাত্ৰী-নিৱাসত থকা ঠাই ঠিক কৰি দিলো। তেওঁ পিছে নিজে বাছি ল'লে কোনো ছোৱালী থাকিবলৈ সাহ নকৰা এটা কোঠা—য'ত দুদিনমান আগতে আমাৰ এগৰাকী ছাত্ৰীয়ে আত্মহত্যা কৰিছিল। লুচাৰ মাথোন ঘৰলৈ মনত পৰি মনটো কেনেবা কেনেবা কৰি থাকে, কাৰণ ঘৰত তেওঁ একমাত্ৰ প্ৰাণী বুঢ়ী আইতাকক এৰি থৈ আহিছে। তেওঁ মাজে মাজে কলিকতাৰ ৰুছ কনছুলেট্ আৰু নতুন দিল্লীৰ ৰুছ এম্বেছিলৈ গৈ দেশী ভাইভনীসকলৰ লগত থাকি আহে। এবাৰ আমাৰপৰা সাদিনৰ ছুটী লৈ গ'ল দিল্লীলৈ, কিন্তু তাত কৰিলেগৈ ভালে দিন। আমাৰ শ্ৰেণীসমূহৰ সচিব শ্ৰদ্ধানন্দ দুৱৰাই অলপ চিন্তিত হৈ মোৰ ওচৰত খবৰ ল'লেহি। মই দিল্লীত থকা মোৰ পুৰণি ছাত্ৰী ড° মামণি গোস্বামীলৈ লেখিলো। তেওঁ তুৰন্তে খবৰ লৈ মোক জনালে, লুচা ৰুছ এম্বেছি মহলতে কুশলে-মংগলে আছে আৰু সোনকালেই গুৱাহাটীলৈ ঘূৰিব। দুদিনমান পিছত লুচা গোট মানুহজনী ওলালহি আৰু বোধ হয় ভিতৰি ভিতৰি দোষী অনুভৱ কৰি মোলৈ টোপোলা এটিও আনি অফিচতে 'ভেট' দিলেহি; ক'লে, "ছাৰ, মই শুনিছো, আপোনাৰ বোলে পানী লাগি কিছু আহুকাল হৈছিল। মই ভাল বস্তু এটা লৈ আহিছো। আপুনি অলপ অলপ খালে মজবুত হৈ যাব। এইটো ঘৰলৈ আপুনিয়ে লৈ যাব।" কাগজেৰে সুন্দৰকৈ মেৰিওৱা 'ভেট'টি ঘৰলৈ আনি লৈহে কাগজ গুচাই চাওঁ, সেয়া ভড্‌কাৰ এটি বটল। লুচাই দিয়া দৰবপালি কিন্তু মোৰ খোৱা নহ'ল। তেনে পানীয় সেৱন কৰা দুই-এক ডেকা অধ্যাপক বন্ধুক বাৰ্ত্তা দিছিলো: তেওঁলোকে বা সেই সাচ্চা চীজ উঠাব' খোজেনেকি! কিন্তু মোৰ আগত ভাল ল'ৰা হৈ থকা তেওঁলোকেও শান্ত শিষ্ট বশিষ্ঠ হৈ ৰ'ল। লুচাৰ ব্যৱস্থাপত্ৰ আৰু ঔষধ দুইটাই পেলনি গ'ল।

(আগলৈ)


পুলক লাহিড়ীৰ
ক্ৰিকেটৰ সাঁথৰ
মূল্য—৬'০০ টকা

সিন্ধুৰাণী চৌধুৰানীৰ
পতী-পত্নীৰ ধৰ্ম

প্ৰকাশক ঃ
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১


২০ পৃষ্ঠাৰ পিছৰ পৰা

"...আমাৰ দেশ্‌ত বিদেসি বঙালি ভাসা আজিলৈকে ইস্কুলত আৰু কাচাৰিত ঘৰতো চলি আছে, ইয়াৰ প্ৰথম প্ৰধান কাৰণ এই বঙ্গালি ভাসা অচমিয়া ভাসাতকৈ ভিমান প্ৰিথক নহই বুলি প্ৰত্যয় হৈছে। (অসমীয়া সাহিত্যৰ চানেকি, হেমচন্দ্ৰ গোস্বামী সম্পাদিত)।

"ৰজাই ইচা কৰিলে আপোন দেসৰ ভিতৰত জি ভাসাকে চলাব খোজে তাকেই চলাব পাৰে; কিন্তু ভাসাৰ মিল অমিল বুজিব লাগিলে দেসৰ সৰ্ব-সাধাৰণ প্ৰজাৰ মাজত জি ভাসা চলি আছে তালৈ লক্ষ কৰিব লাগে।"

আনন্দৰামৰ পাছতে অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ বাবে মাত মতা অসমীয়া আছিল গুণাভিৰাম বৰুৱা। গুণাভিৰাম বৰুৱায়ো উল্লেখ কৰিছে ঃ "প্ৰথমে এই দেশত অসমীয়া ভাষাৰে সকলো কাৰ্যকৰ্ম হৈছিল। পাচে বঙ্গলা ভাষাই যে এই দেশৰ প্ৰকৃত ভাষা কৰ্তৃপক্ষৰ পৰা এইটো সিদ্ধান্ত হোৱাত বঙ্গলা ভাষা সকলো বিষয়ত চলিবলৈ ধৰিলে" (গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ পৃ. ৬২)।

এই নিবন্ধৰ দ্বাৰা আমি তেতিয়াৰ বাঙালী আমোলাসকলক সম্পূৰ্ণ নিৰ্দোষ বুলি নিশ্চয় প্ৰতিবাদ কৰিব খোজা নাই। কিছু আমোলাৰ উচ্চমন্যতাবোধ নিশ্চয় আছিল। তেওঁলোকে হয়তো নিজৰ ভাষাক শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ ভাল পাইছিল; কিন্তু অসমত অসমীয়া আঁতোৰোৱাত মূল ষড়যন্ত্ৰৰ জাল যে বৃটিছ ৰাজ বিষয়া সকলেহে পাতিছিল তাক আমি মানি লবলৈ বাধ্য। আনন্দৰামৰ সমসাময়িক উনবিংশ শতিকাৰ অসমীয়া প্ৰশাসক লেখকসকলে ক'তো বঙালী আমোলাৰ ষড়যন্ত্ৰৰ কথা উল্লেখ কৰা নাই। অৰুনোদইৰ পাততে প্ৰথম অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ বাবে লিখা-মেলা চলিছিল, কিন্তু তাতো মূলতঃ বৃটিছ বিষয়াসকলৰ নীতিকহে সমালোচনা কৰাৰ উদাহৰণ পোৱা যায়।





# চাকৰৰ চাকৰি

ড° বিকাশ বৰুৱা

আলেকজেণ্ডাৰে পুৰুক কেনেকুৱা ব্যৱহাৰ লাগে বুলি সোধোতে পুৰুৱে বোলে বুকু ফিন্দাই কৈছিল, 'ৰজাৰ দৰে'! মই টেপুৰামক কেনেকুৱা ব্যৱহাৰ লাগে বুলি সোধা নাছিলো যদিও সি কিন্তু আওপকীয়াকৈ বুজাই দিলে যে সি এতিয়াও 'ভকতৰ দৰে'ই ব্যৱহাৰ আশা কৰে।

পিছে মস্কিল হ'ল এয়েই যে টেপু কোনোদিনেই আচল 'ভকত' নাছিল; ভকতৰ আলধৰাহে আছিল; আমি দুদিনৰ কাৰণে যাওঁতে আমাক ৰান্ধি বাঢ়ি খুৱাইছিল, আলপৈচান ধৰিছিল। দ্বিতীয়তে আমিও কোনো প্ৰকাৰৰ শিষ্য-তিষ্য নাছিলো; মন্ত্ৰী-এম. এল. এৰ লেখীয়াকৈ মাজুলী চাবলৈহে গৈছিলো। শিষ্যৰ ঘৰত যে ভকতে 'ৰজাৰ দৰে' ব্যৱহাৰ পায় সেই কথা পাছতহে জানিছিলো।

যি কি নহওক, এমাহৰ পাছতে যেতিয়া টেপুৰামে আহি আমাৰ ঘৰত হাৱাই ছেণ্ডেলৰ ধূলা দিলেহি, তেতিয়া আমি সেইটো তাৰ 'ৰিটাৰ্ণ ভিজিট' হিচাপে ধৰি লৈ অতি উৎকৃষ্ট প্ৰকাৰৰ অতিথি-শুশ্ৰূষা তালৈ আগবঢ়ালো। সকলোৰে লগত একেলগে 'ডাইনিং টেবুল'ত বহি টেপুৱে খোৱা-বোৱা কৰিলে, 'ড্ৰয়িং ৰুম'ৰ ডিভানখনত নতুন বিছনা-চাদৰৰ ওপৰত শুলে। সি 'গৰম' গান শুনি ভাল পায়! গতিকে আৰ. ডি. বৰ্মণ আৰু বাপ্পি লাহিড়ীৰ মিউজিকৰ দুটা সম্পূৰ্ণ কেছেট টেপুৰ মনোৰঞ্জনৰ বাবে বজাই শুনোৱা হ'ল।

বিদায় বেলাত টেপুৰামলৈ দুপদমান উপঢৌকনো আন্তৰিকতাৰে আগবঢ়োৱা হ'ল।

ইয়াৰে ডেৰমাহমান পাছত টেপু পুনৰ উপস্থিত। এইবাৰো সি ভকতৰ দৰেই ব্যৱহাৰ পালে। মাত্ৰ উপঢৌকন ফেৰা বাদ!

টেপুৱে ঘনে ঘনে আহিবলৈ ল'লে। কোনোবাদিনা খুব বেয়া সময়ত ওলায়হি, ৰাতিপুৱা কামলৈ বা আবেলি কোনোবাফালে ওলাই যাবৰ সময়ত। তেনে অৱস্থাত আমি তাক অলপ-চলপকৈ 'এভইড' কৰিবলৈও ললো। কিন্তু টেপুৰাম 'নেভাৰ মাইণ্ড'! শেহত সি এদিন একেবাৰেই গুচি আহিল।

শেহৰ বাৰ অহাৰ দৃশ্যটোৱেই বেলেগ। আগৰ এটা টোপোলাৰ ঠাইত এইবাৰ দুটা। আহিছে ৰিক্সাত। হাতত এখন ইংৰাজী ছিনেমাৰ আলোচনী! ডাড়ি চিকুণকৈ খুৰোৱা। চুলি আগতকৈও দীঘল, কান্ধত পৰি থকা।

ৰিক্সা আৰু আলোচনী দেখি বেছ আচৰিত হলোঁ। সি নিজে কোৱা মতে সত্ৰত তাৰ দৰমহা মাহে বাৰ টকা। খেতি বাতি, চাকৰি, বাহিৰা উপাৰ্জন নাই। বাৰটা টকাৰে এটা জীয়া মানুহ কেনেকৈ জীয়াই থাকিব পাৰে, সেই কথা আমেৰিকান ছুপাৰ-কমপিউটাৰেহে যদি ক'ব পাৰে, মই নোৱাৰোঁ! তেনে স্থলত ৰিক্সাৰ পইচা? ফিল্ম মেগাজিন! ?

পাছত গম পালো যে কেৱল সেয়ে নহয়। টেপুৱে নগৰত প্ৰৱেশ কৰিয়েই এবটল ক'ল্ড ড্ৰিংক হজম কৰিলে। তাৰ পাছত ভোক লগা যেন পাই গে'ছডা নামৰ হোটেলখনত সোমাই চাহ আৰু 'দহি বৰা'ও খাই আহিল। আৰু বা কি কৰিছে!

ৰিক্সাত নাই কমেও চাৰি টকা, আলোচনীত পাঁচ, ক'ল্ড ড্ৰিংকত তিনি? পাঁচে চাৰিয়ে ন, নয়ে তিনিয়ে বাৰ! বাৰ টকা দেখোন হলেই!! ই জৰুৰ কোনোবা ভকতৰ পইচা মাৰি আহিছে।

ৰাতি ভাতৰ পাতত টেপুৱে অবিৰাম কথা কৈ গ'ল। সত্ৰৰ দুৰ্নীতিৰ কথা কলে। সত্ৰাধিকাৰৰ বদনাম গালে। খাবলৈ বস্তু নোহোৱাৰ কথা কলে। মথাউৰিৰ অপকাৰৰ কথা কলে। সেই আটাইবোৰ মই মাজুলীলৈ যাওঁতেই শুনিছিলো। গতিকে তাক সুধিলো,—

"এতিয়া পিছে তুমি নিজৰ কথানো কি ভাবিছা?"

ভাবিছিলো টেপু এইবাৰ অলপ চিন্তাত পৰিব। কিন্তু নপৰিল। সি তপৰাই উত্তৰ দিলে,—"ভাবিবলৈ কিটো আছে! পোনে পোনে আপোনাৰ ওচৰলৈকে আহিছো। আপুনি চাকৰি এটা ঠিক কৰি দিয়ক। যোৰহাট টাউনৰ ভিতৰতে গৱমেণ্ট অফিছ এটাত হলে ভাল।"

প্ৰথমতে আমি চবেই ধৰি ললো টেপুৰ সাংঘাতিক চেঞ্চ অব্ হিউমাৰ আছে আৰু সি আমাৰ লগত ধেমালি কৰিছে। কিন্তু কথা সেইটো নহয়; টেপুৱে ধেমালি-চেমালি কৰা নাই। যি কৈছে সঁচাই কৈছে! ওলোটাই সিহে আকৌ সুধিলে,—"এসপ্তাহমানতে চাকৰি এটা নহবনে চাগে?"

পাছদিনা চাহৰ মেজত টেপুক ঠাণ্ডা মগজুৰে বুজালো,—'ভাই টেপু! ধৰি লৈছোঁ বৰ্তমান দুনীয়াৰ হালচাল তুমি সঁচাকৈয়ে নাজানা। চোৱা, অজস্ৰ ডাক্তৰ, ইঞ্জিনিয়াৰ চাকৰি নাপাই বহি আছে। এম. এ পাছ ডেকা ল'ৰাই অটোৰিক্সা চলাইছে বি. এড ত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ সোৱা নবৌয়েৰাই ভাত ৰান্ধি-ৰান্ধি ঘৰতে সোমাই আছে। তুমি.....'

টেপুৰ পঢ়াশুনা নাই। স্কুলত নাম লগাইছিল। কিন্তু য'ত আছিল তাত হেনো বেছিলৈ পঢ়িবলৈ নিদিয়ে। পঢ়িলে বোলে ল'ৰা বিপ্লৱী হয়। এতেকে নৌ আগ বাঢ়োঁতেই শিক্ষা সাং!

"অৱশ্যে এটা উপায় জৰুৰ আছে। কেই হাজাৰমান যদি ঢালিব পাৰা, বা মন্ত্ৰী, বিধায়ক, দালালৰ নেগুৰত ধৰি উঠা-বহা কৰিব পাৰা, পিয়ন চকীদাৰহে নালাগে, কোনোবা স্কুলৰ প্ৰিঞ্চিপালো হৈ যাব পাৰিবা। খবৰ কৰি চোৱা। মোৰ দ্বাৰা কিন্তু নহ'ব।" টেপুৱে অবিশ্বাসৰ ভংগীত

মোলৈ চালে আৰু বেঙাৰ দৰে এটা হাঁহি মাৰিলে। ...

কোনেও মুখ ফুটাই একো নকলেও এটা কথা পৰিষ্কাৰ হৈ পৰিল যে চাকৰিটো নোহোৱালৈকে টেঁপুৰাম আমাৰ ঘৰতে থাকিব।

আলেকজেণ্ডাৰৰ মেছিডনত থকা নিজৰ ঘৰখনলৈ পুৰু ফুৰিবলৈ যোৱা হলে তেওঁক যেনেদৰে ৰাখিলেহেঁতেন, তাতকৈও সাংঘাতিককৈ টেঁপুৱে দৈনন্দিন জীৱন যাপন কৰিবলৈ ধৰিলে। আঠ-চাৰে আঠলৈকে শুই থুঠে, মাতি-মাতিও জগাব নোৱাৰি। সিমান পৰলৈকে ড্ৰয়িংৰুমটো আঠুৱাই-টোপোলাই বন্দী হৈ থাকে। শুই উঠাৰ পাছতো আধাঘণ্টামান অ'ত অ'ত গেৰেউ-গেঠেউকৈ কটায়। চাহ-জলপানৰ পাছত ঘৰৰ বাকীবোৰে যেতিয়া পূৰ্ণোদ্যমে নিজৰ-নিজৰ কামত লাগে, তেতিয়া টেঁপুৱে ছিলিং ফেনৰ তলত চোফাখনত আৰামকৈ বহি লৈ ছিনেমাৰ আলোচনী মেলে !...

এদিন আবেলি টকা পাঁচটা খুজি লৈ টেঁপু ওলাই গ'ল। ছিনেমা চাই আহিল। পাছদিনা গৈ বৰ দামী ছেলুন এখনত চুলি কাটি আহিল। ভালকৈ 'পিটিকায়ো' ললে বোলে !

কামৰ পৰা আহি আবেলি এদিন কলো, —"নাইট চকিদাৰৰ চাকৰি এটা ওলাইছে এঠাইত, কৰা।" টেঁপুৱে হাঁহি দিলে। "ৰাতি ? টোপনি খতি ?? ভগৱানে নিশাটো শুবলৈহে দিছে।" অৰ্থাৎ চকিদাৰীৰ বাবে নাই দিয়া; মই বুজি পালো।

হকাৰ, পিয়ন আদিৰ চাকৰিও একো ভাল চাকৰি নহয়, টেঁপুৱে আমাক বুজালে। ৰ'দে বৰষুণে টলৌ-টলৌকৈ ঘূৰি ফুৰিব-লাগে ! চাকৰি বুলিলে আৰামৰ হ'ব লাগে, বাহিৰা পইচা থাকিব লাগে, ছুটী-টুটি পাব লাগে... পাৰিলে কোনোবা চৰকাৰী অফিছত হব লাগে। একান্তই নহলে অ'. এন. জি. ছি বা টি কোম্পানিতো সিমান বেয়া নহয়। চলি যাব।...

"হেৰা বাপু শুনা" —অৱশেষত এসপ্তাহ পাছত দেউতাই কলে, "দোকানকে এখন দিয়া, মই যা-যোগাৰখিনি কৰি দিওঁ।" ওহোঁ ! দোকানী হ'বৰ বাবে টেঁপুৱে জনম লোৱা নাই !! "তেনেহলে ৰিক্সাকে চলোৱা।" —ছিঃ !

"খবৰ কাগজ কিনি আনা, ঠোঙা বনোৱা।" ধেৎ তেৰি, অসম্ভৱ !

ছাইকেল মেৰামতি ? ড্ৰাইভাৰী ? পকা কাম, কাঠৰ কাম, লোহাৰ কাম ? মিস্ত্ৰী ? যোগালী ?? বাপৰে, সেইবোৰ কৰিবলৈ হলে টেঁপু মৰি যাব।

"খেতি কৰিবা ? গাৱঁত মাটি পৰি আছে, তাতে...।" খেতিৰ নাম শুনি যে সি মূৰ ঘূৰাই পৰি নগ'ল সেয়ে বহুত।

যি বুজিলো, শেষত গৈ কাৰোবাৰ ঘৰত 'কাঞ্চা' হোৱাৰ বাহিৰে টেঁপুৰ কপালত একো নাই। এতিয়া সেইটো পৰ্যায়লৈ 'ভকত'ক কেনেকৈ নমাই লৈ যোৱা যায় সিয়েইহে ঘাই কথা !

পাছদিনা পুৱা টেঁপুক মোৰ লগতে বাৰীলৈ লৈ গলো। ভাবিলো অলপ ট্ৰেইনিং দিয়া যাওক। কোৰখন দি দি এঠাইত ঘাঁহ চিকুণাবলৈ লগালো। আন এফালে মই নিজে লাগিলো। এবাৰ আহি চাওঁ, —টেঁপু নাই। মনতে সন্দেহ এটা হ'ল। পোনেই ড্ৰয়িং ৰুমলৈ গলো। হয়, ঠিকেই। ফেনখন ফুল স্পিডত দি তলৰ চোফাত ঠেং ঠুং মেলি বহি আছে !

তাৰ পাছৰ দিনাও বাৰীলৈ নিলো। চিপৰাংখন দি কলো, —"এইখিনিতে গাঁত এটা খান্দা, সৌ ৰাঙলজোপা তাৰ পৰা আনি ইয়াত ৰুব লাগিব।" মই ৰাঙল জোপা উঘলাত লাগিলো...

সেই দিনাই আবেলি। কামৰ পৰা আহি শুনিলো, —টেঁপু নাই, পলাল !

এমাহমান পাছত এদিন ছিনেমাহল এটাত তাক দেখা পালো। মেটিনি চাই ওলাই আহিছে। হাতত ক'ল্ড ড্ৰিংকৰ খালী বটল। মোক দূৰতে দেখিয়ে চাৎ কৰে সি কোনোবাফালে লুকাল।

তাৰো ডেৰমাহমান পাছত। চৰকাৰী বিষয়া এজনৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো। চাহ-তাহ খাই উঠি পিছফালৰ বাৰান্দাৰ বেছিনত হাতখন ধুবলৈ গৈ দেখোঁ আমাৰ টেঁপুৰাম ভকতে পানীকল এটাৰ তলত বহি নিবিষ্টমনে কাঁহি-বাটি ধুই আছে।

পাছত গম পালো যে আনে খোৱা বাচন-বৰ্তন ধুই আছে যদিও আচলতে সি এইটো এটা চৰকাৰী চাকৰিয়েই কৰি আছে। নিযুক্তি পত্ৰৰ মতে, কাগজে-কলমে সি এটা ডাঙৰ চৰকাৰী অফিছৰ মালী। কিন্তু অফিছলৈ কেৱল দৰমহাটো আনিবলৈহে যাব লাগে। মাহেকত এদিন। বাকী সকলো কাম অফিছাৰৰ ঘৰতে। ল'ৰা-ছোৱালী কেইটাক স্কুললৈ অনা নিয়া, কাপোৰ ধোৱা, জোতা পালিছ কৰা, মেমচাহাবৰ ভিতৰুৱা বজাৰ-সমাৰ কৰি দিয়া, টাই সৰা বাথৰুম চাফা কৰা... সকলোবোৰ কামতে "হি ইজ এ কোৱাইট ইউজফুল ছাৰভেণ্ট !'

আটাইতকৈ ডাঙৰ কথা, —চৰকাৰী চাকৰি এটা পাই সিও বেছ সুখী !!

## সম্পাদকৰ কোঠালীত

বন্ধু ঃ দুখন দেশৰ বৰমূৰীয়া দুজনে বহু আয়োজন কৰি, এঠাইত লগ লাগি, দুদিন ধৰি আলোচনা কৰাৰ পাছত, তৃতীয় দিনা যিখন যুটীয়া ইস্তাহাৰ প্ৰকাশ কৰে, সেইখনত যদি "দুয়োখন দেশৰ মাজত সাংস্কৃতিক বিনিময়"ৰ ওপৰত গুৰুত্ব দিয়া হয়, তেনেহলে বুজিবা— তেওঁলোকৰ মাজত বৰ ডাঙৰ বিৰোধ আছে।

[redacted]



ধাৰাবাহিক উপন্যাস

# এনাজৰী

যোগেশ দাস

### তিনি

[পলাশ দত্তই সুশীলাক সমুখত বহুৱাই চুভীৰ সৈতে তেওঁৰ অতীত সম্পৰ্কৰ কাহিনী কৈছিল। আদৰ্শবাদী স্কুল শিক্ষক দেউতাক বিকাশ দত্তই কেনেকৈ ন্যায় বিচাৰি কৰ্তৃপক্ষৰ লগত জেদ কৰিছিল আৰু ঘৰ নচলা যেন হৈ অহাত বোধহয় অনন্যোপায় হৈ পলাশেও কলেজ এৰি দি কেনেকৈ হঠাৎ এটা চাকৰিত যোগদান কৰিলে, সেই কথা কৈ গৈছিল। এই কামত শোভনাৰ ঘোৰ আপত্তি আছিল। তাইৰ মতে শিক্ষা আগতে, চাকৰি পাছত। ইপিনে যুদ্ধৰ বিভীষিকাৰ ছাঁ অসমৰ আকাশত। বস্তুৰ দুৰ্মূল্য, অভাৱ-অনাটন।]

শোভনাই গম পাই দৌৰি আহি পলাশহঁতৰ ঘৰ পালেহি।

কিন্তু এইবাৰ বিকাশ দত্তই চুভী আইৰ কথাত বিশেষ উৎসাহ নেদেখুৱালে। দত্ত অলপ অসুস্থও হৈ পৰিছিল। দুশ্চিন্তা খুব বেছি হৈছিল। ল'ৰাৰ পঢ়া বন্ধ হোৱাটো তেওঁ সহ্য কৰিব পৰা নাছিল, অথচ নিজৰ স্থিতি এৰি দিবলৈও বৰ টান পাইছিল। কৰ্তৃত্বত থকা লোকৰ ক্ষুদ্ৰত্বত তেওঁ হতাশ হৈছিল। এজনৰ লাভৰ কাৰণে আন এজন নিৰপৰাধ মানুহৰ অন্যায় কৰিবলৈ কুণ্ঠা বোধ নকৰা এইবিলাক কি ধৰণৰ জানোৱাৰ, তেওঁ বুজিব নোৱাৰিলে। জীৱনক সৰলভাৱে লৈ সহজ-সৰল কৰিবলৈ যোৱা মানুহৰ এনেকুৱা মনোকষ্ট হ'বই।

ঘৰখনত অভাৱ-অনাটন হৈছে। অথচ গা বেয়া হোৱা কাৰণে তেওঁ টিউছন কৰিবলৈকো যাব নোৱাৰে। পলাশে ধাৰ কৰিয়েই ঘৰ চলাইছিল। গতিকে বিকাশ দত্তই শোভনাৰ লগত তৰ্ক কৰিবও নোৱাৰিলে। "আই অ'," তেওঁ মাত্ৰ শুই থকাৰে পৰা দুৰ্বলভাৱে কলে, "তুমি পলুৰ লগতে আলোচনা কৰাগৈ।"

কিন্তু পলাশৰ লগতো চুভীৰ তৰ্ক নচলিল। তাই উপলব্ধি কৰিলে যে পলুদাৰ কলেজ এৰাৰ বিৰুদ্ধে যাবলৈ তাইৰ এতিয়া যুক্তি নোহোৱা হ'ল। ঘৰখন চলিব কেনেকৈ ? শোভনাৰ নামত বহুত টকা আছে, কিন্তু দত্তহঁতক তাই কি সাহেৰে টকা দিব ? পলাশে যদি তাইৰপৰা ধাৰ খুজিলেহেঁতেন তেনেহলে আজিয়েই পাঁচশ টকা উলিয়াই দিলেহেঁতেন। কিন্তু তাই ভালদৰেই জানে যে পলুদা মহাগৰবী। চুভীয়ে উপযাচি টকা দিবলৈ গলে সি উধাই-মুধাই গালি পাৰি দিব। সেই বাবে চুভীয়ে দত্তহঁতৰ অৱস্থাটো সম্বন্ধে খুব সাৱধানেহে আলোচনা কৰিলে। ফললাভ একো নহ'ল।

পলাশে শেষত চুভীক স্পষ্ট উত্তৰ দিলে, "এয়েই বাস্তৱ সত্য চুভী। আমাৰ দুটা পেট ভৰিব লাগিব। দেউতাৰ সাঁচতীয়া টকা নাই— তেখেতৰ মতে দেশৰ হাজাৰ-বিজাৰ দুখীয়া মানুহে দিনে আৰ্জি দিনে খায়— আমি ধন সাঁচি থোৱাটো অন্যায়— দৰিদ্ৰ নাৰায়ণৰ ওপৰলৈ গলে মানুহ পশুৰ শাৰীলৈহে নামি যাব। গাত সানি নলবা, আমাৰ বংশগত মাটি-সম্পত্তিও নাই। দেউতাৰ আদৰ্শক মই শ্ৰদ্ধা কৰোঁ— তেখেতক মই আনৰ সৈমান হ'বলৈ দিব নোৱাৰোঁ, বিশেষকৈ মদগৰ্বী অন্যায়কাৰী ক্ষমতাবানৰ। গতিকেই মই চাকৰি কৰিবলৈ ওলাইছোঁ। কলেজ চিৰদিনলৈ এৰি দিয়া নাই— দিন ভাললৈ আহিলে মই হয়তো আকৌ ক্লাছ কৰিবলৈ লম। আশা কৰোঁ কথাটো তুমি বুজিব পাৰিছা।"

শোভনা তলমূৰ কৰি থাকিল। তাই সকলো বুজিলে; কিন্তু প্ৰতিকাৰৰ কোনো উপায় নেদেখিলে।

ভালেমান পৰ দুয়ো মনে মনে বহি থাকিল। কোনেও কালৈকো চোৱা নাছিল। ভিতৰত বিছনাত বিকাশ দত্তও নিশ্চল আৰু নিস্তব্ধ হৈ পৰি আছিল।

হঠাৎ শোভনাক অবাক কৰি দি পলাশে কলে— মাতটো ভালেখিনি সৰু কৰি, যাতে ভিতৰত দেউতাকে শুনিব নোৱাৰে,— "চুভী, বৰ জৰুৰী ঔষধ এটা কিনি আনিব লাগে। মোৰ দৰমহালৈ এসপ্তাহ বাকী। টকা পঞ্চাছটা ধাৰলৈ দিব পাৰিবা ?"

তাই চকু দুটা ডাঙৰকৈ মেলি তালৈ একেথৰে চাই থাকিল। শেষত অতি সামান্যভাৱে মূৰটো দুবাৰ মাত্ৰ দুপিয়াই শোভনা লাহে লাহে ওলাই গ'ল।

আবেলি শোভনা আকৌ আহিল। এবাৰ সুযোগ বুজি বাহিৰৰ কোঠাৰ দুৱাৰমুখলৈ পলাশক মাতি নি তাৰ হাতত নিৰৱে দুশ টকাৰ নোটবোৰ গুজি। গণি চাই সি কৈ উঠিল, "ইমান কিয় ?"

তাই আৰু ৰব নোৱাৰিলে। দুৱাৰতে মূৰটো গুজি উচুপিবলৈ ধৰিলে। সি এবাৰ ভয়ে ভয়ে ভিতৰৰ পিনলৈ চাই পঠিয়ালে। বোধহয় দেউতাকে একো গম পোৱা নাছিল। নহ'লে দত্তই নিশ্চয় মাত লগালেহেঁতেন। পলাশে ওচৰলৈ আহি তাইৰ কান্ধত লাহে লাহে থপৰিয়াই দি কলে, "বাৰু চুভী ঠিক আছে। নাকান্দিবা। মই এই টকা ৰাখিছোঁ। তুমি দেউতাৰ ওচৰতে বহাগৈ। মই যাওঁ, ঔষধটো লৈ আহোঁগৈ। পাৰিবা ?"

শোভনাই নিজকে চম্ভালি ললে। আচলেৰে চকু দুটা মোহাৰি পলাশলৈ স্থিৰ দৃষ্টিৰে এবাৰ চাই তাই লাহে লাহে ভিতৰলৈ গ'ল। পলাশ বজাৰলৈ বুলি ওলাই গ'ল।

দত্তই চুভীক পাই ভালেই পালে।



OKDISCD

ৰং মনেৰে নানান কথা পাতিবলৈ ধৰিলে। সংস্কৃতৰ চৰ্চা এৰি পেলালে নেকি সুধিলে। কলেজত সংস্কৃত লোৱা বুলি জানি সন্তোষ প্ৰকাশ কৰিলে। কলে যে সংস্কৃত শিকিব লাগে। সংস্কৃত নপঢ়িলে ভাৰতীয় সভ্যতাকে জনা সম্পূৰ্ণ নহয়।

পলাশৰ পঢ়াৰ প্ৰসংগটো আকৌ ওলাল। শোভনায়েই উলিয়ালে। দত্তই কলে, "তোমাৰ কথাটো মই বুজিছোঁ আই। পলুক মই পঢ়া এৰুৱাই দিব খোজা নাই। মই উঠিব পাৰিলেই কিবা এটা ব্যৱস্থা কৰিম। ল'ৰা-ছোৱালীৰ কাৰণে পঢ়াৰ ওপৰত একো নাই।"

গতিকে গধূলি পলাশ উলটি আহিলত কথাটো তাই সুবিধা বুজি আকৌ উলিয়ালে। তাই কলে, "তুমি তোমাৰ ভৱিষ্যৎটোৰ কথা নিশ্চয় ভাবিব লাগিব। অসম্পূৰ্ণ শিক্ষাৰে কি কৰিব পাৰিবা ভালকৈ ভাবি চোৱা। তোমাৰ নিচিনা ল'ৰা এজনৰ ভৱিষ্যতটো এনেকৈ নষ্ট হৈ যোৱাটো কোনো চেন্সিবল মানুহেই সমৰ্থন কৰিব নোৱাৰে। মই পৰিস্থিতিটোক উলাই কৰিব খোজা নাই। তোমাৰ এই চাকৰিটো সৰু বুলি তাকো মই নিঘিনাওঁ। কিন্তু মনত ৰাখিবা তোমাৰ মাজত ইয়াতকৈ ডাঙৰ সম্ভাৱনা লুকাই আছে— বা থাকিব পাৰে—যিটো শিক্ষা সম্পূৰ্ণ নহলে বুজিব পৰা নাযাব। খুৰাদেউৰ আদৰ্শ আৰু শিক্ষকতাকো মই শ্ৰদ্ধা কৰোঁ; কিন্তু তুমি তাতোকৈ ওপৰলৈ যাব লাগিব। এইদৰে জীৱনটো নষ্ট কৰি পেলোৱাৰ অৰ্থ নহয়।"

চুভী ইমান ছিৰিয়াছ হোৱা দেখি পলাশৰ হঠাৎ বৰ আমোদ লাগিল। সি ৰগৰ কৰিবৰ মনেৰে সুধিলে, "চুভী, তুমি যে মোৰ ভৱিষ্যতৰ কাৰণে ইমান চিন্তা কৰিছা—তুমি নিজৰ কথা ভাবিয়েই এইবিলাক কৈছানেকি?"

শোভনাই ঘপকৰে খঙেৰে তালৈ চালে— কলে, "যদি কওঁ সেই কাৰণেই?"

পলাশে আৰু কথা বঢ়াব খুখুজিলে। সি অনুভৱ কৰিলে যে তেনেকৈ ধেমালি কৰাটো উচিত নহ'ল। সি নিমাতে তলমূৰ কৰিলে। শোভনাই লাহে লাহে ঘৰলৈ বুলি খোজ ললে।

দত্ত লাহে লাহে বিছনাৰ পৰা উঠিল। দুদিন মানৰ কাৰণে গা টঙা-বলৈ তথাপি ডাক্তৰৰ পৰামৰ্শ মতে ঘৰতে সোমাই থাকিল। পলাশ কামলৈ গৈ থাকিল। সি প্ৰথম দৰমহা পায়েই চুভীৰ টকা কেইটা ঘূৰাই দিবলৈ ঠিক কৰিলে। কিন্তু তাই আৰু অহা নাই। ঘৰত গৈ দি আহিবলৈ অলপ সংকোচ হৈছিল। কাৰণ কোনোবাই দেখিলে নানান সন্দেহ উপজিব পাৰে।

বিকাশ দত্তই ফুৰা-চকা কৰিবলৈ ধৰিলে। গা সম্পূৰ্ণ ভাল পোৱা যেনেই পালে। সহকৰ্মী এজনৰ ঘৰলৈ গৈ গম ললে দৰখাস্তৰ কিবা উত্তৰ আহিছেনে বুলি। নাই, চৰকাৰৰ ঘৰৰ পৰা একো চিঠি-পত্ৰ অহা নাই। সহকৰ্মীয়ে ৰগৰ কৰি কলে যে চৰকাৰী অফিচতনো দৰখাস্ত কোনোবাই পঢ়েনে? নিজেই যাব লাগিব। বিচাৰ-খোচাৰ কৰি দুই ইঞ্চিমান ধূলিৰ তলৰ পৰা উলিয়াই আনি অফিছাৰক দিবগৈ লাগিব। সেইটো হ'লগৈ দৰখাস্ত যথা স্থানত পৰা। তাৰ উত্তৰ কি হব সেইটো তেতিয়াও বাকী থাকিব।

বহুত ভাবি-চিন্তি বিকাশ দত্ত এদিন বিখ্যাত প্ৰকাশক বৰুৱাৰ ওচৰ পালেগৈ। তেখেতে আৰু এখন কাকত নতুনকৈ আৰম্ভ কৰিছে। দত্তক বৰুৱাই চিনি পায়। "ছাৰৰ কি হ'ল?" এই বুলি ৰসিক প্ৰকাশকে দত্তক বহুৱাই প্ৰশ্ন কৰিলে। দত্তই সকলো কথা বৰ্ণনা কৰি কিবা এটা কাম দিব পাৰেনেকি অনুৰোধ কৰিলে।

"কিন্তু আপোনাৰতো চাকৰিটো এতিয়াও যোৱা নাই ছাৰ? তাতে আপুনি শিক্ষক হিচাপে জনাজাত— আমাৰ মাজত এটা সন্মান আছে। ভাল শিক্ষকৰ আমাৰ অভাৱ। আপোনাক আমি হেৰুৱাব নোখোজোঁ।"

দত্তই কলে, "বৰুৱাদেউ, মোৰ ৰিটায়াৰ কৰিবলৈকো পাঁচ-ছবছৰহে আছে। ধৰক অৱসৰৰ পাছতো যদি মই আপোনাৰ ওচৰত কাম বিচাৰি আহিলোহেঁতেন, তেতিয়া আপুনি কি কলেহেঁতেন?"

বৰুৱাই ভাবি-চিন্তি উত্তৰ দিলে, "মই আপোনাক সহায় নকৰোঁ বোলা নাই। কিন্তু পেপাৰখনৰ কাৰণে সকলো মানুহ লোৱা হ'লেই। তাকো সৰহ-ভাগেই ডেকা ল'ৰা। এনে কাম শিকিবলৈ আপোনাৰ এতিয়া বয়স নাই। সৰু-সৰু ল'ৰাৰ তলত আপোনাক মই কাম শিকিবলৈ দিবও নোৱাৰোঁ। কাগজখনৰ প্ৰুফৰিডাৰ এজন কৰি দিব পাৰোঁ, কিন্তু সেইটো আপোনাৰ কাৰণে সন্মানজনক নহব।"

"মই তাকো কৰিম। কামৰ কি সৰু-বৰ আছে? বিশেষকৈ প্ৰুফ পঢ়াৰ অভ্যাস মোৰ আছে।"

প্ৰকাশক বৰুৱাই চিন্তিত মনে কলে, "বাৰু আজি আপুনি যক। মই কি কৰিব পাৰোঁ চাওঁ। সেইটো নহ'লেও অন্য কিবা পদত আপোনাক লব পাৰি নেকি মই বাৰু কথা পাতি চাওঁ।"

বিকাশ দত্ত ভালেখিনি আশ্বস্ত হৈ গুচি আহিল।

ইপিনে পলাশে শোভনাক লগ ধৰিবলৈ চেষ্টা কৰি আছে। সেই দিনাৰ পৰা তাই অহাই নাই। তাই নহা সম্বন্ধে বাপেক-পুতেকৰ মাজত আলোচনাও হৈছে। কিন্তু ঘৰলৈ গৈ খবৰ এটা লোৱাৰ কথা কোনেও কোৱা নাই।

এদিন পলাশেই কলেজলৈ গৈ চুভীক লগ ধৰিলে।

দূৰৰ পৰা তাইক ভালেখিনি গম্ভীৰ দেখি তাৰ বুকু সামান্য কঁপি উঠিছিল। ইতিমধ্যে কিবা হৈছেনেকি? বিশেষ কোনো ফালে নোচোৱাকৈ শোভনা লাইব্ৰেৰিৰ পিনে অকলে গৈ আছিল। পলাশৰ ভাব হ'ল তাই তাক দেখিও নেদেখাৰ ভাও জুৰিছিল। যি হক, সি গৈ গৈ তাইক লাইব্ৰেৰিৰ একেবাৰে ভিতৰৰ চুক এটাত লগ পালেগৈ।

শোভনাই গম্ভীৰভাৱেই তাৰ লগত কথা পাতিলে। কথা ডাঙৰেই। সেই দিনা গধূলি পলমকৈ ঘৰলৈ উভতি যোৱা কাৰণে চক্ৰৱৰ্তীয়ে জীয়েকক জেৰা কৰিলে। তাই সঁচা কথাকে কলে। ছোৱালী মানুহৰ এটা ভয় আছে সেই কথা তাই নাজানে নেকি? গোড়া পিতৃৰ এই প্ৰশ্নৰ উত্তৰত কন্দনা-মুৱা হৈ তাই কলে যে খুৰাদেউৰ বৰ অসুখ, সেই কাৰণে অলপ ৰব লগা হৈছিল। পলুদা ঔষধ আনিবলৈ ফাৰ্মাছিলৈ গৈছিল। পলুদাৰ নাম শুনি চক্ৰৱৰ্তীৰ খং দুগুণে চৰি গ'ল,— "আজিৰ পৰা তই আৰু তালৈ নাযাবি। মোৰ হুকুম।"

"দেউতা, মইতো সৰুৰে পৰাই খুৰাহঁতৰ ঘৰলৈ অহা-যোৱা কৰিছোঁ। খুৰাদেউৰ পৰা মই পঢ়া শিকিছোঁ। এতিয়াও তেখেতে মোক বহুত কথা শিকাই দিয়ে। মই বাৰু আৰু ৰাতি-লৈকে নাথাকোঁ। আপুনি খং নকৰিব। মোৰ নিজৰ বিষয়ে মই বুজোঁ।"

"নহয়, মই যি কৈছোঁ তাকেই মানিব লাগিব। তই যদি মোৰ কথা নুশুন তেন্তে তোক ট্ৰেন্সফাৰ কৰি মই নগাঁৱলৈ পঠাই দিম। মামাৰহঁতৰ ঘৰতে থাকি তাৰে কলেজত পঢ়িবি। এয়ে মোৰ শেষ কথা।"

দুয়ো আন ল'ৰা-ছোৱালীৰ সন্দেহী চাৱনিৰ সমুখতে বিষয়টো আলোচনা কৰিলে। কিন্তু তেতিয়াই কোনো উপায় উলিয়াব নোৱাৰিলে। ভালকৈ চিন্তা কৰি চাবলৈ মাত্ৰ দুয়ো সিদ্ধান্ত কৰি এৰাএৰি হ'ল। পলাশে কৈ গ'ল যে সি আকৌ চুভীক কলেজতে আহি লগ ধৰিব।

সি ভীষণ বিচলিত হৈ গ'ল।

সি কেইবা দিনো চেষ্টা কৰিলে বিষয়টো দেউতাকৰ আগত উত্থাপন কৰিবলৈ। কিন্তু কিবা এটাই বাৰে-পতি বাধা দিলে। তাতে বিকাশ দত্ত নিজেই মহা চিন্তাত কাল কটাইছে— কিমান মাহ চাকৰি নকৰাকৈ বিনা উপাৰ্জনে, বহি বহি কটাইছে; চৰ-কাৰৰ ঘৰৰ পৰা দৰখাস্তৰ কোনো উত্তৰ নাই; প্ৰকাশক বৰুৱাই কিছু আশ্বাস দি পঠাইছে যদিও একো এটা হোৱাগৈ নাই। দেউতাকৰ এনে মানসিক অৱস্থাত কথাটো উলিয়াবলৈ সি ভাল পোৱাও নাছিল।

শেষত সি বাধ্য হ'ল। এদিন শোভনাৰ পৰা এখন চিঠি পালে— ইয়াৰ মাজত সিহঁতৰ দেখা-সাক্ষাৎ হোৱা নাছিল—"কলেজত লগ পোৱা কথাটো কেনেবাকৈ ঘৰত গম পালে। বোধহয় দেউতাই আমাৰ পিছত মানুহ লগাইছে। টান কথাৰ অন্তই নাই— গাত হাত তোলাৰ প্ৰায় সমানেই হৈছে, কান্ধত ধৰি জোকোৰা মাৰি দিয়াটোক নহলে কি বুজিবা? মই এইবিলাক সকলো সহ্য কৰিছোঁ। কিন্তু তুমি ভুল বুজিব পাৰা বুলি কথাটো জনালোঁ। মই ৩/৪ দিন ঘৰৰ পৰা ওলোৱা নাছিলোঁ। এতিয়া কলেজলৈ গৈছোঁ। কিন্তু লগ ধৰি-বলৈ নাহিবা।"

সেইদিনাই গধূলি কিবা কিতাপ এখন একান্তমনে পঢ়ি থকা বিকাশ দত্তৰ ওচৰলৈ গৈ পলাশে গহীনভাৱে কলে, "কথা এটা কওঁ কওঁ কৰি আছিলোঁ! আজি আৰু নোকোৱাকৈ থাকিব নোৱাৰিলোঁ।"

কিতাপখন নমাই থৈ বিকাশ দত্তই আচৰিত হৈ পুতেকলৈ চালে। পলুক তেনে কৰা তেওঁ ইতিপূৰ্বে কেতিয়াও দেখা নাছিল। গতিকে তেওঁ একো কব নোৱাৰিলে। মাত্ৰ প্ৰশ্নসূচক দৃষ্টিৰে পলাশৰ মুখলৈ চাই থাকিল।

"আপুনি বিয়াৰ প্ৰস্তাৱ লৈ যাব লাগে।"

"কাৰ বিয়া?"

"আমাৰ।"

"আমাৰ মানে?"

"চুভী আৰু মোৰ।"

বিকাশ দত্তই আৰু একো নকলে। কিন্তু তেওঁ গভীৰ চিন্তাত নিমগ্ন হ'ল। পলাশে হাতৰ মুঠিত লৈ অহা শোভ-নাৰ চিঠিখন দেউতাকলৈ আগবঢ়াই দিলে। দত্তই চিঠি খন লৈ খপজপকৈ খুলি পঢ়িবলৈ লোৱাত পলাশ আঁতৰি গ'ল। চিঠি পঢ়ি বিচলিত হ'ল যদিও তেওঁ বাহিৰত তাক প্ৰকাশ নকৰিলে। চিঠিখন আকৌ পঢ়িলে। আকৌ নিশ্চল হৈ বহি থাকি গভীৰভাৱে চিন্তা কৰিলে।

পাছদিনাই দত্ত চক্ৰৱৰ্তীৰ ঘৰ পালেগৈ।

চক্ৰৱৰ্তীয়ে অৱশ্যে হাঁহি হাঁহিয়েই দত্তক অভ্যৰ্থনা জনালে। আগৰ দৰেই ৰং-ৰহইচ ঠাট্টা-মস্কৰা কৰি আদৰি বহুৱালে। সুধিলে চৰকাৰৰ বিৰুদ্ধে অকলশৰীয়া সত্যাগ্ৰহ কেনে চলিছে? চৰকাৰে চাগে গম পাই গৈছে! গান্ধী এজনহে! হিটলাৰৰ ঠেলা পাইছেই। এতিয়া আকৌ বিকাশ দত্তৰ সত্যাগ্ৰহ!

ঠাট্টাবিলাক দত্তই গ্ৰাহ্য নকৰিলে। কিন্তু যুদ্ধৰ কথা নপতাকৈ থাকিব নোৱাৰিলে। চক্ৰৱৰ্তীয়ে অলপ দিনৰ পৰা কলিকতাৰ ইংৰাজী কাকত এখন ৰখা কৰিছে। যুদ্ধৰ খবৰবোৰ আজি-কালি খৰচি মাৰি পঢ়ে। সেই কাৰণে যুদ্ধৰ প্ৰসংগটো ওলোৱাতে বুঢ়া চক্ৰ-ৱৰ্তীয়ে উৎফুল্ল হৈ কৈ যাবলৈ ধৰিলে যে হিটলাৰে ইউৰোপত সংহাৰ মূৰ্তি ধাৰণ কৰিছে। অচিৰেই গোটেইখন ইউৰোপ দখল কৰি পেলাব। ইংলেণ্ড পেপুৱা লাগিছে। ৰুছিয়াও জাৰ্মানিৰ ফালেই হৈছে। "চাই থাকক দত্ত ডাঙৰীয়া, হিটলাৰৰ স্বস্তিকা গোটেই পৃথিৱীতে বিয়পি পৰিব!" এই বুলি তেওঁ হো-হোকৰে হাঁহিবলৈ ধৰিলে।

দত্ত বিস্মিত আৰু হতাশ হৈছিল। হিটলাৰৰ নিচিনা নাজী নেতাৰ বিজয়ত আনন্দ লাভ কৰা মানুহ যে তেওঁৰ গাতে লাগি আছে সেইটো তেওঁ ভাবি-বই পৰা নাছিল। যেন এটা নতুন সত্য তেওঁ উপলব্ধি কৰিলে যে এই সংসাৰত অকল মানুহকেই কেতিয়াও

OKDISCD

চিনিব নোৱাৰি। চক্ৰৱৰ্তীৰ জাত্যাভিমান আৰু বংশগৌৰৱ থাকক। কিন্তু লাখ লাখ মানুহক ইউৰোপৰ চাৰিওফালৰ পৰা গৰু-ম'হ কঢ়িওৱা মালগাড়ীৰে কঢ়িয়াই আনি কনছেনট্ৰেশ্যন কেম্পবিলাকত প্ৰণালীবদ্ধভাৱে হত্যা কৰি যোৱা এটা অমানবীয়, আসুৰিক, বৰ্বৰ শাসনযন্ত্ৰক নিৰ্বিকাৰে সমৰ্থন কৰিবলৈ যোৱাটো অভাবনীয় কাণ্ড যেন লাগিল।

দত্তই অনিচ্ছাসত্ত্বেও কলে, "আপুনি যদি ইহুদী হ'লহেঁতেন আৰু আপোনাৰ ঘৰ যদি পোলেণ্ডত হ'লহেঁতেন—এনেকৈ আনন্দ প্ৰকাশ কৰিলেহেঁতেননে?"

"কিযে কয় আপুনি! মই আৰু ইহুদী হ'বলৈ যাম কিয়?"

"কাৰণ হিটলাৰৰ কামবোৰ আপুনি ভালেই পাইছে যেন লাগে।"

"নাই নাই—দত্ত—মোৰ ভাল-পোৱা বেয়া পোৱাৰ কথা নুঠে। সত্য যিটো সেইটোহে কৈছোঁ মাত্ৰ।"

দত্তই লাহেকৈ কলে, "সত্য সেইটো নহয়। সেইটো বাস্তৱহে মাত্ৰ।"

"জানো দেও আমি অ'ক' পণ্ডিত ব্যক্তি নহওঁ নহয় যে সত্য কি বাস্তৱ কি বুজি পাম।"

"সেইবোৰ ঘটিছে, সেয়ে বাস্তৱ। আপুনিও তাকে ভাল পাবও পাৰে—সিও বাস্তৱ। হিটলাৰৰ সমৰ্থক বাঢ়ি গলে সেইবিলাক বিপদৰ মাত্ৰাও বাঢ়ি যাব। কিন্তু সেইটো সত্য নহয়।"

চক্ৰৱৰ্তীয়ে পূৰ্বৰ ঠাট্টাৰ সুৰতে কলে, "তেন্তে সত্যটোনো কি, শুনোচোন?"

দত্তই কলে, "হিটলাৰক বাধা দিব লাগিব, হিমলাৰক, গোৱেবলছক মিছা প্ৰমাণিত কৰিব লাগিব। তেওঁলোকে জাৰ্মান তেজৰ, আৰ্য তেজৰ বিশুদ্ধতা বিচাৰিছে। তেনে এটা পদাৰ্থ এই পৃথিৱীত নাই। সকলো জাতিৰে তেজ আহিছে বান্দৰৰ পৰা। গতিকে জাৰ্মানিৰ বৰ্তমান প্ৰবল হৈ পৰা এই ভ্ৰান্ত ধাৰণা এনেকৈ বিয়পি পৰিবলৈ দিব নোৱাৰি। স্বাভাৱিক প্ৰগতিৰ সংমিশ্ৰনেই জগতৰ গতি। সেইটোৱেই সত্য।"

"হয়নে? হয়নে?"

"হয়। হিটলাৰী বিশুদ্ধতাৰ স্বপ্নৰ লগ লাগিছে জাৰ্মান উদ্যোগ সম্প্ৰসাৰণ কৰাৰ আকাংক্ষা। জাৰ্মানিৰ আধিপত্য বিস্তাৰ হৈ থাকিলে সেইখন দেশৰ ঔদ্যোগিক প্ৰভাৱো বৃদ্ধি হৈ গৈ থাকিব। তেতিয়া কোনো দেশকে জাৰ্মান জাতিয়ে উন্নতি কৰিবলৈ নিদিয়ে —ছোভিয়েট ইউনিয়ন সম্বন্ধিতে। বন্দুক আৰু বেয়নেটেৰে, বোমাৰে, টেংকেৰে বাকীবিলাকক পৰাধীন কৰি ৰাখিব। যেনেকৈ বৃটেইনে ভাৰতক আজি হেঁচি ৰাখিছে।"

"হয়নে? হয়নে?"

বিকাশ দত্ত মনে মনে থাকিল। ছদিন খবৰ কাগজ পঢ়ি আৰু ওলোটা স্বস্তিকাটোৰ জয়যাত্ৰা দেখি মূৰ্খ চক্ৰৱৰ্তীয়ে ওভতগোৰে নাচিব খুজিছে। এইবিলাক বিষয়ৰ তাৎপৰ্য বুজাৰ ক্ষমতা মানুহটোৰ নাই। সেই বাবে বাৰে বাৰে হয়নে-হয়নে কৰিছে।

তেওঁ ইতিমধ্যেই তৰ্কত তিষ্ঠিব নোৱাৰি অস্বস্তি বোধ কৰিছিল। দত্ত মনে মনে থকাত ভিতৰলৈ চাই কাৰোবাক চিঞৰি চাহ পঠিয়াই দিবলৈ কৈ পঠিয়ালে। শোভনাক কিন্তু নামাতিলে।

দত্তয়ো মন কৰিছিল যে আজি চুভী ওলাই অহা নাই। নহলে খুৰাদেউ অহা শুনিলে তাই এবাৰ আহি মাত লগাই যাবই। কিন্তু দত্তয়ো আজি শোভনাৰ খবৰ নললে। কাৰণ যি উদ্দেশ্য লৈ তেওঁ আজি এই ঘৰলৈ আহিছে তাক ব্যক্ত কৰাৰ পৰত ছোৱালী জনী উপস্থিত নথকাই দত্তৰ পক্ষে বাঞ্চনীয়। চাহৰ কথা শুনি তেওঁ মাত লগালে, "চাহ আজি নহলেও হব চক্ৰৱৰ্তী দেউ। বিশেষ মোৰ গাটো ভাল পোৱা নাই। আপুনি সত্যাগ্ৰহ কৰাৰ কথা কৈছেই—কাম-চাম একো নথকাত মনো ভালে থকা নাই। মই এটা বিশেষ কথাতহে আহিছিলোঁ। মই এটা প্ৰস্তাৱ লৈ আহিছোঁ। আপুনি চক খাই উঠিব। হৈ চৈ নলগাব। ভাবি-চিন্তি পাছত উত্তৰ দিলেও হব। লৰাৰ কথাতহে মই আপোনাৰ ওচৰলৈ আহিছোঁ।"

দত্তই বৰ বেছি পাতনি নুমেলি পলু আৰু চুভীৰ মিলা-প্ৰীতিৰ কথা কলে। চুভীৰ ওপৰত চোকা শাসন চলোৱাৰ কথাও কলে। শেষত প্ৰস্তাৱটো দাঙি ধৰিলে।

চক্ৰৱৰ্তী চক খাই অৱশ্যেই উঠিল। কিন্তু তেওঁ হৈ চৈ নলগালে, উচ্চবাচ্য নকৰিলে। প্ৰস্তাৱটো শুনি তেওঁৰ মুখ ক'লা পৰি গ'ল। এবাৰ তলমূৰ কৰিলে, এবাৰ মুহূৰ্তলৈ দত্তৰ ফালে চালে। উচপিচালে। শেষত কোনো মতে, একেবাৰে অদ্ভুতভাৱে, প্ৰশ্ন কৰিলে, দত্ত আপুনি সঁচাই ছিৰিয়াছ নে ধেমালিহে কৰিছে?"

চক্ৰৱৰ্তী আকৌ নিৰৱ হৈ পৰিল। বহুত পৰৰ মূৰত লেপ ঢুকি তেওঁ কোনোমতে কলে, "আপুনি যাওকগৈ। মই এতিয়া একো নকওঁ। আপুনি বুজিছেই এইটো মোৰ কাৰণে এটা সাংঘাতিক কথা। মই পাছত চিঠি লিখি আপোনাক জনাম। এই কথা লৈ আপুনি আৰু মোৰ ওচৰলৈ আহিব নালাগে।"

বিকাশ দত্ত গুচি আহিল। তেওঁৰ অনুভৱ হ'ল যে কথাৰ চাল বেয়াৰ ফালেই গৈছে। ঘৰলৈ গৈ তেওঁ থমথমকৈ বহি থাকিল। পলাশে আগেদি কেইবা বাৰো অহা-যোৱা কৰিলে। উপযাচি সুধিবলৈ ভাল নাপালে। দত্তয়ো সেই দিনা একো নকলে।

পাছ দিনা চিঠি আহিল।

একে আষাৰে প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা হৈছে। তাকে কৰিবলৈ গৈ চক্ৰৱৰ্তীয়ে ভাষা সংযত কৰিবলৈ চেষ্টা কৰিছে যদিও ছত্ৰে ছত্ৰে দত্তৰ প্ৰতি তাচ্ছিল্য ওলাই পৰিছে। "হিটলাৰী নীতি আমিও নামানো। কিন্তু তথাপি আদৰ্শৰ নামত কৌটিকলীয়া নীতি-নিয়ম বিশৰ্জন দিব নোৱাৰোঁ। তেনে কৰিলে কৌটিকলীয়া সামাজিক বন্ধন ছিন্ন হৈ যাব। আমাৰ বংশত কলংক লাগিব।" আকাৰে-ইংগিতে দত্তৰ 'অসামাজিক'

৫৪ পৃষ্ঠাত চাওক





# নাগৰিক (?)

**হৰেকৃষ্ণ ডেকা**

এক

মেজৰ ওপৰত পিৰিচ-পিয়লা। তলত ভৱিৰ অলস মুদ্ৰা। চাহ-চামুচৰ টুং টাং।
আৰু মুখবোৰৰ গুঞ্জন।
দুৰত এটা শব্দ। এটা আৰ্তনাদ! কিন্তু আকাশ এতিয়াও নীলা।
আৰু ৰেচমী পৰ্দাবোৰৰ ওপৰত ৰঙচুৱা ৰ'দ।
চাহ বাকিবলৈ অহা ল'ৰাটোৰ হাতৰ পৰা পৰি পিৰিচ এখনহে ভাগিল।
চাহ-চামুচৰ টুং টাং। মুখবোৰৰ গুঞ্জন। ভৰিৰ অলস মুদ্ৰা।

বাহিৰত পানীৰ নলীটো কোনোবাই খুলি থৈছে। ৰাঙলুৱা পানী একেৰাহে
পৰি আছে।

কাউৰী এজনীয়ে তাতে ঠোঁটটো বোলাইছে।
আকাশ চিৰাচিৰ কৰি এখন জে'টৰ শব্দ। বিৰক্ত হৈ মুখবোৰে চাইছে।
পিয়লাৰ ওপৰত আকৌ গুঞ্জন।

দুই

নিমজ ৰ'দ। বাৰান্দাত পুৱাৰ বাতৰি-কাকত। চকুৰ টোপনি ভাগিব নোখোজে।
কাগজত ডাঙৰ ডাঙৰ আখৰ। চকুৰ ক'লা মণিতকৈও ডাঙৰ।
কালি ফুটিছে তিনিটা বোমা। মৰিছে পাঁচজন। আহতৰ সংখ্যা
জনা নাযায়। মৰিছে চৰণীয়া পথাৰত দুটা গৰুও। লক্ষ্য ভ্ৰষ্ট বোমা!

চিকুণ পুৱাৰ এপিয়লা নিকা চাহ। নহলে টোপনিৰ আমেজ
নাভাগে। বাৰান্দাত বাতৰি-কাকতৰ ডাঙৰ আখৰবোৰৰ ওপৰত
পোহনীয়া কুকুৰটোৱে বাগৰিছে। তাৰ সচঁটো ভাল। পমেৰেনিয়ান
আৰু পিকেনিজৰহে সংকৰ।

ৰাঙলুৱা পানীৰ নলীটো এতিয়াও খোলা। পানী বাগৰিয়েই আছে।
কাউৰীজনী দুৰত পৰি আছে। তাই শৰাধলৈ আহিছে একলাখ
অনিমন্ত্ৰিত পক্ষী।





# অবতৰ

**বসন্ত দাস**

দুটা ক'লা পখিলা
উৰি আছে
আৰু থমকি ৰয়
একোবাৰ তোমাৰ চকুৰ পতাত
একোবাৰ মোৰ চকুৰ পতাত
কিবা দি থৈ যায় নে তাত
তোমাৰ চকুৰ পতাত
নে কিবা শুহি লৈ যায়
সংগোপনে…
……
বন্ধু, একোৱে দি থৈ নাযায় তাত
শুহি লৈ যায়… শুহি লৈ যায়
কেঁচা ফল সৰে
কেঁচা ফল সৰে
অবতৰ
অবতৰ



OKDISCD

গল্প

# আচল কথা

প্ৰসাদ ফুকন



গভীৰ উৎকণ্ঠাৰে উচপিচ কৰি থকাৰ পাছত তাই ঠিক সময়তে স্কুটাৰখনৰ মাত শুনিছিল। নিৰ্দিষ্ট সংকেত পোৱাৰ লগে লগে তাই হাতত সাৰে ভৰিত সাৰে শোৱাৰপৰা উঠি বিছনাত বহিল। চাৰিওপিনে ভালদৰে নিৰীক্ষণ কৰি তাই দেখিলে কাষৰ বিছনাত ভায়েকটো গভীৰ টোপনিত নিমগ্ন; বেৰখনত কাণ থৈ গম পালে— মাক-বাপেকো ইটো কোঠাত টোপনিত লাল-কাল। এইবাৰ তাই বহাৰপৰা উঠি গাৰুৰ তলত থৈ দিয়া মাকলৈ বুলি লিখা তাইৰ চিঠিখন পুৰাই সকলোৰে দেখাকৈ মেজৰ ওপৰত থলে। সংগোপনে, কোনো শব্দ নোহোৱাকৈ আগতেই বুদ্ধি কৰি ছুক নমৰাকৈ জপাই থোৱা দুৱাৰখন লাহেকৈ মেলি তাই বেগাই স্কুটাৰখনৰ পিনে আগবাঢ়িল। তাইৰ বুকুখন বৰকৈ ধপ ধপাইছিল, উশাহবোৰ ঘন হৈছিল। আবেগ উৎকণ্ঠাই তাইক ইমান উতলা কৰি তুলিলে যে তাই মন নকৰিলে বাহিৰৰ উপচি পৰা মিঠা জোনাক, গোন্ধ নললে শৰতৰ শেৱালী সুবাস আৰু তাইৰ ভৰিত নালাগিল নিয়ৰত তিতি থকা দুবৰিৰ চেঁচা পৰশ। চিৰ কালৰ বাবে মৰমৰ ঘৰখন এৰি যাবলৈ তাই যে চোৰৰ দৰে আগবাঢ়িছে সেইটো ভাবিবলৈ তেতিয়া তাইৰ অৱকাশ নাছিল। কোনেও নেদেখাকৈ কাম-ফেৰা সমাধা কৰিব পাৰিলেই ৰক্ষা।

দূৰত নাম নজনা চুটা চৰায়ে উকি মাৰিছিল।

তাই একে কোবেই প্ৰায় লৰি যোৱাৰ দৰে গৈ স্কুটাৰখনৰ পিছত বহি দীঘলীয়া উশাহ ললে। অৰ্থনীতিৰ প্ৰবক্তা কাৰ্তিকৰ ধপধপাই থকা বুকুখন ইৰাই স্কুটাৰত বহি তাৰ কঁকালত হাত থোৱাৰ পাছতহে শান্ত হৈছিল। প্ৰবক্তা হৈ ছোৱালী হৰণ কৰাৰ নিচিনা অপৰাধ এটা কৰাৰ শাস্তি কি হব পাৰে সেইটো তাৰ মনলৈ অহা নাছিল। স্কুটাৰ আগবঢ়াৰ লগে লগে ইৰাই এটাৰ পিছত এটাকৈ এৰি থৈ আহিল তাইৰ ঘৰৰ চাৰি সীমাটো, তাইৰ চুবুৰীটো, তিনি আলিত থকা দোকান কেইখন, স্কুলটো··· আৰু লাহে লাহে এটাৰ পিছত এটাকৈ আগবাঢ়ি আহিল কাৰ্তিকৰ চুবুৰীটোলৈ, তাৰ ঘৰৰ চাৰি বেৰৰ মাজলৈ আৰু একেবাৰে শেষত কাৰ্তিকৰ কোঠালৈ।

কাৰ্তিকৰ মাক-বাপেকে সাইলাখ অপেশ্বৰী হেন ইৰাই ৰাজ-অট্টালিকা সদৃশ ঘৰ এৰি আহি তেওঁলোকৰ নিঃকিনৰ ভগা-পজাত লুকাই চুৎকৈ হলেও বোৱাৰী হৈ সোমোৱাটোক পৰম সৌভাগ্যৰ কথা বুলি ভাবি তাইক হিয়া উবুৰিয়াই আশীৰ্বাদ দিলে। আনন্দত উৎফুল্ল হৈ পৰা কাৰ্তিকৰ ভনীয়েকেও মনে মনে কাৰ্তিকৰ বিছনাত বহি থকা বৌৱেকক চাই গ'ল।

আবেগ আৰু উৎকণ্ঠাৰ মাজতেই ইৰাই বোৱাৰী জীৱনৰ প্ৰথম নিশা শেষ কৰিলে। ৰাতিপুৱা তাইৰ সোনকালেই টোপনি ভাগিছিল : কিন্তু কাষতে থকা কাৰ্তিকে নাক ঘোৰঘোৰাই শুই থকাত তাই নিজেও বিছনাত পৰি থাকিবলগীয়া হ'ল ; কাৰণ কাৰ্তিকৰ অবিহনে তাই আছিল এই অচিনাকী ঘৰখনত একেবাৰে নিঃসম্বল। খিৰিকিৰ ফাকেঁদি সোমাই অহা ৰ'দৰ পোহৰত কাৰ্তিকৰ ঘৰৰ জৰা-জীৰ্ণ অৱস্থাটো আৰু ভিতৰত থকা তাই চুবলৈকো ঘিন কৰা আচবাববোৰ দেখি তাইৰ মন সেমেকি উঠিছিল। তাই এতিয়াহে উপলব্ধি কৰিলে যে তাই পৰ্বতৰ পৰা নামি আহি দ পুখুৰীত পোত খালেহি। শোক আৰু দুঃখ তাইৰ এতিয়াহে লাগিল। তাইৰ নিজৰ ঘৰখনলৈ এতিয়াহে মনত পৰিল। তাই লিখি থৈ অহা চিঠিখন চাগৈ এতিয়ামানে ঘৰৰ সকলোৱে পঢ়া শেষ কৰিলে। ঘৰত মাকে নিশ্চয় কান্দিছে, বাপেকে খং আৰু অভিমানত বাঘৰ দৰে গৰ্জিছে। আৰু ভায়েকে বাৰু কি কৰিছে ?

বিছনাৰপৰা নামি চেঁচা মাটিত ভৰি দি, লেতেৰা পায়খানালৈ গৈ গা-ধোৱা পৰ্বটো শেষ কৰোঁতে তাই নৰকৰ যন্ত্ৰণা অনুভৱ কৰিলে। তেতিয়াই তাইৰ মনত খেলালে— এইখন ঘৰত তাই কেতিয়াও থাকিব নোৱাৰে। উস ! কাৰ্তিকৰ বাপেকটো আৰু মাকজনী ! কি চেহেৰা ! কাপোৰবিলাকত মদৰুৱা ৰং, মুখত তামোলৰ পিক আৰু গাত কিবা কেচেমা কেচেম গোন্ধ !

কাৰ্তিকৰ ঘৰখনে ভালদৰেই বুজি পাইছিল যে বোৱাৰীয়েকে কাম-কাজ কৰি শাহু-শহুৰেকৰ আলৈপেচান নধৰে। দৰাচলতে তেওঁলোকেহে তাইক দেৱীক ধৰাৰ দৰে আলৈপেচান ধৰিবলৈ ল'লে। ৰাতিপুৱা বিছনাৰপৰা উঠি মুখখন ওফোন্দাই নতুনকৈ কিনি আনি দিয়া ছেণ্ডেলযোৰ পিন্ধি হস্তিনীৰ দৰে খোজ কাঢ়ি তাই ব্ৰাছেৰে দাঁত ঘহে, গা ধুবলৈ কাৰ্তিক বা কাৰ্তিকৰ ভনীয়েকে গা-ধোৱা ঘৰলৈকে পানী কঢ়িয়াই নি দি আহে ; কাপোৰ-কানি লুধুমী বোলা মানুহজনীক মাতি আনি ধোৱাবলগীয়া হ'ল। কুটা এডালকো দুডোখৰ নকৰা তাই নিজে খোৱা বাচন-বৰ্তন কেইটাও নোধোৱে ; —শাহুৱেকে বোৱাৰীৰ বাচন এনেয়ে হাতেৰেই চুচুলেহেঁতেন, —কিন্তু ইৰা হ'ল গোসাঁইৰ ছোৱালী, সাইলাখ গোঁসানী। পলমকৈ শুই উঠি কোনোমতে প্ৰাতঃ কাৰ্য সমাপন কৰি তাই সিহঁতৰ কোঠাত সোমাব ; —কাৰ্তিকৰ নিৰ্দেশত ভায়েকে কোঠাতে চাহ-জলপানৰ যোগাৰ দি আহিব। সদায় চকীত বহি মেজত ভাত খোৱা তাই দুপৰীয়া গধুলি অতি বিৰক্তিৰেহে মাটিত বহি ভাত খালে। তাই দিনটো কোঠাতে সোমাই থাকে ; —কাৰ্তিকৰ লগতে দুই-এষাৰ কথা পাতে। ইৰাক কিবা এটা কবলৈ শাহু-শহুৰেকৰ সাহস নহয়। তেওঁলোকে ভালদৰেই বুজিছে যে সদায় ৰাজসুখত লালিতা-পালিতা হোৱা ইৰাই তেওঁলোকৰ ঘৰত সহজভাৱে থাকিব নোৱৰাটো অতি নিয়মৰ কথা ; ইয়াত ব্যতিক্ৰম একো নাই। তেওঁলোকে যিমান পাৰে সিমান যত্ন কৰি তাইৰ মন যোগাবলৈ চেষ্টা কৰিছে।

বেচেৰা কাৰ্তিকেও কম কৰা নাই। এই কেইদিনতে সি ধাৰত পোত গ'ল। প্ৰবক্তাৰ হাত যিমান দূৰলৈ মেলিব পাৰি সিমান দূৰলৈকে সি মেলিছে। ইৰাক সি হাতেৰে চুকি পোৱা নাছিল, ওপৰলৈ জাপ এটা মাৰিহে ধৰিছিল ; এতিয়া সি ককবকাইছে। ইৰাই তাক নগৰত ভাৰা ঘৰলৈ থাকিবৰ বাবে ধৰিছে। ঘৰৰপৰা বেলেগে ভাৰা ঘৰত থাকিবৰ বাবে ধৰিছে। ঘৰৰপৰা বেলেগে ভাৰা ঘৰত থাকিবৰ বাবে কৈ তাই কান্দি-কাটি বলিয়া হোৱাদি হৈছে। সি তাইক বুজাবলৈ যত্ন কৰিছে যে সি ঘৰখনৰ একমাত্ৰ ল'ৰা আৰু জীৱিকাৰ সম্বল। গতিকে তাৰ পক্ষে ঘৰখন এৰি যোৱাটো যুক্তিকৰ নহ'ব। ইৰা কিন্তু নাচোৰবান্দা। তাই যুক্তি দিছে— তাৰ বাবে তাই যেতিয়া ঘৰ এৰিব পাৰে, সিও তাইৰ বাবে ঘৰ এৰিব পাৰিব লাগিব। সি আকৌ কৈছিল— ইৰাই তাৰ বাবে ইমানখিনি ত্যাগ কৰিলেই যেতিয়া আৰু অকণমান বেছি কৰিবলৈ তাই আপত্তি কৰিব নালাগে। তাই শেষৰ হাঁহি মাৰি মুখে মুখে উত্তৰ দিছিল— আনৰ দান গ্ৰহণ কৰি দেৱতা হব খোজা মানুহলৈ তাইৰ পুতৌ ওপজে। ইৰালৈ কাৰ্তিকৰ দুঃখো লাগিল। এই কেইদিনতে পদুম ফুল যেন ছোৱালীজনী বহুত লেৰেলি গ'ল।

ইৰাহঁতৰ ঘৰখন যেনেকৈ সমাজত ধনে-ধানে জাকত জিলিকা, ঠিক তেনেকৈ কাৰ্তিকহঁতৰ আপোন মানুহবোৰো সমাজত সুপ্ৰতিষ্ঠিত। মাত্ৰ কাৰ্তিকহঁতৰ ঘৰখনহে ইয়াৰ ব্যতিক্ৰম। এই আপোন মানুহবিলাকৰ বহুতেই কাৰ্তিকহঁতক নিজৰ বুলি চিনাকি দিবলৈকে লাজ পায়। কাৰ্তিক প্ৰবক্তা হোৱাৰ পাছতহে দুই একে সিহঁতক চিনি পাবলৈ লৈছিল। আপোন মানুহৰ বহুতেই ইৰা সিহঁতৰ ঘৰলৈ বোৱাৰী হৈ অহাটোক সহজভাৱে লব পৰা নাছিল। কাৰণ মাত্ৰ এটাই— সেইটো হ'ল ইৰ্ষা।

সময়ে কাৰ্তিকক ভালদৰে শিকনি দিছে। সি ভালদৰে বুজি পোৱা হৈছে কোনটো বুটাম টিপিলে গাখীৰ ওলাব, কোনটো টিপিলে পানী ওলাব আৰু কোনটো টিপিলে মিঠাই ওলাব। তাৰ ঘৰখনৰ প্ৰতি দায়িত্ব আছে, তাৰ ভাই-ভনীৰ উজ্জ্বল ভৱিষ্যতৰ লগত আৰু আনন্দ মিহলি হৈ আছে। ইৰাই সিহঁতৰ ঘৰত প্ৰথম অৱস্থাত জীন যাব নোৱাৰিলেও লাহে লাহে তাই খাপ খাই পৰিব। শিৰত সেন্দুৰ লোৱাৰ পাছত এই নাৰীৰ আন্দোলনৰ যুগতো তিৰোতাই কান্ধত হাল তুলি লোৱা বলদৰ দৰে হাহেঁৰেও ৰাজী হব লাগিব, মাহেৰেও ৰাজী হব লাগিব। ইয়াৰ বাবে এতিয়া আন কোনো পথ নাই ; সিহে তাইক পথৰ নিৰ্দেশ দিব লাগিব। সি কিছুদিন অপেক্ষা কৰিলেই ইৰাই পৰিস্থিতিৰ লগত মিলি যাব পাৰিব বুলি তাৰ বিশ্বাস।

সি এটা উপাই ভাবি উলিয়াইছে —যিটো কৰিলে সাপো মৰিব লাঠীও নাভাগিব। বি. এ. পাছ কৰি যোৱা ইৰাক চহৰৰ চৰকাৰী স্কুলৰ খালী হৈ পৰি থকা পদটোত নিযুক্তি দিয়াব লাগিব। তেতিয়া ইৰাৰ চাকৰিৰ প্ৰয়োজনতেই নগৰত থাকিব লাগিব বুলি মাক-বাপেকক পতিয়ন নিয়াব পাৰিব। অৰ্থনৈতিক ফালৰ পৰাও তাৰ লাভ হব। ইৰায়ো ব্যস্ততাৰ মাজত থাকি জীৱনটোক সহজভাৱে লব পাৰিব। কিন্তু ইয়াকে কৰিবলৈ সি সামাজিকভাৱে বহিষ্কাৰ কৰি থোৱা নেতাজনৰ ওচৰলৈ যাব লাগিব।

কিন্তু যাব কেনেকৈ ? সি নিজেই বহুত বাৰ নেতাজনৰ বিৰুদ্ধে বক্তৃতা দিছে, সুবিধাবাদী ৰাজনীতিৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছে। কিন্তু সি নেতাজনৰ ওচৰলৈ নগলে কি হব, ৰাইজৰ মাজৰে আন কোনোবা যাব। সি নেতাজনৰ ওচৰলৈ নগলে তেওঁৰ একো লোকচান নহয়, বৰঞ্চ লোকচান হব তাৰ নিজৰ। মুঠতে সি ভাৱি ঠিৰাং কৰিলে যে সি নেতাজনৰ ওচৰলৈ যাব।

ৰাতি সাত মান বজাত আগ-পিছ চাই ভগৱন্ত বস্তুক স্মৰণ কৰি চোৰৰ দৰে নেতাজনৰ ঘৰত সোমাই সি দেখিলে নেতাৰ বদনাম গাই ফুৰা তাৰ লগৰ কেইবাজনো নেতাজনৰ ঘৰতে বহি আছে। তেওঁলোকক দেখি তাৰ মনলৈ সাহস আহিল, তাৰ বুকু ডাঠ হ'ল। ছিগাৰেট এটা জ্বলাই লগৰ কেইজনৰ লগত কথা-বতৰা পাতি সি পৰিস্থিতি সহজ কৰি পেলালে। নানান কথা-বতৰা পাতিলে যদিও সি তাৰ আগমনৰ উদ্দেশ্য কাকো নকলে। মাজতে কোঠাটোত বহি থকা মানুহবিলাকৰ এজনে নেতাজনৰ গুণ বখানি

কলে যে নেতাজন বৰ খোলা মনৰ মানুহ। এজনে আকৌ কলে নেতাজন বৰ সত্যবাদী, কাচিৎ অতি দৰকাৰ পৰিলেহে তেওঁ দুই এটা মিছা কথা কয়। এইবাৰ সি মাত লগালে— ৰাজনীতি কৰিলে কেতিয়াবা দুই এটা মিছা কথা কব লাগিবই। কাৰ্তিকে গৌৰৱ কৰি কলে—তাৰ লগত নেতাজনৰ সৰু কালৰে পৰাই চিনাকি। নেতাজনে বৰ ভাল ডবা খেলিব পাৰিছিল, কিন্তু ফুটবল খেলিব নোৱাৰিছিল। সকলোতকৈ ডাঙৰ কথা হ'ল তেখেতৰ বক্তৃতা দিব পৰা গুণটো। বক্তৃতা দিব পৰাটো যে এটা আৰ্ট তাক তেখেতৰ শুনিলে শুনি থাকিবলৈ মন যোৱা বক্তৃতা শুনিলেহে উপলব্ধি কৰিব পাৰি। আন এজনে মন্তব্য কৰিলে—নেতাজন একনিষ্ঠ দেশৰ সেৱক। নিজক বিক্ৰি কৰি কোনেও দেশৰ সেৱা কৰিব নোৱাৰে। আনৰ ভাল দেখিব নোৱৰা চকু-চৰহাবোৰক শাস্তি দিবৰ বাবে আইন প্ৰণয়ন কৰিব লাগে।

যথাসময়ত নেতাজনক মানুহে লগ ধৰা কোঠাটোলৈ পিয়নৰ নিচিনা মানুহ এজনে তাক আগবঢ়াই নিলে। নেতাজন অকলে কোঠাটোত বহি আছিল। সন্মুখৰ চকীখনত বহিবলৈ আঙুলিয়াই দি নেতাজনে ক'লে, "কিহে কাৰ্তিক, তুমিটো মোৰ মুখখন চাবলৈ নিশ্চয় অহা নাই! কিবা মতলব লৈহে আহিছা! গতিকে মতলবটোকে কোৱা।"

নেতাজনৰ কথাত তাৰ কাণ-মুখ ৰঙা পৰিল। সি মুখেৰে মাতিব নোৱৰা হ'ল। কি কৰিব নকৰিব ভাবি থাকোঁতেই নেতাজনে মাত মাতিলে, "সংকোচ কৰিব নালাগে। মেলে-মিটিঙে মানুহে মোৰ বদনাম গাই থাকিলেও, স্বাৰ্থৰ সময়ত মানুহ মোৰ ওচৰলৈ আহিবই, দৰাচলতে তেওঁলোক তোমাৰ দৰেই মোৰ শুভাকাংক্ষী। আচলতে কি জানা? মানুহে মোক ভোট দিয়ে তেওঁলোকৰ নিজৰ স্বাৰ্থত আৰু মই…।"

সি তাৰ আগমনৰ উদ্দেশ্য কোৱাত নেতাজনে লগে লগে ফোন কৰি ইৰাই চাকৰি পোৱাটো খাটাং কৰি দিলে। নেতাজনে স্কুলীয়া বন্ধু কাৰ্তিকক চাহ একাপ দিবৰ বাবে বন কৰা লৰাটোক নিৰ্দেশ দি ছিগাৰেটত হোপা এটা মাৰি খোলাকৈ কলে যে ৰাইজৰ দাবীবোৰ যুক্তি সংগত। কিন্তু হক কথাত মাত মাতিলে, সঁচা কথা কলে তেওঁৰ গাদী যাব আৰু তেওঁৰ সলনি গাদীত আন এজন বহিব। ৰাইজৰ একো লাভ নহব, কিন্তু তেওঁৰ লোকচান হব। তেওঁ গাদীত থকা বাবেহে তেওঁ কাৰ্তিকৰ নিচিনা দুখীয়া বা বিপদত পৰা মানুহক সহায় কৰিব পাৰিছে।

নেতাজনে ছিগাৰেটৰ ধোঁৱাবোৰ ওপৰলৈ এৰি দি ইয়াকো কলে যে তেওঁৰ নিজৰ ৰাজনৈতিক দলটোৰ নেতাজনৰ ওপৰত কোনো আস্থা নাই। ৰাইজ আৰু নিজৰ সুবিধাৰ বাবেহে তেওঁ তিনিবাৰকৈ দল সলনি কৰিছিল, নিজৰো কাম হব লাগে, ৰাইজৰো হব লাগে;— নীতি-অনীতি, নিয়ম-অনিয়ম, প্ৰিনছিপলনে ফিনছিপল সেইবোৰৰ দৰকাৰ নাই।

কাৰ্তিকে উপলব্ধি কৰিলে—মানুহজন বৰ খোলা।

নেতাজনৰ ঘৰৰ পৰা ঘৰলৈ বুলি আহি থাকোঁতে কাৰ্তিকে নিজকে বৰ বুদ্ধিয়ক মানুহ বুলি ভাবিলে। সি সময়ৰ শৰ মাৰিব জনা মানুহ বুলি তৃপ্তি লভিলে। সচাঁকৈয়ে সি যুগৰ লগত মিলা মানুহ, গাইৰ গাখীৰ খীৰাব জনা মানুহ। তাৰ আশা আছে, আকাংক্ষা আছে, বুদ্ধি আছে, শক্তি আছে। সি বেগাই ধাবমান হব লাগিব লাহে লাহে যোৱাৰ প্ৰশ্ন উঠিবই নোৱাৰে। সি কব নোৱৰাকৈ তাৰ স্কুটাৰৰ বেগ বাঢ়ি গল।

৫০ পৃষ্ঠাৰ পিছৰ পৰা

বিয়াখনলৈ আঙুলিয়াই দি পলাশৰ বংশ-গোত্ৰৰ চিন হেৰোৱাৰ কথাটো আলোচনা কৰিছে। এনেয়েই তেওঁ-লোকৰ পবিত্ৰ বংশটোত এনে ধৰণৰ অঘটন ঘটা নাই। তেওঁৰ দিনতে ঘটক, এইটো বদনাম চক্ৰৱৰ্তীয়ে লব নোখোজে। "আপোনাক্ষেও এনে এটা অপুদঘাত কথা মনলৈ অনাৰ আগতে দহবাৰ ভাবি চাব লাগিছিল। দুই বাপ-বেটাই ইমান নিশ্চিত হৈ পোন-চাটেই বিয়াৰ প্ৰস্তাৱ দিবলৈ অহাটো কেনেকুৱা হৈছে নিজেই ভাবি চাব।"

দত্তই চিঠিখন দুবাৰ পঢ়িলে। পঢ়ি আগ দিনাৰ দৰেই নিশ্চল হৈ বহি থাকিল। গধুলি পলাশ কামৰ পৰা আহিলত তেওঁ চিঠিখন নিৰৱে তালৈ আগবঢ়াই দিলে। পলাশেও চিঠিখন দুবাৰ পঢ়িলে। সিও দেউতাকৰ দৰেই নিশ্চল হৈ গ'ল। আন্ধাৰ গাঢ় হৈ আহিছিল। কিন্তু বহা ঠাইৰ পৰা এজনো উঠি নাহিল। সেই সন্ধ্যা তেওঁলোকৰ খোৱাও নহ'ল।

পাছ দিনা সোনকালে ভাত ৰান্ধি খাই পলাশ ওলাই গ'ল। কিন্তু সি কামলৈ নগৈ গোটেইখনতে বলিয়াৰ দৰে ঘূৰি-পকি ফুৰিলে। যি হয় হ'ব বুলি শোভনাক কলেজত লগ ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু শোভানাক কোনেও দেখাৰ কথা কব নোৱাৰিলে।

ঘৰত থাকিব নোৱাৰি দত্তও ওলাই গ'ল। প্ৰথমে স্কুললৈ গ'ল—দৰখাস্তৰ কিবা উত্তৰ আহিছেনেকি খবৰ লবলৈ। তাৰ পাছত প্ৰকাশক বৰুৱাইনো কি ঠিক কৰিলে খবৰ লবলৈ যাব।

দুদিন পাছত পলাশে গম পালে যে শোভনাক দেউতাকে নগাওঁৰ মামাকৰ তালৈ পঠাই দিছে। কিয় পঠাইছে, কেতিয়া ঘূৰি আহিব, এইবিলাক হ'লে কলেজত কোনেও কব নোৱাৰিলে।

(আগলৈ)





# ওজাপালি অনুষ্ঠানৰ চমু আভাস

অতুল চন্দ্ৰ বৰুৱা

ওজা আৰু পালি— এই দুটা শব্দৰ সমাহাৰত ওজা-পালি বা ওজাপালি শব্দ নিষ্পন্ন হৈছে। কাৰ্যক্ষেত্ৰতো পদ লগাই দিওঁতা ওজা আৰু সেই পদ ধৰা পালিসকল লগ লাগি ওজাপালিৰ দল গঠিত হয়। ওজাপালি অনুষ্ঠান অসমৰ প্ৰাচীন দৃশ্য-শ্ৰব্য কলা ৰীতিৰ এক যুগমীয়া সৃষ্টি। ধৰ্মক কেন্দ্ৰ কৰিয়ে ইয়াৰ জন্ম হৈছিল আৰু জনগণৰ প্ৰাণৰ লগত এই নৃত্য-গীত সংস্কৃতিৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। এতিয়াৰ মূলতে ই ধৰ্মাশ্ৰয়ী।

ওজাপালি সংগীতক একপ্ৰকাৰ অভিনয় বুলিব পাৰি; কাৰণ ইয়াত নৃত্য, গীত, মুদ্ৰা আৰু সংলাপ— চাৰিওটা উপাদান বিদ্যমান: অভিনয়ৰ পূৰ্ণতা লভিবলৈ কেৱল এটা সমলৰ অভাৱ; সেইটো হৈছে— বৰ্ণনাৰ কাহিনীত উল্লিখিত চৰিত্ৰবোৰে স্বকীয় ৰূপত দেখা নিদিয়ে।

আনুষ্ঠানিক উপাদানবোৰ একে হলেও ধৰ্মীয় আদৰ্শ আৰু সাংগীতিক উপস্থাপনৰ ফালৰপৰা ওজাপালি খাইকৈ দুটা শাখাত বিভক্ত: বিয়াহ-গোৱা ওজাপালি আৰু সুকনান্নী গোৱা ওজাপালি। বিয়াহগোৱা ওজাপালিক বিয়হীয়া বা সভাগোৱা ওজাপালি আৰু সুকনান্নীগোৱা ওজাপালিক মাৰৈগোৱা বা ৰংগোৱা ওজাপালি নামেৰেও জনা যায়।

বিয়াহগোৱা ওজাপালিয়ে কেতিয়াও মনসা পূজা বা মাৰৈ পূজাত গীত নাগায় আৰু মাৰৈগোৱা ওজাপালিয়েও সভা বা বিষ্ণুপূজাত গীত-মাত পৰিবেশন নকৰে। সেই ফালেদি চাই ধৰ্মীয় আদৰ্শৰ ফালৰপৰা বিয়াহৰ ওজাপালিক বৈষ্ণৱপন্থী আৰু মাৰৈগোৱা ওজাপালিক শাক্তপন্থী ওজাপালি বুলিব পাৰি। কিন্তু দৰাচলতে শাক্ত বৈষ্ণৱৰ সীমা-বান্ধনি বহুক্ষেত্ৰত ওজাপালিয়ে মানি নচলে; শাক্ত ওজাপালিয়েও দশাৱতাৰ বৰ্ণনা আদি বৈষ্ণৱী গীত আৰু বৈষ্ণৱী ওজাপালিয়েও আগৰ, মালচী, আদি শক্তি-আৰাধনাৰ স্তুতি-বন্দনা গায়।

বিয়াহৰ ওজাপালিয়ে মহাভাৰত, ৰামায়ণ, পুৰাণ আদিৰ বিতোপন আখ্যান কিছুমান গীত-পদৰ মাধ্যমত গায়। বেদব্যাস বিৰচিত মহাভাৰত, পুৰাণ আদিয়েই তেওঁলোকৰ মূল গেয় কাব্য কাৰণে তেওঁলোকক ব্যাস বা বিয়াহ গোৱা ওজাপালি বোলা হয়। আনহাতে সুকবি নাৰায়ণদেৱ প্ৰণীত মনসা কাব্যই গীতৰ মূল কাহিনী হোৱা হেতুকে মাৰৈগোৱা ওজাপালিক সুকবিনাৰায়ণী বা চমুকৈ সুকনান্নী গোৱা ওজাপালি বোলে। লখিন্দাৰৰ সৰ্পদংশনৰ করুণ কাহিনীটোকে মূলবস্তু হিচাপে লৈ একে মনসা কাব্যকে অসমীয়াত তিনিজনা কবিয়ে গীতিৰূপ দি নৃত্য-গীতেৰে পৰিবেশন কৰাৰ ব্যৱস্থা কৰিছিল। বিশেষ মন কৰিবলগীয়া কথা এই যে কাব্যকাৰ কবিসকলৰ নামেৰেই এই গীতিকাব্য কেইখন আৰু তেওঁলোকৰ মৌখিক গীতাৱলী জনাজাত হৈছিল; যেনে, সুকবি নাৰায়ণদেৱৰখন সুকনান্নী, দুৰ্গাবৰ কায়স্থৰখন দুৰ্গাবৰী আৰু মনকৰৰখন মনকৰী মনসা কাব্য। তিনিওজন স্বভাৱ-কবি আৰু সংগীতজ্ঞ ওজা আছিল।

সাজপাৰত দুয়োবিধ ওজাপালিৰ ওজা দুজনৰ চকুতলগা পাৰ্থক্য আছে। বিয়াহৰ ওজাই মূৰত বিশেষ ধৰণে প্ৰস্তুত কৰি লোৱা বগা পাগুৰি মাৰে। এই পাগুৰি আকৃতিত আগ ফালতকৈ পিছফাল ক্ৰমান্বয়ে বহল আৰু কিঞ্চিৎ ওপৰলৈ উঠা। পাগুৰিটোৰ পিছফালৰ বহল অংশক পাঁজিয়া বোলে। ইয়াৰ বাহিৰেও ওজাই পুৰণি ধৰণৰ চাপকন চোলা আৰু তাৰ লগত সংলগ্ন দীঘল ঘূৰীয়া-জামা পিন্ধি ককালত ভুটীয়া দখনা বা তদনুৰূপ বস্ত্ৰৰ টঙালি বান্ধে। তেওঁৰ কান্ধৰ দুয়ো কাষে সন্মুখৰ ফালে ফুলাম পঁছৰা ওলমি থাকে। তেওঁ ভৰিত নেপুৰ, হাতত গাম-খাৰু, কাণত কড়িয়া, ডিঙিত মণিমালা, আঙুলিত আঙঠি পিন্ধে, আৰু কপালত বগা চন্দনৰ ফোঁট লয়। পালিসকলে কপাহী সূতাৰ ভুনি পিন্ধি গাত চাপকন বা খাঁৰী কুৰ্তা চোলা পৰিধান কৰে। তেওঁলোকে মূৰত বগা চাদৰৰ ঐফুলীয়া পাগুৰি মাৰি কান্ধত হাঁচতি বা গামোচা লয়। কপালত ব'গা চন্দনৰ ফোঁট জিলিকি থাকে। দলটোত ওজাৰ বাহিৰে পালি চাৰি-পাঁচজন থাকে। ওজাই হাতৰ মুদ্ৰাৰে উপাস্য দেৱতালৈ প্ৰণতি জনাই মুকলি সভাত ৰাইজৰ আগতে ভৰিত নেপুৰ পিন্ধে আৰু তেতিয়া তেওঁক গন্ধৰ্বত পৰিণত হোৱা বুলি ধৰি লোৱা হয়। ই ওজাৰ সভা গোৱাৰ প্ৰাথমিক কাম।

সুকনান্নীগোৱা ওজাৰ পোচাক-পৰিচ্ছদৰ বিয়াহৰ দৰে বিশেষ উল্লেখযোগ্য বৈশিষ্ট্য নাই। ওজাই পাটৰ, মুগাৰ বা কপাহী সূতাৰ ভুনি পিন্ধি মূৰত বগা চাদৰেৰে ডিম্বাকৃতিৰ কুন্থম পাগুৰি মাৰে। তেওঁ গাত চাপকন চোলা পৰিধান কৰি হাতত গাম-খাৰু, ডিঙিত মণিমালা, কান্ধত বগা চাদৰ আৰু কপালত ৰঙা ফোঁট (শক্তিৰ প্ৰতীক) লয়। পালিসকলে সাধাৰণতে কপাহী সূতাৰ ধুতি পিন্ধি মূৰত মৈৰাছালীয়া পাগুৰি মাৰি গাত খাঁৰী কুৰ্তা চোলা পিন্ধে। তেওঁলোকৰো কান্ধত গামোচা আৰু কপালত ৰঙা ফোঁট জিলিকি থাকে। দলটোত সহযোগী পালি পাঁচ-ছজন লাগে।

সুকনান্নীৰ ওজাপালি ৰঙিয়াল আৰু বিয়াহৰ ওজাপালি গাম্ভীৰ্যপূৰ্ণ। সেয়েহে কোৱা হয় সুকনান্নীৰ ওজা বুঢ়া হলেও ডেকা আৰু বিয়াহৰ ওজা ডেকা হলেও বুঢ়া হয়। সুকনান্নীৰ পদগোৱাত পদৰ চালনা, ঢেক আদি সঘনে সলনি হয় আৰু বিয়াহৰ পদ শাস্ত্ৰীয় পদ্ধতি মানি ৰাগ-মালিতা সহকাৰে ক্ৰমান্বয়ে আগবাঢ়ে। মনসা-পূজাত দেওধনী নৃত্য পৰিবেশন সুকনান্নী

৫৭পৃষ্ঠাত চাওক



OKDISCD

# বয়স-বুদ্ধি-অভিজ্ঞতা

অসমৰ বাহিৰৰপৰা প্ৰকাশিত বাতৰি-কাকত এখনত অসমৰ নতুন চৰকাৰ সম্পৰ্কে ৰাজ্যখনৰ উচ্চস্থানীয় বিষয়াৰ প্ৰতিক্ৰিয়াৰ বিষয়ে এটা বাতৰি পঢ়িলো। বাতৰিটোৰ সাৰাংশ হ'ল: উচ্চস্থানীয় আই. এ. এছ আৰু আই. পি. এছ. বিষয়াসকল অসম গণ পৰিষদৰ চৰকাৰ অধীনত তেওঁলোকৰ অৱস্থা সম্পৰ্কে সন্দিহান হৈছে। আন্দোলনৰ প্ৰতি সহানুভূতি থকা এচাম বিষয়াই নতুন চৰকাৰক স্বাগতম জনাইছে, কিন্তু আন এচামে সন্দেহ কৰিছে,— অসম গণ পৰিষদৰ নেতাসকলৰ অনভিজ্ঞতাই ৰাজ্যখনক দুৰ্দশাগ্ৰস্ত কৰিব পাৰে। বিষয়াসকলৰ প্ৰধান সমস্যা হ'ল— বয়সত সৰু মন্ত্ৰীৰপৰা তেওঁলোকে হুকুম লব লাগিব। আগৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ লোক বুলি চিনাক্ত হোৱা কিছুমান বিষয়াই প্ৰতিহিংসামূলক নিপীড়ন (victimisation) ভোগ কৰিব লাগিব বুলি ভয় কৰিছে।

এইবোৰ কথা ন্যায়, সত্য আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিতত গভীৰভাৱে বিচাৰ কৰিব লাগে। শাসনৰ ক্ষমতালৈ নতুন ৰাজনৈতিক দল আহিলে উচ্চস্থানীয় বিষয়াসকলৰ কিছু সমস্যা সদায়, সকলো দেশতে হয়। কাৰণ তেওঁলোক চিন্তা-ভাবনা-মগজ নোহোৱা প্ৰাণী নহয়; যি পাত্ৰতে থোৱা যায়, তৎক্ষণাত, নিৰ্বিবাদে তাৰেই আকাৰ ধাৰণ কৰা পানী নহয়। বৰঞ্চ তেওঁলোক যেতিয়া আই. এ. এছ, আই. পি. এছ আদি পৰ্যায়ৰ লোক, গতিকে তেওঁলোক বুদ্ধিমান। এই বুদ্ধিৰ কাৰণেই তেওঁলোকক অতি গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হয়। ৰাজ্য এখনত ৰাষ্ট্ৰপতিৰ শাসন চলি থাকিলে এই বিষয়াসকলেই ৰাজ্যখন চলায়। এওঁলোকৰ বুদ্ধিবৃত্তিৰ ওপৰত ইমানেই ভাৰসা ৰখা হয় যে আজি যিজন বিষয়া মীন বিভাগৰ দায়িত্বত আছে, কাইলৈ তেওঁ শিক্ষা বিভাগৰ দায়িত্ব লোৱাটোও আচৰিত হ'ব লগীয়া কথা নহয়। এজন বিষয়া এটা বিভাগত "এক্সপাৰ্ট" হৈ গ'ল, এজন বিষয়াৰ অধীনত থাকোঁতে অমুক বিভাগটো সুন্দৰ, সুদক্ষ হৈ উঠিল, তেনেধৰণৰ কথা আমাৰ ৰাজ্যবোৰত সাধাৰণতে প্ৰতিষ্ঠিত নহয়েই; নানান ধৰণৰ এশ এটা কাৰণত তেওঁলোকৰ বিভাগবোৰৰ সালসলনি হৈ থাকে। এতিয়াও হব। এওঁলোকৰ নিজকে খাপখুৱাই লোৱাৰ ক্ষমতা আছে, সেই কাম এওঁলোকে এতিয়াও কৰিব। কেৱল মূল প্ৰশ্নটো হৈছে— এওঁলোকৰ বুদ্ধিবৃত্তিৰ লগত দেশপ্ৰেম আৰু ৰাজ্যখনৰ মংগলৰ চিন্তা জড়িত হৈ আছে নে নাই? মন্ত্ৰী বহু ধৰণৰ আছে; মেট্ৰিক পাছ নকৰা বুঢ়াও আছে, এম. এ পাছ কৰা ডেকাও আছে। মেট্ৰিক পাছ নকৰা জ্ঞানীও আছে, এম. এ. পাছ কৰা মূৰ্খও আছে। এওঁলোকক নিজ বুদ্ধি-বৃত্তিৰে, ৰাজ্যৰ মংগলৰ কথা মনত ৰাখি বিষয়াসকলে পৰামৰ্শ দি সহায় কৰি আহিছে নে নাই? সেইটোক অৱশ্যকৰ্তব্য বুলি গণ্য কৰি আহিছে নে নাই? যদি আহিছে তেনেহলে শাসনকাৰী ৰাজনৈতিক দল সলনি হলে ভয় কিহৰ? কাৰোবাৰ ভয়ৰ যদি কিবা ভেটি আছে, তেনেহলে সেই ভেটি তেওঁৰ নিজৰ অপকৰ্মৰেই সৃষ্টি কৰিছে। হুকুম দিয়া মন্ত্ৰীজন বুঢ়া নে ডেকা সেইটো লৈ চিন্তিত হোৱাতকৈ তেওঁলোকক সঠিকভাৱে পথ আৰু নীতিৰ পৰামৰ্শ দি সহায় কৰাৰ চিন্তা অধিক প্ৰয়োজনীয়। ৰাজ্যখনৰ অধিকাংশ লোকে বিচৰা পৰিবৰ্তনটোৰ প্ৰতি এটা সমীহৰ ভাব সকলোৰে থাকিব লাগিব। "এইজন মন্ত্ৰীয়ে একো নুবুজে; এওঁ কথাবোৰ দকৈ ভাবি নাচায়; কিবা উফাল মাৰি-মাৰি কথা কয়"— এনেকুৱা সঁচা বদনাম ৰাইজৰ মাজত বিয়পি পৰিবলৈও বৰ কম সময় লাগে। ৰাইজ এটা ডাঙৰ শক্তি;— এইটো বিষয়া-বিধায়ক-মন্ত্ৰী সকলোৱে জানে। এতিয়া যে এই শক্তিয়ে এটা নতুন ৰূপ লৈছে, তেওঁলোক সকলোৱে এই কথাও জানে।

মগজুৰ ক্ষমতাৰ ফালৰপৰা সাতাইছ-সাতত্ৰিছ— এইবোৰ গুৰুত্বপূৰ্ণ বয়স। আই. এ. এছ, আই. পি. এছ বিষয়াসকলেই এই কথাৰ প্ৰমাণ আটাইতকৈ বেছিকৈ দিব পাৰে। কিন্তু অভিজ্ঞতা বোলা বস্তুটোৰ মূল্য আৰু ক্ষমতা বৰ বেছি। সাম্প্ৰতিক ভাৰতৰ, বিশেষকৈ অসমৰ ৰাজনীতি আৰু দুৰ্নীতিৰ জটিলতাই অভিজ্ঞাতাৰ গুৰুত্ব বঢ়াই তুলিছে। শাসনৰ আসনলৈ অহা নতুন বিধায়ক মন্ত্ৰীসকলৰ প্ৰশাসন আৰু বিধানসভাৰ অভিজ্ঞতা নাই; কিন্তু এই কথাটো তেওঁলোকে নিজেই আটাইতকৈ বেছিকৈ জানে নে নাজানে? জানে। এনে অৱস্থাত কেনেকৈ চলিব লাগে, সেইটো ঠিক কৰি লোৱাৰ যথেষ্ট বুদ্ধিবৃত্তি তেওঁলোকৰে বহুতৰে আছে। যাৰ কম আছে, তেওঁলোকৰ সাৱধান বেছি থকাসকলে নিশ্চয় লব। কেৱল অভিজ্ঞতাৰ সুযোগ লৈয়েই তেওঁলোকক যাতে শলঠেকত পেলাবলৈ চেষ্টা কৰি নাথাকে, প্ৰতিপক্ষৰ মনত তেনেকুৱা এক ভাবৰ সৃষ্টি কৰাটো নিৰ্ভৰ কৰিব তেওঁলোকৰ নিজৰে সততা, উদাৰতা আৰু বুদ্ধিমত্তাৰ ওপৰত।

২৮।১২।৮৫



